তথাপিতো আশা নছাড়য়
হৰি হৰি হৰি কিনো বিপৰীত ভৈল।।”

কিন্তু চাই থাকোঁতে থাকোঁতে “পূর্ণানন্দ সমুদ্রৰ” তৰঙ্গ আহি সকলোকে দৃষ্টিৰ অগোচৰ কৰি উটাই লৈ যায়। তেতিয়া আকৌ “পিউ পিউ অমিয়া মাধুৰী হৰি ৰাম নাম ৰস” বুলি আত্মহাৰা হৈ “পৰম আনন্দ-সমুদ্রে মজি ৰহয়।” এয়েই মাধৱদেৱৰ “ৰসময়ী ভকতি”।

নামঘোষাৰ প্রায় এহেজাৰৰ ভিতৰত পাঁচ-ছশমান পদেই নানা সংস্কৃত মূল শ্লোকৰ ভাঙনি। সেই হিচাপে নামঘোষা গ্রন্থ নহয়। কিন্তু সাহিত্য হিচাপে নামঘোষা মূল্য ইয়াৰ উপদেশৰ মৌলিকত্ব বা অমৌলিকত্বত নহয়। অনেক মৌলিক গ্রন্থৰো সাহিত্য হিচাপে কোনো মূল্য নেথাকিব পাৰে। নামঘোষাৰ প্রগাঢ় দার্শনিক তথ্যবোৰত সাহিত্য হিচাপে কোনো আকর্ষণ নাই। কিয়নো দার্শনিক তথ্য সদায় বুদ্ধিগম্য আৰু প্রকৃত সাহিত্য সদায় হৃদয়গম্য। নামঘোষাৰ ধর্ম-মতত সাহিত্য হিচাপে ইয়াৰ মূল্য ইয়াৰ গভীৰ ভক্তি-ৰসত। ভক্তি-ক্ষেত্রত মতামত নাই, ভক্তি- ক্ষেত্রত নামভেদ নাই-ইয়াত ৰাম, কৃষ্ণ, শিৱ, দুর্গা, খ্রীষ্ট, মহম্মদ কাৰো পার্থক্য নাই। ইয়াত থাকে মাত্র একাগ্রতা, ব্যাকুলতা, তন্ময়তা। সাহিত্য হিচাপে নামঘোষাৰ মূল্য এই মহান ৰসত। শৰৎ কালত সেই চিৰপৰিচিত গিৰি, নৈ, বন, উপবন আদিয়ে বিমল কান্তি ধাৰণ কৰাৰ দৰে, চন্দ্র-কিৰণৰ মৃদু পোহৰত চিৰপৰিচিত নৈৰ পানীৰ ওপৰত অপৰূপ জেউতি পৰাৰ দৰে, ৰসময়ী ভক্তিৰ নিয়ৰত তিতা নানান মূলৰপৰা সংগৃহীত নামঘোষাৰ পদপুঞ্জৰ ওপৰত এক অভিনৱ সৌন্দর্য্যৰ সম্পাত হৈছে।

তাত বাজেও ইয়াৰ অধিক মূল্য হৈছে ইয়াত প্রতিফলিত হোৱা মাধৱদেৱৰ আধ্যাত্মিক জীৱনৰ প্রতিবিম্বত। তিৰোধানৰ অলপ আগতেই জিজ্ঞাসু শিষ্যসকলক মাধৱদেৱে কৈ থৈছিল যে তেওঁ নোহোৱা হ'লেও নামঘোষাতে বিচাৰিলে তেওঁক পাব। কথাষাৰ বৰ যথার্থ। নামঘোষা পুথি পঢ়িলে ছন্দৰ ঝঙ্কাৰ, ভাষাৰ মাধুর্য্য, ভাবৰ প্রগাঢ়তা সকলোকে অতিক্রম কৰি মনঃচক্ষুৰ দৃষ্টি পৰে মাধৱদেৱৰ ভক্তি-কাতৰ কৰুণ মূর্তিতঙ্গ আমি দেখোঁ- মাধৱদেৱ ধীৰ, সৌম্য, সহিষ্ণু, প্রশান্ত, একান্ত গুৰুভক্ত, কৃষ্ণনামৰত; তথাপি হৃদয়ৰ উদ্বেল ভক্তি-ভাবত সদায় উদ্বাউল, সমিধানৰ সীমা লঙঘন কৰি “পৰম আনন্দ-সাগৰে মজি” থাকিবলৈ ব্যাকুল-“যত্তু বিদিতাদধো অবিদিতাদধি” (কেনোপনিষৎ)।

বাণীকান্ত কাকতি

*** ***** ***

GAM S2 01

নির্বাচিত অসমীয়া সাহিত্য, ৰচনা আৰু ব্যাকৰণ

দ্বিতীয় ষাণ্মাসিক

অসমীয়া (আধুনিক ভাৰতীয় ভাষা)

খণ্ড - ১

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

ড° শৈলেন ভৰালী, অধ্যাপক (অৱসৰপ্ৰাপ্ত),গুৱাহাটী বিশ্ববিদ্যালয়
ড° দীপ্তি ফুকন পাটগিৰি, অধ্যাপিকা, গুৱাহাটী বিশ্ববিদ্যালয়
ড° মঞ্জুমালা দাস, সহযোগী অধ্যাপিকা (অৱসৰপ্ৰাপ্ত), সন্দিকৈ ছোৱালী মহাবিদ্যালয়

সমন্বয়ৰক্ষী ঃ ড° মৃণাল জ্যোতি গোস্বামী, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্ৰস্তুতি গোটৰ সদস্য

অধ্যায়	*অৰিহণা যোগাইছে*
১	ড° উমেশ চন্দ্ৰ ডেকা পূব কামৰূপ কলেজ (অৱসৰপ্ৰাপ্ত), বাইহাটা চাৰিআলি
২	ড° হৰি প্ৰসাদ বৰুৱা লোকনায়ক অমিয় কুমাৰ দাস মহাবিদ্যালয়, ঢেকিয়াজুলি
৩, ৪, ৫	ড° লোপা বৰুৱা সুৰেণ দাস কলেজ (অৱসৰপ্ৰাপ্ত), হাজো
৬	ড° খগেশ সেন ডেকা পূব কামৰূপ কলেজ (অৱসৰপ্ৰাপ্ত), বাইহাটা চাৰিআলি
৭	ড° স্মৃতি ৰেখা ভূঞা গুৱাহাটী মহাবিদ্যালয়
৮	ড° বিমল মজুমদাৰ গুৱাহাটী বিশ্ববিদ্যালয়

সম্পাদনা ঃ

বিষয়বস্তু আৰু ভাষা সম্পাদনা ঃ ড° দিলীপ বৰা, অধ্যাপক, গুৱাহাটী বিশ্ববিদ্যালয়

গাঁথনিক সম্পাদনা ঃ ড° মৃণাল জ্যোতি গোস্বামী, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

আৰ্হি কাকত ঃ খনিন্দ্ৰ নাথ ডেকা, দৈনিক অসম, গুৱাহাটী

প্ৰথম প্ৰকাশ ঃ জানুৱাৰী, ২০১৮

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-Non Commercial-Share Alike 4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্ৰিত আৰু প্ৰকাশিত।

মুখ্য কাৰ্যালয় ঃ পাটগাঁও, ৰাণী গেট, গুৱাহাটী - ৭৮১ ০১৭
উপ-মুখ্য কাৰ্যালয় ঃ হাউচফেড কমপ্লেক্স, দিচপুৰ, গুৱাহাটী - ৭৮১ ০০৬; Web : www.kkhsou.in

এই শিক্ষণ সামগ্ৰী প্ৰস্তুতিৰ বাবে আৰ্থিক অনুদান আগবঢ়োৱা
দূৰ শিক্ষা সংস্থা, বিশ্ববিদ্যালয় অনুদান আয়োগৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

অবিৰাম সোঁতত ব'ব লাগিছে।

ৰামকৃষ্ণ পৰমহংসদেৱে কোৱা এটি সাধু কথা আছে। তিনিজন মানুহে এখন বিতোপন ফুলনিৰ বাতৰি পাই চাবৰ মনেৰে বহুত দুখ-দুৰ্গতি সহ্য কৰি গৈ পালত দেখে যে ফুলনিৰ চাৰিওফালে এখন দুৰ্লঙ্ঘ্য বেৰ। নানান উপায়ে বেৰৰ ওপৰত উঠি ফুলনিৰ শোভাত মোহিত হৈ, জাঁপ দি দুজন ফুলনিৰ ভিতৰতেই ৰৈ গ'ল, এজনে লগৰীয়াসকলক জান দিবলৈ ফিৰি আহিল। পাৰমাৰ্থিক ক্ষেত্ৰত উভতি অহা তৃতীয়জনেই আদৰ্শ শিক্ষক। আন দুজন আনন্দবিহ্বল হৈ ৰূপ-সাগৰত ডুবি থাকিল, তৃতীয়জন সমদুখ-পীড়িত আৰ্ত লগৰীয়াসকলক ৰূপ-সাগৰৰ জান দিবলৈ উভতি আহিল। নামঘোষাৰ ভিতৰত যি মাধৱ-মূৰ্তি দেখা যায়, সেই মূৰ্তি ওপৰত কোৱা তিনিজনৰ ভিতৰত যি মাধৱ-মূৰ্তি দেখা যায়, সেই মূৰ্তি ওপতত কোৱা তিনিজনৰ ভিতৰত তৃতীয়জনৰ শ্ৰেণীৰ। নামঘোষাৰ আদিৰপৰা অন্তলৈকে সংসাৰপীড়িত সকলো লোকৰ প্ৰতি সংক্ৰামক সহানুভূতিৰ প্ৰৱাহ এটিও আছে।

বিপথগামী মানৱ-প্ৰকৃতিৰ ওপৰত কোনো ঠাইতেই তেওঁ কঠোৰ আঘাত দিয়া নাই। সচৰাচৰ দেখা ধৰ্ম বা সমাজ সংস্কাৰকসকলৰ দৰে তীব্ৰ ব্যঙ্গোক্তি তেওঁৰ নাই। ৰসময়ী ভক্তি যাৰ অন্তৰৰ প্ৰেৰণা, উপদেশৰ মালাধাৰিও পাৰ বাগৰি যোৱা ৰসৰ ঢৌ মাথোন। নিজৰ নাম উল্লেখ কৰিব লাগিলে যেনেকৈ তেওঁৰ প্ৰিয় বিশেষণ হৈছে "দীন", আনক উপদেশ দিয়াটো তেওঁৰ প্ৰিয় সম্বোধন হৈছে "ভাই"-

"সেহিকে দিনক ভাই দুৰ্দিন বুলিয়া মানি
মেঘাচ্ছন্ন নোহয় দুৰ্দিন।"
"ভজ ভাই মাধৱক স্মৰ ভাই মাধৱক
গাৱ ভাই মাধৱৰ গুণ।"
"ৰাম কৃষ্ণ ৰাম কৃষ্ণ বোল ভাই
তেজিয়া লাজ আলাস।"
"পেয়ু পিয়ু ভাই ভাৱকসকল
হৰি নাম ৰস সাৰ।"

ক্ষিপ্ৰ বেগত ঢৌৰ বোকোচাত ঢৌ উঠাৰ দৰে "পিয়ু পিয়ু" দ্বিৰুক্তি অতি অৰ্থব্যঞ্জক।

বিৰুদ্ধবাদীসকলৰ প্ৰতি সহনশীলতা গুণত মাধৱদেৱৰ লগত অনন্ত কন্দলিৰ বৈপৰীত্য দেখা যায়। অনন্ত কন্দলিৰ দশম ভাগৱতৰ শেহছোৱা বোধহয় শঙ্কৰদেৱৰ তিৰোধানৰ পিছত লিখা। যদিওবা শঙ্কৰদেৱৰ জীৱিতাৱস্থাতেই ভাঙনি আৰম্ভ হয়, তথাপি সমাপনত শঙ্কৰদেৱ নাই বুলি কন্দলিয়ে ভাঙনিৰ শেহত লিখিছে। মাধৱদেৱে যি সময়ত ঘোষা ৰচনা কৰে তাৰ ওচৰা-উচৰি সময়তে কন্দলিয়ে শেষ দশম ভাঙে। সাম্প্ৰদায়িক বিদ্বেষৰ শিখা কন্দলিৰ গাতো পৰিব পায়। ভণিতাবোৰত ঠায়ে ঠায়ে তেওঁ বিৰোধীসকলৰ প্ৰতি বচন প্ৰয়োগ কৰিছে।

"শাস্ত্ৰ মাত্ৰ পঢ়ে মানে বোলাৱে পণ্ডিত।
ৰাত্ৰি দিন চাহে হৰি ভকতি খণ্ডিত।।
বিস্তৰ লভিলে ভকতিক বোলে ভাল।
অধিক নাপাইলে নিন্দা বোলে সেহিকাল।।
ময়না ভাটৌৱে যেন ভষাৱয় শাস্ত্ৰ।
যুগুতি বোলন্ত খঙ্গে গালি পাৰে মাত্ৰ।।
হেন ব্ৰাহ্মণত কিছু নুপুছিবা বোধ।
গালি পাৰিলেও তাক নকৰিবা ক্ৰোধ।।" -ইত্যাদি।

অনন্ত কন্দলিৰ উপদেশৰ লগত শ্লেষোক্তিৰ প্ৰাচুৰ্য্য বেছি। কিন্তু আনক বিকলমতি দেখি শ্লেষ দূৰত থাওক, খেদ কৰিও মাধৱদেৱে অন্ত নেপায়। বিষয়-ভোগত অপাৰগ, তথাপি শেহ বয়সতো বুঢ়া সকলে বিষয়ৰ প্ৰতি লালসা এৰিব নোৱাৰে কিয়?

"বালকে কৰোক বহুমান
যুবায়ে সেৱাক পাৰেমান
বৃদ্ধে বিষয় বহিৰ্ভূত হুয়া গৈল।
ভোগ কৰিবাক নপাৱয়

নিজৰ ওচৰত অন্তর্দৃষ্টি স্থাপন কৰে, তেতিয়াও একান্ত ভক্তৰ মনত সংশয়ৰহে উদ্রেক হয়। কাণ, চকু, জিহ্বা, মন আদি ইন্দ্রিয় আৰু বৃত্তিবোৰেও ঈশ্বৰৰ গৌৰৱ-ধ্যান অৱহেলা কৰি নিজ নিজ স্বভাৱত চলা যেন দেখে। তেতিয়া হৃদয়ৰ কাতর্য্য ভাব ইন্দ্রিয়সকলৰ প্রতি ভৎসনাত উদ্দীপিত হৈ উঠে। এই দীপ্ত ভাবত কিন্তু প্রকৃত পৰিচালক ৰাগ, অভিমানৰ ছায়া নাই। ইয়াত জোনাকী পৰুৱাৰ প্রভা আছে, কিন্তু দাহিকা শক্তি নাই।

"হে জিহ্বা সদা তই আমাত নির্দয় ভৈলি
কেনে নোবোলস ৰাম-বাণী।
সংসাৰ সাগৰে ইটো হৰিয়ে সুদৃঢ় নাৱ
জানি হৰি বুলিও কল্যাণী।।"
"শুনিয়োক চিত্ত হেৰ পৰম ৰহস্য বাণী
তুমি শুদ্ধ জ্ঞানৰ আলয়।
কৃষ্ণ নিত্য শুদ্ধ বুদ্ধ পৰম ঈশ্বৰ দেৱ
নাছাড়িবা তাহাৰ আশ্রয়।।"

"শুনিয়োক বুদ্ধি তোৰ"- ইত্যাদি প্রত্যেক পদতেই ইন্দ্রিয় আৰু চিত্তবৃত্তিবোৰক ঈশ্বৰাভিমুখী হ'বলৈ ভৎসনামিশ্রিত কাতৰ মিনতি কৰা হৈছে।

নামঘোষাৰ নামান্বয় খণ্ড অতি ৰহস্যময়। গ্রন্থৰ দ্বিতীয় পদতেই মাধৱদেৱে নির্গুণ বিষ্ণুৰ সগুণ দশাৱতাৰৰ বর্ণনা কৰিছে। সগুণ ভক্তিৰ আদি স্তৰত আৱশ্যক হ'লেও, অসীম মানৱ হিয়াত একান্ত ভক্তিৰ সোঁত নামিলে, ভাদমহীয়া ধলৰ পানী নৈৰ গৰা ভাঙি পাৰ বাগৰি যোৱাৰ দৰে ই সীমাবদ্ধ সগুণ উপাসনাত আৱদ্ধ হৈ থাকিব নোৱাৰে। ভক্তিৰসত যেতিয়া সকলো চিত্তবৃত্তিবোৰ আলোড়িত হৈ উঠে, তেতিয়া ৰাম, কৃষ্ণ, নাৰায়ণ আদি সীমাবাচক মুর্তিৰ ভিতৰেদি এক বিৰাট, অখণ্ড, আনন্দময়, জ্যোতির্ময়,সীমাহীন পদার্থৰহে আভা দেখা যায়-"যমেব ভান্তমনুভাতি সর্ব্বং যস্য ভাস্য সর্ব্বামিদং বিভাতি" তেতিয়া ৰাম, কৃষ্ণ আদি সগুণবাচক নামবোৰ এই অসীম ভাবৰ পদার্থৰ জ্যোতির্বাচক সাঙ্কেতিক চিহ্নত পৰিণত হয়গৈ। নামঘোষাৰ নামমান্বয় খণ্ডক ৰাম, কৃষ্ণ আদি মূর্তিৰ ভিতৰেদি মাধৱদেৱৰ সমাধিদৃষ্ট বিশ্বৰূপ-কল্পনা বুলিব পাৰি।

ৰামকৃষ্ণ পৰমহংসদেৱে নির্গুণ ব্রহ্মত সমাধি ভঙ্গ হোৱাৰ পিছতো সগুণ কালী মূর্তিক "মা মা" স্মৰণ কৰাৰ দৰে, মাধৱদেৱেও আনন্দ-সাগৰত ডুব দি উঠাৰ পিছত সগুণ উপাস্য দেৱতা কৃষ্ণৰ নাম লোৱাৰ লগে লগে পার্থিৱ গুৰু শঙ্কৰদেৱৰ স্মৃতি ক্ষণকাললৈও নাপাহৰে। এই যে বিপুল আনন্দৰ অনুভূতি, তাক কাৰ কৃপাৰ গুণত পোৱা হ'ল? নামঘোষাৰ যি যি ডোখৰতেই টোৰ খলকনিৰ দৰে গভীৰ ভক্তি-ৰসৰ তোলপাৰ লাগিছে, সেই সেই ঠাইতেই মাধৱদেৱে আপোন-পাহৰা হৈ শঙ্কৰ-গৌৰৱত বিমোহিত হৈছে। শঙ্কৰদেৱৰ জীৱিতাৱস্থাতেই মাধৱদেৱে গুৰু-ভক্তিৰ নিদর্শনস্বৰূপে গুৰু-ভটিমাটো লিখে। নামঘোষাৰ বিৰাট আনন্দৰ উদ্বেল গতিতো শঙ্কৰ-স্মৃতিয়ে তেওঁক পোহৰ দিয়ে-

"হৰিভক্তি ৰাজমার্গ গুৰু পদ-নখ-চন্দ্র প্রকাশিত
শ্রুতি-জননীৰ পদপথ অনুসৰি।
ফুৰো হুয়া আমি আনন্দিত স্খলন নাহিকে কদাচিত
মহাজনসৱে জানিবা নিশ্চয় কৰি।।"

আকৌ-

"হৰিনাম প্রেমৰস অমৃত নিধিক বান্ধি
গুপ্ত কৰি থৈলা দেৱগণ।
দয়ালু শঙ্কৰে পাই তুলি মুদ ভাঙ্গি দিলা
সুখে পান কৰা সর্বজন।।"
"শ্রীমন্ত শঙ্কৰ হৰি ভকতৰ
জানা যেন কল্পতৰু।
তাহান্ত বিনাই নাই নাই নাই
আমাৰ পৰম গুৰু।।" ইত্যাদি

"ৰসময়ী ভকতি"ৰ ধাৰা কেতিয়াবা কৃষ্ণ-মহিমা, কেতিয়াবা গুৰু- কৃপা আৰু কেতিয়াবা আত্ম-গ্লানি আদি নানান প্রৱাহত জলপ্রপাতৰ দৰে

বিষয়সূচী

		পৃষ্ঠা নং
অধ্যায় ১ ঃ	**মাধৱদেৱ — তেজৰে কমলাপতি (ৰৰগীত)**	**৭-১৯**
	কবি পৰিচয়; 'তেজৰে কমলাপতি' কবিতাটিৰ পাঠ ঃ শব্দার্থ; ৰৰগীতৰ সাধাৰণ পৰিচয়; 'তেজৰে কমলাপতি' কবিতাটিৰ আলোচনা ঃ বিষয়বস্তুৰ আভাস, কাব্যিক সৌন্দর্য	
অধ্যায় ২ ঃ	**চন্দ্রকুমাৰ আগৰৱালা ঃ বনকুঁৱৰী**	**২০-৩৫**
	ৰমন্যাসবাদ আৰু ৰমন্যাসবাদী কবিতাৰ বৈশিষ্ট্য; অসমীয়া ৰোমাণ্টিক কবিতাৰ সাধাৰণ আলোচনা; কবি পৰিচয়; 'বনকুঁৱৰী' কবিতাটিৰ পাঠ; 'বনকুঁৱৰী' কবিতাটিৰ আলোচনা ঃ বিষয়বস্তু আৰু মূলভাব, ৰমন্যাসিক চিন্তাৰ প্রতিফলন	
অধ্যায় ৩ ঃ	**দেৱকান্ত বৰুৱা ঃ মনোৰমা**	**৩৬-৪৬**
	কবি পৰিচয়; 'মনোৰমা' কবিতাটিৰ পাঠ; 'মনোৰমা' কবিতাটিৰ আলোচনা ঃ বিষয়বস্তু, সাধাৰণ আলোচনা	
অধ্যায় ৪ ঃ	**নৱকান্ত বৰুৱা ঃ ইয়াত নদী আছিল**	**৪৭-৬৬**
	আধুনিক কবিতাৰ পটভূমি; আধুনিক অসমীয়া কবিতা; নৱকান্ত বৰুৱাৰ কাব্য-চিন্তা; 'ইয়াত নদী আছিল' কবিতাটিৰ পাঠ; ইয়াত নদী আছিল ঃ বিষয়বস্তু, সাধাৰণ আলোচনা	
অধ্যায় ৫ ঃ	**নির্মলপ্রভা বৰদলৈ ঃ মর্মান্তিক**	**৬৭-৭৭**
	নির্মলপ্রভা বৰদলৈৰ কাব্য-চিন্তা; 'মর্মান্তিক' কবিতাটিৰ মূল পাঠ; মর্মান্তিক ঃ বিষয়বস্তু, সাধাৰণ আলোচনা	
অধ্যায় ৬ ঃ	**গুৰু-শিষ্যৰ মণি-কাঞ্চন সংযোগ**	**৭৮-৯৯**
	গুৰু-শিষ্যৰ মণি-কাঞ্চন সংযোগ ঃ চৰিত পুথিৰ উদ্ভৱ আৰু বিকাশ, পাঠটিৰ উৎস, মূল পাঠৰ আভাস, বিষয়বস্তুৰ পৰিচয়, মাধৱদেৱৰ ব্যক্তিত্ব, মাধৱদেৱৰ গুৰুভক্তি, গদ্যৰীতি, কঠিন শব্দৰ টোকা	
অধ্যায় ৭ ঃ	**ত্রিপুৰাত মদন পূজাৰ আড়ম্বৰ আৰু মোট খেলাৰ কৌতুক**	**১০০-১১৪**
	ত্রিপুৰাত মদন পূজাৰ আড়ম্বৰ আৰু মোট খেলাৰ কৌতুক ঃ বুৰঞ্জী সাহিত্যৰ উদ্ভৱ আৰু বিকাশ, পাঠটিৰ উৎস, অসমীয়া বুৰঞ্জী সাহিত্যৰ ইতিহাসত ত্রিপুৰা-বুৰঞ্জীৰ গুৰুত্ব আৰু স্থান, মূল পাঠৰ বিষয়বস্তু, পাঠৰ অন্তর্গত বিষয়বস্তুৰ পৰিচয়, গদ্যৰীতি	
অধ্যায় ৮ ঃ	**বাণীকান্ত কাকতি ঃ নামঘোষা**	**১১৫-১২৯**
	সাহিত্য সমালোচক বাণীকান্ত কাকতি; *নামঘোষাৰ* পৰিচয়; পুণ্যশ্লোক শংকৰ-স্মৃতি; মাধৱদেৱৰ আত্মলঘিমা; *নামঘোষাৰ* ৰস বিচাৰ	
প্রসঙ্গ পুথি		**১৩০-১৩১**
পৰিশিষ্ট		(i) - (ix)

পাঠ্যবিষয়ৰ পৰিচয় ঃ নিৰ্বাচিত অসমীয়া সাহিত্য, ৰচনা আৰু ব্যাকৰণ

বিশ্ববিদ্যালয়ে আগবঢ়োৱা ষাণ্মাসিক পদ্ধতিৰ স্নাতক পাঠ্যক্ৰমত যিকোনো এটা আধুনিক ভাৰতীয় ভাষা অধ্যয়ন কৰাটো বাধ্যতামূলক। আধুনিক ভাৰতীয় ভাষাসমূহৰ অন্তৰ্গত 'অসমীয়া' বিষয়টোৰ পাঠ্যবিষয় হিচাপে প্ৰধানভাৱে পাঁচ প্ৰকাৰৰ সাহিত্যৰ পাঠ অন্তৰ্ভুক্ত কৰা হৈছে — অসমীয়া কবিতা, গদ্য, চুটিগল্প, উপন্যাস আৰু অসমীয়া নাটক। ইয়াৰ লগতে অসমীয়া ব্যাকৰণৰ কেইটিমান লাগতিয়াল দিশৰ উপৰি ৰচনা কেনেদৰে লিখিব পাৰি তাৰে কিছু দিশ আলোকপাত কৰা হৈছে। আনহাতে অসমীয়া ভাষাৰ কালিকাৰ সম্যক ধাৰণা প্ৰদান কৰিবলৈ জতুৱা খণ্ডবাক্য, ভাব সম্প্ৰসাৰণ, ভাব সংকোচন আদিৰ বিষয়েও অলোচনা সন্নিৱিষ্ট কৰা হৈছে।

অসমীয়া কবিতাৰ আৰম্ভ মৌখিক সাহিত্যৰ যুগতে হৈছিল যদিও বৌদ্ধ ধৰ্ম সাধনৰ গীত 'চৰ্যাপদ'সমূহৰ মাজতহে ইয়াৰ লিখিত প্ৰত্নৰূপ এটি পোৱা যায়। তাৰ পৰৱৰ্তী পৰ্যায়ত প্ৰাক্-শংকৰী যুগৰ পৰা অসমীয়া কবিতাই বিৱৰ্তনৰ বুকুৰে বগুৱা বাই নানান পৰীক্ষা-নিৰীক্ষাৰ মাজেৰে অতিক্ৰম কৰি বৰ্তমানৰ স্তৰত উপনীত হৈছে। অসমীয়া কবিতাৰ প্ৰাচুৰ্যপূৰ্ণ ইতিহাসক প্ৰতিনিধিত্ব কৰিব পৰাকৈ পাঠ্যক্ৰমত মাত্ৰ পাঁচটা কবিতাহে অন্তৰ্ভুক্ত কৰা হৈছে।

আপুনি নিশ্চয় জানে যে ভট্টদেৱৰ হাততেই অসমীয়া গদ্য সাহিত্যই পূৰ্ণতা লাভ কৰিছিল। তাৰ পৰৱৰ্তী সময়ত, বিশেষভাৱে অসমীয়া সাহিত্যৰ মধ্য যুগত দুটা বিশেষ গদ্যৰ ধাৰা আৰম্ভ হৈছিল — চৰিত পুথিৰ গদ্য আৰু বুৰঞ্জীৰ গদ্য। এই গদ্য শৈলীৰ সম্যক পৰিচয় দাঙি ধৰিবলৈকে দুটা পাঠ নিৰ্বাচন কৰি এই পাঠ্যবিষয়ত অন্তৰ্ভুক্ত কৰাৰ লগতে আধুনিক অসমীয়া গদ্যৰ নিদৰ্শনস্বৰূপে এগৰাকী প্ৰখ্যাত পণ্ডিত, গৱেষক বাণীকান্ত কাকতিয়ে ৰচনা কৰা এটা গদ্যৰ পাঠ আলোচনা কৰা হৈছে।

পাঠ্যবিষয়খনত অসমীয়া চুটিগল্পৰ ইতিহাসলৈ বিশিষ্ট অৱদান আগবঢ়োৱা দুগৰাকী গল্পকাৰ ক্ৰমে লক্ষ্মীনাথ বেজবৰুৱা আৰু ভবেন্দ্ৰ নাথ শইকীয়াৰ একোটাকৈ গল্প সন্নিৱিষ্ট কৰা হৈছে। এই পাঠ্যবিষয়ত অসমীয়া উপন্যাস সম্ৰাট ৰূপে জনাজাত ৰজনীকান্ত বৰদলৈৰ ঐতিহাসিক উপন্যাস *মনোমতী*খনো পাঠ হিচাপে অন্তৰ্ভুক্ত কৰা হৈছে। ইয়াৰ মাধ্যমেদি আপুনি অসমীয়া ঐতিহাসিক উপন্যাসৰ ধাৰাৰ লগতে অসমীয়া উপন্যাস পৰম্পৰাৰ কিছু ধাৰণাও লাভ কৰিব। সাহিত্যৰ আন এটি বিশিষ্ট ধাৰা হ'ল নাটক। আপুনি নিশ্চয় জানে যে শংকৰদেৱৰ দিনৰে পৰা অসমীয়া নাট্য-সাহিত্যই বিৱৰ্তনৰ মাজেদি বৰ্তমানৰ অৱস্থা পাইছেহি। অসমীয়া নাটকৰ সুদীৰ্ঘ তথা সমৃদ্ধ ইতিহাসৰ পৰা মাত্ৰ দুখন নাটকহে অধ্যয়নৰ বিষয় হিচাপে বাছি লোৱা হৈছে। সেয়া— শংকৰদেৱৰ *কেলিগোপাল* আৰু জ্যোতিপ্ৰসাদ আগৰৱালাৰ *শোণিত কুঁৱৰী*।

প্ৰসংগক্ৰমে উল্লেখযোগ্য যে — ভাষাৰ গাঁথনিক জ্ঞান অবিহনে ভাষা শুদ্ধকৈ লিখা আৰু কোৱা অসুবিধাজনক। সেইবাবে এই পাঠ্যবিষয়ৰ এটা অধ্যায়ত অসমীয়া ব্যাকৰণৰ কেইটিমান লাগতিয়াল দিশ অন্তৰ্ভুক্ত কৰা হৈছে। তাৰ লগতে অসমীয়া ভাষাৰ কালিকাৰ আভাস দিবলৈ কেইটামান বিশেষ দিশৰ উপৰি ৰচনা লিখাৰ পদ্ধতি সম্পৰ্কেও কিছু কথা এই পাঠ্যবিষয়খনত সন্নিৱিষ্ট কৰা হৈছে। এই পাঠ্যবিষয়খন অধ্যয়ন কৰি আপুনি অসমীয়া সাহিত্যৰ সম্যক ধাৰণা লাভ কৰিবলৈ সক্ষম হ'ব।

আলোচনাৰ সুবিধাৰ্থে এই পাঠ্যবিষয়খনক মুঠ দুটা খণ্ডত ভাগ কৰা হৈছে। প্ৰথম খণ্ডটোত আঠটা অধ্যায় আছে। এই অধ্যায় কেইটাত নিৰ্বাচিত কবিতা আৰু গদ্য পাঠসমূহ আলোচনা কৰা হৈছে। দ্বিতীয় খণ্ডটোত আছে সাতটা অধ্যায়। দ্বিতীয় খণ্ডটোত অসমীয়া চুটি গল্প, নাটক, উপন্যাস সম্পৰ্কে বহলাই আলোচনা কৰাৰ লগতে অসমীয়া ব্যাকৰণ, ৰচনা লিখাৰ পদ্ধতি আৰু অসমীয়া ভাষাৰ কালিকা প্ৰকাশক কেইটামান দিশ আলোচনা কৰা হৈছে। প্ৰসংগক্ৰমে উল্লেখ কৰি যোৱা হ'ল যে আপোনাৰ অধ্যয়নৰ সুবিধাৰ্থে নিৰ্বাচিত অসমীয়া গদ্য, চুটিগল্পসমূহ নিৰ্দিষ্ট খণ্ডটোৰ পৰিশিষ্টত সন্নিৱিষ্ট কৰা হৈছে। উপন্যাস আৰু নাটক দুখন তেনেদৰে দিয়া সম্ভৰ নহয় বাবে অন্তৰ্ভুক্ত কৰা নহ'ল। আপুনি ব্যক্তিগতভাৱে সেয়া সংগ্ৰহ কৰি অধ্যয়ন কৰিব লাগিব।

ক্ষেত্ৰত সেইবিলাকৰ তিমান মূল্য নেথাকিব পাৰে। সাহিত্যৰ ফালৰপৰা চাব লাগিব, সেই ভাববোৰৰ ভিতৰেদি লেখকে কিমানখিনি আত্মাভিব্যক্তি ব্যক্ত কৰিব পাৰিছে।

এপিনে যেনেকৈ মাধৱদেৱে নিজৰ ৰচিত গীত, নাটক আদিত বাৎসল্য ভক্তিৰ পৰাকাষ্ঠা দেখুৱাইছে, আনপিনে তেনেকৈ নামঘোষাতো হৃদয়ৰ ভক্তিৰ আবেগ ঢালি দি দাস্য ভাবক কবিত্বৰ চৰম সীমালৈ লৈ গৈছে। বাৎসল্য ৰসৰ উদয়াচলত আৱির্ভূত হৈ দাস্য-ভাবৰ অস্তাচলত মাধৱদেৱৰ সাহিত্য- প্ৰতিভা মাৰ গৈছে।

সংসাৰ-ত্যাগী মাধৱদেৱক দাস্য ভক্তিৰ মূৰ্তিমান স্বৰূপ বুলিব পাৰি। ঘোষা-ৰত্নৰ কবি গোপাল মিশ্ৰই গুণগ্ৰাহী ভাষাৰেই মাধৱদেৱৰ প্ৰকৃতি বৰ্ণনা কৰিছে — "শ্ৰীমন্ত মাধৱ নাম ধৰি, বিষয়-সুখক পৰিহৰি, কৃষ্ণ যশৰস কৰিলা সিটো বিস্তাৰ"। পৰম বৈৰাগ্যৰ পৰিপোষক মাধৱদেৱে চিৰকৌমাৰ্য ব্ৰত অৱলম্বন কৰি আজীৱন কৃষ্ণ যশৰসতেই ডুবি আছিল। সংসাৰত যেনেকৈ তেওঁ নিজৰ পৰিচয় দিবলৈ তেজৰ সম্বন্ধ ৰাখি যোৱা নাই, সাহিত্য-ক্ষেত্ৰতো মাধৱদেৱে কোনো ঠাইতে আত্ম-পৰিচয় দি যোৱা নাই। আত্মাৰাম ভাব মাধৱ-চৰিত্ৰৰ কেন্দ্ৰস্থান। বৈষ্ণৱ আন্দোলনত ভাৰতৰ ইমূৰৰপৰা সিমূৰলৈকে যিসকল মহানুভৱ কবি ওলাইছিল, সেই সময়ত ৰীতি অনুসাৰে তেওঁলোকে নিজ নিজ কবিতাৰ ভণিতাত নাইবা ঠাইবিশেষে গ্ৰন্থৰ ভিতৰতো আপোন আপোন বংশ আদিৰ পৰিচয় দি থৈ গৈছে। সেই অনুসাৰে আমাৰ দেশতো হেম সৰস্বতী, মাধৱ কন্দলি, ৰাম সৰস্বতী, এনে কি স্বয়ং শঙ্কৰদেৱেও নানান ঠাইত বংশ, জন্ম-ঠাইত বংশ, জন্ম-ঠাই আদিৰ পৰিচয় দি গৈছে। অনন্ত কন্দলিয়ে এঠাইত এনেকৈও কৈ গৈছে যে তেওঁ সংস্কৃতত পৰ্য্যন্ত কাব্য আদি ৰচনা কৰিব পাৰে, কেৱল লোক-শিক্ষাৰ নিমিত্তেহে অসমীয়াত পদ ৰচনা কৰিছে। কিন্তু পৰম বিৰক্ত মাধৱদেৱে কোনো গ্ৰন্থতেই বংশ বা আত্ম-পৰিচয় দি যোৱা নাই। আত্ম-লঘিমা মাধৱ-চৰিত্ৰৰ এটি প্ৰধান লক্ষণ।

বৈষ্ণৱ কবিসকলে ভণিতাত নামৰ আগত প্ৰায়েই বিশিষ্ট বিশেষণ শব্দ লগাই দিয়ে। শঙ্কৰদেৱৰ নামৰ আগত পহিলা জীৱনত ৰচিত পুথিত কায়স্থ শব্দ আৰু শেহৰ ফালে ৰচিত পুথিত "কৃষ্ণ কিঙ্কৰ" কথাফাকি থাকে। অনন্ত কন্দলি, ৰাম সৰস্বতীসকলৰ নামৰ আগত কেতিয়াবা গৌৰৱসূচক উপাধিবোৰ থাকে আৰু কেতিয়াবা একো নেথাকে। আন ব্ৰাহ্মণ কবিসকলৰ নামৰ আগত কেতিয়াবা দ্বিজ শব্দটো থাকে, কেতিয়াবা একোৱে নেথাকে। কিন্তু মাধৱদেৱৰ নামৰ আগত লগোৱা প্ৰিয় বিশেষণ শব্দ হয় "দীন", নহয় "মূৰ্খমতি"। ইও কেৱল মাধৱ-চৰিত্ৰৰ আত্ম-লঘিমা নিৰ্দেশক মাথোন।

এপিনে বৰগীতৰ অন্তৰ্গত মাধৱদেৱৰ শিশুকৃষ্ণ বিষয়ক গীতবোৰ যেনে বাৎসল্য ৰসৰ, আনপিনে তেনে নামঘোষাৰ অন্তৰ্গত কৰুণ স্তুতিৰ গীতবোৰো দাস্য-ভাবত উৎকৰ্ষ প্ৰকাশক। ভাবৰ প্ৰগাঢ়তা আৰু আনুষঙ্গিক হৃদ্যতা গুণত সেইবোৰক পৃথিৰীৰ বেলেগ বেলেগ সম্প্ৰদায়ৰ মূল ধৰ্মগ্ৰন্থবোৰৰ প্ৰাৰ্থনা সঙ্গীতবোৰৰ লগত ৰিজাব পাৰি। নামঘোষাৰ অন্তৰ্গত স্তুতি গীতবোৰৰ বাহিৰে দৈন্য-কৰুণা-বিগলিত কবিতা ভাৰতীয় বৈষ্ণৱ সাহিত্যত বৰ প্ৰচুৰ নহয়। মহাৰাষ্ট্ৰীয় বৈষ্ণৱ কবি তুকাৰামৰ কবিতাবোৰতহে তাক সমান জোখেৰে পোৱা যায়। তলত দুই-চাৰিটা পদ উদ্ধাৰ কৰি দিয়া হ'ল-

"মোৰ সম পাপী লোক নাহিকে ই তিনি লোক
তুমি সম নাহি পাপহাৰী।
ইজানি গোৰিন্দ মোক যেন যুৱাই কৰিয়োক
তুৱা পদে কৰোহোঁ গোহাৰি।।"
"হৰি ও হৰি কৰুণা সাগৰ
কৰিয়ো কৃপা আমাক।
প্ৰিয়তম আত্মা সখা ইষ্ট গুৰু
মানিয়া আছো তোমাক।।"
"চৰণত ধৰো কাতৰ কৰোহো
ইবাৰ নেৰিবা মোক।।"

"ইবাৰ নেৰিবা মোক।।"— কথাষাৰ বৰ মৰ্মস্পৰ্শী; অসংখ্য বাৰ এই সংসাৰচক্ৰত ঘু�ৰি নিকাৰ ভুঞ্জিব লাগিছোঁ, প্ৰভু ইবাৰ কিন্তু কৰ্ম- বন্ধনৰপৰা যেন মোক নিষ্কৃতি দিয়া- কথাষাৰে প্ৰভূৰ পাদমূলত লোলুঠ্যমান কাতৰ ভক্ত কৰুণ ছবি এটি মনত সজাগ কৰি তোলে।

ঈশ্বৰৰ ওচৰত সৰ্বতোভাৱে আত্ম-সমৰ্পণ কৰিব লাগিলে মন, বুদ্ধি আদি সকলো ইন্দ্ৰিয়বৃত্তিবোৰৰ ভিতৰেদি কুসুম সুৰভিত হৰিনামৰ প্ৰৱাহহে চলিব লাগে। "ইবাৰ নেৰিবা মোক" আদি কাতৰোক্তিৰ পিছতো ভক্তই যেতিয়াই প্ৰভূৰ পাদমুলত আশ্ৰয় পাবৰ যোগ্য হয় নে নহয় বুলি

নামঘোষা

সাম্প্রদায়িক উৎপীড়নত কামৰূপ ৰাজ্য এৰি গৈ কোচবিহাৰৰ অন্তর্গত ভেলাডোৱাৰত সত্র পাতি থাকোঁতে মহাপুৰুষ মাধৱদেৱে জীৱনৰ শেষ ভাগত এই অনুপম ঘোষা গ্রন্থ ৰচনা কৰে।

নামঘোষাই অসমীয়া জাতীয় সাহিত্যত গীতা, উপনিষদ আদিৰ ঠাই অধিকাৰ কৰি আছে। একশৰণ ধর্মৰ মাহাত্ম্য প্রতিষ্ঠাপক গ্রন্থ নামঘোষাত বাজে অসমীয়া ভাষাত আৰু দ্বিতীয় নাই। শঙ্কৰদেৱৰ কীর্তন পুথিত গল্পৰ চলেৰে উপদেশ আছে আৰু তেওঁৰ "ভক্তি-ৰত্নাকৰ" আৰু ভট্টদেৱৰ "ভক্তি বিবেক" এই দুখন গ্রন্থ ভক্তি-গৌৰৱ-পৰিচায়ক হ'লেও মূল সংস্কৃত শ্লোক কেতবোৰৰ সংগ্রহ মাথোন। সেইদেখি এই দুখনক জাতীয় সাহিত্যৰ ভিতৰুৱা বুলি ধৰিব নোৱাৰি। এই দুখনত বাজেও গোপাল মিশ্র নামে বৈষ্ণৱ পণ্ডিত এজনাৰ "ঘোষা-ৰত্ন" নামে অসমীয়া পদত লিখা প্রায় সম-বিষয়ৰ গ্রন্থ এখন আছে। কিন্তু ভাষাৰ সৌষ্ঠৱ, ভাৱৰ ঐক্য, একাগ্রতা আৰু প্রগাঢ়তাত ই নাঘোষাৰ বহুত তলৰ শ্রেণীৰ পুথি; আৰু যি যি গুণৰ অৱস্থিতিয়ে নামঘোষাক বিচাৰ গ্রন্থৰ শাৰীৰপৰা সাহিত্যৰ ভিতৰলৈ আনে, ঘোষা-ৰত্নত সেইবোৰ সমূলি অৱর্তমান।

নামঘোষা আৰু ওপৰত উল্লেখ কৰা আন গ্রন্থবোৰ শিক্ষামূলক সাহিত্যৰ ভিতৰত পৰে আৰু একেবাৰে শিক্ষামূলক হ'লে কোনো গ্রন্থবেই লোক-সাহিত্য হিচাপে বিশেষ মূল্য নাথাকে, যদিওবা শিক্ষা অতি ওখ ধৰণৰে হয়। কিন্তু নামঘোষা বিশুদ্ধ উপদেশমূলক নহয়। ই মহানুভৱ পুৰুষ এজনাৰ আত্ম-প্রকাশ মাথোন।

নামঘোষাৰ ৰচনা কাল বিবেচনা কৰিবলগীয়া। সকলো মহা সাহিত্যৰ ওপৰতে কালৰ জটিল প্রভাৱবোৰৰ ছায়া পৰে। নামঘোষাৰো ঠায়ে ঠায়ে কালৰ প্রভাৱ ধৰিব পৰা যায়। নামঘোষা ৰচনাৰ বহুত আগতেই শঙ্কৰদেৱৰ তিৰোভাৱ হয়। সাম্প্রদায়িক বিদ্বেষত ৰঘু ৰজাৰ হাতত নিগ্রহ ভোগ কৰি নিজ তত্ত্বাৱধানত সজাই লোৱা আদৰৰ ৰৱপেটা থান এৰি থৈ গৈ মাধৱদেৱ তেতিয়া ভেলাডোৱাৰত প্রবাস খাটি আছিল। কোচবিহাৰতো তেওঁৰ দিন নিৰুপদ্রৱে যোৱা নাছিল। তাতো তেওঁ খলৰ হাতত সময়ে সময়ে লাঞ্ছনা ভোগ কৰিব লগাত পৰিছিল। পাণ্ডিত্য, আভিজাত্য আৰু আধ্যাত্মিকতাৰ সম্মোহনী গুণত যি মহাপুৰুষে ৰজা-প্রজা শত্রু-মিত্র সকলোকে এডাল ভক্তিৰ সূতাৰে মেৰাই লৈছিল, মাধৱদেৱৰ লগত সেই সর্বতোমুখী প্রতিভাশালী গুৰুদেৱৰ শক্তি-প্রদায়িনী স্মৃতি মাথোন বর্তমান আছিল। সেইদেখি খলসূচকসকলৰ হিংসা-দ্বেষ নিগ্রহ-লাঞ্ছনা সকলোকে মাধৱদেৱে অকলশৰে বুকু পাতি সামৰি ল'ব লগাত পৰিছিল। তাত বাজেও নৱ-প্রবর্তিত বৈষ্ণৱ সম্প্রদায়ৰ ভিতৰত বেলেগ বেলেগ ভিন্ন মতে দেখা দিছিল। এই সন্ধিক্ষণত ৰচনা কৰা নামঘোষা গ্রন্থক শঙ্কৰ-স্মৃতিমণ্ডিত মাধৱদেৱৰ পূর্ণব্রহ্ম স্ৱৰূপ কৃষ্ণৰ প্রতি একান্তিকা ভক্তিৰ বিৰাট ঝঙ্কাৰ বুলিব পাৰি।

নামঘোষাত প্রধানতঃ তিনিটা ধাৰা মিহলি হৈ বিশাল আনন্দ সাগৰৰ ফালে প্রধাৱমান হৈছে- পুণ্য-শ্লোক শঙ্কৰ-স্মৃতি, মাধৱদেৱৰ আত্ম-লঘিমা আৰু কৃষ্ণ-ভক্তি মাহাত্ম্য। কিন্তু হিমালয়ৰ নিভৃত শৃঙ্গৰ ওপৰত স্তূপীকৃত হৈ থকা এক অনন্ত তুহিনৰাশিয়েই গলি গৈ ভৈয়ামত নানান নদ-নদীস্ৱৰূপে অৱতীর্ণ হোৱাৰ দৰে, এই তিনিও ধাৰাৰেই মূল কাৰণ হৈছে মাধৱদেৱৰ ৰসময়ী ভক্তিৰ গভীৰ আবেগ। ইংৰাজী কবিতাত ৰাজহাঁহ জাতীয় এবিধ চৰাই (Swan) উল্লেখ পোৱা যায়। সি হেনো অন্তিম কালত নৈত উটি গীত গাই গাই গীততেই পমি গৈ মৰে। নামঘোষা মাধৱদেৱৰ শেষ ৰচনা। ই তেওঁৰ তিৰোধানৰ বহুত আগতেই ৰচিত নহয়। ইয়াক "পৰম আনন্দ-সাগৰত" উটি যোৱা মাধৱদেৱৰ মহাপ্রস্থানিক গীত বুলিব পাৰি- "গুৰু ভৈলা তাত কর্ণধাৰ, কৃষ্ণ ভৈলা অনুকূল বায়ু"। গুৰু-স্মৃতি শিৰোগত কৰি, কৃষ্ণনাম হৃদয়ত ধৰি, নামঘোষা মহাগীতৰ ভিতৰেদি হৃদয়ৰ একান্ত ভক্তি-ৰস ঢালি দি "সমস্তসাক্ষিং সদসদ্বিহীনং প্রয়াতি শুদ্ধং পৰমাত্মৰূপম্" কৈৱল্যোপনিষৎ)।

নামঘোষাৰ প্রতিপাদ্য বিষয় অলপ কথাৰেই ক'ব লাগিলে তলত দিয়া পদফাকিৰেই ক'ব পাৰি-

মুক্তিত নিস্পৃহ যিটো সেহি ভকতক নমো
ৰসময়ী মাগোহোঁ ভকতি।
সমস্ত-মস্তক-মণি নিজ ভকতৰ বশ্য
ভজো হেন দেৱ যদুপতি।।

যি ভকতে মুক্তি-সুখকো বাঞ্ছা নকৰি ভক্তিহে বিচাৰে, তেনে নাৱদীয় ভক্তিৰ মানৱমূর্তি তেওঁৰ গুৰুদেৱ শঙ্কৰ তেওঁৰ শাৰীৰ ভকতসকলক নমস্কাৰ কৰি, দেৱ-যদুপতিৰ নামত আত্ম-বিলোপ কৰি ৰসসিক্ত ভক্তিহে তেওঁ আকাঙ্ক্ষা কৰে। প্রায় এহেজাৰ পদৰ ভিতৰেদি নানান ছন্দ নানান গাথাত এই ভাৱ ত্রিধাৰাৰেই প্রকাশ হৈছে।

গ্রন্থৰ ভিতৰত ভক্তি-গৌৰৱ-প্রতিষ্ঠাপক বিচাৰ নানান মনোজ্ঞ ছন্দোময়ী ভাষাত থাকিলেও কেৱল সেইবোৰৰ গুণে গ্রন্থখন ডাঙৰ নহয়। বিশুদ্ধ বিচাৰ-বুদ্ধিৰ দ্বাৰা অশেষ দুর্জ্ঞেয় ভাৱৰ অবতাৰণা কৰিব পাৰি আৰু দার্শনিক তথ্য হিচাপে সেইবিলাকৰ ঠাই অতি ওখ হ'লেও প্রকৃত সাহিত্য

খণ্ড পৰিচয় ঃ খণ্ড - ১

এইটো 'নির্বাচিত অসমীয়া সাহিত্য, ৰচনা আৰু ব্যাকৰণ' শীর্ষক পাঠবিষয়খনৰ প্রথম খণ্ড। ইয়াত সর্বমুঠ আঠটা অধ্যায় অন্তর্ভুক্ত হৈ আছে। ইতিমধ্যে উল্লেখ কৰা হৈছে যে অসমীয়া কবিতাৰ প্রাচুর্যপূর্ণ ইতিহাসক প্রতিনিধিত্ব কৰিব পৰাকৈ প্রতিনিধি হিচাপে এইখন পাঠ্যক্রমত মাত্র পাঁচটা কবিতা অন্তর্ভুক্ত কৰা হৈছে। অধ্যায় ১ৰ পৰা অধ্যায় ৫লৈ এই কবিতাকেইটা ক্রমানুসাৰে আলোচনা কৰা হৈছে। প্রথম অধ্যায়ত পুৰণি কবিতা হিচাপে মাধৱদেৱ বিৰচিত বৰগীত 'তেজৰে কমলাপতি', দ্বিতীয় অধ্যায়ত ৰোমাণ্টিক কবিতা হিচাপে চন্দ্রকুমাৰ আগৰৱালাৰ 'তেজীমলা', তৃতীয় অধ্যায়ত যুগসন্ধিৰ অসমীয়া কবিতা হিচাপে দেৱকান্ত বৰুৱাৰ 'মনোৰমা' আৰু চতুর্থ তথা পঞ্চম অধ্যায়ত আধুনিক অসমীয়া কবিতা হিচাপে নৱকান্ত বৰুৱাৰ 'ইয়াত নদী আছিল' আৰু নির্মলপ্রভা বৰদলৈৰ 'মর্মান্তিক' আলোচনা কৰা গৈছে।

এইখন পাঠ্যবিষয়ত মধ্যযুগীয় অসমীয়া গদ্যৰ দুটা বিশেষ ধাৰা — চৰিত পুথিৰ গদ্য আৰু বুৰঞ্জীৰ গদ্যৰ লগতে আধুনিক অসমীয়া গদ্যৰ নিদর্শন স্ৱৰূপে এগৰাকী প্রখ্যাত পণ্ডিত, গৱেষক বাণীকান্ত কাকতিয়ে ৰচনা কৰা এটা গদ্যৰ পাঠ আলোচনা কৰা হৈছে বুলি ইতিমধ্যে উল্লেখ কৰি অহা হৈছে। আপুনি নিশ্চয় জানে যে ভট্টদেৱৰ হাততেই অসমীয়া গদ্য সাহিত্যই পূর্ণতা লাভ কৰে। ভট্টদেৱৰ পাছত নৱবৈষ্ণৱ ধর্মৰ প্রৱর্তক আৰু প্রচাৰক শংকৰদেৱ আৰু মাধৱদেৱৰ শিষ্য-প্রশিষ্যসকলৰ উদ্যোগত ৰচিত হোৱা চৰিত পুথিসমূহত যি গদ্য ৰীতিৰ প্রচলন হৈছিল তাক চৰিত পুথিৰ গদ্য আখ্যা দিয়া হয়। এই চৰিত পুথিৰ গদ্যৰ কেতবোৰ বিশেষত্ব আছে। অসমীয়া গদ্যৰ ক্রমবিকাশত এই শ্রেণী গদ্যৰ অৱিহণা গভীৰ। পাঠ্যবিষয়খনৰ ষষ্ঠ অধ্যায়ত এই শ্রেণী সাহিত্যৰ প্রতিনিধিত্ব কৰিব পৰাকৈ *গুৰু-চৰিত-কথাৰ* পৰা মহেশ্বৰ নেওগে নির্বাচন কৰি যোৱা এটা অংশ বিশদভাৱে আলোচনা কৰা হৈছে।

আপুনি এই কথাও নিশ্চয় জানে যে আহোম স্বর্গদেউসকলৰ উদ্যোগতে বুৰঞ্জী লিখাৰ পৰম্পৰা আৰম্ভ হয়। গদ্যত লিখা বুৰঞ্জীসমূহত যি গদ্য শৈলী ব্যৱহাৰ কৰা হৈছিল তাকে বুৰঞ্জীৰ গদ্য নামে জনা যায়। মধ্যযুগীয় চৰিত পুথিৰ গদ্যৰ দৰে বুৰঞ্জীৰ গদ্যও বৈশিষ্ট্যপূর্ণ। আধুনিক অসমীয়া গদ্যৰ ক্রমবিকাশত এই দুয়োবিধ গদ্যশৈলীৰে গুৰুত্বপূর্ণ অৱদান আছে। এই শ্রেণীৰ গদ্যৰ প্রতিনিধিত্বমূলক গদ্য হিচাপে *ত্রিপুৰা বুৰঞ্জীৰ* পৰা নির্বাচন কৰা এটা অংশ সপ্তম অধ্যায়ত আলোচনা কৰা হৈছে। এই অধ্যায় দুটা অধ্যয়ন কৰি আপুনি মধ্যযুগীয় অসমীয়া গদ্যৰ ধাৰণা লাভ কৰিবলৈ সক্ষম হ'ব। পাঠ্যবিষয়খনৰ এই খণ্ডটোৰ শেষৰটো অধ্যায়ত বিংশ শতিকাত অসমীয়া গদ্যই কেনেৰূপ পৰিগ্রহ কৰিছে সেই বিষয়ে আভাস দিবলৈ প্রখ্যাত পণ্ডিত, সমালোচক বাণীকান্ত কাকতিৰ এটি গদ্য ৰচনা এই পাঠ্যবিষয়ত সন্নিৱিষ্ট কৰা হৈছে। বাণীকান্ত কাকতিৰ 'নামঘোষা' শীর্ষক ৰচনাত কেৱল মহাপুৰুষ মাধৱদেৱৰ এই আধ্যাত্মিক গৰিমা বিশিষ্ট ৰচনাৰ ব্যাখ্যাই নহয় সমালোচক কাকতিয়ে বহু নতুন দিশত পোহৰ পেলাইছে।

এই খণ্ডটো অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অর্থ সন্নিৱিষ্ট হৈছে। সেইদৰে — 'জানি থোৱা ভাল' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূর্ণ তথ্যৰ সম্ভেদ আছে। প্রতিটো অধ্যায়ত থকা 'চিন্তা-চর্চা কৰক'সমূহে অধ্যয়ন অধিক সক্রিয় আৰু ফলপ্রসূ হোৱাত সহায় কৰিব। আকৌ, 'অগ্রগতি নিৰীক্ষণ'যোগে আগবঢ়োৱা প্রশ্নাৱলীয়ে অধ্যয়নৰ অগ্রগতি সম্পর্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। অধ্যয়নৰ লগে লগে উক্ত প্রশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া 'অগ্রগতিৰ খতিয়ান'ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্রন্থসমূহ সাৰথিস্ৱৰূপ। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্রশ্ন' হিচাপে কেইটিমান প্রশ্নৰ আৰ্হিও তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ পাছত কেইখনমান 'প্রসঙ্গ পুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেই কেইখন পুথিৰ সহায়েৰেই মূলতঃ এই খণ্ডত উল্লেখ থকা অধ্যায়সমূহ প্রস্তুত কৰা হৈছে। আপোনালোকে বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেই কেইখন পুথি অধ্যয়ন কৰিব পাৰিব।

বোলোৱা পটুকা, বোলোৱা দোপটা এইৰূপে বঁটা দিলে। খেলিবলৈকো ছালৰ মোট ২ টা দিলে। লগৰ মানুহকো বোলোৱা লাগে দোপটাএ দিলে। সিহঁতকো গাএপতি একোটা দিলে। সেই দিনা এইৰূপে আমাৰ কটকীক পঠাই দিলে।

তাৰ পাচদিনা কলাপটুৱাৰচোচালি কৰি ঘৰ এটি সাজে। তাতে মৃতিকাৰ কামদেৱৰ মূৰ্ত্তি সাজি পূজা কৰে। পূজাৰ উপহাৰ অনেকো কৰে আৰু ডাঙ্গৰ লাডু কৰিয়ো দিএ। পাছে পূজাৰ অন্তত ৰাজা আহি কামদেৱৰ মূৰ্ত্তিক সেৱা কৰি সোণৰ নাল দিয়া মোটেৰে কামদেৱৰ গালৈ পানী মাৰিলে। পাছে যুৱৰাজ প্ৰমুক্ষে বৰমানুহ সকলেও সেৱা কৰি ৰূপৰ নাল দিয়া মোটেৰে পানী কামদেৱৰ গাত মাৰিলে। পাছে আমাৰ কটকীও ৰাজা আজ্ঞা কৰিলত কামদেৱক সেৱা কৰি সেই মোটেৰে কামদেৱৰ গাত পানী মাৰিলে আৰু বাহিৰতো সকলেও অন্যোন্যে মোটেৰে পানী মৰামৰি কৰিছিলে। গুণী গায়নেও তালে-খোলে ছংকীৰ্ত্তনৰ ধাৰণে গীত গাইছিলে। সেই দিনা ৰাজা শুক্ল বস্ত্ৰ পিন্ধিছিলে। যুৱৰাজ প্ৰমুক্ষে সকলেও ৰাজা দিয়া বঁটা পিন্ধি আহিছিলে। কোনো সকলে আপুনিও বোলাই পিন্ধিছিলে। পাছে ৰাজা ভিতৰলৈ গল। আনো সকল ঘৰাঘৰি গল। আমাৰ কটকীও বহালৈ আহিল।

তাৰ পাচদিনা সেইৰূপে যুৱৰাজ প্ৰমুক্ষে সকলো বৰ বৰুক দ ৰ্ব্বাৰলৈ আহিল। আমাৰ কটকীকো আনিলে। পাছে ৰাজা ওলাই আহিল। সেই দিন ৰাজা পিন্ধিছিলে গুজৰাটী সোণাৱলী তাছৰ জামা, সোণাৱলী চিৰা, সোণাৱলী গোছপেছ, সোণাৱালী পটুকা, সোণাৱলী বুটাদাৰ ইজাৰ। শুক্ল ছালকাপৰ এখন কানত পেলাই থৈছে, সোণৰ তোৰোলা দুটা, হীৰাএৰে বাখৰপতা কল্কা এটা, আতে হামাউ চৰাইৰ পাখী আছে, আকে পাগত খুঁচি লৈছিলে। আৰু মুকুতাএ পানাৰ মণিএ গাঁথি দুধৰীয়াকৈ পাগত পিন্ধিছিলে। কৰ্ণত মুকুতা, গলত বাখৰপতা হীৰাএৰে কণ্ঠাভৰণ তাতে মুকুতাৰ লটকন দিছে। তাৰ মাজতে হীৰাপতা দুগদুগী এখন দিছিলে। আৰু নাভিত পৰাকৈ মুকুতাৰ মালা তিনিধাৰ পিন্ধিছিলে। বাহুত ঝখৰাম হীৰাপতা বাজুবন্ধ পিন্ধিছিলে। আৰু হাতত হীৰাৰ বাখৰপতা খাৰু পিন্ধিছিলে। ১০ আঙ্গুলিত বাখৰপতা হীৰা দিয়া আঙ্গঠি পিন্ধিছিলে। কমৰত হীৰাএৰে বাখৰপতা খঞ্জৰ ১ পাট লৈছিলে।

পাছে এইৰূপ আহি হাতীৰ ওপৰত আস্বাৰি কৰিছিলে। তাতে ৰাজা উঠিলহি। আস্বাৰি যেনেৰূপে কৰিছিলে, তাৰ লেখা, হাতীৰ ওপৰত খাট জতীয়া কৰি চাৰিখন পাট দিছিলে। সেই পাটত হাতী দাঁতৰ চিত্ৰ কৰিছিলে, সোণাৰো পতা সৰিছিলে, মাজত দোৱাল বৈছিলে, চাৰি ফালে সোণাৰ চাৰিটি খুঁটা দিছিলে। তাৰ ওপৰত বানাতৰ চোচালি ঘৰ সাজিলে। তাৰ চাৰি ফালে বানাতৰ পাণ কাটি সোণৰ বৰে দিছে। ঘৰৰ ওপৰত সোণৰ কলাফুল এটা দিছে। সেই পাটৰ তলেদি বিন্ধি হাতীৰ পেটেদি দোৱালেৰে বান্ধিছে। তাতে তলচা পাৰি ৰাজা বহিল।

পাছে যুৱৰাজ প্ৰমুক্ষে সকলো বৰা-বৰুক আহিল আৰু ৰঙ্গচোৱা মানুহো অনেকো আহিছিলে। সেই দিন আমাৰ কটকীকো নিছিলে। পাছে ৰাজা মোট খেলাবলৈ গোমতী নদীলৈ আহিল। ৰাজাৰ আগত হাতীৰ ওপৰত নিচান, ঘোঁৰাৰ ওপৰতো নিচান, মাটিতো নিছিলে নিচান। আৰু হাতীৰ ওপৰত নাগৰা আৰু ঢালে-তৰোৱালে হিলৈএৰে মানুহ ১৫০০ মান, সোৱাৰ ৪০ মান, হাতী ১৪ টা মান। ৰাজা উঠা সোণাৱলী ৰূপাৱলী সাজেৰে ঘোঁৰা ৪ টা, হাতী ৩ টা,পালেকী ২খান। সোণৰ ৰূপৰ লাঠিএৰে গুৰু জৱৰ্দ্দাৰ ৪ টা, ৰাজাৰ ওচৰতে এফালে এটা হাতীত উঠি এটাএ আৰোৱান ধৰিছে আৰু এটাএ ঢাল তৰোৱাল লৈছে। আৰু ফালে এটা হাতীত উঠি এটাএ চামৰেৰে ঢুলিছে, এটাএ ঢাল-তৰোৱাল লৈছে। ৰাজাৰ আগত শিবৰ ত্ৰিশূল চন্দ্ৰবাণ নিছিলে। পাচত গৈছে সোৱাৰ ২০ মান, ঢালে-তৰোৱালে হিলৈএ মানুহ ২ হাজাৰমান। আৰু যুৱৰাজ প্ৰমুক্ষে সকলেও বৰা-বৰুকে আপুনাৰ সামানেৰে কতোএ হাতীত কতোএ ঘোঁৰাত উঠি গৈছিলে আৰু ৰঙ্গচোৱা মানুহ সাজাৰ আগে-পাছে গৈছিলে। সেই দিন ৰাজাৰ লগত গৈছিলো মানুহ বাৰহাজাৰৰ ১০ হাজাৰমান।

পাছে এইৰূপ ৰাজা গৈ গোমতী নদীৰ পানীত হাতীৰ ওপৰত আছিলে। পাছে যুৱৰাজ প্ৰমুক্ষে পানীত নামি দুফৈদ হৈ মোটেৰে পানী মৰামৰি কৰিছিলে। গোমতী নদীৰ ওচৰতে কুঁজিঘৰ এটি আছে। ৰাজাৰ আজ্ঞাএ আমাৰ কটকী তাতে ৰহিল। কটকীৰ লগত মানুহক মোট খেলিবলৈ নিলে। সিহঁতেও সেইৰূপে খেলিলে। পাছে ৰাজা গোমতী নদীৰপৰা গৈ অমৰসাগৰ দীৰ্ঘীতো এইৰূপে খেলিলে। পাছে এইৰূপ মোট খেলাৰ কৌতুক চাই ৰাজা গৃহলৈ আহিল, আনোসকল ঘৰাঘৰি গল। আমাৰ কটকীও বাসালৈ গল।

পাছে ৰাজাৰ আজ্ঞাএ কামদেৱ গোসাঞিৰ আগত দিয়া দধি, দুগ্ধ, খিৰিছা লাডু, ভাঙ্গৰ লাডু এই সকলো বিভাগ কৰি বৰা - বৰুক আৰু ভাল মানুহলৈকো দি পঠালে, আমাৰ কটকীলৈকো দি পঠালে আৰু কাপাকানিও সকললৈকো দিলে। আমাৰ কটকীলৈকো দিলে। আৰু ৰাজা যাওতে ঘৰলৈ আহোতে নগৰৰ স্ত্ৰীসকলে দশ পাঁচ একে ঠাই হৈ কলা-পুলি ৰুই দীপ-ঘট থৈ উৰুলি দিএ। সেইসকললৈ ৰাজাৰ আজ্ঞাএ সেৱকে আধলি, সিকি, দোৱানি, একানি, আদনি মুঠি কৰি পেলাই দিএ।

শ্ৰীনাথ দুৱৰা বৰবৰুৱা

বিনাই কান্দিচেঃ কাকুতিকৈঃ

কিমতে ভকতি কৰিম তোমাত হৰি এ ঃ

মই মূঢ়মতি নজানো তাৰ উপাই ৰাম ৰাম।।

এই ঘোষাপটল কৰি গাই বিনাই কান্দিলে ঃ সুনি মহাপুৰুষ শ্রীশঙ্কৰদেৱৰ শৰীৰ ৰোমাঞ্চ হৈ মঞ্জৰি দ্ৰৰি দুইধাৰা প্রেম ঝৰিব ধৈলেঃ বোলে ৰৰাপো কি মোক অমৃত পিয়াই সন্তোষ কৰালা আজি ।। *।।

আৰু একদিনা গুৰুজনে বোলে ৰৰাপোঃ

পশু নকৰিবা শৰ

মৰাও নানিবা জীয়াও নানিবা

শুদাহাতে নপশিবা ঘৰ।।

এটি কালৈ মোক নৰপশু আনি দিয়া। পাচদিনা আহিলত সুধিলে বোলে পশু পালানে ঃ বোলে বাপ, আপুনাৰ বাক্য শিৰে ধৰি আজি সাৰা নিশা নিদ্রা নাহি ঃ গুণিভাৰি বিচাৰি সপ্ত দ্বীপ চৈধ্য ব্রহ্মাণ্ড তিনি ভুৱন স্বর্গ মর্ত্ত্য পাতাল চালো ঃ এ বাপ মোত পৰে নৰাধম পশু নাপালো বিচাৰি। আত্মাত কতু সংসাৰত মএহে নৰপশু পাপী।। সুনি গুৰুজনে নৰসিদ্ধ একাদশৰ শ্লোক ভাঙ্গি পদ কৰিচিলঃ ছোট আতাৰ বাক্যত সন্তোষ হৈ প্রেম ঝৰি দ্রৱ হৈ উপদেশ দিচেঃ

তোমাৰ ভৃত্যৰ ভৃত্যৰো ভৃত্যৰ

তাৰো ভৃত্য ভৈলো আমি

মোক জগন্নাথ নকৰা অনাথ

নেড়িবা মাধৱ স্বামী।। *।।

আৰু এদিন শ্রীৰাম আতা জাঞতে বেলা হলঃ তেহে ছোট আতা বোলে দেখো বেলা হলঃ বোলে, বাপ আচিলো খেদ কৰিচিলে গুৰুজনে ঃ বোলে, কি খেদ কৰিছিল দেখিলা ঃ বোলে,

সিয়ান চৰাই ভাও ঃ

লাম্ফ দি দি আহাৰ খাই

ফান্দত নিদিএ পাও।।

নাঞে দিলো বঠা দিলো

আৰু দিলো চৰি ঃ

বাই বটি খাব নুৱাৰে

কাৰ কোন বৈৰী।।

আমি গীত ঘোষা পদ ভটিমা কৰিলোঃ এডোলতোজে জীৱক লগাব নুৱাইলো ঃ এই চাৰি আঙ্গুলৰপৰা আন্তৰাব নপাৰিলো।

ঠেং তলে ৰৌ যায়,

মিছালৈ টোপলি বায়।

এই বুলি দেখো খেদ কৰিচিল ঃ বোলে, কালৈ কৰিচিল দেখিলা ঃ বোলে বাপ জানো ঃ বোলে কালৈ কৰিব আৰু তোমা-আমালকে কৰিচিল।। তেহে পাচদিনা দুওজনা আতা গুৰুজনৰ পাশে নিশা ৰৈ খেদ গুচাইচে।। *।।

ৰত্নাকৰ কন্দলি, অর্জ্জুনদাস বৈৰাগী

ত্রিপুৰাত মদন-পূজাৰ আড়ম্বৰ আৰু মোট-খেলাৰ কৌতুক

(ত্রিপুৰাৰ বুৰঞ্জী, ১৭২৪)

পাছে বৈশাগৰ ১০ দিন যাওঁতে কৃষ্ণত্রয়োদশী তিথিত মদন পূজাৰ অধিবাস কৰিলে। সেই দিনে তাৰ দেশৰ মানুহক যাক যি নিয়মে দিব লাগে কুহুম্বুলীয়া কৰি বঁটাবাহন দিএ। সেইৰূপে সকলকো দিলে। পাছে আমাৰ কটকীকো সিংহাসনৰ ঘৰলৈ আনি কুহুম্বুলীয়া জামা, বোলোৱা পাগ,

অধ্যায় ১ ঃ মাধৱদেৱ — তেজৰে কমলাপতি (বৰগীত)

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য

১.২ পৰিচয়

১.৩ কবি পৰিচয়

১.৪ ‘তেজৰে কমলাপতি’ কবিতাটিৰ পাঠ

১.৪.১ শব্দার্থ

১.৫ বৰগীতৰ সাধাৰণ পৰিচয়

১.৬ ‘তেজৰে কমলাপতি’ কবিতাটিৰ আলোচনা

১.৬.১ বিষয়বস্তুৰ আভাস

১.৬.২ কাব্যিক সৌন্দর্য

১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১.৮ অধিক জানিবলৈ

১.৯ অগ্রগতিৰ খতিয়ান

১.১০ আৰ্হি প্রশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- মহাপুৰুষ মাধৱদেৱৰ ৰচনাৰাজিৰ লগত পৰিচিত হ’ব
- বৰগীতৰ বিষয়ে সম্যক ধাৰণা লাভ কৰিব
- ‘তেজৰে কমলাপতি’ শীর্ষক বৰগীতটিৰ বিষয়বস্তু তথা কাব্যিক সৌন্দর্য বর্ণনা কৰিব পাৰিব
- মাধৱদেৱৰ বৰগীতত প্রতিফলিত শিশুকৃষ্ণৰ দুমুখীয়া চৰিত্রৰ বিষয়ে আলোচনা দাঙি ধৰিব পাৰিব।

১.২ পৰিচয়

এই অধ্যায়টো এইখন পাঠ্যবিষয়ৰ প্রথম অধ্যায়। অধ্যায়টোত আপুনি এটি পুৰণি অসমীয়া কবিতাৰ বিষয়ে অধ্যয়ন কৰিবলৈ পাব। কবিতাটি হৈছে ‘তেজৰে কমলাপতি’। কবিতাটো দৰাচলতে মাধৱদেৱ বিৰচিত এটি বৰগীতহে। ইয়াত প্রসংগক্রমে বৰগীতৰ বিষয়েও কিছু আলোচনা সন্নিৱিষ্ট কৰা হৈছে। বৰগীতটিৰ মাজেৰে ৰাতিপুৱাৰ এটি মনোৰম দৃশ্য অংকিত হৈছে আৰু তাৰ

লগে লগে মাতৃ যশোদাই কৃষ্ণক লগৰীয়াৰ সৈতে বৃন্দাবনত গৰু চৰাবলৈ যাবলৈ টোপনিৰ পৰা জগোৱাৰ এটি সুমধুৰ বর্ণনা দিয়া হৈছে। একে সময়তে মাধৱদেৱে কৃষ্ণ যে ত্রিজগতৰ পতি আৰু যশোদাই বহু পুণ্যৰ বলতহে যে তেওঁক পুত্র ৰূপে পাইছে, সেই কথা জনাবলৈ পাহৰা নাই।

১.৩ কবি পৰিচয়

মাধৱদেৱ নৱ-বৈষ্ণৱ ধর্মৰ প্রৱর্তক মহাপুৰুষ শংকৰদেৱৰ প্রিয়তম শিষ্য আছিল। ১৪৮৯ খ্রীঃত বর্তমানৰ উত্তৰ লখিমপুৰৰ নাৰায়ণপুৰত তেওঁৰ জন্ম হৈছিল। তেওঁৰ পিতৃৰ নাম আছিল গোবিন্দগিৰি ভূঞা আৰু মাতৃৰ নাম আছিল মনোৰমা। গোবিন্দগিৰিৰ আন এটি জনাজাত নাম আছিল লামকনা। গোবিন্দগিৰিৰ আর্থিক অৱস্থা বৰ ভাল নাছিল। জীৱিকাৰ সন্ধানত তেওঁ বিভিন্ন ঠাই ঘূৰি ফুৰিছিল। মাধৱদেৱৰ যেতিয়া চৈধ্য বছৰ বয়স, তেতিয়া তেওঁ হাবুং নামৰ ঠাইলৈ আহি তাতে ঘাঘৰ মাজি নামৰ এজন লোকৰ আশ্রয়ত থাকিবলৈ লয়। ইয়াতেই তেওঁৰ উর্বশী নামৰ এগৰাকী কন্যা সন্তানৰ জন্ম হয়। ইয়াৰ পাছত তেওঁ ভটিয়াই ৰৌতা অঞ্চললৈ আহে। ৰৌতাত থকা সময়তে তেওঁ উর্বশীক গয়াপাণি ভূঞা নামৰ এজন লোকলৈ বিয়া দিয়ে। এই গয়াপাণি ভূঞাই পাছলৈ ৰামদাস বুলি খ্যাত হৈ পৰে। ৰৌতাত কিছু কাল থকাৰ পাছত গোবিন্দগিৰিয়ে পূর্বৰ ঠাই বাণুকালৈ যায় আৰু তাতে ৰাজেন্দ্র অধ্যাপকৰ টোলত মাধৱদেৱক নাম লগাই দিয়ে। ইতিমধ্যে গোবিন্দগিৰিৰ মৃত্যু ঘটে।

ৰাজেন্দ্র অধ্যাপকৰ টোলত শিক্ষা গ্রহণ কৰি মাধৱদেৱ সর্বশাস্ত্র বিশাৰদ হৈ উঠে। তেওঁ প্রথমাৱস্থাত শাক্ত পন্থাত বিশ্বাসী আছিল। এবাৰ তেওঁ মাকৰ ৰুগ্নাৱস্থাৰ পৰা হাত সাৰিবলৈ দুর্গা গোসাঁনীৰ আগত এটা পঠা ছাগলী বলি দিবলৈ আগ কৰি থৈছিল। এই পঠা ছাগলী বিচাৰিবলৈ ভনী-জোঁৱায়েক ৰামদাসক পাচিছিল। এই ঘটনা সন্দর্ভতে ১৫২২ খ্রীঃত তেওঁ ধুৱাহাট-বেলগুৰি নামে ঠাইত শংকৰদেৱৰ সৈতে শাস্ত্রযুদ্ধত প্রবৃত্ত হ'বলগীয়া হৈছিল। শংকৰদেৱ আছিল বৈষ্ণৱ পন্থাত বিশ্বাসী। নিজ নিজ মতবাদৰ শ্রেষ্ঠত্ব প্রতিপাদন কৰিবলৈ কৰা দুয়োজনা পণ্ডিতৰ মাজৰ এই বাক্-যুদ্ধখিনিয়েই আছিল মাধৱদেৱৰ জীৱন-পৰিক্রমাৰ এক বিশেষ পৰিঘটনা। কিয়নো এই বাক্-যুদ্ধতেই শংকৰদেৱৰ যুক্তিৰ ওচৰত সেও মানি তেওঁ শংকৰদেৱৰ শিষ্যত্ব গ্রহণ কৰে।

মাধৱদেৱে সকলো ক্ষেত্রতে গুৰুৰ পদাংক অনুসৰণ কৰিছিল। ৰাজনৈতিক খামখেয়ালিৰ বাবে শংকৰদেৱে আহোম ৰাজ্য ত্যাগ কৰি ভটিয়াই আহিবলৈ লওঁতে তেৱোঁ গুৰুৰ লগত আহে। প্রথম অৱস্থাত তেওঁ বৰপেটাৰ বাৰাদি অঞ্চলত বসবাস কৰিবলৈ লয়। পাছত বৰপেটাৰ ওচৰৰে গণককুছিত নিগাজিকৈ বসতি কৰে। এই কালছোৱাত তেওঁ গুৰুক ধর্ম প্রচাৰৰ ক্ষেত্রত সক্রিয়ভাৱে সহায় কৰে।

১৫৬৮ খ্রীঃত মহাপুৰুষ শংকৰদেৱৰ মহাপ্রয়াণ ঘটে। মৃত্যুৰ আগে আগে গুৰুজনাই মাধৱদেৱক ধর্ম প্রচাৰৰ সম্পূর্ণ ভাৰ ন্যস্ত কৰিছিল। ধর্মবস্তু প্রসাৰৰ অধিকাৰ লাভ কৰি তেওঁ একান্তভাৱে গুৰুদায়িত্ব পালন কৰিছিল। বৰপেটাৰ পাটবাউসী, সুন্দৰীদিয়া আদি ঠাইত থাকি শেষত তেওঁ বৰপেটাত বিখ্যাত 'বৰপেটা সত্র' স্থাপন কৰে। শংকৰদেৱৰ নিচিনাকৈ মাধৱদেৱো

তোহ্মাৰ অভয় দুই চৰণত ধৰি।
স্বর্গ মোক্ষ নৰকক মানে তুল্য কৰি।।
মোক্ষকো অভিলাষ নাহি হৰি।
তোমাৰ চৰণৰেণুক এৰি।।
নপান্ত ব্রহ্মা হৰে দেৱে জাক।
হেন জানি নাথ ৰাখা আমাক।।

এ বাপ সংসাৰ তিনি তাপে পুৰি দগ্ধকৈ বাগৰোতে ভ্রমি, শ্রেষ্টা নাপাএ ঃ তযু কথামৃত পানকৈ পদশ্বেতছত্রছায়াত জিৰাএ দিনা চাৰু ঃ বিষয়বিষৱহ্নিত নেপেলাব ঠেলি ঃ বোলে জি আপুনাৰ অভয়পদআশ্রয়বলেহে কঞ।। তেহে বোলে বৰাৰ পো আৰু দিনাচাৰি আগে লাগ পালোহতে তোমাক ঃ এ আমিও ৰামানন্দৰ মাকক বিবাহ নকৰিলোহতেঃ তেও কৰাইছো বুলি গৃহঅন্ধকুপত প্রাণ ত্যাগ কৰা নাজাই ।। হৰমোহনৰ কীর্ত্তন কৰিচিল ঃ সেইখিতেঁ ঘোষাত দিচে, মাধৱ বান্ধৱ দেৱ হৰি।
কৰা কৃপা দাসে ক্ষেমা কৰি।। * ।।

তেনেকৈ বুলিলতো আইমাতৃৰ আপিক দিবৰ প্রবীণ চিত ঃ পৰিচর্য্যাখানি কৰাই ঃ কট পৰাই দিএ গুৱাখানি দিয়াই ঃ বহালৈ মাচ-গাখিৰ শাক লোণ তেল জলকিয়া বেঙেনাটি দি পঠাই ঃ শয্যাখানিও পৰাই জোকৰাই থই।। এদিন ছোট আতা আপিক ধৰি কন্ধে তুলি বোলে তুমি গুৰু-দুহিতৃ, সেৱাৰ বন্দনী, আমাৱহে বন কৰা ঃ বুলি নি গুৰুজনৰ আগত থলেগৈ। মহাপুৰুষ গুৰু বোলে, ৰামানন্দৰ মাক চোৱাহি ঃ মই কঞ নপতিৱা ঃ নির্গুণত গুণ দিব খোজা ঃ তাৰেপৰা নপঠাই আৰু ।। * ।।

আৰু একদিনা দুওজনা গুৰু ঠাকুৰ আতা জতি-মধাই আনো ভক্তসৱেৰে গৈছে বুৰি লুইতে ভটিয়াই ঃ পাচে তেনেতে লুইতৰ দিয়াত গো চাৰিচে এটি চণ্ডালৰ চৱা তেঞে বুলিলে বান্ধৱ কৃষ্ণ ঃ পাচে গুৰজনে বোলে ই বালক চৱা ঃ ইয়াৰ মুখতজে নাম আহিল, এই দেশত নামধর্ম্মবস্তু প্রকাস হব ঃ ঘুৰি নাও চমু চাপিলহি ঃ বোলে বৰাপোএও কতক কবিত কৰা ঃ নাৰায়ণদাসেও কৰা মধাএও কৰা।। ছোট আতা কৰিলে কবিতা গুৰুৱাক্য শিৰে ধৰি জয়গুৰু শঙ্কৰ জগত-প্রখ্যাত, স্বর্গ মর্ত্ত্য পাতাল অনন্ত অচ্যুত বৈকুণ্ঠে সমি ভেদি পৃথিৱী চন্দ্র সূর্য্য থাকে মানে ৰহিব।। ঠাকুৰ আতা কৰিলে,

জয় জয় অনাদি শঙ্কৰ
মই তুৱা দাসকু দাস।
উজানৰ হন্তে আসি
প্রাণ প্রভু নিকটে লৈলা বাস।।
মধাএ কৰিলে,
বাউ ধৰ নামৰ বাচৰু
শ্রীশঙ্কৰৰ ঘাটে।
বাব নুৱাৰো নামৰ বাচৰু
বঠা নাইকিয়া হাতে।।

তেহে গুৰুজনে বোলে বৰাপোএ জি কবিতা কৰিলে সাত পাতাল স্বর্গ সাত বৈকুণ্ঠ ভেদি গল ঃ নৌকা চাদি উপচি গল ঃ বোলে বৰাপো বাৰ-গুচা নাম ই ফুৰুৱাৰ হৈ ঃ বোলে বাপ বাৰ দিয়া হব শঙ্কৰ তাকেৰি অংশ ঃ আগে শঙ্কৰৰ অংশ দিচিল ঃ নাৰায়ণদাসৰ কবিতা নাঞ চপচপিয়া হল।। মধাইৰ কবিতাহে তলিতে লুকাল।। * ।।

আৰু একদিনা বুৰি লুইতে জাই দুওজনা গুৰু ভক্তে সমে নৌকাৰে গৈচে ভটিয়াই।। গজিয়াঘাটতে এটা মৰা খৰি দিচে জ্ঞাতি বংশেঃ তাৰে স্ত্রীটে অন্তৰতে বসি কান্দিব লাগিচে ইনাই বিনাই। দেখি গুৰুজনে বোলে বৰাপো, মৰা মৈল কিৱ কান্দিচে ঃ এ বোলে বাপ ঃ জিহে মৰিছে সি জীয়াৰেপৰা মৰা ঃ এই জি কান্দিচে ইও সপ্রাই মৰাহে ঃ এ বাপ পূর্ব্বেই জীৱ বাজকৈ প্রকৃতি মায়াৰ হাতে দিলা আয়াজাত কে ভুহৰাই অজ্ঞান ভূমত পৰি মৰাকে লাগি মৰাই কান্দিচে আপুনাৰ মায়াত। বোলে বৰাপো আমাৰো কান্দা এফেৰি ঃ তেহে শ্রীমাধৱদেৱে আত্মাক মনে ধৰি পৰমগুৰুচৰণত

পৰিশিষ্ট

গুৰু-শিষ্যৰ মণি-কাঞ্চন সংযোগ (গুৰু-চৰিত-কথা)

প্ৰবৃতি, নিবৃতি তিনি প্ৰহৰ বেলি বাদ কৈলেঃ শ্ৰীশঙ্কৰদেৱ তৰু-মূল শ্লোক আনিলে; যথা- তৰোৰ্মূলনিষেচনেন তৃপ্যন্তি তৎস্কন্ধভুজোপশাখাঃ।। এই শ্লোক মাতি অৰ্থ দৃষ্টান্ত ক'লে ঃ প্ৰাণৰ ভোজনে ইন্দ্ৰিয় তুষ্টঃ বত্ৰিস অলঙ্কাৰে কচালে সিব নহলে অশোভন এইমতে চৰ্চ্চিলত সেৱা কৰিলে ভঙ্গ গৈ ঃ বোলে বৰাৰ পো জোৱানে এতিয়াঃ বোলে বাপ নজাএঃঃ বোলে দেখো আহিও সেৱা কৈলাঃ এতিয়াও সেৱা কৈলা কিয়ঃ ছোট আতা বোলে, আগে জি কৰিলোঃ বৰভূএগ্ৰ বিসই মানিঃ এতিয়া জি কৰিচো অভই পাদ-পঙ্কজত বিক্ৰই জীৱ কৰি গুৰু মানি।। *।।

পাছে দুয়োজনা বিদাই কৈ গধুলি ভৰাৰি-ডুবিলে গলঃ পাচদিনা মাহ-চাউল জৰা পুৰা গুৱাপান বস্ত্ৰ হবিচে গৈ বস্তু লভিচেঃ আহি দিন-চাৰি আচে। আহিনৰ পূজাৰ সময়ত গৈ ৰামৰাম গুৰুক নিচেহিঃ প্ৰসাদ-নৈৱেদ ধোৱাই কটাই বিষ্ণু পূজা কৰাইছে ঃ বোলে অন্য দেৱ নামে ফুল-পাতো নিদিবাঃ বোলে সজ কৰি ঘোষা-কীৰ্ত্তন ওজা গালে ঃ প্ৰসাদ ভাঙ্গি চৰুৎকৈ আনিলে গুৰু-ঠাঁলেঃ বোলে বৰাৰ পো, ইৱাক দহো লাৰিবৰ নৌ হইঃ বোলে বাপ সি নহইঃ ৰাজাৰ হেঙ্গদান পাত্ৰৰ কি ঃ বোলে বিষ্ণু-নৈৱেদহেঃ তাক আমি কিয় কৰিমঃ বোলে কালি পাই গৈ একচিত নিচই বিষ্ণুত পূজি প্ৰসাদ আনিচে ঃ এ গৃহৰ স্ত্ৰীহে বুজাব নপাইলো ঃ বোলে ৰামানন্দৰ মাক থৱানি স্নান কৈ লম ঃ পাচে শৌচ-সুধি স্নান গুৰু-সেৱাকৈ প্ৰসাদ ছোট আতাকো দিলে আই, ঠাকুৰ, ভকতকো দি ভোজন কৈল্য।। বিৰলে দুওজনা গুৰু আলচি এক দৃষ্টান্ত কৈচে ঃ এক বুৰা-বুৰি ছন্ন অৱণ্যত গৃহ, পুত্ৰ হল সি সমন্ধ ধৰে বুৰা-বুৰি বুলিঃ পাচে দুও আলচি বোলে আই-বোপাই দুও দুইক বোলো ই লৰা সুনি তেহে বোল ধৰে ঃ এতেকে বৰাৰ পো, শিষ্য-গুৰু ভাব দেখালেহে ধৰিব আভুৱা জীএ।। সেব্য হল গুৰুজনঃ সেৱকৰ ভাব ললে ছোট আতাঃ আগে আগে বস্তু তিনিটিহে আচিল গুৰুজনৰে পুৰে চাৰি পোৱা সেৱকৈ দেখায় সেৱকত।।

নিতে কৃষ্ণকথা সুনে দুও বেলা আহি গৈ ঃ গুৰুজন ভোজনকৈ এফেৰি সোএ ঃ ছোট আতা আহি ৰৈ বহি থাকেহি ঃ গুৰু বোলে ৰামানন্দৰ মাক মাধৱ বান্ধৱ আহিলে আমাক জগাবা।। পাচে হৰিপ্ৰিয়া আপি জগাইগৈ বোলে আতা মাধৱ বান্ধৱ আহি ৰৈ আচে উঠা জক। উঠি বোলে আমি জানো মাধৱ বান্ধৱ বুলি ঃ তুমি কালিৰ ছৱা, তই জানিলি কিকৈ ঃ এই বুলি মুণ্ডত চুম্বন কৰিলে।। *।।

এদিন গোসানিয়ে বোলে ৰামানন্দবাপখন ঃ তাৰা দেখো কালি বেলা ভাটিত গৈ বেগাই আহে চাউলবা সিজাই নিসিজাই ঃ অতে লবলৈনো কি বোলে সোধা জাব।। পাচদিনা আহিলত সুধিলে বোলে, কালি জে বিয়লা গল চাউল সিজাব পৰা হল নহল ঃ বোলে বাপ নহল ঃ বোলে আমাৰ অতেনো লবলৈ কি বোলা জাই।। বোলে বাপ তোম্ৰা ঠাইত নলৈ কতনো লম জাৰ প্ৰসাদত সেৱাকৈ সংসাৰ তৰিবলৈ আশা কৰিচো।। তেও আমি ভিতৰ চাএঃঃ ভিতৰ সোমাই গৈ দেখে এফালে পতিলাঃ এচুকে ভিটি বান্ধি ঘট পাতি আমডালি, আৱাঁ সূতা থৈচেঃ বোলে মাতৃ এই কি ঃ বোলে বাপু তোম্ৰা সুধিব নালাগেঃঃ চাইটি চাৰা চিতা আছেঃঃ আৰে কিবা পাৰতেহ্নি কাৰণে থৈচোঃঃ বোলে ঘৰতে পৰমব্ৰহ্ম তাৰাজো বিঘ্নি দূৰ কৰিব নপাৰে। এইভোৰে দূৰ কৰিব জাৰ দাসি ঘৰদেউতি।। এই বুলি মৰিয়াই ভাঙ্গি পাচি ভৰি কলাকটাতে উটালেনি ঃ গুৰু বোলে আমি কলে নলই, এতিয়া পাইচে কাজিএ ঃ তেহে স্নানকৈ আহি বোলে মাতৃ পাগ-পাত্ৰ দূৰকৈ বস্ত্ৰ ধুই খাৰে টেঙ্গা স্নানকৈ উপাসে থাকি চাউল সিজাৰা।।

পাচদিনা আহি গুৰুজনক সেৱাকৈ ভিতৰে গলঃ সেইক্ৰমে আচিল আহি বস্তু লভি পাৱতে শিৰ দি সেৱাকৈ বোলে বাপু সূৰ্য্যক কুহলিএ ঢকাদি অগ্নিক ভস্মে ঢকাদি ঢাকিচিল ঃ তোম্ৰাহে চক্ষুৰ পতাল গুচাই দিব্য অঞ্জন দিলা আজি ঃ প্ৰভুৰ মায়াত ভালেহে ব্ৰহ্মা বিশ্ৰুতি হৰো লৰে মোৰে মায়া মোকে ঢাকে।। বোলে মোৰ গুৰুজনক কি বুলি মানিচাঃ বোলে স্বামী বুলিঃ বোলে তাৰা পূৰ্ণ ঈশ্বৰো ঈশ ঃ তুমি লক্ষ্মী ঃ আৰু মাতা কি বুলিঃ বোলে ৰামানন্দবাপ বুলি বা হৰিচন বাপ বুলি ঃ বোলে, সামান্য লোকৰহে ই সম্বন্ধ ঃ বৈকুণ্ঠৰ বস্তু আমাৰ গোসাই বুলিবা ঃ শয়ন কৰা কেনেকৈ ঃ বোলে একে শয্যা-পাটি গাৰু এ ঃ বোলে তেনেকৈ কৰা নাজাব ঃ নাভিৰ সমে মাথা থৈ কৰিবাঃ সেৱাকৈ সুবা, ধূলা লৈ উঠিবা।। এতিয়া চাউল সিজকগৈ ঃ হল, দুওজনা গুৰু আনন্দসুখে ভোজন কৈলেঃ বসি মুখ সুদিকৈ বোলে বাপ, আপুনাৰ বাক্যে এসন্ধ্যা ভোজন কৈলো ঃ গুৰু-পত্নী অৰ্দ্ধশৰীৰ আপুনাৰ আৰু বোলা নাজাব, অপৰাধ বই।। * ।।

এদিন গোসনিএ বোলেঃ বিষ্ণুপ্ৰিয়াক তাৰাতে বিবাহ দিলোহতে সুধিব, কি বোলে। গুৰু পাচদিনা সুধিলে বোলে বৰাপো এখানি বাক্য বুলিব খোজো কৰা কি নকৰা ঃ বোলে বাপ সৰেখানি কৰা জাব ঃ এটিহে ৰাখিব নাপাৰিম। জীৱৰ কুশলৰ হেতুকে আপুনাক গুৰু মনা গৈছে ঃ মায়াময় বিসই পশুপক্ষীশৰীৰতো পাই ঃ আক লাগি আশা ভাৰষা কৰা নাই, বাপ।। বোলে বৰাৰ পো, গৰ বান্ধি যুজিলে সজ প্ৰাণৰ সংশয় নাই ঃ বিনা গৰে যুজিলে ভয়।। বোলে বাপ গৰ বান্ধি যুঝাক একা ঃ ক্ষেত্ৰিয় বোলে কোনে ঃ বিনাগৰে যুজিলেহে যুদ্ধাৰু।। তেহে মহাপুৰুষ গুৰু বোলে বৰাৰ পো, কাত বলে বোলাঃ ব্ৰহ্মা-সদাশিৱৰ ৰবি-শশী পৰ্য্যন্তে গৰব বাক্য বুলি পাইছে ঃ শ্ৰেষ্টা হৰাই মৰে বিশ্ৰুতি হৈ ঃ বোলে বাপ

সময়ে সময়ে জনৰোষ আৰু ৰাজৰোষৰ বলি হৈছিল। কামৰূপৰ নামনিত থকা কালছোৱাতো তেওঁ সুখে-সন্তোষে ধৰ্ম প্ৰচাৰ কৰিব পৰা নাছিল। বৈষ্ণৱ বিদ্বেষী দুষ্ট লোকৰ বাবে তেওঁ জীৱনৰ শেষৰ ফালে কোচৰজা লক্ষ্মীনাৰায়ণৰ আশ্ৰয়ত কোচবিহাৰলৈ যাব লগা হৈছিল। এই সময়তে ভেলা-মধুপুৰ সত্ৰত থকা অৱস্থাত ১৫৯৬ খ্ৰীঃত মাধৱদেৱে ইহলীলা সম্বৰণ কৰে।

মাধৱদেৱে নৱ-বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰাৰ উপৰি গুৰুৰ আদৰ্শ অনুসৰণ কৰি এক শ্ৰেণীৰ উচ্চ পৰ্যায়ৰ সাহিত্য সৃষ্টি কৰি থৈ যায়। তেওঁৰ সাহিত্যকৃতিক তলত দিয়া ধৰণে শ্ৰেণীভুক্ত কৰিব পাৰি।

- **আখ্যানমূলক ৰচনা ঃ** *ৰামায়ণৰ আদিকাণ্ড* আৰু *ৰাজসূয় কাব্য*
- **তত্ত্বমূলক ৰচনা ঃ** *জন্ম-ৰহস্য, ভক্তি-ৰত্নাৱলী, নামঘোষা* আৰু *নাম-মালিকা*
- **নাট ঃ**
  - *পূৰ্ণাংগ অংকীয়া শ্ৰেণীৰ নাট ঃ অৰ্জুন-ভঞ্জন*
  - *ঝুমুৰা ঃ চোৰধৰা, পিম্পৰা-গুচোৱা, ভূমি-লেটোৱা* আৰু *ভোজন-বিহাৰ*। ওপৰত উল্লেখ কৰা নাটকেইখন মাধৱদেৱৰ ৰচনা বুলি পণ্ডিতসকলে ঠাৱৰ কৰিছে। ইয়াৰ উপৰি আনকেইখনমান নাট; যেনে — *ৰাস-ঝুমুৰা, কোটোৱা-খেলা, ভূষণ-হৰণ* আৰু *ব্ৰহ্মমোহন*ত মাধৱদেৱৰ নাম সংযুক্ত হৈ আছে। নানান অন্তৰংগ আৰু বহিৰংগ কাৰণৰ ভিত্তিত এই নাটকেইখন মাধৱদেৱৰ দ্বাৰা ৰচিত নহয় বুলি ভাবিবৰ থল আছে।
- **গেয় পদ্ধতিৰ ৰচনা ঃ** বৰগীত আৰু ভটিমা

মাধৱদেৱৰ সাহিত্যিক জীৱনৰ কীৰ্তিস্তম্ভ হ'ল তেওঁৰ *নামঘোষা* নামৰ অনুপম গ্ৰন্থখনি। এই গ্ৰন্থখনি মাধৱদেৱে জীৱনৰ শেষছোৱাত বেহাৰত থকা সময়ত ৰচনা কৰিছিল। জীৱনৰ শেষ বয়সৰ ৰচনা হোৱা হেতুকে এই গ্ৰন্থখনিত মাধৱদেৱৰ সাহিত্য প্ৰতিভা আৰু জীৱন-অন্বেষণৰ পূৰ্ণ প্ৰকাশ ঘটিছে। এনে দিশ লক্ষ্য কৰিয়েই ড° বাণীকান্ত কাকতিয়ে *নামঘোষা*ক মাধৱদেৱৰ জীৱনৰ 'মহাপ্ৰস্থানিক গীত' অৰ্থাৎ Swan Song আখ্যা দিছে।



জানি থোৱা ভাল

মাধৱদেৱৰ *নামঘোষা* গ্ৰন্থখনিক 'হেজাৰী ঘোষা'ও বোলা হয়। ইয়াত এক হাজাৰ ঘোষা আছে কাৰণেই এই নাম দিয়া হৈছে। মন কৰিবলগীয়া কথা এয়ে যে এই এক হাজাৰ ঘোষাৰ ভিতৰৰ ছশমান ঘোষা বিভিন্ন বৈষ্ণৱ শাস্ত্ৰৰ শ্লোকৰ অনুবাদ আৰু বাকী চাৰিশ ঘোষা মাধৱদেৱৰ নিজা সৃষ্টি। অনুবাদ আৰু আত্মসৃষ্টি হ'লেও আটাইখিনি ঘোষাতে মাধৱদেৱৰ কবিত্ব শক্তি, ধৰ্মজ্ঞান, ভক্তিভাব আৰু বোধশক্তিৰ সমান স্ফুৰণ পৰিলক্ষিত হয়। ড° বাণীকান্ত কাকতিৰ মতে *নামঘোষা*ত তিনিটা প্ৰধান ভাবৰ ধাৰা মিহলি হৈ আছে— (ক) পুণ্যশ্লোক শংকৰ স্মৃতি, (খ) মাধৱদেৱৰ আত্মলঘিমা আৰু (গ) কৃষ্ণভক্তি মাহাত্ম্য।

মাধৱদেৱৰ গীত-পদ আৰু নাটসমূহো অনুপম সাহিত্যকৃতি। গীত-পদৰ ভিতৰত তেওঁৰ

ৱৰগীত আৰু ভটিমাসমূহক থ'ব পাৰি। গুৰু আজ্ঞা শিৰত লৈ মাধৱদেৱে ১৫৭টা ৱৰগীত ৰচনা কৰাৰ কথা উল্লেখ আছে। ৱৰগীতৰ লেখীয়াকৈ মাধৱদেৱৰ ভটিমাকেইটিও অসমৰ সাহিত্য আৰু সংগীত জগতৰ এক আপুৰুগীয়া সম্পদ। 'জয় গুৰু শংকৰ' শীৰ্ষক গুৰুভটিমাটিৰ মাজেৰে মাধৱদেৱে শংকৰদেৱৰ গুণ-গৰিমাৰ সুমধুৰ প্ৰকাশ কৰিছে। নাটৰ ক্ষেত্ৰত মাধৱদেৱে গুৰুৰ আদৰ্শ অনুসৰণ কৰি *অৰ্জুন-ভঞ্জন* নামৰ পূৰ্ণাংগ নাটখনি ৰচনা কৰাৰ উপৰি চাৰিখনকৈ লঘু শ্ৰেণীৰ 'ঝুমুৰা' লিখি উলিয়ায়। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে উল্লিখিত নাট, ঝুমুৰা তথা তেওঁৰ বেছিভাগ ৰচনাতে মাধৱদেৱে বালক কৃষ্ণকে মুখ্য বস্তু হিচাপে গ্ৰহণ কৰিছে। বাল্মিকী *ৰামায়ণৰ আদিকাণ্ড* মাধৱদেৱৰ একমাত্ৰ অনুবাদমূলক ৰচনা।

ওপৰত উল্লেখ কৰা সাহিত্যকৃতিসমূহত কবি মাধৱদেৱৰ অসাধাৰণ কাব্য-প্ৰতিভাৰ স্বাক্ষৰ লক্ষ্য কৰিব পাৰি। তেওঁ গুৰুৰ আদৰ্শ সাৰোগত কৰি সাহিত্য সেৱাত আত্মনিয়োগ কৰিছিল যদিও সাহিত্যৰ ৰূপ, ৰস আৰু সংযুতি সাধনৰ ভালেমান দিশত গুৰুৰ ৰীতিৰ পৰা আঁতৰি আহিছিল। এই কথাত অকণো সন্দেহ নাই যে কিছু কিছু ক্ষেত্ৰত অন্ততঃ ভাষাৰ মাধুৰ্য, পদৰ অৰ্থ-ব্যঞ্জনা আৰু প্ৰকাশৰ সামৰ্থ্যৰ দিশত তেওঁ শংকৰদেৱকো অতিক্ৰম কৰি গৈছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ মাধৱদেৱে কোনগৰাকী অধ্যাপকৰ টোলত শিক্ষা গ্ৰহণ কৰিছিল?

.....

প্ৰশ্ন নং ২ ঃ শুদ্ধ নে অশুদ্ধ নিৰ্ণয় কৰক—

ক) 'জয় গুৰু শংকৰ' শীৰ্ষক ভটিমাটি হৰিদেৱে ৰচনা কৰিছিল।

খ) *নামঘোষা* আৰু *নাম-মালিকা* মাধৱদেৱ ৰচিত নাট।

গ) 'ৰৰপেটা সত্ৰ' স্থাপন কৰিছিল মাধৱদেৱে।

ঘ) মাধৱদেৱে ৰচনা কৰা ৱৰগীতৰ সংখ্যা ১৫৭টা।

.....

১.৪ 'তেজৰে কমলাপতি' কবিতাটিৰ পাঠ

ৱৰগীত

ৰাগ- শ্যাম

ধ্ৰুং — তেজৰে কমলাপতি পৰভাতে নিন্দ।
তেৰি চান্দ মুখ পেখোঁ উঠৰে গোৰিন্দ।।

পদ — ৰজনী বিদূৰ দিশ ধৱলী ৱৰণ।
তিমিৰ ফেড়িয়া বাজ ৰবিৰ কিৰণ।।
শতপত্ৰ বিকশিত ভ্ৰমৰ উৰায়।

২৩) বৰুৱা, ভবেন (২০০২); *অসমীয়া কবিতা ঃ ৰূপান্তৰৰ পৰ্ব;* গুৱাহাটী ঃ গ্ৰন্থ।

২৪) বৰুৱা, প্ৰহ্লাদ কুমাৰ (২০০); *আধুনিক অসমীয়া কবিতাৰ গতি বৈচিত্ৰ্য;* ডিব্ৰুগড় ঃ বনলতা।

২৫) বৈশ্য, ভুবনেশ্বৰী (সম্পাঃ)(২০০০); *অসমৰ বৈষ্ণৱ সাহিত্য আৰু সংস্কৃতি;* গুৱাহাটী।

২৬) ভৰালী, শৈলেন (২০০৯); *বাণীকান্ত কাকতিৰ পৰা ভবেন বৰুৱালৈ;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

২৭) ভৰালী, শৈলেন (সম্পাঃ) (১৯৯৫); *বাণীকান্ত কাকতি;* গুৱাহাটী ঃ গুৱাহাটী বিশ্ববিদ্যালয়।

২৮) ভূঞা, সূর্যকুমাৰ (সম্পাঃ) (১৯৯০); *ত্ৰিপুৰা বুৰঞ্জী;* গুৱাহাটী ঃ অসম চৰকাৰৰ বুৰঞ্জী আৰু পু�ৰাতত্ত্ব বিভাগ।

২৯) ভূঞা, সূর্যকুমাৰ (সম্পাঃ) (১৯৩২); *তুংখুঙীয়া বুৰঞ্জী;* অসম চৰকাৰ ঃ বুৰঞ্জী আৰু পু�ৰাতত্ত্ব বিভাগ।

৩০) মহন্ত, বাপচন্দ্ৰ (সম্পাঃ) (২০০০); *ৱৰগীত;* গুৱাহাটী ঃ ষ্টুডেণ্টচ্ ষ্টৰ্চ্ ।

৩১) লেখাৰু, উপেন্দ্ৰ চন্দ্ৰ (সম্পাঃ) (১৯৫২); *কথা-গুৰু-চৰিত;* গুৱাহাটী ঃ দত্ত বৰুৱা এণ্ড কোম্পানী।

৩২) লেখাৰু, উপেন্দ্ৰ চন্দ্ৰ (১৯৯১); *পুৰণি সাহিত্য অধ্যয়ন;* গুৱাহাটী।

৩৩) শইকীয়া, নগেন (১৯৯৬); *অসমীয়া কবিতা আৰু অন্যান্য বিষয়;* চন্দ্ৰ প্ৰকাশ, পাণবজাৰ, গুৱাহাটী।

৩৪) শৰ্মা, গোবিন্দ প্ৰসাদ (১৯৯৩); *জীৱনী আৰু অসমীয়া জীৱনী;* গুৱাহাটী ঃ ষ্টুডেণ্টচ্ ষ্টোৰচ্।

৩৫) শৰ্মা, উপেন্দ্ৰনাথ (২০০৫); *কবিতাৰ ভাষা আৰু অন্যান্য প্ৰবন্ধ;* গুৱাহাটী ঃ জয়দেৱ শৰ্মা-ভৱানীদেৱী প্ৰকাশন।

৩৬) শৰ্মা, তীৰ্থনাথ (১৯৯৮); *ভক্তিবাদ;* গুৱাহাটী।

৩৭) শৰ্ম্মা, দলৈ হৰিনাথ (১৯৯২); *অসমীয়া গদ্য-সাহিত্যৰ গতিপথ;* নলবাৰী ঃ পদ্মপ্ৰিয়া লাইব্ৰেৰী।

৩৮) শৰ্মা, সত্যেন্দ্ৰনাথ (২০০৬); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।

৩৯) শৰ্মা, সত্যেন্দ্ৰনাথ (১৯৮৮); *পুৰণি সাহিত্য অধ্যয়ন;* গুৱাহাটী ঃ বাণী প্ৰকাশ।

৪০) হাজৰিকা, অতুলচন্দ্ৰ (সম্পাঃ)(১৯৬৭); *চন্দ্ৰামৃত;* যোৰহাট ঃ অসম সাহিত্য সভা।

৪১) হাজৰিকা, কৰবী ডেকা (২০০৮); *অসমীয়া কবি আৰু কবিতা;* ডিব্ৰুগড় ঃ বনলতা।

৪২) হাজৰিকা, কৰবী ডেকা (১৯৯৮); *অসমীয়া কবিতা;* বনলতা, গুৱাহাটী।

৪৩) হাজৰিকা, কৰবী ডেকা (১৯৮৭); *মাধৱদেৱ ঃ সাহিত্য, কলা আৰু দৰ্শন;* ডিব্ৰুগড় ঃ বনলতা।



প্রসঙ্গপুথি

১) আহমেদ, কামালুদ্দিন (২০০৫); *আধুনিক অসমীয়া কবিতা;* গুৱাহাটী ঃ বনলতা।

২) উল্লাহ, ইমদাদ (১৯৮৩); *কবিতাৰ সবিশেষ;* যোৱহাট ঃ অসম সাহিত্য সভা।

৩) উল্লাহ, ইমদাদ (১৯৮০); *সৃজন আৰু মনন;* গুৱাহাটী ঃ গুৱাহাটী বুক ষ্টল।

৪) কটকী, প্রফুল্ল (১৯৮৮); *ক্রমবিকাশত অসমীয়া কথা শৈলী;* গুৱাহাটী ঃ বীণা লাইব্রেৰী।

৫) কাকতি, বাণীকান্ত (১৯৫৮); *পুৰণি অসমীয়া সাহিত্য;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

৬) গগৈ, লীলা (২০০২); *বুৰঞ্জী সাহিত্য;* গুৱাহাটী ঃ বনলতা।

৭) গোস্বামী, গোলকেশ্বৰ (২০১২); *গুৰু-চৰিত-কথা অধ্যয়ন আৰু বিশ্লেষণ;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৮) গোস্বামী, মালিনী আৰু আহমেদ, কামালুদ্দিন (সম্পাঃ)(২০০৯); *আধুনিক অসমীয়া কবিতাৰ তিনিটা স্তৱ;* গুৱাহাটী বিশ্ববিদ্যালয় ঃ অসমীয়া বিভাগ।

৯) চক্রৱর্তী, মুকুল (২০০০); *গুৰু-চৰিত-কথা অধ্যয়ন;* গুৱাহাটী।

১০) চক্রৱর্ত্তী, মঞ্জু আৰু হাজৰিকা, কৰবী ডেকা (২০০৪); *চর্য্যাপদ আৰু বৰগীত;* ডিব্রুগড় ঃ বনলতা।

১১) চলিহা, ভৱ প্রসাদ (সম্পাঃ) (১৯৮৯); *মাধৱদেৱ আৰু সংস্কৃতি;* গুৱাহাটী ঃ শ্রীমন্ত শংকৰদেৱ সংঘ।

১২) চলিহা, ভৱ প্রসাদ (১৯৮৭); *মাধৱদেৱৰ সাহিত্য;* গুৱাহাটী ঃ শ্রীমন্ত শংকৰদেৱ সংঘ।

১৩) তালুকদাৰ, নন্দ (২০০৬); *কবি আৰু কবিতা;* গুৱাহাটী ঃ বনলতা।

১৪) ডক্টৰ মহেশ্বৰ নেওগ প্রকাশন ন্যাস পৰিষদ (১৯৮৬); *মহেশ্বৰ নেওগ ৰচনাৱলী (প্রথম খণ্ড);* ডিব্রুগড় ঃ বাণী মন্দিৰ।

১৫) নেওগ, মহেশ্বৰ (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্র প্রকাশ ।

১৬) নেওগ, মহেশ্বৰ (সম্পাঃ) (১৯৮৭); *গুৰু-চৰিত-কথা;* গুৱাহাটী ঃ গুৱাহাটী বিশ্ববিদ্যালয়।

১৭) নেওগ, মহেশ্বৰ (সম্পাঃ) (২০০৬); *বাণীকান্ত ৰচনাৱলী;* গুৱাহাটী ঃ অসম প্রকাশন পৰিষদ।

১৮) নেওগ, মহেশ্বৰ (সম্পাঃ) (২০০৪); *স্নাতকৰ কথাবন্ধ;* গুৱাহাটী ঃ গুৱাহাটী বিশ্ববিদ্যালয়।

১৯) ফুকন, কবিন (২০০৩); *চন্দ্রকুমাৰ আগৱৱালা;* নতুন দিল্লী ঃ সাহিত্য অকাদেমি।

২০) ফুকন পাটগিৰি, দীপ্তি (১৯৯৭); *মধ্যযুগৰ অসমীয়া ভাষা সাহিত্যৰ ৰেঙণি;* গুৱাহাটী ঃ বনলতা।

২১) বৰুৱা, বিৰিঞ্চি কুমাৰ (১৯৯৭); *অসমীয়া কথা সাহিত্য;* নলবাৰী ঃ জার্ণাল এম্প'ৰিয়াম।

২২) বৰুৱা, লোপা (১৯৯৯); *আধুনিক অসমীয়া কবিতাত প্রতীক আৰু চিত্রকল্প;* গুৱাহাটী ঃ পূর্বাঞ্চল প্রকাশন।

ব্রজ বধূ দধি মথে তুৱা গুণ গাই।।
দাম সুদাম ডাকে তেৰি লৈয়া নাম।
হেৰ দেখ উঠিয়া আসিল বলৰাম।।
নন্দ গেল বাথানে গোৱাল গেল পাল।
সুবভি চাৰিতে লাগে উঠৰে গোপাল।।
ক্ষীৰ লয়নু লৈয়া শিঙা বেত বেণু।
সকালে মেলিয়া বৎস হাম্বালাৱে ধেনু।।
কহয় মাধৱ মাই কিনো তপসাইলা।
ত্রিজগত পতি হৰি ৰাখোৱাল পাইলা।।

১.৪.১ শব্দার্থ

পৰভাতে	ৰাতিপুৱা
নিন্দ	নিদ্রা
চান্দ মুখ	চন্দ্রৰ দৰে কমনীয় মুখ
পেখোঁ	চাওঁ (দেখোঁ)
ৰজনী	ৰাতি
ধৱলী	শুভ্র, বগা
তিমিৰ	আন্ধাৰ
ফেড়িয়া	ফালি
শতপত্র	পদুম ফুল
দধি	গাখীৰ
বাথানে	গৰু-ম'হ বন্ধা খুঁটি
সুবভি	নন্দৰ এজনী গাইৰ নাম
লয়নু	মাখন, নৱনীত
বেণু	বাঁহী
সকালে	ৰাতিপুৱাতে
ধেনু	গাই গৰু
ৰাখোৱাল	গৰখীয়া

১.৫ বৰগীতৰ সাধাৰণ পৰিচয়

সাধাৰণভাৱে ক'বলৈ গ'লে অসমৰ নৱ-বৈষ্ণৱ ধর্ম প্রচাৰৰ বাবে মহাপুৰুষ দুজনাই (শংকৰদেৱ আৰু মাধৱদেৱ) যি শ্রেণীৰ আধ্যাত্মিক ভাবসম্পন্ন গীতৰ সৃষ্টি কৰিছিল সেয়াই বৰগীত।

শংকৰদেৱৰ আৱির্ভাৱৰ আগৰে পৰা অসমত সংগীতৰ পৰম্পৰা আছিল। এই সংগীতৰ

ভিতৰত যেনেদৰে লৌকিক পৰম্পৰাৰ গীত-মাত আছিল, ঠিক তেনেদৰে ৰাগ-তাল নিয়ন্ত্রিত গীতৰো প্রচলন আছিল। আনকি শংকৰদেৱৰ পাছৰ কালতো এনে গীতসমূহৰ এক সুস্থ পৰম্পৰা দেখা গৈছিল। কিন্তু অসমত একশৰণ ধর্ম প্রচাৰার্থে সৃষ্টি কৰা এই সীমিত সংখ্যাৰ গীতসমূহৰ থূলটিক 'বৰগীত' বুলি জনা যায় এই কাৰণেই যে ভালেমান কাৰণত এইবোৰ ওপৰত উল্লেখ কৰা গীতসমূহতকৈ পৃথক। উল্লেখযোগ্য যে মহাপুৰুষ দুজনাই সৃষ্টি কৰা এই শ্রেণীৰ ৰচনাক তেওঁলোকে বৰগীত আখ্যা দিয়া নাছিল। সাধাৰণ অর্থত তেওঁলোকে এইবোৰকো গীত বুলিয়েই উল্লেখ কৰিছিল। পৰৱর্তী বৈষ্ণৱ সাধকসকলেহে মহাপুৰুষ দুজনাই ৰচনা কৰা এই মহান গীতসমূহক অন্যান্য গীততকৈ অলপ নিলগাই ৰাখিবৰ বাবে এনে বিশেষণেৰে গুৰুত্ব প্রদান কৰিছিল। অসমীয়া ভাষাত 'বৰ' শব্দটিয়ে শ্রেষ্ঠতাৰ অর্থ প্রতিপন্ন কৰে। বহুতো বিশেষ্য শব্দৰ আগত 'বৰ' বিশেষণবাচক পদটো লগাই অসমীয়া ভাষাত ভালেমান শব্দ সাজি উলিওৱা হৈছে। যেনে — বৰকাপোৰ, বৰপীৰা, বৰলোক, বৰগিৰী, বৰজনা, বৰঢোল ইত্যাদি। 'বৰগীতো' তেনেদৰে শব্দ সাজি উলিওৱা ব্যৱস্থাৰে নিষ্পন্ন হোৱা এটি শব্দ। শংকৰ-মাধৱৰ পৰৱর্তী সাধক-গীতিকাৰসকলে গুৰু দুজনাৰ প্রতি থকা শ্রদ্ধাশীল মনোভাবৰ বাবেই তেওঁলোকৰ গীতসমূহক এনেদৰে মহত্ত্ব প্রদান কৰিব বিচাৰিছিল।

মহাপুৰুষ শংকৰদেৱ বৰগীতৰ জনক। গুৰুৰ আদেশ আৰু আদর্শ সাৰোগত কৰি মাধৱদেৱেও বৰগীত ৰচনা কৰিছিল। অসমত বর্তমানে সংৰক্ষিত বৰগীতখিনিৰ ভিতৰত মাধৱদেৱৰ বৰগীতৰ সংখ্যাই সৰহ। *কথা গুৰু চৰিত*ত থকা উল্লেখ মতে শংকৰদেৱে পোনতে ভালেখিনি বৰগীত ৰচনা কৰিছিল। বৰপেটাৰ কমলা বায়নে সেইখিনি আওৰাবলৈ নিওঁতে বনপোৰা জুয়ে পুৰিলে। এনে ঘটনাত শংকৰদেৱে মনত বৰ দুখ পাই মাধৱদেৱক কৈছিল যে তেওঁ অনেক কষ্ট কৰি গীতখিনি ৰচনা কৰিছিল। বায়নে নি পোৰাত তেওঁ বৰ মনোকষ্ট পাইছে। তেওঁ আৰু এনে গীত ৰচনা নকৰে। গতিকে মাধৱদেৱে এই কাম সম্পূর্ণ কৰক। গুৰুৰ আদেশ পাই মাধৱদেৱে একাণপতীয়াভাৱে এই শ্রেণীৰ গীত ৰচনা কৰিলে। মাধৱদেৱ বিৰচিত গীতসমূহৰ সংখ্যাক লৈ পণ্ডিতসকলৰ মাজত মতানৈক্য নোহোৱা নহয়। সম্প্রতি অসমত সর্বমুঠ ১৯১টা বৰগীত সংৰক্ষিত আৰু স্বীকৃত হৈছে। ইয়াৰে ভিতৰত ১৫৭টা মহাপুৰুষ মাধৱদেৱৰ সৃষ্টি আৰু বাকী ৩৪টা বৰগীত শংকৰদেৱৰ দ্বাৰা ৰচিত।

ড° মহেশ্বৰ নেওগে বৰগীতৰ পাঁচটা বৈশিষ্ট্যৰ কথা উল্লেখ কৰিছে। সেইকেইটা হ'ল—

- ভাষা
- বিষয়বস্তুৰ সংৰক্ষণশীলতা
- সুৰ
- চৈধ্য প্রসংগত স্থান
- সীমাবদ্ধ পৰিত্রতা।

বৰগীতৰ ভাষা ব্রজাৱলী বা ব্রজবুলি। ই এটি কৃত্রিম সাহিত্যিক ভাষা। শংকৰদেৱে নাটকেইখনৰ লগতে বৰগীতসমূহত এই ভাষাটি ব্যৱহাৰ কৰিছে। এই ভাষাৰ উদ্ভৱ সম্বন্ধে সাধাৰণভাৱে এনেদৰে কোৱা হয় যে পুৰণি অসমীয়া ভাষা, মৈথিলী ভাষা আৰু পশ্চিমীয়া

খ) চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ *নামঘোষা*ত মাধৱদেৱৰ আত্মলঘিমা কেনেদৰে প্রকাশ পাইছে বিচাৰ কৰক।

প্রশ্ন ২ ঃ *নামঘোষা*ক কিয় 'মহাপ্রস্থানিক গীত' আৰু 'হেজাৰী ঘোষা' বুলি কোৱা হয় বিচাৰ কৰক।

প্রশ্ন ৩ ঃ *নামঘোষা*ত প্রকাশ পোৱা বিষয়বস্তু সম্পর্কে এটি আলোচনা আগবঢ়াওক।

গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ 'মাধৱদেৱৰ *নামঘোষা*ত প্রধানতঃ তিনিটা ভাৱৰ ধাৰা মিহলি হৈ বিশাল আনন্দ সাগৰৰ ফালে ধাৱমান হৈছে।' —এই তিনিটা ভাৱৰ ধাৰা কি কি চমুকৈ আলোচনা কৰক।

প্রশ্ন ২ ঃ 'বাৎসল্য ৰসৰ উদয়াচলত আবির্ভূত হৈ দাস্য ভাৱৰ অস্তাচলত মাধৱদেৱৰ সাহিত্য প্রতিভা মাৰ গৈছে।' —এই মন্তব্যৰ আধাৰত মাধৱদেৱৰ ৰচনাত প্রকাশ পোৱা বাৎসল্য আৰু দাস্য ৰসৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ৩ ঃ বাণীকান্ত কাকতিৰ 'নামঘোষা' নামৰ প্রবন্ধটিত মাধৱদেৱৰ ব্যক্তিত্ব কেনেদৰে প্রকাশ পাইছে বিশ্লেষণ কৰক।

*** ***** ***

বিবেক— তত্ত্ব বা উপদেশমূলক, *নামঘোষা*— আবেগমূলক ভক্তি কাব্য।

২ নং প্রশ্নৰ উত্তৰ ঃ অসমীয়া ভক্তি কাব্যৰ তিনিটা শ্রেণীৰ ভিতৰত মাধৱদেৱৰ *নামঘোষা* আবেগমূলক ভক্তি কাব্যৰ অন্তর্গত।

৩ নং প্রশ্নৰ উত্তৰ ঃ মাধৱদেৱৰ *নামঘোষা*ত তেওঁৰ গুৰু শংকৰদেৱৰ স্মৃতিত যোল্লটা ঘোষা ৰচনা কৰিছে।

৪ নং প্রশ্নৰ উত্তৰ ঃ মাধৱদেৱে তেওঁৰ পৰম গুৰু শংকৰদেৱক 'কল্পতৰু' বুলি অভিহিত কৰিছে।

৫ নং প্রশ্নৰ উত্তৰ ঃ (ক) শুদ্ধ (খ) শুদ্ধ (গ) অশুদ্ধ (ঘ) শুদ্ধ
(ঙ) অশুদ্ধ

৬ নং প্রশ্নৰ উত্তৰ ঃ বাৎসল্য ৰসৰ উদয়াচলত আবির্ভূত হৈ দাস্য ভাবৰ অস্তাচলত মাধৱদেৱৰ সাহিত্য প্রতিভা মাৰ গৈছে।

৭ নং প্রশ্নৰ উত্তৰ ঃ ভাৰতীয় অলংকাৰ শাস্ত্রত নবিধ ৰসৰ ভিতৰত ভক্তিৰস বুলি কোনো প্রকাৰৰ ৰস স্বীকাৰ কৰা হোৱা নাই যদিও, মধ্যযুগীয় ভক্তি আন্দোলনৰ প্রবল জোৱাৰ উঠাৰ লগে লগে ভক্তিমূলক কাব্য, নাট, গীত আদি ৰচিত হোৱাত ভক্তি সাহিত্যিকসকলে ভক্তিকো ৰস বুলি স্বীকাৰ কৰি লয়। সত্যেন্দ্রনাথ শর্মাৰ মতে শ্রৱণ, কীর্তন, স্মৰণ আদিৰ দ্বাৰা ভক্ত হৃদয়ত উদয় হোৱা স্থায়ীভাৱ কৃষ্ণৰতিক বিভাৱ, অনুভাৱ, ব্যভিচাৰী ভাবৰ যোগেদি আস্বাদনীয় অৱস্থালৈ আনিলেই সি ভক্তিৰসত পৰিণত হয়।



৮.১১ আৰ্হি প্রশ্ন

ক) **বস্তুধর্মী প্রশ্ন**

প্রশ্ন ১ ঃ তলত দিয়া প্রশ্নসমূহৰ উত্তৰ লিখক—

ক) বাণীকান্ত কাকতিৰ গৱেষণামূলক গ্রন্থখনৰ নাম কি?

খ) বিনোৱা ভাবেই *কীর্ত্তন* আৰু *নামঘোষা*ক কিহৰ লগত তুলনা কৰিছিল?

গ) 'কল্পতৰু' মানে কি?

প্রশ্ন ২ ঃ শুদ্ধ নে অশুদ্ধ নির্ণয় কৰক—

ক) মাধৱদেৱে *নামঘোষা*ত শংকৰদেৱৰ স্মৃতি বিষয়ক মুঠতে পাঁচটা ঘোষা ৰচনা কৰিছে।

খ) 'আত্মলঘিমা' শব্দটিৰ অর্থ হ'ল 'আত্ম' মানে নিজে আৰু 'লঘিমা' মানে সৰু বা পাতল।

গ) মাধৱদেৱৰ সাহিত্য জীৱন আৰম্ভ হৈছে বাৎসল্য ৰসেৰে।

হিন্দীৰ বিভিন্ন উপাদানৰ সংমিশ্রণত ব্রজাৱলী ভাষাই গঢ় লৈ উঠিছে। অৱশ্যে এই বিষয়ে পণ্ডিতসকলৰ মাজত মতভেদ আছে। কালিৰাম মেধিৰ মতে, "উত্তৰ আৰু পূর্বভা�ৰতৰ কৃষ্ণভক্তি শাখা প্রচাৰৰ ই এটা সাধাৰণ ভাষা।" ড° বিৰিঞ্চি কুমাৰ বৰুৱাৰ মতে, "ই মিথিলা অঞ্চলত প্রচলিত মৈথিলীক ভেটি কৰি সৃষ্টি কৰা মিশ্রিত অসমীয়া ভাষা।" ড° এছ. কে. চেটার্জীৰ মতে, "ই সমকালীন হিন্দী (ব্রজভাষা) আৰু অপভ্রংশ ভাষাৰ উপাদান সন্নিৱিষ্ট মৈথিলী মিশ্রিত এটি কৃত্রিম ভাষা।" ড° মহেশ্বৰ নেওগৰ অভিমত এই যে 'অসম, বংগদেশ আৰু উৰিষ্যাৰ কিছু কিছু অঞ্চলত গীত-মাতৰ ব্যৱহাৰৰ বাবে একোটি কৃত্রিম উপভাষাৰ সৃষ্টি হৈছিল। ইয়াকে ব্রজবুলি, ব্রজবোল আৰু অসমত ব্রজাৱলী বোলা হয়। তেওঁ এনেদৰে মন্তব্য কৰিছে — "অংকীয়া নাট আৰু ভটিমাসমূহৰ লগতে প্রায়বিলাক বৰগীতৰে ভাষা শংকৰ-মাধৱ আৰু তেওঁলোকৰ পূর্বৰ কবিসকলৰ ভাষাৰ পৰা সুকীয়া এটা কৃত্রিম ঠাঁচ মাথোন। এই ভাষা ঠাঁচক সাধাৰণতে ব্রজাৱলী ভাষা বোলা হয়। ... ... অসমীয়া আৰু ব্রজাৱলী ভাষাৰ অনুৰূপ এটি কৃত্রিম ঠাঁচ সেই যুগৰ বংগ আৰু উৰিষ্যাতো বৈষ্ণৱ কবিসকলে ব্যৱহাৰ কৰিছিল; আৰু তাকে ব্রজবুলি বা ব্রজবোলী বোলা হয়।" ভাষাটোৰ উৎপত্তি সম্বন্ধে যি মত পার্থক্যই নাথাকক কিয়, ইয়াৰ ব্যৱহাৰে বৰগীত আৰু অংকীয়া নাটসমূহক কিন্তু এক সুকীয়া মাত্রা প্রদান কৰিবলৈ সমর্থ হৈছিল। শংকৰদেৱে এই গীতসমূহক গাম্ভীর্য প্রদান কৰিবলৈ এই ভাষাটি ব্যৱহাৰ কৰিছিল যেন লাগে। ইয়াৰ উপৰি এটি উমৈহতীয়া শ্রেণীৰ ভাষাত গীতসমূহ ৰচনা কৰা বাবে বৰগীতবোৰে প্রাদেশিকতাৰ ভৌগোলিক সীমা অতিক্রম কৰিবলৈও সক্ষম হৈছিল।

সংৰক্ষণশীলতা বৰগীতৰ আন এটি বৈশিষ্ট্য। বৰগীত হ'বলৈ হ'লে ই সাংসাৰিক জগতৰ সাধাৰণ বিষয়বস্তুৰ পৰা সম্পূর্ণ মুক্ত হ'ব লাগিব। ইয়াৰ বিষয়বস্তু কৃষ্ণকেন্দ্রিক — কিন্তু ইয়াত সাধাৰণ আৰু দৈহিক কৃষ্ণপ্রেমৰ কথা নাথাকে। ই আধ্যাত্মিক ভাবৰ উপাসনা সংগীত। আনহাতে ই হ'ব লাগিব মহাপুৰুষ দুজনাৰ দ্বাৰা প্রণীত। এওঁলোকে ৰচনা কৰা আৰু সত্রসমূহত অথবা ঘৰে ঘৰে সাঁচিপাতত থকা বিশেষ গীতখিনিকহে অবিসম্বাদিতভাৱে বৰগীত বোলে। বৰগীতৰ বিষয়বস্তুৱে সদায় আধ্যাত্মিকতাৰ পিনেহে গতি কৰে। ইয়াত সামান্য জগতৰ কথাই স্থান নাপায়। এই আধ্যাত্মিকতাৰ বাবেই ড° বাণীকান্ত কাকতিয়ে বৰগীতক 'Noble Numbers', কালিৰাম মেধিয়ে 'Great Songs', বা 'Song Celestials' আৰু দেৱেন্দ্রনাথ বেজবৰুৱাই 'Holy Songs' আখ্যা দিছে। ইয়াৰ বিষয়বস্তু সম্বন্ধে ড° সত্যেন্দ্রনাথ শর্মাই মন্তব্য কৰিছে এনেদৰে — "These Bargits deal chiefly with experiences of religious life, philosophic reflections, futility of the worldliness, agony of spirit and glory of God."




জানি থোৱা ভাল

বৰগীতৰ সাংগীতিক ধাৰা ধ্রুপদ জাতীয় — এতেকে ই উচ্চাংগ সংগীতৰ অন্তর্ভুক্ত। মহাপুৰুষ দুজনাই ইয়াৰ পৰিৱেশন পদ্ধতি নিজেই

ঠিক কৰি গৈছে। গতিকে ইয়াৰ সুৰৰ বৈশিষ্ট্য মন কৰিবলগীয়া। বিষয়বস্তু, ভাব, উদ্দেশ্য আৰু প্ৰসংগ অনুসৰি এই গীতখিনিৰ বাবে নির্দিষ্ট ৰাগ আৰু সুৰৰ সংযোজন কৰি থৈ গৈছে। আনহাতে ৱৰগীতসমূহত সংগত কৰা বাদ্যযন্ত্ৰৰ ক্ষেত্ৰতো নির্দিষ্ট বৈশিষ্ট্য লক্ষ্য কৰা যায়। সাধাৰণভাৱে ৱৰগীত পৰিবেশন কৰোঁতে খোল (মৃদংগ), তাল আৰু কোনো কোনো ক্ষেত্ৰত কালি ব্যৱহাৰ কৰা হয়।

ৱৰগীতসমূহে সত্ৰৰ চৈধ্য প্ৰসংগত স্থান পোৱাটো অতি তাৎপর্যপূর্ণ। প্ৰতিটো প্ৰসংগৰ উপযোগীকৈ ৱৰগীতসমূহক বাছি লৈ সত্ৰসমূহত পৰিৱেশন কৰা হয়। নাম-প্ৰসংগৰ আৰম্ভণিত আলাপ কৰি গীতাংশ জুৰি দিয়া হয়।

ড° মহেশ্বৰ নেওগৰ মতে ৱৰগীতৰ শ্ৰেণীবিভাগ আৱশ্যকীয় বা বাঞ্ছনীয় যেন নালাগে। ইয়াত কৃষ্ণচৰিত্ৰ বা ভক্তিতত্ত্বহে প্ৰকাশ পাইছে। শংকৰদেৱ-মাধৱদেৱেও ৱৰগীত ৰচনা কৰোঁতে তেনে ধৰণৰ শ্ৰেণীবিভাজনৰ কথা মনত ৰখা নাছিল। তথাপি দুই-এক আলোচকে বিষয়বস্তু অনুসৰি ৱৰগীতসমূহক — (ক) লীলা বিষয়ক, (খ) বিৰহ বিষয়ক, (গ) পৰমার্থ বিষয়ক, (ঘ) সংসাৰৰ প্ৰতি বিৰক্তি বিষয়ক, (ঙ) চৌর্য আৰু চাতুৰি বিষয়ক, ইত্যাদি কেইটিমান ভাগত ভাগ কৰি দেখুৱাইছে। সত্ৰৰ সন্ত-মহন্তসকলৰ মতে ৱৰগীত চাৰি প্ৰকাৰৰ — উত্থান, জাগন, খেলান আৰু নৃত্যৰ গীত।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ খালি ঠাই পূৰণ কৰক—

ক) সম্প্ৰতি অসমত সর্বমুঠ .....টা ৱৰগীত সংৰক্ষিত আৰু স্বীকৃত হৈছে।

খ) ৱৰগীতৰ বিষয়বস্তু ....., কিন্তু ইয়াত সাধাৰণ আৰু দৈহিক কৃষ্ণপ্ৰেমৰ কথা নাথাকে।

প্ৰশ্ন নং ৪ ঃ ৱৰগীতৰ ভাষা সম্পর্কে চমুকৈ লিখক। (৫০-৬০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

১.৬ 'তেজৰে কমলাপতি' কবিতাটিৰ আলোচনা

ইতিমধ্যে আমি ৱৰগীত মানে কি, ইয়াৰ প্ৰধান বৈশিষ্ট্যসমূহৰ বিষয়ে আলোচনা কৰিলোঁ। এই শাখাটিত আমি এতিয়া আমাৰ পাঠ্যবিষয়ত অন্তর্গত 'তেজৰে কমলাপতি' শীর্ষক

ৰসৰ অস্তাচলত মাৰ গৈছে। *নামঘোষা* মাধৱদেৱৰ শেষ বয়সৰ ৰচনা। সেই বাবে ইয়াক মহাপ্ৰস্থানিক গীত বুলিও কোৱা হয়।

- *নামঘোষাত* মুঠতে এহেজাৰ ঘোষা থকা বাবে ইয়াক হেজাৰী ঘোষা বুলিও কোৱা হয়।
- *নামঘোষা* যেনেদৰে মহাপুৰুষ মাধৱদেৱৰ কীর্তিস্তম্ভ স্বৰূপ; তেনেদৰে বাণীকান্ত কাকতিৰো 'নামঘোষা' প্ৰবন্ধটি তেওঁৰ উৎকৃষ্ট সাহিত্য সমালোচনাৰ নিদর্শন স্বৰূপ।

৮.৯ অধিক জানিবলৈ

১) কাকতি, বাণীকান্ত (১৯৫৮); *পুৰণি অসমীয়া সাহিত্য;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

২) চলিহা, ভৱ প্ৰসাদ (১৯৮৭); *মাধৱদেৱৰ সাহিত্য;* গুৱাহাটী ঃ শ্ৰীমন্ত শংকৰদেৱ সংঘ।

৩) নেওগ, মহেশ্বৰ, (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৪) নেওগ, মহেশ্বৰ (সম্পাঃ) (২০০৬); *বাণীকান্ত ৰচনাৱলী;* গুৱাহাটী ঃ অসম প্ৰকাশন পৰিষদ।

৫) বৈশ্য, ভুবনেশ্বৰী (সম্পাঃ)(২০০০); *অসমৰ বৈষ্ণৱ সাহিত্য আৰু সংস্কৃতি;* গুৱাহাটী।

৬) ভৱালী, শৈলেন (২০০৯); *বাণীকান্ত কাকতিৰ পৰা ভবেন বৰুৱালৈ;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৭) ভৱালী, শৈলেন (সম্পাঃ) (১৯৯৫); *বাণীকান্ত কাকতি;* গুৱাহাটী ঃ গুৱাহাটী বিশ্ববিদ্যালয়।

৮) লেখাৰু, উপেন্দ্ৰ চন্দ্ৰ (১৯৯১); *পুৰণি সাহিত্য অধ্যয়ন;* গুৱাহাটী।

৯) শর্মা, তীর্থনাথ (১৯৯৮); *ভক্তিবাদ;* গুৱাহাটী।

১০) শর্মা, সত্যেন্দ্ৰনাথ (১৯৮৮); *পুৰণি সাহিত্য অধ্যয়ন;* গুৱাহাটী ঃ বাণী প্ৰকাশ।

১১) শর্মা, সত্যেন্দ্ৰনাথ (২০০৬); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।

১২) হাজৰিকা, কৰবী ডেকা (১৯৮৭); *মাধৱদেৱ ঃ সাহিত্য, কলা আৰু দর্শন;* ডিব্ৰুগড় ঃ বনলতা।

৮.১০ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ অসমীয়া ভক্তি কাব্যক তিনিটা শ্ৰেণীত ভাগ কৰা হৈছে— (১) আখ্যান বা কাহিনীমূলক, (২) তত্ত্ব বা উপদেশমূলক আৰু (৩) আবেগমূলক ভক্তিকাব্য। এই তিনি শ্ৰেণী কাব্যৰ উদাহৰণ হ'ল যথাক্ৰমে— *কীর্ত্তন*— আখ্যান বা কাহিনীমূলক, *ভক্তি*



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ বাণীকান্ত কাকতিয়ে *নামঘোষাৰ* ৰসৰ বিষয়ে ক'বলৈ গৈ কি বুলি মন্তব্য কৰিছে?

.....

.....

প্রশ্ন নং ৭ ঃ ভক্তিৰস মানে কি? বুজাই লিখক। (৭০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

.....

.....



৮.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱে অসমত বৈষ্ণৱ ধর্ম প্রচাৰ কৰাৰ অর্থে ভালেমান সাহিত্য ৰচনা কৰিছিল। তাৰে ভিতৰত শংকৰদেৱৰ *কীর্ত্তন* আৰু *দশম* তথা মাধৱদেৱৰ *নামঘোষা* আৰু *ভক্তি ৰত্নাৱলী*— এই চাৰিখন গ্রন্থক বৈষ্ণৱ ধর্মৰ হাতপুথি বুলি অভিহিত কৰা হয়।
- মাধৱদেৱৰ দ্বাৰা বিৰচিত *নামঘোষা* নামৰ গ্রন্থখনিৰ গুৰুত্বলৈ লক্ষ্য ৰাখি প্রথিতযশা সাহিত্যৰ সমালোচক বাণীকান্ত কাকতিয়ে 'নামঘোষা' নামৰ এটি সুদীর্ঘ প্রবন্ধ ৰচনা কৰিছে। এই প্রবন্ধটিৰ আধাৰত এই অধ্যায়টিৰ বিচাৰ-বিশ্লেষণ আগবঢ়োৱা হ'ল।
- এই সুদীর্ঘ প্রবন্ধটিৰ যোগেৰে বাণীকান্ত কাকতিৰ সাহিত্য সমালোচনাৰ দক্ষতা, জ্ঞান তথা পাণ্ডিত্যৰ উমান পোৱা যায়। প্রবন্ধটিত অতি সূক্ষ্মভাৱে *নামঘোষা* নামৰ কাব্যখনিৰ বিভিন্ন দিশ সামৰি আলোচনা আগবঢ়োৱা হৈছে।
- বাণীকান্ত কাকতিৰ মতে, *নামঘোষা*ত তিনিটা ভাৱৰ ধাৰা বা বিষয়বস্তু নিহিত আছে। সেইকেইটা হ'ল পুণ্যশ্লোক শংকৰ-স্মৃতি, মাধৱদেৱৰ আত্মলঘিমা আৰু কৃষ্ণ ভক্তিৰ মাহাত্ম্য। অৱশ্যে এই তিনিওটা ভাৱৰ ধাৰা শেষত গৈ ভক্তিৰসত পৰিণত হৈছে।
- কাকতিৰ মতে, মাধৱদেৱৰ সাহিত্য প্রতিভা বাৎসল্য ভাৱৰ উদয়াচলত আবির্ভূত হৈ দাস্য

বৰগীতটিৰ মূল বিষয়বস্তু তথা কাব্যিক সৌন্দর্যৰ বিষয়ে আলোচনা কৰিম।

১.৬.১ বিষয়বস্তুৰ আভাস

মহাপুৰুষ মাধৱদেৱৰ দ্বাৰা ৰচিত 'তেজৰে কমলাপতি' শীর্ষক বৰগীতটি জাগন বা জাগৰণ বিষয়ক। গীতটি ঘাইকৈ বর্ণনাত্মক। ইয়াৰ ৰাতিপুৱাৰ নৈসর্গিক বর্ণনাৰ লগতে মানৱ জীৱনৰ কর্মব্যস্ততাৰ এখনি সম্যক চিত্র দাঙি ধৰা হৈছে, লগতে মাতৃ যশোদা আৰু পুত্র কৃষ্ণৰ সম্বন্ধৰ কথাও ব্যক্ত কৰা হৈছে। আন দহগৰাকী মাতৃৰ দৰে যশোদাই শিশু কৃষ্ণক টোপনিৰ পৰা জগাই দিয়াৰ বিষয়বস্তুৰেই বৰগীতটিৰ মূল কথাবস্তু।

ৰাতি পুৱাইছে। নিদ্রা ত্যাগ কৰি উঠি আহিবলৈ যশোদাই কৃষ্ণক মাতিছে। শ্রীকৃষ্ণৰ চন্দ্রৰ দৰে লাৱণ্যময় মুখখন চাবলৈ যশোদাৰ বৰ হেঁপাহ। নিশা অতিক্রম কৰি ৰাতিপুওৱাৰ লগে লগে সকলো দিশেই ধৱলী বৰণ ধাৰণ কৰিলে — অন্ধকাৰ আঁতৰাই সূর্যৰ কিৰণ পৃথিৱীত পৰিল। এই সূর্যৰ কিৰণৰ পৰশ লাভ কৰি পদুমফুলবোৰ ফুলি উঠিল আৰু ভোমোৱাবোৰে ফুলৰ মধুৰস পান কৰিবলৈ ধৰিলে। অনুৰূপভাৱে ব্রজবধূগণেও কৃষ্ণৰ গুণ গাই গাই দধি মথিবলৈ ধৰিলে। কৃষ্ণভক্ত দাম আৰু সুদামেও আহি 'কৃষ্ণ কৃষ্ণ' বুলি ডাক দিবলৈ আৰম্ভ কৰিলে। পোহৰ হোৱা দেখি কৃষ্ণ ভ্রাতৃ বলোৱামো উঠি আহিল। ইতিমধ্যে কৃষ্ণ-পিতৃ নন্দ বাথানলৈ গুচি গ'ল। আন আন গো-পালকসকলেও নিজ নিজ গৰুৰ জাকবোৰ লৈ প্রস্থান কৰিলে। কেৱল কৃষ্ণইহে এতিয়াও টোপনিত লালকাল দি শুই আছে। যশোদাই কৃষ্ণক টোপনি এৰি উঠি আহিবলৈ কৈছে, কাৰণ তেওঁ গৰু চৰাবলৈ যাব লাগে। ক্ষীৰ আৰু লৰণু সংগ্রহ কৰি, শিঙা, এছাৰি আৰু বেণু ইত্যাদি লৈ কৃষ্ণ ওলাব লাগে। গৰুবোৰে পলম হোৱা বাবে হেম্বেলিয়াবলৈ আৰম্ভ কৰিছে, কৃষ্ণই সিবোৰক মেলি দি চৰাবলৈ নিব লাগে। কবি মাধৱদেৱে কৈছে, যশোদাই কোনোবা জন্মৰ তপস্যাৰ বলতহে ত্রিজগতৰ অধীশ্বৰ হৰি কৃষ্ণক গৰখীয়া হিচাপে পাইছে।

বৰগীতসমূহৰ বিষয়বস্তু কৃষ্ণকেন্দ্রিক, গতিকে আধ্যাত্মিক গুণসম্পন্ন। শংকৰদেৱ আৰু মাধৱদেৱে বৰগীতকে আদি কৰি আন আন কৃষ্ণবিষয়ক ৰচনাসমূহত এই দিশটি ৰক্ষা কৰিবলৈ যাওঁতে কৃষ্ণৰ দুমুখীয়া চৰিত্র অংকন কৰিছে। এফালে তেওঁ এজন সাধাৰণ মানৱ আৰু আনফালে তেওঁ পৰম পুৰুষ ঈশ্বৰ। সাধাৰণ মানৱৰ চৰিত্রত তেওঁ লৌকিক পর্যায়লৈ নামি আহিছে — এই ৰূপত তেওঁ কাৰোবাৰ স্বামী, কাৰোবাৰ পুত্র, কাৰোবাৰ শত্রু অথবা কাৰোবাৰ মিত্র। ইয়াৰ বিপৰীতে পৰম-পুৰুষত্ব প্রকাশক চৰিত্রৰ ক্ষেত্রত তেওঁ অন্তর্যামী ভগৱান। এই দুয়োটা চৰিত্রৰ সমান্তৰাল চিত্রণে বৰগীতসমূহকো বিশেষভাৱে প্রভাৱিত কৰিছে। আমাৰ আলোচ্য কবিতাটিত কৃষ্ণৰ বালক ৰূপৰ চিত্র অংকন কৰা হৈছে। ইয়াত শিশু কৃষ্ণৰ বালকসুলভ দিশ এটি

মনোৰমভাৱে বৰ্ণনা কৰা হৈছে। নন্দ-যশোদাই কৃষ্ণক সাধাৰণ ল'ৰা বুলিয়েই ধৰি লৈছে আৰু সেই মতে গৰু-গাই চৰাবলৈ তেওঁক টোপনিৰ পৰা উঠাই দিছে। মাধৱদেৱে এই প্রসংগত কৃষ্ণক এজন সাধাৰণ গৰখীয়া ৰূপে অংকন কৰিলেও তেওঁৰ ঐশ্বৰিক দিশটো ফুটাই তুলিবলৈ পাহৰা নাই। সেইবাবেই তেওঁ ৰহস্যময়তাৰ ইংগিত দি উল্লেখ কৰিছে এইবুলি—

কহয় মাধৱ মাই কিনো তপসাইলা।
ত্রিজগত পতি হৰি ৰাখোৱাল পাইলা।।

মাধৱদেৱৰ মতে কৃষ্ণৰ এই সন্তানৰূপ দৰাচলতে ভক্তৰ প্রতি ভগৱানৰ স্নেহবন্ধন। প্রকৃত ভক্তিৰ আঁত থাকিলে ভক্ত বা ভক্তাই পৰম পুৰুষক ঈপ্সিত ধৰণেই লাভ কৰিব পাৰে। আনকি 'বৈৰীভাৱে'ও চিন্তা কৰি তেওঁক লাভ কৰিব পাৰি। মাতৃ যশোদাৰ চিৰন্তন মাতৃত্বৰ গুণত কেৱল একনিষ্ঠ ভক্তি থকা বাবেহে পৰম ভজনীয় কৃষ্ণক তেওঁ সন্তানৰূপে লাভ কৰিবলৈ সমর্থ হৈছে।

১.৬.২ কাব্যিক সৌন্দর্য

মাধৱদেৱৰ বৰগীতসমূহ যেনেদৰে সাংগীতিক দিশৰ ক্ষেত্রত অত্যন্ত চহকী ঠিক তেনেদৰে কাব্যিকতাৰ দিশৰ পৰাও ঐশ্বর্যময়। বিষয়বস্তুগত দিশত এই বৰগীতটিত ৰাতিপুৱাৰ গ্রাম্য পৰিৱেশৰ এখনি নিখুঁত চিত্র অংকিত হৈছে। ৰাতিপুৱাৰ লগে লগে গ্রাম্যজীৱনত গৰু-গোহালিৰে ভৰা কৃষক সমাজৰ পৰিৱেশত যি এটি সজীৱ পৰিস্থিতিৰ চিত্রৰ কথা কল্পনা কৰিব পাৰি তাৰ বাংময় প্রকাশ এই বৰগীতটিৰ মাজেদি ঘটিছে। ৰাতিপুৱা হোৱাৰ লগে লগে এটি কর্মব্যস্ত জীৱনৰ আভাস, সকলোৱে নিজ নিজ কামত লাগি পৰিছে। কিন্তু তেনে সময়তো ঘৰৰ শিশুটি টোপনিত লালকাল দি শুই থাকে। এনে শিশুক জগোৱাৰ দায়িত্ব মাকৰ। এনে এক কল্পচিত্রৰ সহায়ত বৰগীতটিৰ আৰম্ভণি হৈছে। কিন্তু এই সাধাৰণ দৈনন্দিনতা প্রকাশতেই কবি মাধৱদেৱ ক্ষান্ত হৈ থকা নাই। ভক্ত কবিৰ উদ্দেশ্য তাতোকৈ অধিক। তেওঁৰ উদ্দেশ্য হ'ল যশোদাৰ চিৰন্তন মাতৃত্বৰ ৰূপৰ মাজেৰে কৃষ্ণ-যশোদাৰ সম্বন্ধক ৰহস্যময় ভক্তিৰ পৰাকাষ্ঠাৰে প্রদর্শন কৰা। সেয়ে মাধৱদেৱে যশোদাৰ মুখেৰে এনেদৰে কোৱালে — 'তেৰি চান্দ মুখ পেখোঁ উঠৰে গোৰিন্দ।।' কবিতাটিত থকা মাতৃ-পুত্রৰ সম্বন্ধক লৌকিকতাৰ পর্যায়ৰ পৰা পাৰলৌকিক পর্যায়লৈ নিয়াত এক অনাবিল সৌন্দর্যৰ সুৰ ধ্বনিত হৈছে।

বৰগীতৰ ৰস বিচাৰত এই কবিতাটিত বাৎসল্য ৰস প্রকাশ পাইছে। ড° বাণীকান্ত কাকতিয়ে এই সন্দর্ভত কৰা মন্তব্য প্রণিধানযোগ্য। তেওঁ কৈছে "বাৎসল্য ৰস মাধৱদেৱৰ ভক্ত জীৱনৰ সর্বস্ব।" সঁচাকৈয়ে এই কবিতাটিত ভক্তপ্রাণ কবি মাধৱদেৱৰ বাৎসল্য প্রেমৰ মর্মস্পর্শী প্রকাশ ঘটিছে।

কবিতাটি সাধাৰণ পদ ছন্দত ৰচিত। ভাবৰ অনুগামীকৈ চৈধ্য আখৰযুক্ত প্রতিটো

ল'ৰাটিৰ দৰে আচৰণ কৰা, বিচৰা বস্তু নোপোৱা পর্যন্ত আঁকোৰ-গজালি দি লাগি থকা— এনেবোৰ সাধাৰণ শিশুৰ বিশেষত্ব বিদ্যমান। শিশু মনস্তত্ত্বৰ এনে সুন্দৰ প্রকাশৰ ক্ষেত্রত মাধৱদেৱক উত্তৰ ভাৰতৰ প্রসিদ্ধ কবি সুৰদাসৰ লগত তুলনা কৰা হয়। বাৎসল্য ৰস সৃষ্টিৰ যোগেদিয়েই মাধৱদেৱৰ সাহিত্য জগতত আবির্ভাৱ হৈছিল। আনহাতে, বাণীকান্ত কাকতিৰ মতে মাধৱদেৱৰ সাহিত্য প্রতিভাই পৰিপক্কতা লাভ কৰিছিল দাস্যভাবৰ যোগেদিহে।

ভক্তিক নটা ভাগত ভাগ কৰা হৈছে— শ্রৱণ, কীর্তন, স্মৰণ, পাদসেৱন, অর্চন, বন্দন, দাস্য, সখ্য আৰু আত্ম নিবেদন। কাকতিৰ মতে সংসাৰ ত্যাগী মাধৱদেৱ আছিল দাস্য ভক্তিৰ মূর্তিমান স্বৰূপ। পৰমাত্মা মোৰ পিতা, মাতা, প্রভু আৰু মই তেওঁৰ পুত্র, সেৱক— এনে ভাবে কৰা ভক্তিকে কোৱা হয় দাস্য ভক্তি। এইবিধ ভক্তিত ভক্ত হ'ল ভগৱানৰ দাস বা ভৃত্য। তেওঁৰ নিজৰ বুলিবলৈ একো নাথাকে। এনেকৈ নিজকে ভগৱানৰ দাস বুলি ভাবি সমস্ত কর্মফল আদি ভগৱানত অর্পণেই দাস্য ভক্তিৰ নিদর্শন। ভক্তই যি কাম কৰে তাৰ ফল গৰাকীয়ে পায়। ভৃত্যই গৃহস্থ বা গৰাকীৰ গৰু চৰায়, গাখীৰ খীৰায়, খেতি কৰে। কিন্তু গাখীৰ বা ধান-চাউলৰ গৰাকী গৃহস্থহে, ভৃত্য নহয়। গৃহস্থৰ কর্ম-সম্পাদন কৰোঁতে ভৃত্যই যিদৰে আত্মস্বার্থ ত্যাগ কৰি কৰে, ভক্তি ধর্মত ভক্তয়ো সকলো কর্মতে 'মই মোৰ' ভাব নোহোৱাকৈ কৰিব লাগে। এয়ে দাস্য ভক্তি। যেতিয়ালৈকে এজন ভক্তই নিজকে বিষ্ণুৰ চৰণত অর্পণ নকৰে; তেতিয়ালৈকে তেওঁ গৃহস্থালিৰ মাজত বন্দীশালত থকাৰ দৰে থাকে। যেতিয়া তেওঁ ভগৱানৰ দাস বুলি মানে তেতিয়া সকলো চিন্তা আৰু দায়িত্বৰ হাত সাৰি মোক্ষ লাভ কৰে। মাধৱদেৱে কৈছে—

দাস্য ভাৱ মুক্তি আক বুলিয় নিশ্চয়।
কায় বাক্য মনে যত কর্ম সমর্পয়।।
লৌকিক বৈদিক ব্রাহ্মণাদিৰ স্বভাৱে।
সমস্তক অর্পিব কৃষ্ণৰ দুই পাৱে।।

তেনেদৰে *নামঘোষাত* ভগৱানক নিজৰ ভৃত্য কৰি ল'বলৈ মাধৱদেৱে প্রার্থনা কৰিছে—

মোক নিজ দাস কৰি লৈও হৰি এ
কহিয়ো কৃপাল
কি হয় তোমাৰ হামি।

এনেদৰে আলোচনা কৰিলে দেখা যায় যে বাণীকান্ত কাকতিয়ে মাধৱদেৱৰ সাহিত্য প্রতিভা তথা ৰস বিচাৰ কৰি সঠিকভাৱেই মন্তব্য কৰি কৈছে— "বাৎসল্য ৰসৰ উদয়াচলত আবির্ভূত হৈ দাস্য ভাৱৰ অস্তাচলত মাধৱদেৱৰ সাহিত্য প্রতিভা মাৰ গৈছে।"



জানি থোৱা ভাল

সাহিত্যৰ ৰস নবিধ— শৃংগাৰ, হাস্য, কৰুণ, ৰৌদ্র, বীৰ, ভয়ানক, বীভৎস, অদ্ভুত আৰু শান্ত। তেনেদৰে ভক্তিৰ প্রকাৰো নবিধ— শ্রৱণ, কীর্তন, স্মৰণ, বন্দন, অর্চন, পাদসেৱন, দাস্য, সখ্য আৰু আত্মনিবেদন।

৮.৭ *নামঘোষা*ৰ ৰস বিচাৰ

বাণীকান্ত কাকতিয়ে *নামঘোষা*ৰ অন্যান্য দিশৰ লগতে এই কাব্যখনিত প্ৰকাশ পোৱা ৰস সম্পৰ্কেও আলোচনা আগবঢ়াইছে। 'ৰস' শব্দৰ সাধাৰণ অৰ্থ হ'ল স্বাদ বা সোৱাদ। যাৰ সোৱাদ লোৱা হয়, সিয়েই ৰস। সাহিত্যৰ ৰস হ'ল কাব্য পাঠ কৰি লাভ কৰা সহৃদয়জনৰ মানসিক অৱস্থা। ৰসৰ সংখ্যা সম্পৰ্কত পণ্ডিতসকলৰ মাজত মতভেদ দেখা যায়। ভৰত মুনিয়ে তেওঁৰ *নাট্যশাস্ত্ৰত* ৰস আঠবিধ বুলি কৈছে— শৃংগাৰ, হাস্য, কৰুণ, ৰৌদ্ৰ, বীৰ, ভয়ানক, বীভৎস আৰু অদ্ভুত। অভিনৱ গুপ্তই এই আঠবিধ ৰসৰ লগত শান্ত ৰসক নৱম ৰস ৰূপে স্বীকৃতি দিছে। এই নবিধ ৰসৰ লগত দশম ৰস ৰূপে বিশ্বনাথে বাৎসল্য ৰসক গ্ৰহণ কৰিছে। গতিকে দেখা যায় যে ৰসৰ সংখ্যা সম্পৰ্কে বিভিন্ন পণ্ডিতৰ মাজত বিভিন্ন মত। কিন্তু অধিকাংশ আলংকাৰিকৰ মতে ৰস নবিধ। বৈষ্ণৱ কবিসকলে আকৌ নবিধ ৰসৰ লগত আন এটা ৰসৰ সৃষ্টি কৰিছে, সেইটো হ'ল ভক্তিৰস। ভাৰতীয় অলংকাৰ শাস্ত্ৰত নবিধ ৰসৰ ভিতৰত ভক্তিৰস বুলি কোনো প্ৰকাৰৰ ৰস স্বীকাৰ কৰা হোৱা নাই যদিও, মধ্যযুগীয় ভক্তি আন্দোলনৰ প্ৰবল জোৱাৰ উঠাৰ লগে লগে ভক্তিমূলক কাব্য, নাট, গীত আদি ৰচিত হোৱাত ভক্তি সাহিত্যিকসকলে ভক্তিকো ৰস বুলি স্বীকাৰ কৰি লয়। মহাপুৰুষ শংকৰদেৱ, মাধৱদেৱ আদিয়ে তেৱাসৰৰ সকলো ৰচনাতে ভক্তিক ৰস বুলি উল্লেখ কৰিছে। *নামঘোষা*ৰ মাজতো বিভিন্ন ঠাইত ৰসৰ অভিব্যঞ্জনা থাকিলেও সামগ্ৰিকভাৱে ভক্তিৰসৰ অনুভূতিহে জগাই তুলি আমাৰ মনত গভীৰভাৱে সাঁচ বহুৱায়। সত্যেন্দ্ৰনাথ শৰ্মাৰ মতে শ্ৰৱণ, কীৰ্তন, স্মৰণ আদিৰ দ্বাৰা ভক্ত হৃদয়ত উদয় হোৱা স্থায়ীভাৱ কৃষ্ণৰতিক বিভাৱ, অনুভাৱ, ব্যভিচাৰী ভাবৰ যোগেদি আস্বাদনীয় অৱস্থালৈ আনিলেই সি ভক্তিৰসত পৰিণত হয়।

বাণীকান্ত কাকতিয়ে *নামঘোষা*ৰ ৰসৰ বিষয়ে ক'বলৈ গৈ মন্তব্য দি কৈছে— "বাৎসল্য ৰসৰ উদয়াচলত আবিৰ্ভূত হৈ দাস্য ভাবৰ অস্তাচলত মাধৱদেৱৰ সাহিত্য প্ৰতিভা মাৰ গৈছে।" কাকতিৰ মন্তব্যৰ পৰা জানিব পাৰি যে মাধৱদেৱৰ সাহিত্যত দুবিধ ৰসৰ প্ৰতিপত্তি অধিক— বাৎসল্য আৰু দাস্য। মাধৱদেৱৰ সাহিত্য জীৱন আৰম্ভ হৈছে বাৎসল্য ৰসেৰে। অৰ্থাৎ তেওঁৰ জীৱনৰ প্ৰথম অৱস্থাত ৰচিত সাহিত্যখিনি আছিল বাৎসল্য ৰস প্ৰধান। গীত, নাট, কাব্য আদি সকলো প্ৰকাৰৰ ৰচনাতে তেওঁ বাৎসল্য ভক্তিৰ পৰাকাষ্ঠা দেখুৱাইছে। ৰৱগীত আৰু অংকীয়া নাটসমূহ মূলতঃ বাৎসল্য ৰসপ্ৰধান। বাৎসল্য ৰস মাধৱদেৱৰ সৰ্বহ। মাধৱদেৱৰ দৰে কোনো অসমীয়া কবিয়ে বাৎসল্য ৰসৰ সৃষ্টি কৰিব পৰা নাই। সেইবাবে মাধৱদেৱৰ ৰৱগীত, নাট আদিৰ প্ৰধান চৰিত্ৰ হৈছে শিশু কৃষ্ণ। শিশু কৃষ্ণক ৰূপ দিবলৈ যাওঁতে য'ত যি চৰিত্ৰৰ আৱশ্যক হৈছে সেই মতেহে অন্যান্য চৰিত্ৰ সংযোগ কৰিছে। ল'ৰালি কালৰ একো একোটা মুহূৰ্তত কৃষ্ণই আচৰণ কৰা বালসুলভ দুষ্টালি বা চাতুৰিক কেন্দ্ৰ কৰি নাটসমূহৰ কথাবস্তু নিৰ্মাণ কৰা হৈছে। কৃষ্ণৰ চতুৰালি, ভেম, অভিমান আৰু চৌর্য কার্যৰ ৰসাল চিত্ৰণেই মাধৱদেৱৰ নাট্যসমূহৰ প্ৰধান বিশেষত্ব। মাধৱদেৱৰ কৃষ্ণ চৰিত্ৰ আন শিশুৰ দৰে চুৰ কৰি খোৱা, বিচৰা বস্তু নাপালে ৰোষ-অভিমানত উদ্ভণ্ডালি কৰা, নাইবা মাটিত বাগৰা, বাহিৰত নেগুৰ কটা বাঘ হ'লেও মাকৰ ওচৰত শান্ত-শিষ্ট

চৰণত লয়, যতিৰ সু-সমন্বয় সাধিত হৈছে। ভাষাৰ মাধুৰ্য, লয়যুক্ত শব্দৰ প্ৰয়োগ আৰু সু-অনুমেয় কল্পচিত্ৰৰ সমাহাৰে কবিতাটিত সোণত সুৱগা চৰাইছে —

ৰজনী বিদূৰ দিশ ধৱলী ৰৱণ।
তিমিৰ ফেড়িয়া বাজ ৰবিৰ কিৰণ।।
শতপত্ৰ বিকশিত ভ্ৰমৰ উৰায়।
ব্ৰজ বধূ দধি মথে তুৱা গুণ গাই।।

ড° মহেশ্বৰ নেওগে ৰৱগীতৰ ভাষা হিচাপে ব্ৰজাৱলীৰ ব্যৱহাৰ সম্বন্ধে কওঁতে এটি গুৰুত্বপূৰ্ণ কথা কৈছিল যে মাধৱদেৱে ব্ৰজাৱলীৰ বন্ধনৰ পৰা আঁতৰি আহি তেওঁৰ ৰৱগীতসমূহত ইয়াৰ এটি সৰলীকৃত ৰূপ ব্যৱহাৰ কৰিছিল। এই ৰৱগীতটি এই ভাষা প্ৰয়োগৰ প্ৰকৃষ্ট উদাহৰণ। ইয়াৰ মাজতো কিন্তু ৰৱগীতটিত ব্ৰজাৱলীৰ আলংকাৰিক ছাপৰ লক্ষণ প্ৰত্যক্ষ কৰিব পাৰি। সহজ অনুপ্ৰাসৰ প্ৰয়োগে বিষয়বস্তুক অধিক স্পষ্ট কৰি তুলিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ 'তেজৰে কমলাপতি' শীৰ্ষক ৰৱগীতটি জাগন বিষয়ক গীত হয়নে?

.....

প্ৰশ্ন নং ৬ ঃ তলৰ উক্তিসমূহ মিলাওক—

ক) 'বাৎসল্য ৰস মাধৱদেৱৰ ভক্ত জীৱনৰ সৰ্বহ'	১) কৃষ্ণৰ ভক্ত
খ) চৈধ্য আখৱযুক্ত প্ৰতিটো চৰণ	২) কৃষ্ণকেন্দ্ৰিক
গ) দাম-সুদাম	৩) বাণীকান্ত কাকতি
ঘ) ৰৱগীতৰ বিষয়বস্তু	৪) পদ ছন্দ



১.৭অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টিত আলোচ্য 'তেজৰে কমলাপতি' শীৰ্ষক কবিতাটি আচলতে মহাপুৰুষ মাধৱদেৱ বিৰচিত এটি ৰৱগীতহে।
- এই ৰৱগীতটিত মাধৱদেৱে ৰাতিপুৱা শিশু কৃষ্ণক মাতৃ যশোদাই গৰু চৰাবলৈ বুলি টোপনিৰ পৰা জগোৱাৰ দৃশ্য কাব্যিক ভাষাৰে অংকন কৰিছে আৰু তাৰ লগে লগে কৃষ্ণৰূপী ভগৱানৰ অপাৰ মহিমাৰ কথা ব্যক্ত কৰিছে।
- ব্ৰজাৱলী ভাষাত ৰচিত এই ৰৱগীতটিৰ মাজেৰে প্ৰভাত কালৰ এক মনোৰম দৃশ্যৰ জীৱন্ত

ৰূপ প্ৰকাশ হোৱাৰ উপৰি নন্দজায়া যশোদাৰ চিৰন্তন মাতৃহৃদয়, ভগৱান কৃষ্ণৰ দুমুখীয়া চৰিত্ৰ আৰু বাৎসল্য প্ৰেমৰ মাজেৰে ভক্তিৰসৰ অৱতাৰণা কৰা হৈছে।

- মহাপুৰুষজনাৰ কাব্যিক প্ৰতিভাৰ বলত সাধাৰণ বিষয়বস্তুৱেও ইয়াত অসাধাৰণ ৰূপ লাভ কৰিছে।



১.৮ অধিক জানিবলৈ

১) চক্ৰৱৰ্ত্তী, মঞ্জু আৰু হাজৰিকা, কৰবী ডেকা (২০০৪); *চৰ্য্যাপদ আৰু ৱৰগীত,* ডিব্ৰুগড় ঃ বনলতা।

২) চলিহা, ভৰ প্ৰসাদ (সম্পাঃ) (১৯৮৯); *মাধৱদেৱ আৰু সংস্কৃতি;* গুৱাহাটী ঃ শ্ৰীমন্ত শংকৰদেৱ সংঘ।

৩) ডক্টৰ মহেশ্বৰ নেওগ প্ৰকাশন ন্যাস পৰিষদ (১৯৮৬); *মহেশ্বৰ নেওগ ৰচনাৱলী (প্ৰথম খণ্ড);* ডিব্ৰুগড় ঃ বাণী মন্দিৰ।

৪) নেওগ, মহেশ্বৰ (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ ।

৫) নেওগ, মহেশ্বৰ (সম্পাঃ)(২০০৬); *বাণীকান্ত ৰচনাৱলী;* গুৱাহাটী ঃ অসম প্ৰকাশন পৰিষদ।

৬) মহন্ত, বাপচন্দ্ৰ (সম্পাঃ) (২০০০); *ৱৰগীত;* গুৱাহাটী ঃ ষ্টুডেণ্টচ্ ষ্টৰ্ৱচ্ ।

৭) শৰ্মা, সত্যেন্দ্ৰনাথ (২০০৬); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।



১.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ৰাজেন্দ্ৰ অধ্যাপকৰ টোলত।

২ নং প্ৰশ্নৰ উত্তৰ ঃ ক) অশুদ্ধ খ) অশুদ্ধ গ) শুদ্ধ ঘ) শুদ্ধ

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ক) ১৯১ খ) কৃষ্ণকেন্দ্ৰিক

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ৱৰগীতত ব্ৰজাৱলী ভাষা ব্যৱহাৰ কৰা হয়। ই এটি কৃত্ৰিম সাহিত্যিক ভাষা। পুৱণি অসমীয়া ভাষা, মৈথিলী ভাষা আৰু পশ্চিমীয়া হিন্দীৰ বিভিন্ন উপাদানৰ সংমিশ্ৰণত ব্ৰজাৱলী ভাষাই গঢ় লৈ উঠিছে বুলি মত পোষণ কৰা হয় যদিও ই সৰ্বজনগ্ৰাহ্য নহয়। ভাষাটোৰ উৎপত্তি সম্বন্ধে যি মত পাৰ্থক্যই নাথাকক কিয়, ইয়াৰ ব্যৱহাৰে ৱৰগীতসমূহক এক সুকীয়া মাত্ৰা প্ৰদান কৰিছে।

কন্দলী, ৰাম সৰস্বতী, আনকি স্বয়ং শংকৰদেৱেও নানান ঠাইত বংশ, জন্ম ঠাই আদিৰ পৰিচয় দি গৈছে। কিন্তু পৰম বৈৰাগ্য মাধৱদেৱে কোনো গ্ৰন্থতেই বংশ বা আত্মপৰিচয় দি যোৱা নাই। সেইবাবে কোৱা হয় আত্মলঘিমা মাধৱ চৰিত্ৰৰ অন্যতম লক্ষণ।

বৈষ্ণৱ কবিসকলে ভণিতাত নামৰ আগত প্ৰায়েই বিশিষ্ট বিশেষণ শব্দ লগাই দিয়ে। শংকৰদেৱৰ নামৰ আগত প্ৰথম অৱস্থাত ৰচিত পুথিত 'কায়স্থ' আৰু শেষৰফালে ৰচিত পুথিত 'কৃষ্ণৰ কিংকৰ' কথাফাঁকি থাকে। তেনেদৰে 'কন্দলী', 'সৰস্বতী', 'ভাৰত ভূষণ', 'সুকবি' আদিও কবিসকলৰ গৌৰৱসূচক উপাধিহে। এইবোৰ উপাধি বা বিশেষণ প্ৰয়োগ কৰি কবিসকলে নিজৰ নিজৰ শ্ৰেষ্ঠতা প্ৰতিপন্ন কৰিবলৈ প্ৰয়াস কৰিছিল। কিন্তু মাধৱদেৱৰ নামৰ আগত লগোৱা প্ৰিয় বিশেষণ শব্দ হয় 'দীন' নহয় 'মুৰুখমতি'। ই মাধৱদেৱৰ চৰিত্ৰৰ আত্মলঘিমা নিৰ্দেশক মাথোন। আন এঠাইত মাধৱদেৱৰ আত্মলঘিমা প্ৰকাশ পাইছে এনেদৰে—

চৰণত ধৰো কাতৰ কৰোহো
ইবাৰ নেৰিবা মোক।।

ইয়াত 'ইবাৰ নেৰিবা মোক' কথাষাৰ বৰ মৰ্মস্পৰ্শী। অসংখ্যবাৰ এই সংসাৰ চক্ৰত ঘূৰি নিকাৰ ভুঞ্জিব লাগিছোঁ, প্ৰভু ইবাৰ কিন্তু কৰ্ম-বন্ধনৰ পৰা যেন মোক নিষ্কৃতি দিয়া। কথাষাৰত প্ৰভুৰ চৰণত শৰণ লোৱা কাতৰ ভক্তৰ কৰুণ ছবি এখনিয়ে মনৰ মাজত দোলা দি যায়। ঈশ্বৰৰ ওচৰত সৰ্বতোভাৱে আত্মসমৰ্পণ কৰিব লাগিলে মন, বুদ্ধি আদি সকলোতে লঘিমাৰ ভাব থাকিব লাগিব।

এনেদৰে বাণীকান্ত কাকতিয়ে *নামঘোষাত* প্ৰকাশ পোৱা মাধৱদেৱৰ আত্মলঘিমাৰ বিষয়ে আলোচনা কৰি মাধৱদেৱ চৰিত্ৰটিৰ মহত্ত্ব প্ৰকাশ কৰিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ মাধৱদেৱে *নামঘোষাত* তেওঁৰ গুৰু মহাপুৰুষ শংকৰদেৱৰ স্মৃতিত কেইটা ঘোষা ৰচনা কৰিছে?

.....

প্ৰশ্ন নং ৪ ঃ মাধৱদেৱে কাক 'কল্পতৰু' বুলি অভিহিত কৰিছে?

.....

প্ৰশ্ন নং ৫ ঃ শুদ্ধ নে অশুদ্ধ নিৰ্ণয় কৰক—

(ক) *নামঘোষা* ৰচিত হৈছিল ১৫০৭-১৫১৭ শকৰ ভিতৰত।

(খ) *নামঘোষাৰ* অন্যান্য তাত্ত্বিক ৰসৰ ভিতৰত 'হৰিনাম' ৰস অন্যতম।

(গ) মাধৱদেৱৰ নামৰ আগত লগোৱা প্ৰিয় বিশেষণ শব্দ হয় 'কন্দলী'।

(ঘ) মাধৱদেৱৰ *নামঘোষা* আবেগমূলক ভক্তিকাব্যৰ অন্তৰ্গত।

(ঙ) বাণীকান্ত কাকতিৰ *পু�ৰণি অসমীয়া সাহিত্যত* সৰ্বমুঠ এঘাৰটা প্ৰবন্ধ আছে।

.....

আন এটি ঘোষাত শংকৰদেৱক মাধৱদেৱে 'কল্পতৰু' আখ্যা দিছে। 'কল্পতৰু' মানে যিজোপা বৃক্ষই সকলোৰে প্ৰাৰ্থনা অনুযায়ী ফল প্ৰদান কৰে, সেইজোপাই কল্পতৰু। শংকৰদেৱো কল্পতৰু সদৃশ, সেইবাবে তেওঁৰ বাহিৰে আন পৰম গুৰু নাই বুলি 'নাই নাই নাই' তিনিবাৰ দৃঢ়তাৰে কৈছে—

শ্ৰীমন্ত শঙ্কৰ হৰি ভকতিৰ
জানা যেন কল্পতৰু,
তাহান্ত বিনাই নাই নাই নাই
আমাৰ পৰম গুৰু।

এনেদৰে মাধৱদেৱে *নামঘোষাৰ* এহেজাৰ ঘোষাৰ ভিতৰত ষোল্লটা ঘোষাত শংকৰদেৱক পবিত্ৰভাৱে স্মৰণ কৰিছে। এয়ে মাধৱদেৱৰ 'পুণ্যশ্লোক শংকৰ-স্মৃতি'। এই স্মৃতি মাধৱদেৱৰ অন্তৰৰ পৰা নিগৰি অহা অবিচল গুৰুভক্তিৰ নিদৰ্শন।



জানি থোৱা ভাল

মাধৱদেৱৰ দ্বাৰা বিৰচিত *নামঘোষাত* এহেজাৰ ঘোষা থকা বাবে ইয়াক 'হেজাৰী ঘোষা' বুলিও কোৱা হয়।

নামঘোষা মহাপুৰুষ মাধৱদেৱৰ শেষ বয়সৰ ৰচনা। সেই বাবে ইয়াক 'মহাপ্ৰস্থানিক গীত' বুলিও অভিহিত কৰা হয়।

৮.৬ মাধৱদেৱৰ আত্মলঘিমা

বাণীকান্ত কাকতিৰ 'নামঘোষা' প্ৰবন্ধটিৰ মতে 'আত্মলঘিমা' শব্দটিৰ অৰ্থ হ'ল 'আত্ম' মানে নিজে আৰু 'লঘিমা' মানে সৰু বা পাতল। অৰ্থাৎ ভগৱানৰ তুলনাত নিজকে ক্ষুদ্ৰ বা হীন বুলি ভবাটোৱেই হৈছে আত্মলঘিমা। ভক্তিৰ ক্ষেত্ৰত নিজকে সৰুতকৈও সৰু বুলি ভাবিব নোৱাৰিলে উৎকৰ্ষ লাভ কৰিব নোৱাৰি। নিজকে সৰুতকৈও সৰু বুলি ভবা গুণটোৰ নামেই আত্মলঘিমা।

সংসাৰ-ত্যাগী মাধৱদেৱক দাস্য ভক্তিৰ মূৰ্তিমান স্বৰূপ বুলিব পাৰি। 'ঘোষাৰত্ন'ৰ কবি গোপাল মিশ্ৰই গুণগ্ৰাহী ভাষাৰেই মাধৱদেৱৰ প্ৰকৃতি বৰ্ণনা কৰি কৈছে— "শ্ৰীমন্ত মাধৱ নাম ধৰি, বিষয়সুখক পৰিহৰি, কৃষ্ণ যশৰস কৰিলা সিটো বিস্তাৰ।" পৰম বৈৰাগ্যৰ পৰিপোষক মাধৱদেৱে চিৰকৌমাৰ্য ব্ৰত অৱলম্বন কৰি আজীৱন কৃষ্ণ যশ ৰসতেই ডুবি আছিল।

সংসাৰত যেনেকৈ তেওঁ নিজৰ পৰিচয় দিবলৈ তেজৰ সম্বন্ধ ৰাখি থৈ যোৱা নাই, সাহিত্য ক্ষেত্ৰতো মাধৱদেৱে কোনো ঠাইতে আত্মপৰিচয় দি যোৱা নাই। আত্মাৰাম ভাব মাধৱ চৰিত্ৰৰ কেন্দ্ৰস্থল। বৈষ্ণৱ আন্দোলনত ভাৰতৰ ইমূৰৰ পৰা সিমূৰলৈকে যিসকল মহানুভৱ কবি ওলাইছিল, সেই সময়ৰ ৰীতি অনুসৰি তেওঁলোকে নিজ নিজ কবিতাৰ ভণিতাত নাইবা ঠাই বিশেষে গ্ৰন্থৰ ভিতৰতো আপোন আপোন বংশ আদিৰ পৰিচয় দি থৈ গৈছে। সেই অনুসাৰে আমাৰ দেশতো হেম সৰস্বতী, মাধৱ

৫ নং প্ৰশ্নৰ উত্তৰ ঃ হয়।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ ক) - ৩), খ) - ৪), গ) - ১), ঘ) - ২)



১.১০ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ তলত দিয়া শব্দবোৰৰ অৰ্থ লিখক —
তিমিৰ, ফেড়িয়া, ৰজনী, বেণু, ৰাখোৱাল, তপসাইল।

প্ৰশ্ন ২ ঃ শুদ্ধ নে অশুদ্ধ নিৰ্ণয় কৰক —
ক) বৰগীত কেৱল মাধৱদেৱে ৰচনা কৰিছিল।
খ) মাধৱদেৱ শংকৰদেৱৰ গুৰু।
গ) বৰগীতত ৰামৰ মহিমা প্ৰকাশ কৰা হয়।
ঘ) চৌধ্য প্ৰসংগত বৰগীতৰ স্থান আছে।

খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ মহাপুৰুষ মাধৱদেৱৰ জীৱন আৰু কৃতিৰ আভাস দিয়ক।

প্ৰশ্ন ২ ঃ বৰগীতৰ সংজ্ঞা নিৰূপণ কৰি ইয়াৰ বৈশিষ্ট্যবোৰ ফঁহিয়াই দেখুৱাওক।

প্ৰশ্ন ৩ ঃ "কহয় মাধৱ মাই কিনো তপসাইলা।
ত্ৰিজগত পতি হৰি ৰাখোৱাল পাইলা।।"
— পদফাকিৰ অন্তৰ্নিহিত তাৎপৰ্য বিচাৰ কৰক।

প্ৰশ্ন ৪ ঃ প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰক —
(ক) ৰজনী বিদূৰ দিশ ধৱলী বৰণ।
তিমিৰ ফেড়িয়া বাজ ৰবিৰ কিৰণ।।

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ 'তেজৰে কমলাপতি' বৰগীতটিৰ বিষয়বস্তুগত কথাখিনি আপোনাৰ নিজৰ ভাষাৰে লিখি উলিয়াওক।

প্ৰশ্ন ২ ঃ "বাৎসল্য প্ৰেম মাধৱদেৱৰ ভক্ত জীৱনৰ সৰ্বস্ব" — 'তেজৰে কমলাপতি' বৰগীতটিৰ আধাৰত মন্তব্যটিৰ তাৎপৰ্য বিচাৰ কৰক।

প্ৰশ্ন ৩ ঃ যশোদা আৰু কৃষ্ণৰ মাতৃ-পুত্ৰৰ সম্বন্ধ আৰু ভক্ত-ভগৱানৰ সম্বন্ধ — এই দুয়োখনি চিত্ৰ পাঠ্য বৰগীতটিৰ মাজেৰে কেনেদৰে প্ৰকাশ পাইছে, বিশ্লেষণ কৰি দেখুৱাওক।

*** ***** ***

অধ্যায় ২ ঃ চন্দ্রকুমাৰ আগৰৱালা ঃ বনকুঁৱৰী

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য
২.২ পৰিচয়
২.৩ ৰমন্যাসবাদ আৰু ৰমন্যাসবাদী কবিতাৰ বৈশিষ্ট্য
২.৪ অসমীয়া ৰোমাণ্টিক কবিতাৰ সাধাৰণ আলোচনা
২.৫ কবি পৰিচয়
২.৬ 'বনকুঁৱৰী' কবিতাটিৰ পাঠ
২.৭ 'বনকুঁৱৰী' কবিতাটিৰ আলোচনা
২.৭.১ বিষয়বস্তু আৰু মূলভাব
২.৭.২ ৰমন্যাসিক চিন্তাৰ প্ৰতিফলন
২.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
২.৯ অধিক জানিবলৈ
২.১০ অগ্ৰগতিৰ খতিয়ান
২.১১ আৰ্হি প্ৰশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- ৰমন্যাসবাদ আৰু ৰমন্যাসবাদী কবিতাৰ বৈশিষ্ট্য নিৰূপণ কৰিব পাৰিব
- অসমীয়া ৰোমাণ্টিক কবিতাৰ বিষয়ে আলোচনা দাঙি ধৰিব পাৰিব
- অসমীয়া ৰোমাণ্টিক কবি চন্দ্রকুমাৰ আগৰৱালাৰ জীৱন আৰু কৃতিৰ যথাযথ বিৱৰণ দিব পাৰিব
- 'বনকুঁৱৰী' কবিতাটোৰ বিষয়বস্তু আৰু কবিতাটিত প্ৰতিফলিত ৰমন্যাসিক চিন্তাৰ ব্যাখ্যা আগবঢ়াব পাৰিব।

২.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টিত আমি মাধৱদেৱ বিৰচিত এটি বৰগীতৰ বিষয়ে অধ্যয়ন কৰিলোঁ। এইটো অধ্যায়ত আমি আপোনাৰ পঠনীয় এটি ৰোমাণ্টিক কবিতাৰ আলোচনা দাঙি ধৰিম। কবিতা হৈছে 'প্ৰতিমাৰ খনিকৰ'ৰূপে খ্যাত চন্দ্রকুমাৰ আগৰৱালাৰ 'বনকুঁৱৰী'। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে *জোনাকী* কাকতৰ প্ৰথম বছৰৰ প্ৰথম সংখ্যাত প্ৰকাশিত এই কবিতাটিয়েই হ'ল প্ৰথম অসমীয়া ৰোমাণ্টিক বা ৰমন্যাসবাদী কবিতা। সেইবাবেই ''বনকুঁৱৰী' নামৰ গীতি-

ঘোষা শংকৰদেৱৰ মৃত্যুৰ পিছত ৰচনা কৰা। নামঘোষাত সুবিধা পালেই মাধৱদেৱে শংকৰদেৱৰ স্মৃতি সম্পৰ্কীয় ঘোষা একোটা সুমুৱাই দিছে। ইয়াৰ মূলতে হ'ল গুৰুৰ প্ৰতি থকা তেওঁৰ গভীৰ আস্থা। কাকতিৰ মতে, *নামঘোষা* মহাপুৰুষ মাধৱদেৱৰ গুৰুজনাৰ স্মৃতিবিজড়িত আত্মতত্ত্বদৰ্শী ভক্ত কবিৰ পূৰ্ণ ব্ৰহ্মস্বৰূপ কৃষ্ণত ভক্তিৰ অপূৰ্ব প্ৰকাশ। শংকৰদেৱৰ মৃত্যুৰ পিছত মাধৱদেৱৰ একপ্ৰকাৰ নিঃসংগ অৱস্থা হৈছিল। গতিকে এনে অকলশৰীয়া আৰু অসহায় অৱস্থাত মাধৱদেৱে শংকৰদেৱৰ প্ৰয়োজনীয়তা বাৰুকৈয়ে উপলব্ধি কৰিছিল। সেইবাবেই বোধকৰোঁ শংকৰদেৱৰ উপস্থিতি *নামঘোষাত* বাৰুকৈয়ে ঘটিছে। কাকতিয়ে উল্লেখ কৰা *নামঘোষাৰ* তিনিটা ভাৱধাৰাৰ ভিতৰত শংকৰ-স্মৃতি অন্যতম। গুৰু-স্মৃতি শিৰোগত কৰি, কৃষ্ণ নাম হৃদয়ত ধৰি, নামঘোষা মহাগীতৰ ভিতৰেদি মাধৱদেৱে হৃদয়ৰ একান্ত ভক্তিৰস ঢালি দিছে।

মাধৱদেৱে *নামঘোষাত* শংকৰদেৱৰ স্মৃতি বিষয়ক মুঠতে ষোল্লটা ঘোষা ৰচনা কৰিছে। মূলতঃ শংকৰদেৱ আছিল মাধৱদেৱৰ গুৰু। *নামঘোষাত* গুৰু মাহাত্ম্য বহু ঠাইত বৰ্ণনা কৰা হৈছে। বৈষ্ণৱ ভক্তিমাৰ্গত গুৰুৰ স্থান সকলোতকৈ ওপৰত— "ঔ গুৰু ব্ৰহ্মা, গুৰু বিষ্ণু, গুৰুৰ্দেৱ মহেশ্বৰ/গুৰুৰ্সাক্ষাৎ পৰমব্ৰহ্ম তস্মৈ শ্ৰীগুৰুৱে নমঃ।" গুৰু নোহোৱাকৈ অন্যান্য কাৰ্য সাধন নোহোৱাৰ দৰে ভক্তি পথতো আগবাঢ়িব নোৱাৰি। সেয়ে গুৰুৰ ওচৰত আত্মসমৰ্পণ কৰি নাম-বস্তু গ্ৰহণ কৰা অতি প্ৰয়োজন। গুৰু কিন্তু সদ্‌গুৰু হোৱা প্ৰয়োজন। মাধৱদেৱৰ দৃষ্টিত শংকৰদেৱ আছিল 'জয় গুৰু শংকৰ, সৰ্ব গুণাকৰ, যাকেৰি নাহিকে উপাম।' সেইগৰাকী শংকৰদেৱৰ স্মৃতিত মাধৱদেৱে ষোল্লটা ঘোষা ৰচনা কৰিছে।

বাণীকান্ত কাকতিয়ে মাধৱদেৱৰ গুৰুভক্তি সম্পৰ্কে ক'বলৈ গৈ ৰামকৃষ্ণ পৰমহংসদেৱৰ প্ৰসংগও উত্থাপন কৰিছে। ৰামকৃষ্ণ পৰমহংসদেৱে সগুণ কালী মূৰ্তিক 'মা মা' বুলি স্মৰণ কৰাৰ দৰে মাধৱদেৱেও আনন্দ-সাগৰত ডুব দি উঠাৰ পিছত সগুণ উপাস্য দেৱতা কৃষ্ণৰ নাম লোৱাৰ লগে লগে পাৰ্থিৱ গুৰু শংকৰদেৱৰ স্মৃতি ক্ষণকাললৈও নাপাহৰে। এই যে বিপুল আনন্দৰ অনুভূতি, তাক কাৰ কৃপাৰ গুণত পোৱা হ'ল ! *নামঘোষাৰ* যি যি ডোখৰতেই টোৰ খলকনিৰ দৰে গভীৰ ভক্তিৰসৰ তোলপাৰ লাগিছে, সেই সেই ঠাইতেই মাধৱদেৱে আপোন-পাহৰা হৈ শংকৰ-গৌৰৱত বিমোহিত হৈছে। শংকৰদেৱৰ জীৱিত অৱস্থাতেই মাধৱদেৱে গুৰুভক্তিৰ নিদৰ্শন-স্বৰূপে গুৰু-ভটিমাটো লিখে।

নামঘোষাৰ অন্যান্য তাত্ত্বিক ৰসৰ ভিতৰত 'হৰিনাম' ৰস অন্যতম। এই ৰস আচলতে বৈকুণ্ঠতহে থাকে। যেতিয়াই-তেতিয়াই পৃথিৱীলৈ প্ৰবাহিত নহয়। দেৱতাসকলে সেই ৰস পৃথিৱীলৈ আহিব নোৱাৰাকৈ স্বৰ্গত বান্ধি ৰাখি থৈছিল। তাক পৃথিৱীলৈ নমাই অনাৰ সাহস কাৰো নাছিল। একমাত্ৰ শংকৰদেৱেহে সেই প্ৰেমামৃত নদীখনিৰ পাৰ ভাঙি দিলে আৰু সি হিলদল ভাঙি কোবাল গতিৰে বৈকুণ্ঠৰ পৰা নামি ব্ৰহ্মাণ্ড ভেদ কৰি পৃথিৱীত পৰিলহি —

হৰিনাম ৰসে বৈকুণ্ঠ প্ৰকাশে
প্ৰেম অমৃতৰ নদী,
শ্ৰীমন্ত শঙ্কৰে পাৰ ভাঙি দিলা
বহে ব্ৰহ্মাণ্ডক ভেদি।

প্রশ্ন নং ২ ঃ অসমীয়া ভক্তিকাব্যৰ তিনিটা শ্রেণীৰ ভিতৰত মাধৱদেৱৰ *নামঘোষা* কোনটো শ্রেণীৰ অন্তর্ভুক্ত উল্লেখ কৰক।

.....

নামঘোষা ৰচনাৰ বহু আগতেই শংকৰদেৱৰ মৃত্যু হয়। সাম্প্রদায়িক উৎপীড়নত ৰঘু ৰজাৰ হাতত নিগ্রহ ভোগ কৰি নিজ তত্ত্বাৱধানত সজাই লোৱা আদৰৰ ৰৱপেটা সত্র এৰি থৈ গৈ মাধৱদেৱ নির্বাসনত থাকিবলগীয়া হৈছিল। এই নির্বাসনৰ সময়ছোৱাতে কোচবিহাৰৰ অন্তর্গত ভেলাডোৱাৰত সত্র পাতি থাকোঁতে মহাপুৰুষ মাধৱদেৱে জীৱনৰ শেষভাগত এই অনুপম ঘোষা গ্রন্থ ৰচনা কৰে। *নামঘোষা* মাধৱদেৱৰ শেষ বয়সৰ ৰচনা, সেইবাবে ইয়াক 'মহাপ্রস্থানিক গীত' বুলিও কোৱা হয়। এই প্রসংগত বাণীকান্ত কাকতিয়ে *নামঘোষাক* 'চোৱান' (Swan) নামৰ এবিধ বিদেশী চৰাইৰ লগত তুলনা কৰিছে। তেওঁৰ মতে ইংৰাজী কবিতাত ৰাজহাঁহ জাতীয় এবিধ চৰাইৰ (Swan) উল্লেখ পোৱা যায়। এই চৰাইবিধৰ বিশেষত্ব হ'ল— সি হেনো অন্তিম কালত নৈত উটি গীত গাই গাই গীততেই পমি যায়। *নামঘোষা* মাধৱদেৱৰ শেষ ৰচনা। ই তেওঁৰ মৃত্যুৰ বহু আগতেই ৰচিত নহয়। সেই বাবে ইয়াক পৰম আনন্দ সাগৰত উটি যোৱা মাধৱদেৱৰ মহাপ্রস্থানিক গীত বুলিব পাৰি। ইংৰাজী কবিতাত উল্লিখিত ৰাজহাঁহ জাতীয় চৰাইবোৰ মৃত্যুৰ সময়ত নৈত উটি গৈ গৈ গীত গাই গাই গীততেই পমি গৈ মৃত্যুক সাবটি লোৱাৰ দৰে মাধৱদেৱেও *নামঘোষা* ৰচনাৰ পিছতেই মৃত্যুক সাবটি লৈছিল। মাধৱদেৱ বৈকুণ্ঠগামী হোৱাৰ আগে আগেহে এই মহাগ্রন্থখন সম্পূর্ণ হৈছিল। এইফালৰ পৰা ১৫০৭-১৫১৭ শকৰ ভিতৰত *নামঘোষা* ৰচিত হৈছিল।

বাণীকান্ত কাকতিয়ে তেওঁৰ 'নামঘোষা' নামৰ প্রবন্ধটিত মাধৱদেৱৰ *নামঘোষা* গ্রন্থখনি বিচাৰ কৰি ইয়াত তিনিটা ভাব বা বিষয়বস্তু থকা বুলি স্পষ্টভাৱে উল্লেখ কৰি গৈছে। সেই তিনিটা ভাব বা বিষয়বস্তু হ'ল— পুণ্যশ্লোক শংকৰ-স্মৃতি, মাধৱদেৱৰ আত্মলঘিমা আৰু কৃষ্ণভক্তিৰ মাহাত্ম্য। কাকতিৰ ভাষাত "*নামঘোষাত* প্রধানতঃ তিনিটা ভাবৰ ধাৰা মিহলি হৈ বিশাল আনন্দ সাগৰৰ ফালে ধাৱমান হৈছে— পুণ্যশ্লোক শংকৰ-স্মৃতি, মাধৱদেৱৰ আত্মলঘিমা আৰু কৃষ্ণভক্তি মাহাত্ম্য।" এই তিনিটা বিষয়বস্তুৰ মূল উৎস নিৰূপণ কৰি কাকতিয়ে কৈছে— "হিমালয়ৰ নিভৃত শৃংগৰ ওপৰত স্তূপীকৃত হৈ থকা এক অনন্ত তুহিনৰাশিয়েই গলি গৈ ভৈয়ামত নানান নদ-নদীৰূপে অৱতীর্ণ হোৱাৰ দৰে, এই তিনিও ধাৰাৰেই মূল কাৰণ হৈছে মাধৱদেৱৰ ৰসময়ী ভক্তিৰ গভীৰ আবেগ।" গতিকে দেখা যায় নামঘোষাৰ মূল বিষয়বস্তু হৈছে ৰসময়ী ভকতি।

৮.৫ পুণ্যশ্লোক শংকৰ-স্মৃতি

মাধৱদেৱে তেওঁৰ অন্যতম কৃতি *নামঘোষা* ৰচনা কৰে পৰম শ্রদ্ধাৰ গুৰু মহাপুৰুষ শংকৰদেৱৰ নির্দেশমর্মে। চৰিত পুথি মতে, শংকৰদেৱৰ আজ্ঞা অনুসৰি মাধৱদেৱে ঘোষা পুথি ৰচনা কৰিবলৈ লয় আৰু তেওঁৰ জীৱনকালতে ভালেখিনি ঘোষা সম্পূর্ণ হয়। কিন্তু বেছিভাগ

কবিতাটিয়েই আধুনিক কবিতাৰ শুভাৰম্ভ' বুলি সত্যেন্দ্রনাথ শর্মাই মত পোষণ কৰিছে। অধ্যায়টিত এই কবিতাটোৰ বিষয়ে বহলাই আলোচনা দাঙি ধৰা হৈছে।

'বনকুঁৱৰী' কবিতাটিৰ আলোচনাৰ প্রসংগত ৰমন্যাসবাদ বা ৰোমাণ্টিছিজম্ শব্দটিও জড়িত হৈ আছে। সেয়ে অধ্যায়টিত ৰমন্যাসবাদ মানে কি, ৰমন্যাসবাদী কবিতাৰ বৈশিষ্ট্য তথা অসমীয়া ৰোমাণ্টিক কবিতা সম্পর্কেও সম্যক আলোচনা দাঙি ধৰা হৈছে।

২.৩ ৰমন্যাসবাদ আৰু ৰমন্যাসবাদী কবিতাৰ বৈশিষ্ট্য

ইংৰাজী 'ৰোমাণ্টিছিজম্' শব্দটিৰ প্রতিশব্দ হিচাপে অসমীয়াত 'ৰমন্যাসবাদ' শব্দটি ব্যৱহাৰ কৰা হয়। অষ্টাদশ শতিকাৰ শেষৰ দুটি দশক আৰু ঊনবিংশ শতিকাৰ আদি কালত ইংলেণ্ডৰ কবিকুলে পূর্বৱর্তী কৃত্রিম ধ্রুপদী ৰীতিৰ আত্মম্ভৰিতা আৰু কঠোৰ অনুশাসনৰ পৰা পৰিত্রাণ বিচাৰি বিদ্রোহ আৰম্ভ কৰে। এই বিদ্রোহৰ ফলত যি নতুন কাব্য আন্দোলনে প্রাণ পালে সেই আন্দোলনকে ইংৰাজী সাহিত্যৰ বুৰঞ্জীত 'ৰোমাণ্টিক আন্দোলন' হিচাপে অভিহিত কৰা হয়। ইউৰোপীয় সাহিত্যজগত আলোকিত কৰা এই নব্য কাব্যধাৰাটি পৰৱর্তী সময়ত বিশ্বৰ বিভিন্ন সাহিত্যলৈ বিয়পি পৰে। কাব্য সাহিত্যৰ লগতে এই পৰিৱর্তন বুৰঞ্জী, দর্শন, ৰূপকথা আদি সাহিত্যৰ বিভিন্ন শাখালৈকে বিস্তৃতি লাভ কৰে। পূর্বৱর্তী ধ্রুপদী সাহিত্যৰ বন্ধন ছিণ্ডি সাহিত্যজগতলৈ মুক্তিৰ বার্তা কঢ়িয়াই অনা এই ৰমন্যাসিক সাহিত্যৰাজিত আৱেগ-অনুভূতিৰ প্রাবল্য বাৰুকৈয়ে অনুভৱ কৰা যায়।



জানি থোৱা ভাল

অসমীয়া ভাষাত পূর্বতে 'ৰোমাণ্টিক' শব্দটিৰ পৰিভাষা হিচাপে ব্যৱহৃত হৈছিল 'নৱন্যাস' শব্দটি। ১৯৭৬ চনত ড° মহেন্দ্র বৰাই 'ৰমন্যাস' শব্দটি নির্মাণ কৰি উলিয়ায়। ইয়াৰ পাছৰে পৰাই এই শব্দটি ব্যৱহৃত হ'বলৈ ধৰে।

ইংৰাজী সাহিত্যৰ ইতিহাস ৰচয়িতাসকলে ইংৰাজী সাহিত্যৰ বুৰঞ্জীক বহলভাৱে মুঠ আঠটা ভাগত বিভক্ত কৰিছে। যথা— এংলো ছেক্সন আৰু এংলো নর্মান, ছচাৰোত্তৰ, এলিজাবেথীয়, সপ্তদশ শতিকা, অষ্টাদশ শতিকা, ৰোমাণ্টিক, ভিক্টোৰীয়া আৰু আধুনিক যুগ। ছচাৰোত্তৰ যুগটিক ইংৰাজী সাহিত্যৰ অৱসাদৰ যুগ বুলি ঠাৱৰ কৰা হয়। ইংৰাজী সাহিত্যৰ এলিজাবেথীয় যুগৰ আৰম্ভণিৰ সময়তে ইটালী আৰু ফ্রান্সত নৱজাগৰণৰ সূচনা ঘটে। এই নৱজাগৰণৰ ঢৌৱে ইংৰাজী সাহিত্যকো ঢৌৱাই যায়। এলিজাবেথীয় যুগটি প্রধানতঃ দুটা ভাগত বিভক্ত —

(ক) ১৫৫০-১৫৯০ চন — প্রথমার্ধ

(খ) ১৫৯০-১৬২৬ চন — দ্বিতীয়ার্ধ

১৫৯০-১৬২৬ চনলৈকে বিস্তৃত এই কালছোৱাতে ইংৰাজী সাহিত্যৰ মহীৰুহস্বৰূপ শ্বেইক্সপীয়েৰ (১৫৬৪-১৬১৬)ৰ সাহিত্যৰাজিয়ে সকলোকে আপ্লুত কৰিছিল। সেইবাবে এইছোৱা কালক 'শ্বেইক্সপীয়েৰ যুগ' বুলিও অভিহিত কৰা হয়। এই যুগতেই শ্বেইক্সপীয়েৰৰ হাতত ইংৰাজী সাহিত্যলৈ এক নব্য ভাবধাৰাৰ আগমন ঘটে, এক জাগৰণৰ সৃষ্টি হয়। পূৰ্বতে ১৫৯০-১৬২৬ চনৰ এই সময়সীমাকে 'ৰোমাণ্টিক যুগ' বুলি চিহ্নিত কৰা হৈছিল। ঊনবিংশ শতিকাৰ আদি আৰু অষ্টাদশ শতিকাৰ শেষৰ সময়ছোৱাতো ইংৰাজী সাহিত্যলৈ পুনৰ এক নব্য ধাৰণাৰ আগমন ঘটে। সাহিত্যৰ ইতিহাসকাৰসকলে এই সময়খিনিক (১৭৮০-১৮৩০) পোনতে 'ৰোমাণ্টিক ৰিভাইভেল' বা 'ৰোমাণ্টিকতাৰ পুনৰ উত্থানৰ যুগ' বা 'অতীতৰ পুনর্জাগৰণ' বুলি অভিহিত কৰিছিল। কিন্তু পৰৱৰ্তী কালত ১৭৮০-১৮৩০ চনৰ এই সময়ছোৱাকহে 'ৰোমাণ্টিক যুগ' বুলি চিহ্নিত কৰা হয়।

অষ্টাদশ শতিকাৰ শেষৰ দুটি দশক তথা ঊনবিংশ শতিকাৰ আদি ভাগত ইউৰোপীয় সাহিত্য জগত আলোকিত কৰা এই ৰমন্যাসবাদী চিন্তা পৰৱৰ্তী সময়ত বিশ্বৰ বিভিন্ন সাহিত্যলৈ প্রসাৰিত হৈছিল। পূৰ্বৱৰ্তী ধ্রুপদী সাহিত্যৰ বন্ধন ছিন্ন কৰি সাহিত্য জগতলৈ মুক্তিৰ বার্তা কঢ়িয়াই অনা ৰমন্যাসিক সাহিত্যত আৱেগ-অনুভূতিৰ প্রাবল্য বাৰুকৈ অনুভৱ কৰা যায়। এই ধাৰাৰ সাহিত্যৰ পূৰ্বৱৰ্তী ধ্রুপদী সাহিত্যত সৌন্দর্যৰ চঞ্চলতাহীন, গুৰু-গম্ভীৰ অভিব্যক্তি লক্ষ্য কৰিব পাৰি। পৰিচ্ছন্ন বিন্যাস, সুস্পষ্ট অভিব্যক্তি, ভাবৰ গাম্ভীর্য — ধ্রুপদী সাহিত্যৰ অন্যতম লক্ষণ। ইয়াৰ বিপৰীতে ৰমন্যাসিক সাহিত্যত — শিথিল বিন্যাস-ৰীতি, অস্পষ্ট অথচ আৱেগময় ভাব, শৃংখল মুক্তিৰ আতিশয্য লক্ষ্য কৰা যায়।

ৰোমাণ্টিছিজম সম্বন্ধে বিভিন্নজনে নিজ নিজ অভিমত ব্যক্ত কৰিছে। কাৰোবাৰ মতে ৰোমাণ্টিছিজম হ'ল — 'বিস্ময় ভাবৰ নৱজাগ্রত চেতনা'। কাৰোবাৰ মতে ই — 'সুন্দৰৰ লগত অদ্ভুতৰ সংযোগ'। আকৌ আন কোনোৱে ইয়াক — 'অতীতৰ প্রতি শ্রদ্ধা', 'কল্পনাপ্রৱণতাৰ অসামান্য বিকাশ' ইত্যাদি ৰূপেও অভিহিত কৰিছে। সেয়ে হ'লেও, এই অভিমতবোৰৰ কোনোটোৱেই ৰোমাণ্টিক সাহিত্যৰ প্রকৃত বৈশিষ্ট্য সম্পূর্ণকৈ তুলি ধৰিব পৰা নাই। দৰাচলতে এইবিধ সাহিত্যৰ অন্তৰাত্মাত প্রৱেশ কৰিব পাৰিলেহে ইয়াৰ প্রকৃত স্বৰূপ উপলব্ধি কৰিব পৰা যায়।

ৰমন্যাসবাদী সাহিত্যত প্রধানকৈ তিনিটা বিশেষ দিশৰ প্রতিফলন ঘটা লক্ষ্য কৰিব পাৰি— (ক) ভাবপ্রৱণতাৰ আতিশয্য, (খ) নতুন চেতনা আৰু দার্শনিক চিন্তাৰ প্রতিফলন, আৰু (গ) ভাষা আৰু আংগিকৰ ক্ষেত্রত নতুন আদর্শৰ প্রতিষ্ঠা। ইয়াৰ বৈশিষ্ট্যসমূহ থূলমূলকৈ তলত দাঙি ধৰা হ'ল —

- ৰমন্যাসবাদী সাহিত্যত নির্জীৱ বিষয়বস্তুত প্রাণ সঞ্চাৰ হোৱা পৰিলক্ষিত হয়। কবিৰ বর্ণনাত সাধাৰণ ফুল একোপাহো জীৱন্ত ৰূপত ধৰা দিয়ে।
- অতীত-প্রীতি এই শ্রেণী সাহিত্যৰ আন এক বৈশিষ্ট্য। অতীতৰ সোণালী দিনৰ স্মৃতি কল্পনাৰে ৰোমন্থন কৰি ৰোমাণ্টিক কবিয়ে অপাৰ সৌন্দর্যৰ সৃষ্টি কৰে।

প্রথম শ্রেণী কাব্যৰ বিশেষত্ব হ'ল প্রতিটো খণ্ড বা অধ্যায়তে একো একোটা স্বতন্ত্র কাহিনী থাকে। প্রতিটো আখ্যানৰ অন্তৰালত ভক্তি ধর্মৰ একো একোটা দর্শন বা তত্ত্ব ৰূপায়ণ কৰা হয়। ভক্তি ধর্মৰ দার্শনিক তত্ত্বপূর্ণ কথাবোৰ সর্বসাধাৰণ মানুহৰ বোধগম্য নহয় বাবে কাহিনী বা আখ্যানৰ যোগেদি সহজ-সৰলভাৱে এই শ্রেণী কাব্যৰ মাজেৰে বুজাই দিয়া হয়। শংকৰদেৱৰ *কীর্ত্তন, দশম* আদি এই শ্রেণী কাব্যৰ নিদর্শন।

যিবোৰ কাব্যত আখ্যান বা কাহিনীৰ সলনি ভক্তি ধর্মৰ নির্দিষ্ট তত্ত্বৰ পৰিৱেশন কৰা হয়, সেইবোৰ কাব্যক ভক্তিতত্ত্বমূলক কাব্য বুলি অভিহিত কৰা হয়। এই শ্রেণীৰ কাব্যত তত্ত্বসমূহ উপস্থাপন কৰাৰ লগে লগে সেইবোৰ যথাযোগ্যভাৱে পালন কৰিবলৈ উপদেশো সন্নিৱিষ্ট কৰা হয়। সেইবাবে ইয়াক উপদেশমূলক কাব্য বুলিও কোৱা হয়। এই শ্রেণী কাব্য তত্ত্বসর্বস্ব হোৱা বাবে ইয়াৰ নিহিতার্থ হৃদয়ংগম কৰা সর্বসাধাৰণ মানুহৰ বাবে কষ্টকৰ। সেই হেতুকে এই শ্রেণী কাব্যৰ জনপ্রিয়তা আৰু সৰ্ববাহ নিৰক্ষৰ মানুহৰ মাজত তুলনামূলকভাৱে কম। শংকৰদেৱৰ *ভক্তি ৰত্নাকৰ*, মাধৱদেৱৰ *ভক্তি ৰত্নাৱলী*, বৈকুণ্ঠনাথ ভট্টাচার্যৰ *ভক্তি বিবেক* এই শ্রেণীৰ গ্রন্থ।

আবেগমূলক ভক্তিকাব্যও তত্ত্ব আৰু উপদেশমূলক যদিও ইয়াত কবিৰ ব্যক্তিগত ভাব-অনুভূতি নিবিড়ভাৱে জড়িত হৈ থাকে। হৃদয়ৰ সমস্ত আবেগ-অনুভূতি বিষয়বস্তুৰ লগত জড়িত হৈ থাকে বাবেই এই শ্রেণী কাব্যৰ নাম আবেগমূলক ভক্তিকাব্য। অসমীয়া সাহিত্যত এই শ্রেণী কাব্যৰ পৰিমাণ শোচনীয়ভাৱে কম। বৈষ্ণৱ যুগৰ ভক্তি সাহিত্যৰ ভিতৰত মাধৱদেৱৰ *নামঘোষাক* আবেগমূলক বুলি অভিহিত কৰা হয়।

গতিকে দেখা যায় মধ্যযুগত ৰচিত অসমীয়া বৈষ্ণৱ বা ভক্তি সাহিত্যৰ তিনিটা শ্রেণীৰ ভিতৰত মাধৱদেৱৰ *নামঘোষা* আবেগমূলক ভক্তিকাব্যৰ অন্তর্গত। ভক্তিতত্ত্ব নিৰূপক গ্রন্থ হিচাপে *নামঘোষা* অনুপম। অৱতাৰবাদ, প্রসাদবাদ, মায়াবাদ, ভক্তিৰ শ্রেষ্ঠতা, ভক্তিৰ পুৰুষোত্তম প্রেমস্বৰূপতা, শ্রৱণ কীর্তনৰ প্রাধান্য, সৎসংগ মাহাত্ম্য, দাস্য, একশৰণবাদ আৰু অসমৰ ভক্তি সম্প্রদায়ৰ নাম, দেৱ, গুৰু আৰু ভকত আদি ভক্তিতত্ত্বসমূহ *নামঘোষা*ৰ নানা ঠাইত নানাভাৱে প্রকাশ পাইছে। মাধৱদেৱৰ আধ্যাত্মিক জীৱনৰ পূর্ণ অভিব্যক্তি এই গ্রন্থত দেখা যায়। তেওঁৰ শাস্ত্রজ্ঞান বা পাণ্ডিত্য, কবিত্ব, ধার্মিক মতবাদ, আধ্যাত্মিক আদর্শ আৰু ধর্মৰ ক্ষেত্রৰ পৰা লাভ কৰা অভিজ্ঞতাৰ ই পূর্ণ প্রকাশ। গুৰুৰ পৰা লাভ কৰা শিক্ষা, শাস্ত্রৰ পৰা সংগ্রহ কৰা সিদ্ধান্ত আৰু নিজ হৃদয়ত উপলব্ধ হোৱা সত্যৰ স্বৰূপ এই গ্রন্থত প্রকাশিত হৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ অসমীয়া ভক্তিকাব্যক কি কি তিনিটা শ্রেণীত ভাগ কৰা হৈছে? প্রতিটো শ্রেণীৰে একোখনকৈ কাব্যৰ উদাহৰণ দিয়ক।

.....

.....

মাধৱদেৱৰ তিৰোধানৰ সময়ত জিজ্ঞাসু শিষ্যসকলক মাধৱদেৱে কৈ গৈছিল যে তেওঁ নোহোৱা হ'লেও *নামঘোষাতে* বিচাৰিলে তেওঁক পাব— "গুৰুজনে বোলে *দশম, কীৰ্ত্তন* গুৰুজনাৰ মূৰ্ত্তিৰ সমান। *ঘোষা, ৰত্নাৱলী* আমাৰ থাকিবৰ মান। জাৰসেৱে ভক্তি কৰিব ঘোষাতে পাব।" আন এঠাইত কৈছে— "মই গুৰু সেৱাকৈ যি পালো তাকে ঘোষাতে থৈছো; অনেক শাস্ত্ৰ বিচাৰি যি ৰসতত্ত্ব পালো তাকো ঘোষাতে থৈছো। এতেকে পদাৰ্থে, ভাৱাৰ্থে, তত্ত্বাৰ্থে, নিজাৰ্থে, গূঢ়াৰ্থে, পৰমাৰ্থে, অন্তজোৱা সৈতে, সন্তৰ কৃপাত পাব, আমাক সম্পূৰ্ণ দেখিব।" গতিকে *নামঘোষাই* মাধৱদেৱৰ উত্তৰাধিকাৰী তথা প্ৰতিনিধিস্বৰূপ।

নামঘোষাৰ এহেজাৰ শ্লোকৰ ভিতৰত প্ৰায় আধাখিনিহে মাধৱদেৱৰ নিজা। বাকীখিনি *পুৰাণ, ৰামায়ণ, মহাভাৰত, সংহিতা, টীকা, গীতা* আদি নানা সংস্কৃত মূল শ্লোকৰ ভাঙনি। মাধৱদেৱে সেই শ্লোকবোৰ বাছি-বিচাৰি লৈ ছন্দত অসমীয়ালৈ অনুবাদ কৰোঁতে অন্তৰৰ অনুভূতিৰ উম দি সিবোৰক এনেভাৱে জীৱন্ত কৰি তুলিছে যে আগে কৈ নিদিলে কোনোৱে সেইবোৰক ভাঙনি বুলিব নোৱাৰে। ইমানেই প্ৰাঞ্জল, নিভাঁজ আৰু সংগতিপূৰ্ণ তেওঁৰ ভাঙনি। *নামঘোষা* প্ৰসংগত কোৱা হয় যে "*নামঘোষাৰ* এহেজাৰ এটি ঘোষা ভগৱানক অৰ্পণ কৰিবলৈ এহেজাৰ এটি সুগন্ধি ফুলৰ থোপা। এই পুষ্পবিলাকত ভক্ত ভ্ৰমৰসমূহে গুণ গুণ ৰৱ কৰি মধুপানে মত্ত হৈ থাকে।"

বাণীকান্ত কাকতিৰ মতে *নামঘোষাই* অসমীয়া জাতীয় সাহিত্যত *গীতা, উপনিষদ* আদিৰ ঠাই অধিকাৰ কৰি আছে। একশৰণ ধৰ্মৰ মাহাত্ম্য প্ৰতিষ্ঠাপক গ্ৰন্থ *নামঘোষাত* বাজে অসমীয়া ভাষাত আৰু দ্বিতীয় নাই। শংকৰদেৱৰ *কীৰ্ত্তন* পুথিত গল্পৰ ছলেৰে উপদেশ আছে আৰু তেওঁৰ *ভক্তি ৰত্নাকৰ* আৰু ভট্টদেৱৰ *ভক্তি বিবেক* এই দুখন গ্ৰন্থ ভক্তিগৌৰৱ পৰিচায়ক হ'লেও মূল সংস্কৃত শ্লোক কেতবোৰৰ সংগ্ৰহ মাথোন। সেই দেখি এই দুখনক জাতীয় সাহিত্যৰ ভিতৰুৱা বুলি ধৰিব নোৱাৰি।



জানি থোৱা ভাল

মহাপুৰুষ শংকৰদেৱৰ *কীৰ্ত্তন* আৰু *দশম;* মাধৱদেৱৰ *নামঘোষা* আৰু *ভক্তি ৰত্নাৱলী*—এইকেইখনক বৈষ্ণৱ ধৰ্মৰ চাৰিপুথি বুলি কোৱা হয়।

নামঘোষা আৰু ওপৰত উল্লেখ কৰি অহা আন আন গ্ৰন্থবোৰ শিক্ষামূলক সাহিত্যৰ ভিতৰত পৰে আৰু একেবাৰে শিক্ষামূলক হ'লে কোনো গ্ৰন্থৰেই লোকসাহিত্য হিচাপে বিশেষ মূল্য নাথাকে, যদিওবা শিক্ষা অতি ওখ ধৰণৰে হয়। কিন্তু *নামঘোষা* বিশুদ্ধ উপদেশমূলক নহয়। ই মহানুভৱ পুৰুষ এজনৰে আত্মপ্ৰকাশ মাথোন।

মধ্যযুগত ৰচিত অসমীয়া ভক্তি সাহিত্যক তিনিটা প্ৰধান ভাগত ভাগ কৰা হৈছে—


(ক) আখ্যানমূলক বা কাহিনীমূলক ভক্তিকাব্য

(খ) তত্ত্বমূলক বা উপদেশমূলক ভক্তিকাব্য আৰু

(গ) আবেগমূলক ভক্তিকাব্য।

- ৰোমাণ্টিক কবিয়ে জগতৰ সকলো বস্তুতে বিস্ময়-বিমূঢ় দৃষ্টি নিক্ষেপ কৰে। সাধাৰণ গছ-পাত এখিলাৰ মাজতো তেওঁলোকে বিচাৰি পায় সুন্দৰৰ নতুন অৰ্থ।
- প্ৰকৃতি-প্ৰীতি ৰোমাণ্টিক কবিতাৰ আন এটি প্ৰধান বৈশিষ্ট্য। ধ্ৰুপদী সাহিত্যত প্ৰকৃতিৰ চিত্ৰণ প্ৰত্যক্ষ কৰা গ'লেও সেয়া আছিল অলংকাৰস্বৰূপ। ৰোমাণ্টিক কবিয়ে তাৰ বিপৰীতে প্ৰকৃতিক জীৱন্ত ৰূপত অংকন কৰিছে। বৈচিত্ৰ্যময় প্ৰকৃতিৰ পৰাই তেওঁলোকে লাভ কৰিছে সৃষ্টিৰ অনুপ্ৰেৰণা।
- ৰোমাণ্টিক কবিতাৰ আন এক বৈশিষ্ট্য হ'ল মানৱ-প্ৰীতি। অতীতৰ দেৱ-দেৱী নাইবা ৰজা-ৰাণীৰ ঠাইত ৰোমাণ্টিক কবিতাত প্ৰতিষ্ঠিত হ'ল ***আপামৰ*** জনসাধাৰণৰ সহজ-সৰল ছবি।
- কল্পনাৰ ডেউকা মেলি অতিবাস্তৱ জগতত বিচৰণ কৰাটো ৰোমাণ্টিক কবিকুলৰ সৃষ্টি-সম্ভাৱৰ আন এক বিশেষত্ব। সাধাৰণজনে ঢুকি নোপোৱা অলৌকিক জগতৰ পৰা কবিতাৰ উপাদান সংগ্ৰহ কৰি তেওঁলোকে নিজৰ সৃষ্টি মহিমামণ্ডিত কৰি তোলে।
- পূৰ্ৱৱৰ্তী সাহিত্যৰ গুৰুগম্ভীৰ ওজস্বী ভাষাৰ পৰিৱৰ্তে ৰোমাণ্টিক কবিতাত সাধাৰণজনৰ মুখৰ ভাষাৰ এক পৰিমাৰ্জিত ৰূপ ব্যৱহৃত হ'ল। এনে বৈশিষ্ট্যই কবিতাক জনসাধাৰণৰ ওচৰ চপাই আনিলে।

মুঠতে বৈচিত্ৰ্যৰ সমাহাৰেই হ'ল ৰোমাণ্টিক সাহিত্যৰ ঘাই উপজীব্য।



আপামৰ ঃ পামৰ পৰ্যন্ত, ভাল-বেয়া সকলো,
পামৰ ঃ অতি নীচ, অধম, অজ্ঞানী মানুহ।

চিন্তা-চৰ্চা কৰক — ২.১

ৰমন্যাসিক কবিতাৰ বৈশিষ্ট্যবোৰ ফঁহিয়াই আলোচনা কৰক।

.....

.....

.....

.....

২.৪ অসমীয়া ৰোমাণ্টিক কবিতাৰ সাধাৰণ আলোচনা

অসমীয়া সাহিত্যলৈ পাশ্চাত্যত আৰম্ভ হোৱা এই সাহিত্য-আন্দোলনৰ আমদানি ঘটিছিল সেই একে শতিকাৰ অন্তিম ভাগত প্ৰকাশিত *জোনাকী* কাকতৰ মাধ্যমেৰে। সেই সময়ত কলিকতাত পঢ়ি থকা চন্দ্ৰকুমাৰ আগৰৱালা, হেমচন্দ্ৰ গোস্বামী আৰু লক্ষ্মীনাথ বেজবৰুৱাকে ধৰি অসমীয়া ছাত্ৰসকলে এই নতুন ইউৰোপীয় চিন্তাৰ সৈতে পৰিচিত হৈ অসমীয়া সাহিত্যত, বিশেষকৈ কাব্যশিল্পত তাৰ যথার্থ ব্যৱহাৰ কৰে। ইয়াৰ পৰা বুজিবলৈ অসুবিধা নহয় যে *জোনাকীৰ* জৰিয়তে অসমীয়া সাহিত্যত প্ৰৱেশ ঘটা ৰোমাণ্টিক আন্দোলন মূলতঃ ইউৰোপমুখী। সেয়ে হ'লেও, ইউৰোপীয় ৰমন্যাসবাদৰ সৈতে অসমীয়া ৰমন্যাসিক সাহিত্যৰ বিস্তৰ প্ৰভেদ আছে। ইউৰোপীয় ৰমন্যাসিক চিন্তা আছিল জাতীয় ঐতিহ্যৰ ভিত্তিত প্ৰতিষ্ঠিত। সেইবাবে ইয়াক 'অতীতৰ পুনর্জাগৰণ'

আখ্যা দিয়া হৈছে। ইয়াৰ বিপৰীতে অসমীয়া তথা ভাৰতীয় ৰোমাণ্টিক আন্দোলনত অতীত ঐতিহ্যৰ উঁহ কমেইহে লক্ষ্য কৰা যায়। অসমীয়া ৰোমাণ্টিক সাহিত্যত শংকৰদেৱ-মাধৱদেৱে প্ৰতিষ্ঠা কৰা আধ্যাত্মিক চিন্তা, কিছুমান ঐতিহাসিক ঘটনা আৰু বিহুগীত-বনঘোষাৰ যৎসামান্য অনুৰণন ধ্বনিৰ বাহিৰে সামগ্ৰিকভাৱে প্ৰেম-প্ৰীতিৰ অনুৰাগেৰে ৰঞ্জিত অসমীয়া লোককবিতা আৰু গুৰু-গম্ভীৰ ধৰ্মীয় ঐতিহ্যৰ প্ৰভাৱ প্ৰায় শূন্য।

সি যি কি নহওক, *জোনাকী*ৰ প্ৰকাশৰ সময়ত বাঙালী সমাজ তথা সাহিত্য আধুনিক চিন্তাৰে পৰিপুষ্ট হৈ উঠিছিল। ইয়াৰ বিপৰীতে অসমীয়া সমাজ তেতিয়াও মধ্যযুগীয় চিন্তাৰে সীমাবদ্ধ আছিল। *জোনাকী*ৰ পূৰ্বে বলদেৱ মহন্ত, ৰমাকান্ত চৌধাৰী, ভোলানাথ দাস, কমলাকান্ত ভট্টাচাৰ্য, বলিনাৰায়ণ বৰা, মফিজুদ্দিন আহমদ হাজৰিকা আদি কবি-সাহিত্যিকে বৈষ্ণৱ ঐতিহ্য বৰ্জন কৰি সাহিত্য ৰচনাত প্ৰবৃত্ত হৈছিল যদিও সেয়া আছিল লেখকসকলৰ একান্ত ব্যক্তিগত প্ৰচেষ্টা। তেতিয়া ই এক আন্দোলন বা স্বীকৃত ধাৰাৰ পৰিচয় বহন কৰিব পৰা নাছিল। আধুনিক চিন্তাৰ বাবে যুগোপযোগী ভাষা তেতিয়াও প্ৰতিষ্ঠিত হৈ উঠা নাছিল। গতিকে *জোনাকী*ৰ দায়িত্বও আছিল প্ৰচুৰ। ***জোনাকী গোষ্ঠী***য়ে বাংলা সাহিত্যৰ মাধ্যমেৰে পোৱা ইউ�ৰোপীয় ৰোমাণ্টিক চিন্তা নিজৰ সাহিত্যৰ মাজত ধৰি ৰাখিবলৈ *অৰুনোদই*ৰ শিশু-সুলভ আপঁইতা ভাষাৰ ঠাইত হেমচন্দ্ৰ বৰুৱাৰ দ্বাৰা প্ৰতিষ্ঠিত নতুন ভাষা-ৰীতিৰ পৰিমাৰ্জন আৰু পৰিৱৰ্ধনৰ জৰিয়তে এক উৎকৃষ্ট ভাষা-শৈলীৰ জন্ম দিয়ে।



জোনাকী গোষ্ঠী ঃ ১৮৮৯ চনত কলিকতাৰ পৰা প্ৰকাশিত 'জোনাকী' কাকতৰ লগত জড়িত ব্যক্তিসকল।

১৮৮৯ চনত *জোনাকী* কাকতৰ প্ৰথম সংখ্যাত প্ৰকাশিত চন্দ্ৰকুমাৰ আগৰৱালাৰ 'বনকুঁৱৰী' কবিতাৰ যোগেদি অসমীয়া কাব্যশিল্পত ৰোমাণ্টিক চিন্তাৰ প্ৰথম প্ৰৱেশ ঘটে। তীব্ৰ অনুভৱ ক্ষমতা আৰু সবল প্ৰকাশিকা শক্তিৰ অধিকাৰী এইজনা কবিৰ কবিতাত ৰোমাণ্টিছিজমৰ প্ৰায়বোৰ লক্ষণ পৰিপূৰ্ণ ৰূপত পৰিস্ফুট হোৱা দেখা যায়। বিশ্ব প্ৰকৃতিৰ প্ৰেমময় ৰূপ, প্ৰকৃতিৰ অন্তৰাত্মাৰ অনুসন্ধান, মানৱ-প্ৰীতি আদি এইজনা কবিৰ কাব্যকৃতিৰ প্ৰধান বিশেষত্ব। এওঁৰ পিছে পিছে খোজ দিলে হেমচন্দ্ৰ গোস্বামী আৰু লক্ষ্মীনাথ বেজবৰুৱাই। ভাব-ভাষা, চিন্তা-আদৰ্শ সকলোতে অসমৰ মাটিৰ গোন্ধ পৰিস্ফুট হোৱাকৈ বেজবৰুৱাই জাতীয় চৈতন্য সঞ্জীৱিত কৰাৰ চেষ্টাত ব্ৰতী হ'ল। পদ্মনাথ গোহাঞিবৰুৱাই সাৱলীল অমিত্ৰাক্ষৰ ছন্দেৰে শোকগীত ৰচিলে। পৰৱৰ্তী সময়ত আনন্দচন্দ্ৰ আগৰৱালা, ৰত্নকান্ত বৰকাকতি, ৰঘুনাথ চৌধাৰী, দুৰ্গেশ্বৰ শৰ্মা, হিতেশ্বৰ বৰবৰুৱা, নলিনীবালা দেৱী আদিসকলে অসমীয়া ৰোমাণ্টিক কাব্যধাৰাৰ প্ৰতিষ্ঠাত উল্লেখযোগ্য বৰঙণি যোগালে। এই আদৰ্শ কুৰি শতিকাৰ চল্লিশৰ দশক পৰ্যন্ত চলি থাকিল আৰু *জয়ন্তী*ৰ জৰিয়তে নতুন কাব্যধাৰাৰ উন্মেষৰ পাছত এই আন্দোলন লাহে লাহে স্তিমিত হৈ আহিল।

'জোনাকী যুগ'ৰ কাব্যশিল্পলৈ লক্ষ্য কৰিলে দেখা যায়, সেইবোৰৰ বেছিভাগেই ইংৰাজী কবিতাৰ আৰ্হিত ৰচিত। কিন্তু সেইবুলি এই সময়ত কবিকুলৰ প্ৰতিভাৰ অভাৰ আছিল বুলি ভাবিলে অন্যায় হ'ব। মূলৰ বিষয়বস্তু হজম কৰি তাক অসমীয়াত্ব প্ৰদান কৰাই নহয়, অসমীয়া সাজ-পাৰ, আ-অলংকাৰ পিন্ধাই সেইবোৰক অভিনৱত্ব প্ৰদান কৰিব পৰাটোৱেই এই সময়ৰ কবিকুলৰ কাব্যকৰ্মৰ প্ৰধান বৈশিষ্ট্য। বহু সময়ত তেওঁলোকে ৰবীন্দ্ৰনাথকে ধৰি সমসাময়িক বাংলা সাহিত্যৰ

ধৰ্ম আৰু সাহিত্য সম্পৰ্কে লিখা সমালোচনামূলক প্ৰবন্ধসমূহত কাকতিৰ পাণ্ডিত্য, মননশীলতা আৰু বিষয়বস্তুৰ গভীৰ তলিলৈ সোমাব পৰা ক্ষমতা প্ৰকাশ পাইছে। কাকতিৰ সমীক্ষা ব্যাখ্যাত্মক আৰু তুলনামূলক। সংস্কৃত আৰু পাশ্চাত্য সাহিত্যৰ লগত গভীৰ পৰিচয়ে তুলনামূলক আলোচনা কৰিবলৈ তেওঁক সুবিধা দিছিল। কাকতিৰ যুক্তি আছিল অকাট্য, দৃষ্টিভংগী আছিল নিৰপেক্ষ আৰু পৰ্যবেক্ষণ শক্তি আছিল তীক্ষ্ণ। সেইবাবে কোৱা হয় যে বাণীকান্ত কাকতিৰ জৰিয়তেহে অসমীয়াত সাহিত্য-বিচাৰৰ এটি মানবিশিষ্ট পৰম্পৰা গঢ়ি উঠে। সমালোচকৰ কাৰণে যিকেইটা গুণৰ প্ৰয়োজন সেইকেইটা কাকতিৰ ৰচনাতে প্ৰথমতে দেখিবলৈ পোৱা যায়। তেওঁৰ সমালোচনা-প্ৰতিভাৰ নিদৰ্শন *পুৰণি অসমীয়া সাহিত্য*ৰ অন্তৰ্গত পোন্ধৰটা প্ৰবন্ধত স্পষ্ট হৈ আছে। প্ৰাচীন অসমীয়া সাহিত্যৰ আৰু প্ৰধানকৈ বৈষ্ণৱ সাহিত্যৰ প্ৰকৃত অৰ্থ আৰু সৌন্দৰ্য পোহৰলৈ আনি অসমৰ সাংস্কৃতিক পৰম্পৰা পাঠকৰ সম্মুখত তুলি ধৰা কাৰণে কাকতি স্মৰণীয় হৈ ৰ'ব। বাণীকান্ত কাকতিৰ পাণ্ডিত্য আৰু মৌলিকতাই তেওঁৰ সমালোচনামূলক ৰচনাসমূহক অমৰ কৰি ৰাখিব। সাহিত্যৰ সমালোচনাৰ ক্ষেত্ৰত বাণীকান্ত কাকতিয়ে দেখুৱাই যোৱা পথেৰেই পৰৱৰ্তী কালৰ সমালোচকসকলে বাট বুলা দেখা যায়। গতিকে কাকতি আছিল সমালোচনা সাহিত্যৰ ক্ষেত্ৰত পাথেয় স্বৰূপ। কিন্তু পৰিতাপৰ কথা যে এইগৰাকী বিদগ্ধ সমালোচক, পণ্ডিত মাথোঁ ৫৮ বছৰ বয়সতে মৃত্যুমুখত পৰে। ই অসমীয়া সাহিত্যৰ এক অপূৰণীয় ক্ষতি।

৮.৪ *নামঘোষা*ৰ পৰিচয়

নামঘোষা মহাপুৰুষ মাধৱদেৱৰ আধ্যাত্মিক উপলব্ধিৰ শ্ৰেষ্ঠতম প্ৰকাশ। এই গ্ৰন্থখনি সমগ্ৰ বৈষ্ণৱ সাহিত্যৰ ভিতৰতে যেনেদৰে অন্যতম শ্ৰেষ্ঠ গ্ৰন্থ, তেনেদৰে ই মাধৱদেৱৰো জীৱনৰ কীৰ্তিস্তম্ভস্বৰূপ। বিষ্ণুপুৰী সন্ন্যাসীৰ *ভক্তি ৰত্নাৱলী*ৰ কান্তিমালা টীকাৰ শ্লোকৰ ভাঙনিৰে আৰম্ভ হোৱা *নামঘোষা*ত মুঠতে এহেজাৰ ঘোষা থকা বাবে ইয়াক 'হেজাৰী ঘোষা' বুলিও অভিহিত কৰা হয়। চৰিত পুথি মতে শংকৰদেৱে কোচবিহাৰলৈ যোৱাৰ সময়ত মাধৱদেৱক উপদেশ দি কৈছিল— "বঢ়াৰ পো, সৰ্বহ পালন কৰিবা; নাহো মানে ঘোষা নামে এখনি প্ৰেমভক্তি গ্ৰন্থ কৰিবা আমাৰ পাছত যেন ৰৌ-ৰৰালিৰ পৰা ডৰিকণালৈকে ৰয় যেনেকৈ। দহ হাজাৰ বৈকুণ্ঠৰ নাম দিবা।" ঘোষা ৰচনাৰ এই নিৰ্দেশ পাই মাধৱদেৱে প্ৰশ্ন কৰিলে— "ঈশ্বৰ পুৰুষ কেনে প্ৰকাৰে?" তেতিয়া শংকৰদেৱে ক'লে— "পকা বগৰীৰ দৰে বাহিৰে খাবলৈ কোমল, ভিতৰে গুটিটি টান।" সঁচা কথা নামঘোষাত প্ৰেম অমৃতৰ নদী প্ৰবাহিত হৈ থকা কাৰণে ওপৰে ওপৰে চালে সহজ যেন লাগে। কিন্তু তাৰ তত্ত্বাৰ্থ হৃদয়ংগম কৰিবলৈ গ'লে ভিতৰৰ গুটিটোৱে দাঁত ভাঙে। সেইবাবেই বোধকৰোঁ বিনোৱা ভাবেই *কীৰ্ত্তনক* গাখীৰৰ লগত আৰু *নামঘোষাক* মাখনৰ লগত তুলনা কৰিছে। গাখীৰ সহজে হজম কৰিব পাৰি, কিন্তু মাখন সহজে হজম নহয়।

বৈষ্ণৱ ধৰ্ম সম্পৰ্কীয় সকলো প্ৰশ্নৰ সমিধান *নামঘোষা*তে আছে বুলি মাধৱদেৱে নিজেই কৈ গৈছে। শংকৰদেৱৰ মৃত্যুৰ সময়ত ধৰ্মৰ ভাৰখন তেৰাৰ প্ৰিয় শিষ্য মাধৱদেৱক দি যায়। কিন্তু

৮.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায় দুটিত আপুনি অসমীয়া চৰিত পুথি আৰু বুৰঞ্জী সাহিত্যৰ একোটিকৈ পাঠ অধ্যয়ন কৰিলে। এই অধ্যায়টিত অসমৰ এজন বিখ্যাত ভাষাবিদ তথা সাহিত্য সমালোচক বাণীকান্ত কাকতিয়ে মহাপুৰুষ মাধৱদেৱৰ অমৰ কৃতি *নামঘোষা* সম্পৰ্কে আগবঢ়োৱা তেওঁৰ সমালোচনাত্মৰ দৃষ্টিভংগী সম্পৰ্কে অৱগত হ'ব।

মধ্যযুগৰ অসমীয়া সাহিত্যিকসকলৰ ভিতৰত মহাপুৰুষ মাধৱদেৱ অন্যতম। মহাপুৰুষ শংকৰদেৱে অসমত বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰিছিল। তেওঁ ধৰ্ম প্ৰচাৰ কৰিবলৈ নানা ধৰণৰ কাব্য, গীত, নাট আদি ৰচনা কৰিছিল। শংকৰদেৱৰ শিষ্য মাধৱদেৱেও গুৰুৰ আদৰ্শ অনুসৰণ কৰি ভালে সংখ্যক কাব্য, গীত, নাট ৰচনা কৰে। তেওঁ ৰচনা কৰা কাব্যসমূহৰ ভিতৰত *নামঘোষা* নামৰ ভক্তি কাব্যখনি অন্যতম। এই কাব্যখনি বৈষ্ণৱ সম্প্ৰদায়ৰ এৰাব নোৱৰা হাতপুথি। ইয়াক বৈষ্ণৱ ধৰ্মৰ চাৰিপুথিৰ অন্যতম বুলিও কোৱা হয়। গ্ৰন্থখনিৰ গুৰুত্বলৈ লক্ষ্য ৰাখি সমালোচক বাণীকান্ত কাকতিয়ে এই গ্ৰন্থখনিৰ বিষয়ে এটি সুদীৰ্ঘ প্ৰবন্ধ ৰচনা কৰিছে। কাকতিয়ে 'নামঘোষা' নামৰ প্ৰবন্ধটিত এই গ্ৰন্থখনিৰ ৰচনাৰ সময়, বিষয়বস্তু, ৰস, আত্মলঘিমা, ভক্তিতত্ত্ব, সৌন্দৰ্য আদিৰ বিভিন্ন দিশ সামৰি এটি সামগ্ৰিক পৰিচয় জ্ঞাপন কৰিবলৈ সমৰ্থ হৈছে। মাধৱদেৱৰ *নামঘোষা* নামৰ জনপ্ৰিয় গ্ৰন্থখনি সমালোচক বাণীকান্ত কাকতিয়ে কি দৃষ্টিভংগীৰে বিচাৰ কৰিছে আৰু কি কি দিশৰ ওপৰত আলোকপাত কৰি আলোচনা আগবঢ়াইছে সেই বিষয়ে এই অধ্যায়টিত খৰচি মাৰি আলোচনা কৰা হ'ব।

৮.৩ সাহিত্য সমালোচক বাণীকান্ত কাকতি

১৮৯৪ চনত জন্মগ্ৰহণ কৰা বাণীকান্ত কাকতি সাহিত্য সমালোচক হিচাপে এগৰাকী স্মৰণীয় ব্যক্তি। বিৰল প্ৰতিভাসম্পন্ন এইগৰাকী ব্যক্তিয়ে অসমীয়া ভাষা, সাহিত্য-সংস্কৃতি তথা জাতীয় জীৱনলৈ ভালেমান অৱদান আগবঢ়াই থৈ গৈছে। লক্ষ্মীনাথ বেজবৰুৱাৰ পিছত সমালোচক হিচাপে শ্ৰেষ্ঠতাৰ দাবী কৰিব পাৰে বাণীকান্ত কাকতিয়ে। দৰাচলতে ক'বলৈ গ'লে আধুনিক যুগৰ সাহিত্যৰ সমালোচকসকলৰ ভিতৰত বাণীকান্ত কাকতিৰ নাম প্ৰথমতে ল'ব লগীয়া। *পুৰণি অসমীয়া সাহিত্য*(১৯৪০), *কলিতা জাতিৰ ইতিবৃত্ত*(১৯৪৩), *সাহিত্য আৰু প্ৰেম*(১৯৪৮), *পুৰণি কামৰূপৰ ধৰ্মৰ ধাৰা* (১৯৫৫) — এইকেইখন সমালোচনামূলক গ্ৰন্থৰ উপৰি ইংৰাজী ভাষাতো তেওঁ কেইবাখনো উল্লেখযোগ্য গ্ৰন্থ ৰচনা কৰে। সেইকেইখন হ'ল— *আছামিজ ঃ ইট্‌ছ ফৰ্মেশ্বন এণ্ড ডেভেলপমেণ্ট* (১৯৪১), *দি মাদাৰ গদেজ কামাখ্যা* (১৯৪৮) আৰু *বৈষ্ণুৱাইট মিথ্‌ছ এণ্ড লিজেণ্ডছ*(১৯৫২)। অসমীয়া ভাষাতত্ত্বৰ গৱেষণামূলক গ্ৰন্থ *আছামিছ ঃ ইট্‌ছ ফৰ্মেশ্বন এণ্ড ডেভেলপমেণ্টৰ* বাবে তেওঁক কলিকতা বিশ্ববিদ্যালয়ে ১৯৩৫ চনত ডক্টৰেট ডিগ্ৰী প্ৰদান কৰে। গুৱাহাটীৰ কটন কলেজত অধ্যাপনা কৰা কাকতিয়ে ১৯৪৮ চনত গুৱাহাটী বিশ্ববিদ্যালয় প্ৰতিষ্ঠা হোৱাত সেই বছৰতে বিশ্ববিদ্যালয়ৰ অধ্যাপক হিচাপে যোগদান কৰে।

ৰথী-মহাৰথীৰ পৰাও কাব্যবস্তু আহৰণ কৰিছে। কিন্তু সেইবোৰো অসমীয়া মাটি, পানী, বায়ুৰ স্পৰ্শেৰে মণ্ডিত হৈ উঠিছে।

অসমীয়া ৰোমাণ্টিক কবিতাৰ কেতবোৰ বিশিষ্ট লক্ষণ দেখা পোৱা যায়। অৱশ্যে এইবোৰৰ সৱহভাগেই পাশ্চাত্য সাহিত্যৰ প্ৰভাৱ হিচাপে পোৱা। সেয়ে হ'লেও, অসমীয়া কবিতাত দেখা পোৱা লক্ষণসমূহ চমুকৈ এনেদৰে যুকিয়াই ল'ব পাৰি —

- অতীতৰ প্ৰতি অনুৰাগ
- প্ৰকৃতি-প্ৰেম
- মানৱ-প্ৰেম
- স্বদেশপ্ৰীতি
- অতীন্দ্ৰিয়বাদ
- কল্পনাপ্ৰৱণতা
- ব্যক্তিগত প্ৰেমৰ উচ্ছ্বাস
- গীতি-ধৰ্মিতা
- শোকগাথা
- বৰ্ণনাত্মক খণ্ড কবিতা
- আত্মসচেতন কাহিনী-গীতি
- প্ৰত্যক্ষ আৰু প্ৰাঞ্জল প্ৰকাশভংগী
- সাধাৰণ মানুহ আৰু সৰল গ্ৰাম্য জীৱনৰ চিত্ৰণ
- বিশ্ব প্ৰকৃতিৰ মাজেৰে প্ৰিয়াৰ ৰূপ দৰ্শন
- সাধাৰণজনৰ মুখৰ সৰল ভাষাৰ ব্যৱহাৰ
- কবিতাৰ মাজেৰে আত্ম-আৱিষ্কাৰ ইত্যাদি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ কোনখন অসমীয়া কাকতৰ মাধ্যমেৰে অসমীয়া সাহিত্যলৈ ৰোমাণ্টিক ভাবধাৰাৰ আগমন ঘটিছিল?

.....

.....

প্ৰশ্ন নং ২ ঃ শুদ্ধ নে অশুদ্ধ নিৰ্ণয় কৰক—

ক) ১৫৯০-১৬২৬ চনৰ এই সময়সীমাকে ইংৰাজী সাহিত্যত 'ৰোমাণ্টিক যুগ' বুলি চিহ্নিত কৰা হয়।

খ) ৰোমাণ্টিক কবিতাৰ আন এক বৈশিষ্ট্য হ'ল ভগৱান-প্ৰীতি।

গ) *জোনাকী* কাকতৰ প্ৰথম সংখ্যা প্ৰকাশ হয় ১৮৮০ চনত।

ঘ) অমিত্ৰাক্ষৰ ছন্দেৰে শোকগীত ৰচনা কৰা আৰম্ভ কৰে হেমচন্দ্ৰ গোস্বামীয়ে।

.....



চিন্তা-চৰ্চা কৰক— ২.২

অসমীয়া কবিতাত ফুটি উঠা ৰোমাণ্টিক কবিতাৰ লক্ষণসমূহ লিখি উলিয়াওক।

.....

.....

.....

.....

২.৫ কবি পৰিচয়

চন্দ্রকুমাৰ আগৰৱালা (১৮৬৭-১৯৩৮) প্রসিদ্ধ বৈষ্ণৱ সাহিত্য প্রকাশক হৰিবিলাস আগৰৱালাৰ পুত্র। এওঁৰ জন্মস্থান তেজপুৰৰ কলংপুৰ মৌজাৰ ব্রহ্মজান। আগৰৱালাদেৱে স্কুলীয়া আৰু কলেজীয়া শিক্ষা গ্রহণ কৰিছিল কলিকতাত; কিন্তু বি এ পৰীক্ষা নিদি ব্যৱসায়ত ধৰে। ১৮৮৯ চনত তেওঁ লক্ষ্মীনাথ বেজবৰুৱা আৰু হেমচন্দ্র গোস্বামীৰ সৈতে লগ হৈ কলিকতাৰ পৰা *জোনাকী* কাকত উলিয়ায়। এৰেঁই *জোনাকীৰ* প্রথমগৰাকী সম্পাদক আছিল। পাছলৈ ১৯১৮ চনত সাদিনীয়া বাতৰি *অসমীয়া* উলিয়ায় আৰু এই কাকতেই *দৈনিক অসমীয়ালৈ* ৰূপান্তৰিত হয়।

অসমীয়া কাব্যশিল্পক ইউৰোপীয় ৰোমাণ্টিক আন্দোলনৰ সাজ-পাৰ পিন্ধাই জাতিষ্কাৰ কৰি তোলা *জোনাকী* যুগীয় সাহিত্যিকসকলৰ ভিতৰত আগৰৱালা পুৰোধা ব্যক্তি। *জোনাকীৰ* প্রথম বছৰ, প্রথম সংখ্যাত প্রকাশ পোৱা আগৰৱালাৰ 'বনকুঁৱৰী' নামৰ গীতি-কবিতাটিয়েই অসমীয়া সাহিত্যৰ প্রথম ৰোমাণ্টিক কবিতা। দৰাচলতে এই কবিতাটিৰ জৰিয়তেই অসমীয়া কাব্য সাহিত্যত প্রকৃত আধুনিকতাৰ সূচনা হৈছিল। তেওঁৰ কাব্যপুথি দুখন হৈছে — *প্রতিমা* (১৯১৩) আৰু *বীণ-বৰাগী* (১৯২৩)। মৰণোত্তৰভাৱে প্রকাশিত *চন্দ্রামৃতত* (১৯৬৭) আগৰৱালাদেৱৰ আটাইবোৰ কবিতা সংগৃহীত হৈছে।

প্রতিমাত দুকুৰি পাঁচটা আৰু *বীণ-বৰাগীত* বাৰটা গীতি-কবিতা পোৱা যায়। সংখ্যাত তাকৰ হ'লেও এই দুখন কবিতাৰ পুথিয়ে চন্দ্রকুমাৰৰ উচ্চ প্রতিভাৰ পৰিচয় দিয়ে। সাহিত্যৰথী বেজবৰুৱাই সেইবাবেই '*প্রতিমাখন* সৰু কিন্তু নিভাঁজ সোণৰ' বুলি উচ্চ প্রশংসা কৰিছিল।

চন্দ্রকুমাৰ আগৰৱালাৰ কবিতাত সুন্দৰী প্রকৃতিৰ নিষ্ঠুৰতা, অতি-প্রাকৃত চৰিত্রৰ সৌন্দর্য, সাধাৰণ মানুহৰ মাজত প্রচ্ছন্ন ঐশিক শক্তি আৰু সকলো অশুভক নাশ কৰি নিজ হাতে মংগল প্রতিষ্ঠাৰ বাসনা আদি নতুন ভাব-অনুভূতিৰ প্রকাশ ঘটিছে। চন্দ্রকুমাৰৰ কবিতা বহুমুখী। ব্যক্তিগত শোকৰ পৰা মহাজাগতিক সৌন্দর্যলৈকে নানা বিষয় সামৰি তেওঁ কবিতা ৰচিছে। মানৱ জীৱনৰ ক্ষুদ্রতা-নীচতা-যন্ত্রণাই তেওঁক বিষাদগ্রস্ত কৰাৰ লগতে মানৱ মহত্ত্বয়ো তেওঁক অভিভূত কৰিছে। কবিৰ দৃষ্টিত সত্য আৰু সুন্দৰৰ প্রভেদ নাই। তেওঁৰ দৃষ্টিত 'মানুহেই দেৱ, মানুহেই সেৱ, মানুহেই পৰাৎপৰ।' পুৰণি অসমীয়া লোকগীতত নতুন ভাব আৰু ৰূপ আৰোপ কৰি 'পুৰণি পৃথিৱীক নকৈ চাবলৈ' তেওঁ চেষ্টা কৰিছিল। তেজীমলা, জলকুঁৱৰী আদি কবিতাত লোকগীতৰ প্রভাৱ মন কৰিবলগীয়া। তদুপৰি, প্রাচ্য আৰু পাশ্চাত্য ভাব-আদর্শ আৰু কাব্যৰীতিৰ সংযোগ চন্দ্রকুমাৰ আগৰৱালাৰ কবিতাৰ অন্যতম উল্লেখযোগ্য বিষয়।

অধ্যায় ৮ ঃ বাণীকান্ত কাকতি ঃ নামঘোষা

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য
৮.২ পৰিচয়
৮.৩ সাহিত্য সমালোচক বাণীকান্ত কাকতি
৮.৪ *নামঘোষাৰ* পৰিচয়
৮.৫ পুণ্যশ্লোক শংকৰ-স্মৃতি
৮.৬ মাধৱদেৱৰ আত্মলঘিমা
৮.৭ *নামঘোষাৰ* ৰস বিচাৰ
৮.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৮.৯ অধিক জানিবলৈ
৮.১০ অগ্রগতিৰ খতিয়ান
৮.১১ আৰ্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- নিবন্ধকাৰ তথা সাহিত্যৰ সমালোচক হিচাপে বাণীকান্ত কাকতিৰ প্রতিভাৰ পৰিচয় দিব পাৰিব
- শংকৰদেৱৰ প্রিয় শিষ্য, অনুগত সেৱক মাধৱদেৱৰ পৰিচয়ৰ লগতে তেওঁৰ সাহিত্যিক অৱদানৰ বিষয়েও আলোচনা আগবঢ়াব পাৰিব
- মাধৱদেৱৰ দ্বাৰা বিৰচিত *নামঘোষাৰ* বিষয়ে বাণীকান্ত কাকতিয়ে কেনেদৰে আলোচনা আগবঢ়াইছে সেই সম্পর্কে ব্যাখ্যা আগবঢ়াব পাৰিব
- বাণীকান্ত কাকতিৰ মতে কি কি বিষয়বস্তুক আধাৰ হিচাপে লৈ *নামঘোষা* ৰচিত হৈছে তাৰ বিশ্লেষণ আগবঢ়াব পাৰিব
- *নামঘোষাত* কি কি ৰসৰ উদ্রেক ঘটিছে সেই বিষয়ে অৱগত কৰিব পাৰিব
- *নামঘোষাৰ* ৰচনাকাল সম্পর্কে যথাযথ বিৱৰণ দিব পাৰিব
- মাধৱদেৱৰ আত্মলঘিমা *নামঘোষাত* কেনেদৰে প্রকাশ পাইছে সেই বিষয়ে উদাহৰণসহ আলোচনা কৰিব পাৰিব
- *নামঘোষাত* সামগ্রিকভাৱে সাহিত্যিক সৌন্দর্যৰ লগতে ভক্তিতত্ত্বসমূহৰ কেনেদৰে প্রকাশ ঘটিছে বাণীকান্ত কাকতিৰ দৃষ্টিভংগীৰে বিচাৰ কৰিবলৈ সমর্থ হ'ব।

প্ৰশ্ন ২ ঃ প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰক —

কোনোসকলে আপুনিও বোলাই পিন্ধিছিলে। পাছে ৰাজা ভিতৰলৈ গ'ল। আনো সকল ঘৰাঘৰি গ'ল। আমাৰ কটকীও বহালৈ আহিল।

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ অসমৰ বুৰঞ্জী সাহিত্য সম্পৰ্কে এটা আলোচনা যুগুত কৰক।

প্ৰশ্ন ২ ঃ *ত্ৰিপুৰা বুৰঞ্জীৰ* পৰিচয় দাঙি ধৰি অসমীয়া সাহিত্যৰ ইতিহাসত বুৰঞ্জীখনৰ গুৰুত্ব কেনে ধৰণৰ আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ 'ত্ৰিপুৰাত মদন পূজাৰ আড়ম্বৰ আৰু মোট খেলাৰ কৌতুক' পাঠটোত ত্ৰিপুৰাৰ সামাজিক-সাংস্কৃতিক দিশৰ ছবি কেনেদৰে স্পষ্ট হৈছে সেয়া আলোচনা কৰি দেখুৱাওক।

প্ৰশ্ন ৪ ঃ ত্ৰিপুৰাৰ ৰজাৰ সাজসজ্জাৰ এটা বিৱৰণ পাঠৰ আধাৰত তুলি ধৰক।

প্ৰশ্ন ৫ ঃ বুৰঞ্জীৰ গদ্যৰ বৈশিষ্ট্যসমূহ উদাহৰণসহ আলোচনা কৰক।

*** ***** ***

চিন্তা-চৰ্চা কৰক— ২.৩

চন্দ্ৰকুমাৰ আগৰৱালাৰ কাব্য প্ৰতিভাৰ বিষয়ে এটি চমু টোকা প্ৰস্তুত কৰক।

.....

.....

.....

.....

২.৬ 'বনকুঁৱৰী' কবিতাটিৰ পাঠ

নিজম দুপৰীয়া সুহুৰিটি মাৰি
মাতিলেনো কোনে কাক
বিজন বনত কোন ক'ত আছে
- হালিছে গছৰ আগ।
গহীন গছত বতাহৰ ছাটি
পাত কঁপে থৰ থৰ,
হাবিৰ মাজৰ পৰা কোনেনো বা
মাতি উঠে 'মৰ মৰ?'
কিবা কথা কয় নৈয়ে কুলু কুলু
ইয়োতো ধেমালি যিহে
কোনে চায় নিতৌ বনৰ ধেমালি?
মাতিলেনো সিটি কিহে?
গাত গা লগাই কপৌ দুটিয়ে
মুখতে মুখ দি আছে,
অকণি বুকুত ইটিক সুমাই
সিটিয়ে মৰম যাচে।
অকণি ছোৱালী - যক্ষিণী কন্যা
এফেৰি ফুলৰে পাহি
জানৰ কাণত পানী খুৱাইছে
হৰিণা পোৱালি লাহি।
মুকলি চুলিৰে নাম গায় ঘূৰি
চাপৰি টুক্ টুক্ টুক্,
ৰূপহীৰ মেল দেৱযোনি খেল
মানুহে নেদেখা মুখ।

খিল্ খিল্ হাঁহি গ'ল দিহাদিহি
ছিঙে ফুল কতোজনী,
কপৌৰ বাহলৈ উৰি গ'ল কোনো
দিলেগৈ চুমা একণি।
"মৰম-ভিখাৰী, বিচাৰিছো দেৱী
প্ৰাণৰ অমিয়া মাধুৰী",
মিচিকনি মাৰি হাঁহি দান দিলে
দুয়ো প্ৰকৃতি কুঁৱৰী।
অথিৰ বায়ুৰ শিয়ৰিল নোম
উছলাইছে গৈ জান,
কাৰণ নেদেখা আনন্দৰ ঢৌৱে
বুৰালে প্ৰাণীৰ প্ৰাণ।

২.৭ 'বনকুঁৱৰী' কবিতাটিৰ আলোচনা

আমাৰ পাঠ্যবিষয়ত অন্তৰ্ভুক্ত 'বনকুঁৱৰী' চন্দ্রকুমাৰ আগৰৱালাদেৱে ৰচনা কৰা এটি অতি আকৰ্ষণীয় কবিতা। কবিতাটি আগৰৱালাদেৱৰ *প্ৰতিমা* কাব্যগ্ৰন্থৰ পৰা লোৱা হৈছে। তলত কবিতাটিৰ বিষয়ে বহলাই আলোচনা কৰা হ'ল।

২.৭.১ বিষয়বস্তু আৰু মূলভাব

'বনকুঁৱৰী' অসমীয়া কাব্য-সাহিত্যলৈ চন্দ্রকুমাৰ আগৰৱালাৰ এক অভিনৱ সৃষ্টি। যিখন কাকতৰ আৰম্ভণিৰ লগে লগে অসমীয়া ৰমন্যাসিক যুগৰ সূচনা হৈছে সেইখন *জোনাকী* কাকতৰ ১৮৮৯ চনৰ প্ৰথম সংখ্যাতে চন্দ্রকুমাৰ আগৰৱালাৰ 'বনকুঁৱৰী' প্ৰকাশ হৈছিল। প্ৰথম প্ৰকাশৰ পাছতে তেতিয়াৰ শিক্ষিত সংবেদনশীল পাঠকে কবিতাটি পঢ়ি শুনি বিস্ময়ত অভিভূত হৈছিল। লক্ষ্মীনাথ বেজবৰুৱাই *মোৰ জীৱন সোঁৱৰণত* লিখিছে — "মই স্পষ্ট বুজিব পাৰিছিলো যে তেওঁলোকে আগেয়ে ভাবিবকে নোৱাৰিছিল যে ৱর্ডছৱর্থৰ কবিতাৰ নিচিনা এনে মনোৰম কবিতা এটা কলেজত পঢ়া অসমীয়া ছাতৰ এজনে অসমীয়া ভাষাত ৰচনা কৰিব পাৰে...।"

কবিতাটিত নির্জন দুপৰীয়াৰ অকলশৰীয়া অনুভৱ এটিৰ জীৱন্তছবি ফুটি উঠিছে য'ত চকুৰে নেদেখা অজান কিহবাৰ উপস্থিতি আৰু বতাহৰ বোকোচাত উটি অহা মধুৰ শিহৰণ এটি উপলব্ধি কৰা যায়। ব্যক্তি-হৃদয়ৰ কোনো মুহূর্তৰ এই উপলব্ধিৰ ৰূপায়ণ অসমীয়া সাহিত্যৰ বাবে অভিনৱ — সেই কালৰ বাবে আশ্চর্যময় সৃষ্টি। কবিয়ে এখন লৌকিক অৰণ্যক কল্পনাৰে অতিলৌকিক সাজ পিন্ধাই এক ৰহস্যঘন ছবি আঁকিবলৈ

অন্য ৰাজ্যৰ বুৰঞ্জী, (ঙ) কটকী বুৰঞ্জী, (চ) চকীয়ালৰ বুৰঞ্জী আৰু (ছ) চাং-ৰুং ফুকনৰ বুৰঞ্জী।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ বুৰঞ্জী হৈছে ঐতিহাসিক ঘটনা আৰু তথ্যৰ ভঁৰাল। ৰজাৰ পৃষ্ঠপোষকতাত লিখিলেও এই তথ্য কেৱল ৰাজনৈতিক দিশৰ মাজত সীমাবদ্ধ নহয়। *ত্রিপুৰা বুৰঞ্জীত* সেইসময়ৰ ত্রিপুৰাৰ ৰজা আৰু ৰাজশাসনৰ উপৰি বিভিন্ন বিষয়ৰ তথ্য সন্নিৱিষ্ট হৈছে। মদন পূজা আৰু আৰাধ্য দেৱতাৰ বর্ণনা, ইয়াৰ জৰিয়তে ধর্মীয় দিশৰ আভাস, সকলোৱে পৰিধান কৰা সাজপোছাক, অলংকাৰ, খাদ্যাভাস, ৰজাই প্ৰজালৈ দলিওৱা মুদ্রা আৰু অতিথিক কৰা আদৰ আদিৰ উল্লেখ আদিৰ জৰিয়তে সাংস্কৃতিক ঐতিহ্য প্ৰকাশ পাইছে। ঠিক সেইদৰে কটকীক দিয়া গুৰুত্ব, খেলত ব্যৱহাৰ কৰা মোটৰ পার্থক্য, ৰজাই প্ৰজাৰ সৈতে কৰা আচৰণ আদিৰ বর্ণনাৰ দ্বাৰা ৰাজনৈতিক তথা সামাজিক দিশৰ ছবি স্পষ্ট হৈ উঠিছে।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ বুৰঞ্জীৰ গদ্যত হিন্দী, আৰবী, ফার্চী আদি ভাষাৰ শব্দৰ সেৰেঙা প্ৰয়োগো পোৱা যায়। যেনে—"কুহুম্বুলীয়া জামা", "বোলোৱা দোপটা", "পাচ্ছা", "নবাব" ইত্যাদি।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ বুৰঞ্জীৰ গদ্য বস্তুনিষ্ঠ। এইসমূহ যিহেতু সত্য ঘটনাৰ বিৱৰণ সেয়েহে ইয়াত লেখকৰ ৰুচি-অভিৰুচি বা অত্যধিক কল্পনাপ্ৰৱণতাৰ ছাপ নাই।



৭.৭ আৰ্হি প্ৰশ্ন

ক) বস্তুধর্মী প্ৰশ্ন (৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ *ত্রিপুৰা বুৰঞ্জী*ৰ সম্পাদক কোন?

প্ৰশ্ন ২ ঃ ত্রিপুৰাত কোনখন নদীৰ পাৰত মোট খেলা অনুষ্ঠিত হৈছিল?

প্ৰশ্ন ৩ ঃ ত্রিপুৰালৈ যোৱা অসমীয়া কটকী দুজনৰ নাম কি?

প্ৰশ্ন ৪ ঃ মোট খেলাৰ দিনা ত্রিপুৰাৰ ৰজাই নগৰৰ নাৰীসকললৈ কি দলিয়াইছিল?

প্ৰশ্ন ৫ ঃ অসমৰ কটকী দুজনে ত্রিপুৰাত কেনে ধৰণৰ মোটেৰে পানী মৰামৰি কৰিছিল?

প্ৰশ্ন ৬ ঃ মদন পূজাত কাৰ মূর্তি স্থাপন কৰা হৈছিল?

খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ কটকী বুৰঞ্জী কাক বোলে? উদাহৰণ দাঙি ধৰক।

সম্যক উপলব্ধি হোৱাৰ লগতে নির্দিষ্ট পাঠৰ মাধ্যমেৰে ত্রিপুৰাৰ সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক আদি দিশৰ ধাৰণা লব পাৰিলে।

- অসম আৰু ত্রিপুৰাৰ মিত্রসুলভ সম্পর্কৰ আভাস পোৱাৰ উপৰি নির্ধাৰিত পাঠৰ আধাৰত বুৰঞ্জীৰ গদ্যৰ বৈশিষ্ট্যসমূহ উদাহৰণসহ জানিব পাৰিলে।



৭.৫ অধিক জানিবলৈ

১) কটকী, প্রফুল্ল (১৯৮৮); *ক্রমবিকাশত অসমীয়া কথা শৈলী*; গুৱাহাটী ঃ বীণা লাইব্রেৰী।

২) গগৈ, লীলা (২০০২); *বুৰঞ্জী সাহিত্য;* গুৱাহাটী ঃ বনলতা।

৩) নেওগ, মহেশ্বৰ (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা*; গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৪) নেওগ, মহেশ্বৰ (সম্পাঃ) (২০০৪); *স্নাতকৰ কথাবন্ধ;* গুৱাহাটী ঃ গুৱাহাটী বিশ্ববিদ্যালয়।

৫) ফুকন পাটগিৰি, দীপ্তি (১৯৯৭); *মধ্যযুগৰ অসমীয়া ভাষা সাহিত্যৰ ৰেঙণি;* গুৱাহাটী ঃ বনলতা।

৬) বৰুৱা, বিৰিঞ্চি কুমাৰ (১৯৯৭); *অসমীয়া কথা সাহিত্য ;* নলবাৰী ঃ জার্ণাল এম্প'ৰিয়াম।

৭) ভূঞা, সূর্যকুমাৰ (সম্পাঃ) (১৯৯০); *ত্রিপুৰা বুৰঞ্জী;* গুৱাহাটী ঃ অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ।

৮) ভূঞা, সূর্যকুমাৰ (সম্পাঃ) (১৯৩২); *তুংখুঙীয়া বুৰঞ্জী* ; গুৱাহাটী ঃ অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ।

৯) শর্মা, সত্যেন্দ্রনাথ (২০০৬); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ সৌমাৰ প্রকাশ।

১০) শর্ম্মা, দলৈ হৰিনাথ (১৯৯২); *অসমীয়া গদ্য-সাহিত্যৰ গতিপথ;* নলবাৰী ঃ পদ্মপ্রিয়া লাইব্রেৰী।

৭.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ অসমত বুৰঞ্জী লিখাৰ ৰীতি ষোড়শ শতিকাৰ আগভাগৰ পৰাই আৰম্ভ হৈছিল।

২ নং প্রশ্নৰ উত্তৰ ঃ বুৰঞ্জী সাহিত্যৰ পণ্ডিত লীলা গগৈয়ে আহোম যুগৰ বুৰঞ্জীসমূহক ইয়াৰ বিষয়বস্তু লক্ষ্য কৰি কেইটামান ভাগত শ্রেণীবদ্ধ কৰি দেখুৱাইছে। সেইকেইটা হ'ল (ক) প্রাক্-আহোম যুগৰ বুৰঞ্জী, (খ) আহোম যুগৰ বুৰঞ্জী, (গ) দাঁতিঅলীয়া বুৰঞ্জী, (ঘ)

চেষ্টা কৰিছে। প্রকৃতি দৃশ্যমান। কিন্তু এই দৃশ্যমান প্রকৃতিৰ মাজত অদৃশ্যৰ উপস্থিতিৰ ইংগিত বিয়পাই কবিয়ে কৌতূহলৰ সৃষ্টি কৰিছে। কবিতাটিৰ আৰম্ভণিতে নিজম দুপৰীয়া বনৰ মাজত কোনোবা অশৰীৰীৰ উপস্থিতিৰ ইংগিত দিছে—

নিজম দুপৰীয়া সুহুৰিটি মাৰি
মাতিলেনো কোনে কাক
বিজন বনত কোন ক'ত আছে
- হালিছে গছৰ আগ।

গছৰ আগ হালি জালি থকা এখন ভৰপূৰ বিজন বন হৈছে এক চাক্ষুষ ৰূপ। এই বনতে অ-চাক্ষুষ অশৰীৰী সুহুৰি এটি মাৰি কোনোবাই কাৰোবাক মাতিছে বুলি কবিয়ে কল্পনা কৰিছে। কিন্তু কোনে কাক মাতিছে সেয়া জনা নাযায়। যি মাতিছে তেওঁ অদৃশ্য, যাক মাতিছে তেৱোঁ অদৃশ্য। এনে কল্পচিত্রই নিজম দুপৰীয়া আপোন মনে অৰণ্যৰ মাজত সুহুৰি মাৰি ডেও দি নাচি ফুৰা অসমীয়া লোকসাহিত্যৰ 'বনকুঁৰৱী' চৰিত্রলৈ মনত পেলাই দিয়ে।

কবিতাটোৰ পৰৱর্তী স্তৰকতো কবিয়ে অৰণ্যৰ ৰূপ বর্ণনা কৰাৰ সমান্তৰালভাৱে অশৰীৰীৰ উপস্থিতিৰ ব্যঞ্জনা তুলি ধৰিছে। গহীন গছত বতাহৰ ছাটি লাগিছে, পাতবোৰ কঁপিছে, হাবিৰ মাজৰ পৰা কোনোবাই মাতিছে—

গহীন গছত বতাহৰ ছাটি
পাত কঁপে থৰ থৰ,
হাবিৰ মাজৰ পৰা কোনেনো বা
মাতি উঠে 'মৰ মৰ?'

ইয়াৰ পাছত অৰণ্যৰ এক প্রেমময় ৰূপ তুলি ধৰিছে। নিচুক লতিকাই গছক সাবটি প্রতি অঙ্গে চুমাচুমি কৰিছে, তাকে দেখি পাতৰ আঁৰত থকা কপৌটোৰ মনতো স্নেহভাবৰ উদয় হৈছে। কপৌটিয়ে কাৰোবাক জুমি জুমি চাইছে, মৰমৰ গীত জুৰিছে; বিৰিখে হালিজালি নৈৰ মুখলৈ চাই হাঁহিছে, নৈয়ে কুলু কুলুকৈ কিবা কথা কৈছে— এই সমস্ত বনৰ ধেমালি কোনোবাই অৱশ্যে প্রত্যক্ষ কৰিও আছে —

কিবা কথা কয় নৈয়ে কুলু কুলু
ইয়োতো ধেমালি যিহে
কোনে চায় নিতৌ বনৰ ধেমালি?
মাতিলেনো সিটি কিহে?

এনেদৰে সমস্ত প্রকৃতি জগতখনতে অবাধে সঞ্চৰণশীল প্রেমময় আনন্দ বিয়পি পৰিছে। তাৰ মাজতো অৱশ্যে অদৃশ্যৰ ইংগিতেই বিয়পি আছে।

ক্রমে ক্রমে কবিতাটো আগবঢ়াই নি পূর্বৰ 'কপৌটি'ৰ ঠাইত এইবাৰ 'কপৌ দুটি'ৰ অৱতাৰণা কৰা হৈছে। এই কপৌহালে এতিয়া আৰু জুমাজুমি কৰা নাই, কৰিছে

চুমাচুমি—

গাত গা লগাই কপৌ দুটিয়ে
মুখতে মুখ দি আছে,
অকণি বুকুত ইটিক সুমাই
সিটিয়ে মৰম যাচে।

ইয়াৰ পাছতে, দেহী অৰণ্যৰ গছ-লতিকা, পখী তথা জীৱজগতৰ প্ৰণয়ী-প্ৰণয়িনীৰ পৰা আঁতৰি আহি কবিয়ে তুলি ধৰিছে 'বিদেহী কিন্তু অৰণ্যৰ দেহীৰ দৰেই নির্দোষ' 'যক্ষিণী কন্যা'ক—

অকণি ছোৱালী - যক্ষিণী কন্যা
এফেৰি ফুলৰে পাহি
জানৰ কাণত পানী খুৱাইছে
হৰিণা পোৱালি লাহি।

এই 'যক্ষিণী কন্যা'ই জানৰ কাষত হৰিণা পোৱালিক পানী খুৱাইছে। হৰিণা পোৱালিটিয়ে থৰ লাগি চাই থকা দেখি হাঁহিছে। তাৰ পাছতে মুহূর্তৰ ভিতৰতে বনৰ মাজত সোমাই বনফুলৰ সাজ পিন্ধি আঁহতৰ তলত দুজনী নাচনী বনকুঁৱৰীৰ মাজত ওলাইছেগৈ—

মুকলি চুলিৰে নাম গায় ঘূৰি
চাপৰি টুক্ টুক্ টুক্,
ৰূপহীৰ মেল দেৱযোনি খেল
মানুহে নেদেখা মুখ।
খিল্ খিল্ হাঁহি গ'ল দিহাদিহি
ছিঙে ফুল কতোজনী,
কপৌৰ বাহলৈ উৰি গ'ল কোনো
দিলেগৈ চুমা একণি।

বনকুঁৱৰীয়ে মুকলি চুলিৰে চাপৰি বজাই নাম গায় আৰু তাৰ পাছত খিলখিলাই হাঁহি ফুল ছিঙি দিহাদিহি আঁতৰি যায়। কোনোজনী গৈ কপৌৰ বাহত চুমা দিয়েগৈ, কোনোজনীয়ে খোপাত পখিলা গুঁজি লয়, কোনোজনীয়ে ফুলৰ মৌ খায়। এনেকৈয়ে এতিয়া কবিতাটোত 'শৰীৰীৰ ৰঙ্গশালা হৈ থকা অৰণ্য একেদায়ে অশৰীৰীৰো ৰঙ্গশালা হৈ পৰিছে'। বনকুঁৱৰীয়ে 'নীল চুলি মেলাইছে', শিৰত মৰকত মণি পিন্ধিছে। বনকুঁৱৰী দেৱী হ'বলৈ ওলাইছে। বনকুঁৱৰীৰ লগত জলৰ দেৱী নিয়ৰীও আছে। দেৱী নিয়ৰীয়েই বনকুঁৱৰীৰ চুলি বান্ধি দিছে, খোপাত মালা আঁৰি দিছে। বনফুলৰ সুবাস চৌদিশে ভৰি পৰিছে। এনেতে বতাহে কেতেকীপাহি উৰাই আনিলে। কেতেকীৰ গোন্ধ দিশ-বিদিশ আমোলমোলাই গ'লত বতাহে হাঁহিলে আৰু মৰম-ভিখাৰী হৈ বনকুঁৱৰীৰ পৰা 'প্ৰাণৰ অমিয়া মাধুৰী' ভিক্ষা বিচাৰিলে—

কটকীকো সিংহাসনৰ ঘৰলৈ আনি কুহুম্বুলীয়া জামা, বোলোৱা পাগ, বোলোৱা পটুকা, বোলোৱা দোপটা এইৰূপে বঁটা দিলে। খেলিবলৈকো ছালৰ মোট ২ টা দিলে। লগৰ মানুহকো বোলোৱা লাগে দোপটাএ দিলে। সিহঁতকো গাএপ্ৰতি মোট একোটা দিলে। সেই দিনা এইৰূপে আমাৰ কটকীক পঠাই দিলে।"

- বুৰঞ্জীত ঠায়ে ঠায়ে কেতবোৰ অতি সাৰগর্ভ কথাৰ সন্নিৱেশ পোৱা যায়। এনে কথাই লেখকৰ বুদ্ধিমত্তা আৰু চিন্তাৰ স্বাক্ষৰ বহন কৰাৰ লগতে বুৰঞ্জীৰ গদ্যকো মর্যাদা আৰু গাম্ভীর্য লাভত সহায় কৰিছে। এনে ব্যৱহাৰৰ উদাহৰণ হৈছে — "কেঁচা বৰলক জোকালে গা-সাৰিবলৈ টান।"
- বুৰঞ্জীৰ গদ্যত কথোপকথনৰ যথেষ্ট প্ৰয়োগ আছে। দীর্ঘ পৰিসৰৰ কথাবস্তু বহুসময়ত কথোপকথনৰ জৰিয়তে আগবঢ়াই নিয়া হৈছে। প্ৰত্যক্ষ উক্তিযুক্ত এনে কথোপকথনৰ বাবে স্থানবিশেষে গদ্যই নাটকীয় গুণ অর্জন কৰিছে। বুৰঞ্জীত উভৈনদীকৈ থকা এনে কথোপকথনৰ উদাহৰণ হৈছে—"পাছে ঘনশ্যাম বৰঠাকুৰে বুলিলে, বোলে—"আমাৰ তিনিৰ ভিতৰত যেমতে ভেদ নহয় সেইৰূপে কৰাৰ কবুল কৰিব লাগে, তেবেসে চিতৰ সংশয় গুছে।" পাছে মামুদছপিএ বুলিলে, বোলে—"ভাল, যিখান কৰিলে তোমাৰ দিগেৰ সংশয় গুছে সেইখান কৰ।"



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ বুৰঞ্জীৰ গদ্যত প্ৰয়োগ হোৱা কেইটামান হিন্দী, আৰবী আৰু ফাৰ্চী শব্দ উল্লেখ কৰক?

.....

প্ৰশ্ন নং ৫ ঃ বুৰঞ্জীৰ গদ্য বস্তুনিষ্ঠ বুলি ক'ব পাৰিনে?

.....



৭.৪অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অসমৰ বুৰঞ্জী-সাহিত্যৰ স্বৰূপ আৰু শ্ৰেণী সম্পর্কে অৱগত হ'ল।
- *ত্রিপুৰা বুৰঞ্জীৰ* উদ্ভৱৰ আঁৰৰ তথ্যসমূহ আৰু ইয়াৰ ঐতিহ্য তথা গুৰুত্বৰ বিষয়ে জানিব পাৰিলে। লগতে বুৰঞ্জীখনত সন্নিৱিষ্ট অধ্যায়সমূহৰ জৰিয়তে বুৰঞ্জীখনৰ বিষয়বস্তু সম্পর্কে এটা আভাস লাভ কৰিলে।
- 'ত্রিপুৰাত মদন পূজাৰ আড়ম্বৰ আৰু মোট খেলাৰ কৌতুক' পাঠটোৰ ভিতৰৰ কথাবস্তুৰ

মানুহক মহাৰাজাৰ ঠাইক অনাই সেই ৰাজা জমীদাৰ সকলৰে বঁটা প্রসাদ দি হিতে প্রীতিপূর্বক পত্র দি আমাৰ মানুষ সঙ্গত দি সিহঁতক পঠাই দিলে।"

- একেটা বাক্যতে কেইবাটাও সমাপিকা ক্রিয়াৰ পয়োভৰো বহুসময়ত বুৰঞ্জীৰ গদ্যত দেখা যায়। যেনে—"সেই পাটত হাতী দাঁতৰ চিত্র কৰিছিলে, সোণাৰো পতা মাৰিছিলে, মাজত দোৱাল বৈছিলে, চাৰি ফালে সোণাৰ চাৰিটি খুঁটা দিছিলে।"
- বুৰঞ্জীত সৰল বাক্যৰ যথেষ্ট প্রয়োগ পোৱা যায়। এনে বাক্যই গদ্যক এক ক্ষিপ্র গতি প্রদান কৰিছে। যেনে—"কোনো সকলে আপুনিও বোলাই পিন্ধিছিলে। পাছে ৰাজা ভিতৰলৈ গল। আনো সকল ঘৰাঘৰি গ'ল। আমাৰ কটকীও বহালৈ আহিল।"
- 'বোলে', 'পাছে', 'আৰু' আদিৰে বাক্য আৰম্ভ কৰাটো বুৰঞ্জীৰ গদ্যৰ এটা বহুল প্রচলিত ৰীতি। বুৰঞ্জীত উদ্ভেনদীকৈ থকা এনে প্রয়োগৰ নিদর্শন হৈছে—"পাছে পূজাৰ অন্তত ৰাজা আহি কামদেৱৰ মূর্ত্তিক সেৱা কৰি সোণৰ নাল দিয়া মোটেৰে কামদেৱৰ গাৰৈ পানী মাৰিলে। পাছে যুৱৰাজ প্রমুক্ষে বৰমানুহসকলেও সেৱা কৰি ৰূপৰ নাল দিয়া মোটেৰে পানী কামদেৱৰ গাত মাৰিলে।"
- বুৰঞ্জীৰ গদ্য বস্তুনিষ্ঠ। এইসমূহ যিহেতু সত্য ঘটনাৰ বিৱৰণ সেয়েহে ইয়াত লেখকৰ ৰুচি-অভিৰুচি বা অত্যধিক কল্পনাপ্রৱণতাৰ ছাপ নাই। এনে সৰল আৰু পোনপটীয়া গদ্যৰ নিদর্শন হৈছে—"তাৰ পাচদিনা কলাপটুৱাৰ চোচালি কৰি ঘৰ এটি সাজে। তাতে মৃতিকাৰ কামদেৱৰ মূর্ত্তি সাজি পূজা কৰে। পূজাৰ উপহাৰ অনেকো কৰে আৰু ডাঙ্গৰ লাডু কৰিয়ো দিএ। পাছে পূজাৰ অন্তত ৰাজা আহি কামদেৱৰ মূর্ত্তিক সেৱা কৰি সোণৰ নাল দিয়া মোটেৰে কামদেৱৰ গাৰৈ পানী মাৰিলে।"
- বুৰঞ্জীৰ গদ্য জনজীৱনৰ ভাষাৰ ওচৰ চপা। ইয়াত অহেতুক কৃত্রিমতা নাই। মানুহৰ মুখৰ ভাষাৰ দৰে ইয়াৰ ভাষা সৰল। আনহাতে সৰল বা বস্তুনিষ্ঠ হ'লেও আকৌ ইয়াৰ ভাষাত সাহিত্যিক সৌন্দর্য আৰু মাধুর্য বিদ্যমান। এনে সাহিত্যিক সৌন্দর্যপূর্ণ ভাষাৰ নিদর্শন হৈছে—"সিটো ওৰেষা ৰাজা হয় জগন্নাথৰ সেৱক, তথাচো মোৰ সমান নহয়। আৰ হৰিদাস, তঞি ফিৰি কহ যাই, মোৰ বেটী সুধর্মা যেনাই তেনাই সাধ্বী ৰূপৱতী নুই। বালকে চন্দ্রক হাত মেলি ধৰিবাক খোজে, এতেকে নেকি চন্দ্রক হাতে আনিবাক পাৰে? অগ্নিক বস্ত্রাঞ্চলে বান্ধিবাক খোজে, আছোক বান্ধি নিবাক চাহন্তে পাচে শৰীৰক ৰক্ষা কৰণোযে বালকৰ টান। এহিৰূপ বিক্রমসেন অবোধৰ খবৰ আমাৰ সভাত কহ আসি?"
- একে শব্দ বাক্যৰ শেষত বাৰে বাৰে ব্যৱহাৰ কাৰি অন্ত্যমিল সৃষ্টি কৰা ৰীতি বুৰঞ্জীত যথেষ্ট পোৱা যায়। যেনে—"সেইৰূপে সকলকো দিলে। পাছে আমাৰ

"মৰম-ভিখাৰী, বিচাৰিছো দেৱী
প্রাণৰ অমিয়া মাধুৰী",
মিচিকনি মাৰি হাঁহি দান দিলে
দুয়ো প্রকৃতি কুঁৱৰী।

বনকুঁৱৰীৰ পৰা 'প্রাণৰ অমিয়া মাধুৰী' লাভ কৰি বতাহৰ নোম শিয়ৰি উঠিল। বতাহে সেই দান লৈ সমস্ত জগতকে তাৰ সমভাগী কৰিলে। প্রাণীৰ প্রাণ আনন্দৰ টোৱে বুৰালে—

অথিৰ বায়ুৰ শিয়ৰিল নোম
উছলাইছে গৈ জান,
কাৰণ নেদেখা আনন্দৰ টোৱে
বুৰালে প্রাণীৰ প্রাণ।

এনেদৰেই 'লৌকিকৰ মাজত অলৌকিকৰ, দৃশ্যৰ মাজত অদৃশ্যৰ ইংগিত বিয়পাই দি আৰু কৌতূহল আৰু ঔৎসুক্য জগাই কবি-কল্পনাই 'বনকুঁৱৰী'ত বিদেহী বা অশৰীৰীৰ মঙ্গলময়, আনন্দময় শিহৰণৰ সৃষ্টি কৰিছে।'

'বনকুঁৱৰী' কবিতাক কোনোৱে বনগীতসুৰীয়া, কোনোৱে কাহিনীগীত বা মালিতা আৰু আন কোনোৱে কৃত্রিম মালিতা আখ্যা দিছে। দৰাচলতে 'বনকুঁৱৰী' কবিতাত কোনো সুসংগঠিত কাহিনী পাবলৈ নাই। কবিতাটোৰ আকর্ষণীয় দিশ হ'ল সংবেদনশীল মানৱীয় আবেদন। কিন্তু মন কৰিবলগীয়া আনটো দিশ হ'ল কথাবস্তুতকৈ নৈসর্গিক বর্ণনাইহে অধিক ঠাই অধিকাৰ কৰি আছে।

২.৭.২ ৰমন্যাসিক চিন্তাৰ প্রতিফলন

চন্দ্রকুমাৰ আগৰৱালা অসমীয়া ৰোমাণ্টিক কবিতাৰ কেৱল পথ প্রদর্শকেই নহয়, ৰোমাণ্টিক কবিতাৰ প্রায় সকলো লক্ষণেই তেওঁৰ কবিতাত প্রকাশ পাইছে। আগৰৱালাৰ কবিতাৰাজিৰ তিনিটা স্পষ্ট ধাৰা লক্ষ্য কৰা যায় — (১) নৈসর্গিক বা প্রকৃতি বিষয়ক, (২) মানৱপ্রেমী বা জীৱনসুলভ, (৩) বিশ্বপ্রেমিক বা অতিমানৱ সম্বন্ধীয়। অৱশ্যে আগৰৱালাৰ কবিতা এনে বিভাগেৰে শৃংখলিত কৰা সহজ নহয়। তেওঁৰ নৈসর্গিক কবিতাত কেতিয়াবা অতি-প্রাকৃতিক উপাদানৰ সমন্বয় ঘটিছে; আকৌ মানৱপ্রীতি বিষয়ক কবিতাত নৈসর্গিক ৰূপৰো সমাৱেশ ঘটিছে।

প্রাক্-ৰমন্যাসিক যুগৰ অসমীয়া সাহিত্যৰ মাজত ৰমন্যাসিক চিন্তাৰ জান-নেজান প্রকাশ ঘটিলেও *জোনাকী*ত প্রকাশিত 'বনকুঁৱৰী' কবিতাটোতহে ৰমন্যাসিকতাৰ পৰিপূর্ণ অভিব্যক্তি ঘটা বুলি সমালোচকসকলে উল্লেখ কৰিছে। "ৰমন্যাসবাদৰ মূল কথা হ'ল, ই এক বিশেষ মনোভংগীৰ প্রকাশ। ৰমন্যাসিক কবিতাৰ উপকৰণ হ'ল

কল্পনা; আৰু লক্ষ্যবস্তু হ'ল সৌন্দর্যসৃষ্টি। ৰমন্যাসিক কবিতাৰ কাৰণে বস্তুৰ বস্তুত্বলৈ আপোন মনৰ মাধুৰী মিহলি হৈ নৱজন্ম লাভ কৰা বস্তুৰ প্ৰতীতিহে বেছি গুৰুত্বপূৰ্ণ। সেইবাবেই ৰমন্যাসিক কবিৰ জগত মাথোঁ দৃশ্যমান জগতৰ প্ৰতিৰূপ নহয়, কল্পনাৰ সোণোৱালী কুঁৱলীৰ ঢাক খাই থকা এক অপৰূপ বিস্ময়।" কবি চন্দ্রকুমাৰ আগৰৱালাদেৱে 'বনকুঁৱৰী' নামৰ কবিতাটোত এখন ৰমন্যাসিক কল্পলোকৰ সন্ধান কৰিছে। দৃশ্যমান জগতৰ মাজত সৌন্দর্যৰ অনিৰ্বচনীয় ৰূপ উদ্‌ঘাটন কৰা কবিৰ কল্পলোকত অন্য এখন জগত সাৰ পাই উঠিছে। এইখন কবিয়ে সৃষ্টি কৰি লোৱা জগত। এইখন জগতত চৰ্মচক্ষুৰে নেদেখা যখিনী ছোৱালীয়ে চাপৰি বাই নাচে, বনফুল সাজেৰে বনকুঁৱৰীয়ে দেখা দিয়ে, বতাহে 'প্ৰাণৰ অমিয়া মাধুৰী' বিচাৰে। কবিৰ মানসলোকতহে এইখনৰ অৱস্থান সম্ভৱ। 'বনকুঁৱৰী' কবিতাত কবিৰ কল্পনাই এনে বিস্ময়ৰ জগত ৰচনা কৰিছে — যি ৰমন্যাসিক মানসিকতাৰ প্ৰতিভূ হিচাপেও ধৰা দিছে।

ৰমন্যাসিক কবিতাৰ এক মনোৰম বৈশিষ্ট্য হ'ল প্ৰকৃতিৰ চিত্ৰণ। কবিসকলে প্ৰকৃতিৰ মাজত একাধিক বৈচিত্ৰ্যৰ সমন্বয় দেখা পায়। 'বনকুঁৱৰী' কবিতাৰ আৰম্ভণিৰ পৰা অন্তলৈকে প্ৰকৃতিয়ে স্থান পাইছে। কবিয়ে গছ-বন, পশু-পক্ষী, চৰাই, জান-জুৰিৰ উল্লেখেৰেই কবিতাটিৰ গতি নিয়ন্ত্রিত কৰিছে। নিজম দুপৰীয়াৰ উত্তাল ৰ'দে ভৰা স্তব্ধ পৰিৱেশত প্ৰকৃতিৰ মাজত এখন গোপন জগতৰ অৱতাৰণা কৰিবলৈ যাওঁতে কবিয়ে প্ৰকৃতিৰ ৰূপ-লাৱণ্যৰ কথাও উল্লেখ কৰি গৈছে। প্ৰকৃতিৰ ক্ষুদ্রতম বস্তুবোৰৰ মাজতো মানুহৰ প্ৰাণত 'কাৰণ নেদেখা আনন্দৰ ঢৌ' সৃষ্টি কৰিব পৰা অপূৰ্ব সৌন্দর্যৰ ৰূপ আছে — এয়াই হৈছে ৰোমাণ্টিক কবিতা বনকুঁৱৰীৰ মূল কথা।

ৰোমাণ্টিক যুগৰ কবিসকলৰ দৰে আগৰৱালাদেৱেও 'বনকুঁৱৰী' কবিতাত অতিপ্ৰাকৃতিক ঘটনা ৰূপায়িত কৰিবলৈ সচেষ্টভাৱে তৎপৰ হৈছিল। সেইবাবেই 'বনকুঁৱৰী' কবিতাত আঁহত তলত বনফুল সাজ পিন্ধি নাচি থকা যখিনী ছোৱালী, বনকুঁৱৰী আদি অলৌকিক সত্তাৰ চিন-নিচিন ছবি জীৱন্ত হৈ উঠিছে। অৱশ্যে কবিয়ে 'বনকুঁৱৰী'ৰ মাজেৰে যিখন অতিলৌকিক জগতৰ আভাস দিবৰ চেষ্টা কৰিছে সেই জগত মানুহৰ অজানা আৰু সুদূৰ পৰাহত নহয়। বাৰীৰ কাষৰে জাৰণি, বাঁহনিডৰা, নিজম এটা দুপৰীয়া আৰু চৰাই-চিৰিকটিৰ বিচৰণ ভূমিৰ মাজতে কবিয়ে অলৌকিক সত্তা অনুভৱ এটিক জীৱন্ত কৰি তুলিছে। এক কথাত ক'ব পাৰি অসমৰ লোকজীৱন প্ৰতিভাত হৈছে আৰু তাতেই কবিৰ সার্থকতা সোমাই আছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ চন্দ্রকুমাৰ আগৰৱালাৰ কবিতাৰাজিত প্রকাশ পোৱা তিনিটা স্পষ্ট ধাৰা কি কি?

.....

এনে ধৰণৰ—"The language of the book is simple, racy and dignified.The narratives are well arranged.The description of every new situation or event is preceded by a few explanatory sentences, making it possible for the uninitiated reader to follow the trend of the narrative... ...On the whole Tripura Buranji constitutes a distinct landmark in the history of Assamese prose." বুৰঞ্জী হৈও সাহিত্যৰ গুণ অর্জন কৰা বুৰঞ্জীৰ গদ্যৰ বৈশিষ্ট্যসমূহ ত্রিপুৰা বুৰঞ্জীতো যে সম্পূর্ণভাৱে বিদ্যমান সেয়া উল্লিখিত অভিমতৰ পৰাই বুজিব পৰা যায়। উদাহৰণ দাঙি ধৰি বুৰঞ্জীৰ গদ্যৰ বৈশিষ্ট্যসমূহ তলত উল্লেখ কৰা হ'ল —

- আহোম ৰাজত্ব কালত লিখা বা আহোম ৰাজশাসন মুখ্য বিষয় হোৱা বাবেই বুৰঞ্জীৰ গদ্যত টাই আহোম ভাষাৰ শব্দৰ ভালেমান প্রয়োগ আছে। যেনে— চকলং, মৈদাম, ফুকন, চাংমাই ইত্যাদি।
- বুৰঞ্জী বৈষয়িক বিষয়বস্তুক কেন্দ্র কৰি ৰচনা কৰিলেও বা ইয়াৰ গদ্যই পূর্বৱর্তী গদ্যৰ সংস্কৃতীয়া ৰূপৰ পৰা মুক্তি লাভ কৰিলেও সংস্কৃত শব্দৰ প্রয়োগ একেবাৰে নোহোৱা নহয়। যেনে—"কর্ণত মুকুতা", "গলত বাখৰপতা হীৰাএৰে কণ্ঠাভৰণ", "নাভিত পৰাকৈ মুকুতাৰ মালা", "শুক্ল বস্ত্র পিন্ধিছিলে", "গৃহলৈ আহিল" ইত্যাদি।
- বুৰঞ্জীৰ গদ্যত হিন্দী, আৰবী, ফাৰ্চী আদি ভাষাৰ শব্দৰ সেৰেঙা প্রয়োগো পোৱা যায়। যেনে—"কুহুম্বুলীয়া জামা", "বোলোৱা দোপটা", "পাচ্ছা", "নবাব" ইত্যাদি।
- একেটা কর্তাৰ সৈতে কেইবাটাও ক্রিয়া যুক্ত কৰি বাক্য ৰচনা কৰাৰ ভংগী বুৰঞ্জীত ভালেমান দেখা যায়। যেনে—"পাছে ৰাজাদেৱে তিনিজনা ডাঙ্গৰীয়া সহিতে বৰুৱা, ফুকন সমস্তৰে আলচ কৰি ভটিয়াই গৈ বিশ্বনাথ ৰহি তাৰ পৰা মৰঙ্গিৰ নগা-চকীৰ বাটে পাঁচিলে, কুঁৱৰগঞা দৰৱধৰা বুঢ়াগোহাঞি, মৰঙ্গিখোৱা বাঁহবৰীয়া বৰচেটিয়া গোহাঞিক দিলে, চাউল কঢ়িওৱাকৈ দিহিঙ্গীয়া আলুন বৰবৰুৱাৰ পুতেক ডেকা-বৰবৰুৱাৰ দুইক মুখ্য কৰি আনো ফুকন, ৰাজখোৱা সমস্তকে পঠালে।"
- বুৰঞ্জীৰ বাক্যত ঠায়ে ঠায়ে অসমাপিকা ক্রিয়াৰ যথেষ্ট ব্যৱহাৰ দেখা যায়। কেইবাটাও অসমাপিকা ক্রিয়া প্রয়োগ কৰি সমাপিকা ক্রিয়াৰে অন্ত পেলোৱা এনে বাক্যত বহু ভাবৰ সমাহাৰ ঘটে। যেনে—"পাছে তাৰ দেশৰ মৌৰঙ্গৰ ৰাজা, বনবিষ্ণুপুৰৰ ৰাজা, নদিয়াৰ ৰাজা, বেহাৰৰ ৰাজা, বর্দ্ধমানৰ কীর্ত্তিচন্দ্র জমীদাৰ,বৰ্ধনগৰৰ উদয়নাৰায়ণ জমীদাৰ এইসকলৰ ঠাইক বৰফুকনৰ নামে মানুহ পঠাই, সিহঁতৰো মানুহ অনাই, বৰফুকনে মহাৰাজাত জনোৱাৰূপ কৰি সিহঁতৰ

.....

.....

.....

৭.৩.৫ গদ্যৰীতি

অসমীয়া গদ্যৰ ক্রমবিকাশৰ ইতিহাসত বুৰঞ্জীৰ গদ্য এক বিশেষ স্থান আৰু মূল্যৰ অধিকাৰী। বিৰিঞ্চি কুমাৰ বৰুৱাই তেওঁৰ *অসমীয়া কথা সাহিত্য* পুথিত কৈছে যে বুৰঞ্জীৰ মাজেদিয়েই অসমীয়া গদ্যই আধুনিক ৰূপ পাইছে। ভট্টদেৱৰ হাতত স্পষ্টৰূপত আত্মপ্রকাশ কৰা অসমীয়া গদ্যৰ দ্বিতীয় স্তৰটো সমান্তৰালভাৱে দুটা ধাৰাৰে প্রৱাহিত হৈছিল। এক হৈছে বুৰঞ্জীৰ গদ্য আৰু আনটো হ'ল চৰিতৰ গদ্য। ইতিমধ্যে আপুনি ইয়াৰ আগৰ অধ্যায়টোত চৰিত সাহিত্যৰ গদ্য সম্পর্কে অধ্যয়ন কৰি আহিছে। সংস্কৃত পণ্ডিত ভট্টদেৱে সংস্কৃত পুথিক আধাৰ কৰি আধ্যাত্মিক বিষয়ৰ অসমীয়া গদ্যপুথি ৰচনা কৰিছিল। সেয়েহে সেই গদ্যই সমকালীন মানুহৰ মুখৰ ভাষাৰ প্রতিনিধিত্ব কৰিব পৰা নাই। কিন্তু অসমীয়া গদ্যৰ এই সবল ভেটিতে পৰৱর্তী গদ্যৰ বিকাশ হ'বলৈ ধৰে। বুৰঞ্জীৰ গদ্যৰ বিষয়বস্তু পূর্বৰ ভট্টদেৱৰ সাহিত্যৰ বিষয়ৰ পৰা সম্পূর্ণ পৃথক। সেয়েহে ইয়াৰ গদ্যও সম্পূর্ণভাৱেই অভিনৱ আৰু একক। সমসাময়িক কথ্য ভাষাক ই প্রতিনিধিত্ব কৰিছে। বুৰঞ্জী আছিল বৈষয়িক জীৱনৰ কাহিনীৰ সমষ্টি। ৰজা-মহাৰজাৰ জীৱনৰ কাহিনী সম্বলিত এই পুথিসমূহৰ গদ্যও সেয়েহে দৈনন্দিন জীৱনৰ কথা-বতৰাৰ দৰেই অকৃত্রিম, সৰল, সাৱলীল। আনহাতে বুৰঞ্জীসমূহ ৰচনাৰ বাবে ৰাজ্য আৰু ৰজাঘৰৰ জ্ঞান থকা ওখ খাপৰ বিষয়ৱবীয়া নিয়োগ কৰা হৈছিল। ৰজাঘৰৰ পৰা তেনে বুৰঞ্জী ৰচোতাক অনেক সা-সুবিধা প্রদান কৰি কাকত-পত্র আদি যোগান ধৰিছিল। সেইবাবে দৈনন্দিন জীৱনৰ সাৱলীলতা থাকিলেও "বুৰঞ্জীৰ ভাষা গাম্ভীর্যপূর্ণ আৰু সম্ভ্রমসূচক"। আনহাতে বুৰঞ্জীৰ গদ্য যিহেতু বস্তুনিষ্ঠ সেয়েহে ই অত্যধিক অলংকাৰ আৰু লেখকৰ আবেগৰ আতিশয্যৰ পৰাও মুক্ত। বুৰঞ্জীৰ ভাষা মানুহৰ মুখৰ ভাষাৰ দৰে স্বাভাৱিক হোৱা কাৰণেই অসমীয়া গদ্যৰ পৰৱর্তী ৰূপসমূহ এই গদ্যৰ আধাৰতে গঢ় লৈছে। কিন্তু বৈষয়িক বিষয়বস্তুক আধাৰ কৰি স্বাভাৱিক ভংগীৰে ৰচনা কৰিলেও বুৰঞ্জীৰ গদ্য নন্দনতাত্ত্বিকভাৱে সৌন্দর্যহীন নহয়। এই প্রসংগত সূর্যকুমাৰ ভূঞাই *পাদশ্যাহ বুৰঞ্জী*ৰ বিষয়ে কোৱা এটা মত *ত্রিপুৰা বুৰঞ্জী*কে ধৰি প্রায়সমূহ বুৰঞ্জীৰ ক্ষেত্রতে প্রযোজ্য। তেওঁ লিখিছে— "...বুৰঞ্জীৰ কথাখিনি শুকান হাড় ছাল নহয়, তাত ভাবৰ সমাবেশ আৰু আবেগৰ সৌৰভ লক্ষ্য কৰিব পাৰি। সেই দেখি এই বুৰঞ্জীখনি বুৰঞ্জীৰ শাৰীৰ পৰা বিশুদ্ধ সাহিত্যৰ অঙ্গীভূত কৰা হৈছে।" তদুপৰি *ত্রিপুৰা বুৰঞ্জী*ৰ গদ্য প্রসংগত তেওঁৰ অভিমত

প্রশ্ন নং ৪ ঃ খালি ঠাই পূৰণ কৰক—

ক) 'বনকুঁৱৰী' কবিতাটোৰ আকর্ষণীয় দিশ হ'ল .....।

খ) 'বনকুঁৱৰী' কবিতাটিত অসমীয়া .....ৰ প্রভাৱ বিদ্যমান।



২.৮অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এইটো অধ্যায়ত আলোচনা কৰা চন্দ্রকুমাৰ আগৰৱালাৰ 'বনকুঁৱৰী' কবিতাটিয়ে অসমীয়া ৰোমাণ্টিক কাব্যশিল্পৰ প্রতিনিধিত্ব কৰিছে।
- ভাবৰ অনুকূলে উপযুক্ত কাব্যোপযোগী শব্দ নির্বাচন কবিতাটিৰ আকর্ষণীয় বৈশিষ্ট্য। এনে শব্দ চয়নে কবিতাটিক গীতিময়তা প্রদান কৰিছে। আন কথাত ছন্দৰ স্বচ্ছন্দ গতি কবিতাটিৰ আন এক প্রধান বৈশিষ্ট্য।
- অধ্যায়টিত আপুনি ৰমন্যাসবাদ মানে কি, কেনেদৰে ইয়াৰ উদ্ভৱ হ'ল আৰু অসমীয়া ৰোমাণ্টিক কবিতাৰ সম্যক ধাৰণা লাভ কৰিলে।



২.৯ অধিক জানিবলৈ

১) উল্লাহ, ইমদাদ (১৯৮৩); *কবিতাৰ সবিশেষ;* যোৰহাট ঃ অসম সাহিত্য সভা।

২) তালুকদাৰ, নন্দ (২০০৬); *কবি আৰু কবিতা;* গুৱাহাটী ঃ বনলতা।

৩) নেওগ, মহেশ্বৰ (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৪) ফুকন, কবিন (২০০৩); *চন্দ্রকুমাৰ আগৰৱালা;* নতুন দিল্লী ঃ সাহিত্য অকাদেমি।

৫) শর্মা, সত্যেন্দ্রনাথ (২০০৬); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ সৌমাৰ প্রকাশ।

৬) হাজৰিকা, অতুলচন্দ্র (সম্পাঃ)(১৯৬৭); *চন্দ্রামৃত;* যোৰহাট ঃ অসম সাহিত্য সভা।

৭) হাজৰিকা, কৰবী ডেকা (২০০৮); *অসমীয়া কবি আৰু কবিতা;* ডিব্রুগড় ঃ বনলতা।

২.১০ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ *জোনাকী* কাকতৰ মাধ্যমেৰে।

২ নং প্রশ্নৰ উত্তৰ ঃ ক) অশুদ্ধ খ) অশুদ্ধ গ) অশুদ্ধ ঘ) অশুদ্ধ

৩ নং প্রশ্নৰ উত্তৰ ঃ (১) নৈসর্গিক বা প্রকৃতি বিষয়ক, (২) মানৱপ্রেমী বা জীৱনসুলভ, (৩) বিশ্বপ্রেমিক বা অতিমানৱ সম্বন্ধীয়।

৪ নং প্রশ্নৰ উত্তৰ ঃ ক) প্রকৃতিৰ চিত্রণ খ) লোকজীৱনৰ

২.১১ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ তলত দিয়া প্রশ্নসমূহৰ উত্তৰ লিখক—

ক) ৰমন্যাসবাদী সাহিত্যত প্রধানকৈ কি কি দিশৰ প্রতিফলন ঘটে?

খ) *জোনাকী* কাকতখন ক'ৰ পৰা প্রকাশ পাইছিল?

গ) ৰোমাণ্টিক সাহিত্যৰ ঘাই উপজীব্য কি?

প্রশ্ন ২ ঃ শুদ্ধ নে অশুদ্ধ নির্ণয় কৰক—

ক) পৰিচ্ছন্ন বিন্যাস, সুস্পষ্ট অভিব্যক্তি, ভাবৰ গাম্ভীর্য আদি ৰোমাণ্টিক সাহিত্যৰ লক্ষণ।

খ) লক্ষ্মীনাথ বেজবৰুৱা *জোনাকী*ৰ প্রথমগৰাকী সম্পাদক।

গ) আনন্দচন্দ্র আগৰৱালাৰ 'ফুল কোঁৱৰ' সাহিত্যিক মালিতাৰ এক উৎকৃষ্ট উদাহৰণ।

খ) চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ 'ৰোমাণ্টিছিজম্' মানে কি? চমুকৈ লিখক।

প্রশ্ন ২ ঃ চন্দ্রকুমাৰ আগৰৱালাৰ সাহিত্যকৃতিৰ চমু পৰিচয় দাঙি ধৰক।

প্রশ্ন ৩ ঃ প্রসংগ সংগতি দর্শাই ব্যাখ্যা কৰক —

(ক) গহীন গছত বতাহৰ ছাটি
পাত কঁপে থৰ থৰ,
হাবিৰ মাজৰ পৰা কোনেনো বা
মাতি উঠে 'মৰ মৰ?'

ঘোঁৰা সকলোৰে ওপৰত বিভিন্ন পতাকা। আনকি মানুহেও আগে আগে নানা পতাকা লৈ গৈছিল। হাতীৰ ওপৰত নাগৰা আৰু ঢাল-তৰোৱাল-হিলৈ লোৱা মানুহ ১৫০০ মান, আৰু চোৱাৰ ৪০ মান। সোণোৱালী-ৰূপোৱালী সাজেৰে ঘোঁৰা চাৰিটা, হাতী তিনিটা, পাল্কী দুখন। ৰজাৰ চাৰিওফালে ঢাল-তৰোৱাল, ত্রিশূল আদি লৈ অনেক মানুহ। পাছে পাছেও চোৱাৰ বিছমান আৰু ঢাল-তৰোৱাল-হিলৈ লোৱা মানুহ দুহাজাৰমান। বিষয়াসকলেও নিজৰ মর্যাদা অনুসৰি হাতী, ঘোঁৰা আদি লৈ ৰজাক সঙ্গ দিছিল। ৰঙ্গচোৱা মানুহ আৰু সাধাৰণ প্রজাও দহ হাজাৰমান গৈছিল।

এনেদৰে মহাসমাৰোহেৰে সকলো গৈ গোমতী নদী পোৱাৰ পিছত ৰজাই হাতীৰ ওপৰতে অৱস্থান কৰিলে। যুৱৰাজ আৰু আনসকল দুটা ফৈদত বিভক্ত হৈ মোটেৰে পানী মৰামৰি কৰি খেলিবলৈ ল'লে। ৰজাৰ আজ্ঞা অনুসৰি অসমৰ কটকীয়ে গোমতী নদীৰ পাৰত থকা কুঁজিঘৰত অৱস্থান কৰিলে। কটকীৰ লগত মোট খেলিবলৈ মানুহো দিলে। সকলোৱে তাত আনন্দ মনেৰে খেলি উঠাৰ পিছত ৰজাই অমৰসাগৰ দীর্ঘীলৈকো গৈ মোট খেলিলে। অৱশেষত আনন্দ মনেৰে সকলো খেলা সামৰি ৰজা আৰু প্রজাসকল ঘৰলৈ আহিল। অসমৰ কটকীও নিজৰ বহালৈ গ'ল। অহা-যোৱাৰ বাটত নগৰৰ নাৰীসকলে ঠায়ে ঠায়ে কলপুলি পুতি দীপ-ঘট লৈ উৰুলি দি ৰজাক আদৰণি জনালে। ৰজায়ো তেওঁলোকলৈ বুলি আধলি, সিকি, দোৱানি, একানি আদি মুদ্রা দলিয়ালে। মোট খেলাৰ সামৰণি পৰাৰ পিছত কামদেৱ গোসাঁইৰ আগত দিয়া দধি-দুগ্ধ লাডু আদি ভাগ কৰি সকলো মানুহৰ লগতে অসমৰ কটকীলৈকো দি পঠালে। কটকীলৈ বুলি কাপোৰ- কানিৰ সিধাও দিলে। এনেদৰেই ত্রিপুৰা ৰাজ্যত অনুষ্ঠিত মদন পূজাৰ সামৰণি পৰিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ 'ত্রিপুৰাত মদন পূজাৰ আড়ম্বৰ আৰু মোট খেলাৰ কৌতুক' পাঠটোৰ জৰিয়তে ত্রিপুৰাৰ সামাজিক আৰু সাংস্কৃতিক দিশৰ কোনবোৰ ছবি প্রতিফলিত হৈছে?

.....

.....

.....

.....

.....

.....

.....

পটুকা, দোপটা আদি বঁটা হিচাপে দিলে। ইয়াৰ উপৰি ছালৰ দুটা মোটো মোট খেলিবলৈ দিলে। লগৰ মানুহকো বোলোৱা পাগ, দোপটা আৰু একোটা মোট দিলে। এই অনুষ্ঠান শেষ কৰি কটকীকেইজন নিজৰ ঠাইলৈ গ'ল।

অধিবাসৰ পিছদিনা মদন পূজাৰ মূল পর্ব আৰম্ভ কৰে। তাৰ বাবে কলপটুৱাৰে চোচালি দি এটা ঘৰ সজা হয়। তাতে মাটিৰে গঢ়া কামদেৱৰ মূর্তি স্থাপন কৰি পূজা কৰে। পূজাত বিভিন্ন লাড়ু আদি উপচাৰ হিচাপে দিয়া হয়। পূজাৰ শেষত ৰজা আহি কামদেৱৰ মূর্তিক সেৱা কৰে আৰু সোণৰ নাল লগোৱা মোটেৰে কামদেৱৰ গালৈ পানী মাৰে। যুৱৰাজ আৰু আন ৰৰমূৰীয়াসকলেও ৰূপৰ নাল লগোৱা মোটেৰে কামদেৱৰ গালৈ পানী মাৰে। ৰজাই আজ্ঞা দিলত অসমৰ কটকীয়েও কামদেৱৰ গালৈ পানী মাৰি আনন্দ কৰিলে। সেই ঠাইত উপস্থিত আন ব্যক্তিসকলেও এনেদৰেই পানী মৰামৰি কৰি স্ফূর্তি কৰিলে। সেই উৎসৱত তাল-খোল সংগত কৰি সংকীর্তনৰ দৰে গীত গোৱা হৈছিল। ৰজাই সেইদিনা বগা বস্ত্র পৰিধান কৰিছিল। যুৱৰাজকে মুখ্য কৰি আনসকলেও ৰজাই উপহাৰত দিয়া বস্ত্র পিন্ধি আহিছিল। কোনোৱে নিজে বোল কৰিও পোছাক পিন্ধিছিল। মোট খেল শেষ হোৱাৰ পিছত সেইদিনালৈ ৰজা ভিতৰ সোমাল। কটকীসকলো বহালৈ আহিল।

পিছদিনা যুৱৰাজকে ধৰি সকলো বিষয়ৱবীয়া আৰু অসমৰ কটকীসকল দৰবাৰলৈ আহিল। ৰজাও তাত উপস্থিত হ'ল। সেইদিনা ৰজাৰ সাজসজ্জা আছিল এনেধৰণৰ—সোণোৱালী তাছৰ জামা, সোণোৱালী চিৰা, সোণোৱালী গোছপেছ, সোণোৱালী পটুকা, সোণোৱালী বুটাদাৰ ইজাৰ, কান্ধত এখন বগা ছালকাপোৰ। সোণৰ তোৰোলা দুটা, হীৰা আৰু বাখৰপতোৱা কল্গা এটা। হামাউ চৰাইৰ পাখি গোঁজা এটা পাগ। সেই পাগত আকৌ মুকুতা মণি গাথি আঁৰি লৈছিল। কাণত মুকুতা, ডিঙিত বাখৰপতা হীৰাৰ গহনা। তাতে মুকুতাৰ লটকন আঁৰি লৈছিল। হীৰাখটোৱা দুগদুগী আৰু নাভিলৈকে পৰাকৈ মুকুতামণি পিন্ধিছিল।বাখৰ আৰু হীৰা খটোৱা বাজু আৰু খাৰু ক্রমে বাহু আৰু হাতত পিন্ধিছিল। দহো আঙুলিতে হীৰাৰ বাখৰপতা আঙঠি। কঁকালত হীৰা আৰু বাখৰপতা খঞ্জৰ এপাট লৈছিল। ইফালে এটা হাতী সুন্দৰকৈ ৰজা উঠিবলৈ আস্বাৰি কৰিছিল। আস্বাৰি আছিল এনেধৰণৰ—হাতীৰ পিঠিত চাৰিখন পাট দিছিল। সেই পাটত হাতী দাঁতৰ চিত্র। সোণৰ পতা মাৰিছিল, মাজত দোৱাল বৈছিল, চাৰিফালে সোণৰ চাৰিটা খুঁটা দিছিল। খুঁটাৰ ওপৰত বানাতৰ চচালিৰে ঘৰ সাজিছিল। তাৰ চাৰিওফালে সোণৰ বৰৈ। ঘৰৰ ওপৰত সোণৰ কলাফুল। সেই পাটৰ তলেদি ফুটা কৰি হাতীৰ পেটৰ সৈতে বান্ধি দিয়া হৈছে। ৰজাই সাজসজ্জা কৰি আহি এই সুসজ্জিত হাতীত বহিল। যুৱৰাজকে মুখ্য কৰি অনেক বিষয়া, ৰঙ্গচোৱা মানুহ আৰু অসমৰ কটকীও তালৈ আহিল। ৰজাই মোট খেলাৰ উদ্দেশ্যে গোমতী নদীলৈ গ'ল। তেওঁৰ আগে আগে যোৱা হাতী,

(খ) অকণি ছোৱালী - যক্ষিণী কন্যা
এফেৰি ফুলৰে পাহি
জানৰ কাণত পানী খুৱাইছে
হৰিণা পোৱালি লাহি।

গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ অসমীয়া ৰোমাণ্টিক কবিতা সম্পর্কে বহলাই আলোচনা কৰক।

প্রশ্ন ২ ঃ 'বনকুঁৱৰী' কবিতাটিৰ বিষয়বস্তুৰ আভাস দাঙি ধৰি মূলভাব বর্ণনা কৰক।

প্রশ্ন ৩ ঃ 'বনকুঁৱৰী' কবিতাটিত কবিয়ে মানুহ আৰু প্রকৃতিৰ মাজৰ সম্বন্ধ কেনেদৰে চিত্রায়িত কৰিছে বুজাই লিখক।

প্রশ্ন ৪ ঃ 'বনকুঁৱৰী' কবিতাটি এটি সার্থক অসমীয়া ৰোমাণ্টিক কবিতা হিচাপে প্রতিপন্ন কৰক।

*** ***** ***

অধ্যায় ৩ ঃ দেৱকান্ত বৰুৱা ঃ মনোৰমা

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ কবি পৰিচয়

৩.৪ 'মনোৰমা' কবিতাটিৰ পাঠ

৩.৫ 'মনোৰমা' কবিতাটিৰ আলোচনা

৩.৫.১ বিষয়বস্তু

৩.৫.২ সাধাৰণ আলোচনা

৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.৭ অধিক জানিবলৈ

৩.৮ অগ্রগতিৰ খতিয়ান

৩.৯ আৰ্হি প্ৰশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- কবি দেৱকান্ত বৰুৱাৰ কাব্য-কৃতিৰ যথাযথ মূল্যায়ন কৰিব পাৰিব
- 'মনোৰমা' কবিতাটিৰ সম্যক বিশ্লেষণ আগবঢ়াব পাৰিব।

৩.২ পৰিচয়

দেৱকান্ত বৰুৱা অসমীয়া ৰোমাণ্টিক যুগৰ (১৯১৪-১৯৯৬) কাব্যসাগৰৰ অন্তিম তৰংগৰ শ্ৰেষ্ঠ কবি। ৰোমাণ্টিক যুগৰ শেষ আৰু সাম্প্ৰতিক যুগৰ আৰম্ভ কালৰ কবি হিচাপে তেওঁক 'যুগসন্ধিৰ কবি' বুলিও অভিহিত কৰা হয়। এই অধ্যায়ত আপুনি দেৱকান্ত বৰুৱাৰ 'মনোৰমা' কবিতাটিৰ বিষয়ে খৰচি মাৰি অধ্যয়ন কৰিবলৈ পাব। ইয়াৰ পূৰ্বৱৰ্তী অধ্যায় দুটা (অধ্যায় ১ আৰু অধ্যায় ২)ত আপুনি এটি পুৰণি কবিতা আৰু এটি ৰোমাণ্টিক কবিতাৰ বিষয়ে অধ্যয়ন কৰিলে। এতিয়া ইয়াত ৰোমাণ্টিক আৰু আধুনিকতাৰ যুগসন্ধিৰ কবি দেৱকান্ত বৰুৱাৰ 'মনোৰমা'ৰ বিষয়ে আলোচনা কৰা হ'ব।



পৰাকাষ্ঠা ঃ শেষ সীমা, চূড়ান্ত; চৰম উৎকৰ্ষ

বিষয়বস্তুৰ ফালৰ পৰা দেৱকান্ত বৰুৱাৰ কবিতা দেহজ প্ৰেমৰ বাস্তৱ-চিন্তাৰে পল্লৱিত। তাত ৰোমাণ্টিকতাৰ উচ্ছ্বাস বিশেষ পাবলৈ নাই। কিন্তু সেই বুলি আধুনিক কবিকুলৰ দৰে তাত সমাজ-বাস্তৱৰ চিন্তাও পাবলৈ নাই। আমাৰ আলোচ্য 'মনোৰমা' কবিতাটিৰ মাজত মূলতঃ পার্থিৱ প্ৰেমৰ *পৰাকাষ্ঠা* প্ৰকাশ পাইছে।

শপত, ঘনশ্যাম বৰঠাকুৰৰ হাতী ধৰিবলৈ যাত্রা, ত্রিপুৰাত অসমীয়া কটকী, ত্রিপুৰা ৰজাৰ দৰবাৰ, ত্রিপুৰা দৰবাৰত অসমীয়া কটকী, অসম-মোগলৰ যুদ্ধৰ বর্ণনা, ত্রিপুৰাত মদন পূজাৰ আড়ম্বৰ, মোটখেলাৰ কৌতুক, ৰজাৰ বিৰুদ্ধে ঘনশ্যামৰ সৈন্য সংগ্রহ, ঘণশ্যাম, মুৰাদ্‌বেগ আৰু মামুদছপিৰ মন্ত্রণা, ৰাজধানীৰ সমীপত সসৈন্যে ঘণশ্যাম বৰঠাকুৰ, যুৱৰাজ আৰু কোটোৱাল মুছিবৰ সজ পৰামর্শ, "যুৱৰাজে আৰু কোটোৱাল মুছিবে ঘনশ্যামৰ তলৈ গল" ঘণশ্যামৰ হাতত কোটোৱাল মুছিব বন্দী, মহাৰাজ ৰত্নমাণিক্যৰ সৰলতা আৰু ভাতৃত বিশ্বাস, ঘণশ্যাম বৰঠাকুৰৰ সিংহাসন অধিকাৰ, ত্রিপুৰাৰ সিংহাসনত ঘণশ্যাম বা মহেন্দ্রমাণিক্য ৰজা, সহমৃতা ৰাজভইনী, ভগা ৰজা ৰত্নমাণিক্য বধ, ৰত্নমাণিক্যৰ শৱসৎকাৰ, মহেন্দ্রমাণিক্যৰ ভাতৃহত্যাৰ প্রায়শ্চিত্ত, ৰংপুৰত মহেন্দ্রমাণিক্যৰ কটকী, মহেন্দ্রমাণিক্যলৈ স্বর্গদেউ ৰুদ্রসিংহৰ উকীল-পত্র, ধর্মমাণিক্য ৰজাই স্বর্গদেৱলৈ দিয়া পত্র-সন্দেশ। অধ্যায়সমূহৰ শিৰোনামৰ পৰাই এটা কথা উপলব্ধি কৰিব পাৰি যে ত্রিপুৰাৰ ইতিহাস আৰু সমাজক জানিবৰ বাবে *ত্রিপুৰা বুৰঞ্জী* এক সুন্দৰ নির্ভৰযোগ্য সূত্র।

৭.৩.৩ অসমীয়া বুৰঞ্জী সাহিত্যৰ ইতিহাসত *ত্রিপুৰা বুৰঞ্জী*ৰ গুৰুত্ব

ত্রিপুৰা বুৰঞ্জী অসমীয়া বুৰঞ্জী সাহিত্যৰ মূল্যৱান সম্পদ। কেইবাটাও দিশৰ পৰা বুৰঞ্জীখন যথেষ্ট গুৰুত্বপূর্ণ। প্রথম, সেইসময়ৰ ত্রিপুৰাৰ ৰাজশাসন, দাঁতিয়লীয়া ৰাজ্যৰ সৈতে সম্পর্ক, প্রজাৰ অৱস্থা আদি ৰাজনৈতিক আৰু কূটনৈতিক দিশৰ ভালেমান ঘটনাৰ বস্তুনিষ্ঠ তথ্য ইয়াত সন্নিৱিষ্ট হৈছে। দ্বিতীয়, ওঠৰ শতিকাৰ ত্রিপুৰাৰ নদ-নদী আদি ভৌগোলিক পৰিৱেশৰ উপৰি সাংস্কৃতিক আৰু সামাজিক দিশৰ বিভিন্ন খবৰ বুৰঞ্জীখনত পোৱা যায়। তৃতীয়, অসমীয়া গদ্য পৰিক্রমাৰ এক নির্দিষ্ট ৰূপ বুৰঞ্জীখনে ধৰি ৰাখিছে। প্রকৃতার্থত *ত্রিপুৰা বুৰঞ্জী* এক ধৰণৰ ভ্রমণ কাহিনী। সেয়েহে ইয়াৰ বর্ণনাভংগীৰো কিছু স্বকীয় বৈশিষ্ট্য বিদ্যমান। সেইবাবেই কোৱা হয় — 'বুৰঞ্জী সাহিত্যৰ ভঁৰালত *ত্রিপুৰা বুৰঞ্জী* এটি আপুৰুগীয়া ৰত্ন।'

৭.৩.৪ মূল পাঠৰ বিষয়বস্তু

'ত্রিপুৰাত মদন পূজাৰ আড়ম্বৰ আৰু মোট খেলাৰ কৌতুক' পাঠটোত ত্রিপুৰাত অনুষ্ঠিত মদন পূজা আৰু মোট খেলা উৎসৱৰ বর্ণনা সন্নিৱিষ্ট হৈছে। পাঠটোৰ বিৱৰণ অনুসৰি ব'হাগৰ দহ দিন যাওঁতে কৃষ্ণত্রয়োদশী তিথিত মদন পূজাৰ অধিবাস অনুষ্ঠিত হ'ল। সেইদিনা সেই দেশৰ মানুহক যাক যি নিয়ম আৰু মানেৰে দিব লাগে সেই অনুসৰি বঁটা দিয়া কার্য সম্পন্ন কৰা হয়। অসমৰ পৰা যোৱা কটকীকো সন্মান কৰি সিংহাসনৰ ঘৰলৈ আনি কুহুম্বুলীয়া জামা, বোলোৱা পাগ, বোলোৱা

৭.৩.২ পাঠৰ উৎস

'ত্রিপুৰাত মদন পূজাৰ আড়ম্বৰ আৰু মোট খেলাৰ কৌতুক' পাঠটো *ত্রিপুৰা বুৰঞ্জী*ৰ অন্তর্গত। বুৰঞ্জীখনৰ তেইশ আৰু চব্বিশ সংখ্যক অধ্যায় দুটা লগ লগাই মহেশ্বৰ নেওগে গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতক পর্যায়ৰ বাবে প্রস্তুত কৰা *স্নাতকৰ কথাবন্ধ* নামৰ কিতাপখনত অন্তর্ভুক্ত কৰিছে। তাৰ পৰাই চয়ন কৰি আনি আপোনাৰ এই পাঠ্যবিষয়ত অন্তর্ভুক্ত কৰা হৈছে।

ইতিমধ্যে উল্লেখ কৰি আহিছোঁ যে আহোম ৰজাই নিজৰ শাসন কালত বিভিন্ন উদ্দেশ্য আগত ৰাখি কাষৰ ৰাজ্যসমূহলৈ কটকী পঠিয়াইছিল। এই কটকীসকলে দেখি-শুনি আহি নিজৰ অভিজ্ঞতাসমূহ লিপিবদ্ধ কৰি ৰাখিছিল আৰু কেতিয়াবা সেইসমূহ দেশৰ বিৱৰণ ৰজাক লিখিতভাৱে দাখিল কৰিছিল। এনেকৈয়ে একশ্রেণীৰ বুৰঞ্জী সৃষ্টি হৈছিল। "*ত্রিপুৰা বুৰঞ্জী*ও প্রকৃততে ৰত্ন কন্দলী আৰু অর্জুনদাস বৈৰাগী নামৰ দুজন কটকীৰ যুটীয়া প্রতিবেদন মাত্র।" বুৰঞ্জীৰ শ্রেণী অনুসৰি *ত্রিপুৰা বুৰঞ্জী* কটকী বুৰঞ্জী শ্রেণীত পৰে। স্বর্গদেউ ৰুদ্রসিংহই তেওঁৰ ৰাজত্বৰ সময়ত ৰত্নাকৰ কন্দলী আৰু অর্জুন দাস বৈৰাগী নামৰ দুজন কটকী ত্রিপুৰাৰ ৰজা ৰত্ন মাণিক্যৰ ওচৰলৈ পঠিয়াইছিল। আহোম ৰজা ৰুদ্রসিংহৰ প্রতিনিধি হিচাপে ১৭০৯ চনৰ পৰা ১৭১৫ চনৰ ভিতৰত কটকী দুজনে তিনিবাৰ বিভিন্ন উপলক্ষত ত্রিপুৰা ভ্রমণ কৰিছিল। তেওঁলোকে ত্রিপুৰাত নিজে দেখা আৰু আন ব্যক্তিৰ পৰা শুনা ঘটনা, দৃশ্য আদি লিপিবদ্ধ কৰি ৰাখিছিল। কটকী দুজনৰ প্রত্যক্ষ অভিজ্ঞতাসমৃদ্ধ এই বুৰঞ্জীখনৰ নাম আছিল *ত্রিপুৰা দেশৰ কথাৰ লেখা*। অর্থাৎ ত্রিপুৰা দেশৰ বিৱৰণ ইয়াত সন্নিৱিষ্ট হৈছিল। পুথিখন লিখিছিল ১৭২৪ খ্রীষ্টাব্দত। এই পুথিখনৰে হাতে লিখা মূল পাঠটো লণ্ডনৰ ব্রিটিছ মিউজিয়ামত সংৰক্ষিত হৈ আছে। সাঁচিপাতত লিখা এই পুথিখনত মুঠ ১৪৬ টা পাত আছিল। সূর্যকুমাৰ ভূঞাই ১৯৩৬ চনত ডº লায়নেল ডি. বার্ণেটৰ সহযোগত পুথিখনৰ পাঠ সংগ্রহ কৰি সম্পাদনা কৰে। ভূঞাৰ সম্পাদনাত পুথিখনৰ প্রথম প্রকাশ হয় ১৯৩৮ চনত। এই পুথিত মুঠ চল্লিশটা অধ্যায়ত ত্রিপুৰা দেশৰ বিভিন্ন কথা সন্নিৱিষ্ট হৈছে। অধ্যায়সমূহ হৈছে — মোগলৰ বিৰুদ্ধে স্বর্গদেউ ৰুদ্রসিংহৰ ৰণোদ্যম, অসম-ত্রিপুৰাৰ প্রীতি-সংস্থাপক আনন্দিৰাম মেধি, ত্রিপুৰা ৰজাৰ আগত অসমৰ কটকী, অসমত ত্রিপুৰাৰ কটকী, স্বর্গদেউ ৰুদ্রসিংহৰ সভাত ত্রিপুৰা কটকী, ত্রিপুৰা ৰজালৈ ৰুদ্রসিংহৰ ৰহস্য-পত্র, ত্রিপুৰা কটকীৰ বিদায়, ত্রিপুৰা কটকীৰ ৰংপুৰত দুর্গোৎসৱ দর্শন, ত্রিপুৰালৈ যোৱা পথৰ বিৱৰণ, ত্রিপুৰাত পুনৰ অসমৰ কটকী, ত্রিপুৰা ৰজাৰ কোঁঠৰ, নগৰৰ, দেশৰ লেখা, ত্রিপুৰা ৰজাৰ পূর্বপুৰুষৰ কথা, ত্রিপুৰা সিংহাসনত ৰত্নমাণিক্য ৰজা, যুৱৰাজ চম্পকৰায়ৰ হত্যা, ত্রিপুৰা ৰজাৰ দৈনিক কর্ম, ৰত্নমাণিক্যৰ বিৰুদ্ধে ঘনশ্যাম বৰঠাকুৰৰ ষড়যন্ত্র, ঘনশ্যাম আৰু মুৰাদ্‌বেগৰ সত্য-

৩.৩ কবি পৰিচয়

কলঙৰ নিজান পাৰত বহি যৌৱনৰ আৰতি কৰা কবি দেৱকান্ত বৰুৱা অসমীয়া ৰোমাণ্টিক কাব্য আন্দোলনৰ শেষৰ ফালৰ কবি। ৰোমাণ্টিক আৰু আধুনিক — এই দুই যুগৰ সন্ধিত ভৰি থৈ অসমীয়া কবিতাক অভিনৱত্ব প্রদান কৰা কবি দেৱকান্ত বৰুৱাৰ জন্ম হয় ১৯১৪ চনৰ ফেব্রুৱাৰী মাহৰ ২২ তাৰিখে। ডিব্রুগড় চহৰত জন্মলাভ কৰা কবিৰ পিতৃৰ নাম নীলকান্ত বৰুৱা আৰু মাতৃ স্বর্ণলতা বৰুৱা।

কবিৰ হাইস্কুলীয়া শিক্ষা আৰম্ভ হয় নগাঁও চৰকাৰী হাইস্কুলত। ১৯৩০ চনত তেওঁ এই স্কুলৰ পৰাই প্রৱেশিকা পৰীক্ষাত উত্তীর্ণ হয়। এই সময়তে তেওঁ দেশৰ স্বাধীনতা আন্দোলনত ভাগ লোৱাৰ অপৰাধত ছমাহ কাৰাদণ্ড আৰু ২০০ টকা জৰিমনাও ভৰিব লগা হৈছিল। ইয়াৰ পাছতেই তেওঁ উচ্চ শিক্ষাৰ বাবে ঢাপলি মেলে বাৰানসীলৈ। দেৱকান্ত বৰুৱাই ১৯৩৫ চনত 'বেনাৰছ হিন্দু বিশ্ববিদ্যালয়'ৰ পৰা স্নাতক উপাধি লাভ কৰে। দেৱকান্ত বৰুৱাই স্বাধীনতা সংগ্রামত সক্রিয় অংশগ্রহণ কৰাৰ বাবে কেইবাবাৰো কাৰাবাস খটাৰ লগতে জৰিমনাও ভৰিব লগা হৈছিল। ১৯৪৫ চনত তেওঁ 'অসম প্রদেশ কংগ্রেছ কমিটি'ৰ সহকাৰী সম্পাদক হিচাপে নির্বাচিত হৈ ১৯৫০ চনলৈকে কার্যনির্বাহ কৰে।

১৯২৯ চনত *আৰাহন* কাকতত কবি হিচাপে দেৱকান্ত বৰুৱাই আত্মপ্রকাশ কৰিছিল। বিভিন্ন কাকত-আলোচনীত প্রকাশিত কবিতাসমূহ একত্রিত কৰি ১৯৪৫ চনত *সাগৰ দেখিছা* নামেৰে প্রকাশ কৰে। এইখনেই তেওঁৰ একমাত্র কাব্য পুথি। ইন্দ্রিয়গ্রাহ্য বাস্তৱ অনুভূতিৰ প্রকাশ তেওঁৰ কবিতাৰ প্রধান বৈশিষ্ট্য। কল্পনাৰ ডেউকা মেলি আকাশত বনাই ফুৰা অসমীয়া কবিতাক সংযত ভাব, ভাষা আৰু কাব্যোপযোগী ছন্দসজ্জাৰে বাস্তৱৰ বুকুত গতি কৰিবলৈ তেৱেঁই দুৱাৰ মুকলি কৰি দিলে।

দেৱকান্ত বৰুৱা যৌৱনৰ কবি। প্রেম তেওঁৰ কাব্য-চিন্তাৰ মূল কেন্দ্রবিন্দু। *সাগৰ দেখিছা*ৰ প্রায় প্রতিটো কবিতাত এনে চিন্তাৰ পৰিস্ফু�ৰণ লক্ষ্য কৰা যায়। অৱশ্যে এই প্রেম ৰোমাণ্টিক কবিতাত সততে প্রকাশ পোৱা ইন্দ্রিয়াতীত প্রেম নহয়; ববং ই দেহজ প্রেমৰ বন্দনাৰে মুখৰিত। তেওঁ ৰোমাণ্টিক কবিতাৰ বিলাসী প্রেম-চিন্তা এৰি বাস্তৱৰ কঠিন চিন্তাৰে পৌৰুষদীপ্ত ইন্দ্রিয়জ প্রেমক মহীয়ান কৰিবলৈ বিচাৰিছে। প্রেমৰ এই নতুন অভিব্যক্তিক অধিক শক্তিশালী ৰূপত তুলি ধৰিবলৈ তেওঁ এক অপূর্ব কাব্যশৈলীও সৃষ্টি কৰি লৈছে। তেওঁ ইংৰাজ কবি ৰবার্ট ব্রাউনিঙৰ ***নাটকীয় একোক্তি*** (Dramatic Monologue)ৰ আৰ্হিৰে অসমীয়া কবিতাক নতুন মাত্রা প্রদান কৰিছে। সেইবাবেই কবি-সমালোচক মহেন্দ্র বৰাই এনেদৰে কৈছে— "দেৱকান্ত বৰুৱা 'তামসিক কবি'। এওঁৰ কবিতাত ইন্দ্রিয় প্রেমৰ সর্বোত্তম প্রকাশ ঘটিছে।" পাপ-পুণ্য আদি তথাকথিত সামাজিক অনুশাসন অস্বীকাৰ কৰি দেহজ প্রেমক অগ্রাধিকাৰ দিয়া এই নতুন কাব্য চিন্তাই কবিগৰাকীৰ সমসাময়িক কবিকুলকো সৃষ্টিৰ প্রেৰণা যোগাইছিল। এই প্রসংগত প্রাচ্যতত্ত্ববিদ মহেশ্বৰ নেওগৰ নিম্নোক্ত কথাখিনি প্রণিধানযোগ্য—



নাটকীয় একোক্তি ঃ নাটকীয় একোক্তি হ'ল এক ধৰণৰ দীঘলীয়া স্বগতোক্তি— য'ত প্রকাশ পায় মানুহৰ অন্তর্লোকৰ অভিব্যক্তি। ইংৰাজ কবি ৰবার্ট ব্রাউনিঙে এই অভিনৱ কাব্যৰূপটি আৰম্ভ কৰিছিল।

"ৰৰকাকতি আৰু ৰবার্ট ব্রাউনিঙৰ নাটকীয় স্বগত-উক্তিৰ প্রভাৱেৰে আৰম্ভ কৰি চতুর্থ দশকৰ কবি দেৱকান্ত বৰুৱাই প্রেমৰ কবিতাক গতানুগতিকতাৰ সুষিৰৰ পৰা তুলি ভাব গাঢ়, সামাজিক তাৎপর্য প্রযুক্ত কৰি তোলে। এই দশকৰ অন্তলৈ প্রেমৰ কবিতাৰ ধল চলিয়ে থাকে আৰু অনেক তৰুণ কবিয়ে তাত স্নান কৰে।"

দেৱকান্ত বৰুৱাই ১৯৪৬ চনত জ্যোতিপ্রসাদ আগৰৱালা আৰু অমিয় কুমাৰ দাসৰ পৰামর্শ মতে *দৈনিক অসমীয়া* কাকতৰ সম্পাদনাৰ ভাৰ গ্রহণ কৰি ১৯৪৭ চনলৈকে কার্যনির্বাহ কৰে। উল্লেখযোগ্য যে ১৯৪৬ চনত তেওঁ ভোলানাথ দাসৰ কনিষ্ঠ কন্যা প্রিয়লতাৰ সৈতে বিবাহ-পাশত আবদ্ধ হয়। *দৈনিক বাতৰি* কাকতখন বন্ধ হৈ যোৱাত ১৯৪৯ চনত তেওঁ ৰামধেনু প্রকাশ লিমিটেডৰ পৰা প্রকাশিত *নতুন অসমীয়া* কাকতৰ সম্পাদনাৰ গুৰুভাৰ গ্রহণ কৰে।

ইয়াৰ পাছৰে পৰা দেৱকান্ত বৰুৱাই সক্রিয়ভাৱে ৰাজনীতিত অংশগ্রহণ কৰে। ১৯৫০ চনত 'সর্বভাৰতীয় কংগ্রেছ সমিতি'ৰ সদস্য হিচাপে কার্যনির্বাহ কৰাৰ লগতে দুবছৰৰ বাবে পার্লিয়ামেণ্টৰ সদস্য হিচাপে কার্যনির্বাহ কৰে। ১৯৫২ চনত তেওঁ লোকসভাৰ সদস্য হিচাপে নির্বাচিত হয়। তেওঁ পিতৃভূমি অসমলৈ উভতি আহে ১৯৫৭ চনত। ১৯৫৭ চনৰ পৰা ১৯৫৯ চনলৈকে তেওঁ অসম বিধান সভাৰ অধ্যক্ষ হিচাপে অধিষ্ঠিত হয়। সেই বছৰতে তেওঁ গুৱাহাটী তেল শোধনাগাৰৰ অধ্যক্ষ হিচাপেও দায়িত্বভাৰ গ্রহণ কৰে। ১৯৬২-১৯৬৬ চনলৈকে অসমৰ 'শিক্ষা পর্যটন আৰু সমবায় দপ্তৰ'ৰ মন্ত্রী হিচাপে থকাৰ উপৰি 'ভাৰতীয় তেল নিগম'ৰ অধ্যক্ষ হিচাপেও দায়িত্বভাৰ গ্রহণ কৰিছিল। তেওঁ ১৯৭১ চনত বিহাৰৰ ৰাজ্যপাল হিচাপে মনোনীত হয়।

দেৱকান্ত বৰুৱাই ১৯৭৩ চনৰ পৰা ১৯৭৭ চনলৈ কেইবাবাৰো কেন্দ্রীয় মন্ত্রীসভালৈ নির্বাচিত হোৱাৰ লগতে ভাৰতীয় জাতীয় কংগ্রেছৰ সভাপতি হিচাপেও দায়িত্বভাৰ বহন কৰে। এইজনা মহান কবি তথা ৰাজনীতিজ্ঞ দেৱকান্ত বৰুৱাৰ ১৯৯৬ চনৰ জানুৱাৰী মাহৰ ৮ তাৰিখে নতুন দিল্লীৰ নিজা বাসভৱনত ইহলীলা সম্বৰণ ঘটে।



চিন্তা-চর্চা কৰক— ৩.১

দেৱকান্ত বৰুৱাৰ কাব্য-চিন্তাৰ বিষয়ে এটি টোকা প্রস্তুত কৰক।

.....

.....

.....

.....

.....

.....

.....

ৰজাসকলৰ ৰাজ্যপৰিচালনাৰ সৈতে জড়িত সকলো কথা বুৰঞ্জীকাৰে লিপিবদ্ধ কৰিছিল। কোন শকত কোন ঠাইত কি ঘটনা ঘটিছিল, কোনখন ৰণত ৰজাৰ জয় বা পৰাজয় হৈছিল, সৈন্যবল বা বিষয়াসকলৰ কার্যকলাপ কেনে আছিল এই সকলো কথা সেইসময়ত ৰচিত বুৰঞ্জীত অন্তর্ভুক্ত হৈ আছে। এইসমূহেই হৈছে আহোম যুগৰ বুৰঞ্জী। আনহাতে আহোম ৰজাসকলৰ চুবুৰীয়া কোচ, কছাৰী, জয়ন্তীয়া, চুতীয়া আদি ৰাজ্যৰ সৈতে সম্পর্ক কেনে ধৰণৰ আছিল বা সেইসকলৰ সৈতে কিদৰে যুদ্ধ-বিগ্রহ হৈছিল, মিত্রতাৰ সম্পর্ক কেনে আছিল এই সকলো কথাও বুৰঞ্জীকাৰে গুৰুত্ব সহকাৰে লিপিবদ্ধ কৰিছিল। কাষৰীয়া ৰাজ্যৰ সৈতে থকা সম্পর্কৰ তথ্যসম্বলিত এই বুৰঞ্জীসমূহকে পিছৰ সময়ত দাঁতিঅলীয়া বুৰঞ্জী আখ্যা দিয়া হৈছে। আনহাতে কেতিয়াবা কাষৰীয়া ৰাজ্যৰ বাহিৰেও দূৰ দেশৰ কথাও বুৰঞ্জীকাৰে শুনি-বুজি লিখি ৰাখিছিল। এইসমূহেই হৈছে অন্য ৰাজ্যৰ বুৰঞ্জী। আহোম ৰজাই বিভিন্ন উদ্দেশ্য আগত ৰাখি বিভিন্ন ঠাইলৈ কটকী পঠিয়াইছিল। সেই কটকীসকলে সেইবোৰ ঠাইত লাভ কৰা নিজৰ অভিজ্ঞতাৰ লগত তাত দেখা বা শুনা কথাবোৰ লিখিতভাৱে ৰজাক দাখিল কৰিছিল বা কেতিয়াবা নিজাকৈয়ে লিপিবদ্ধ কৰি ৰাখিছিল। এইধৰণে সৃষ্টি হোৱা বুৰঞ্জীয়ে হৈছে কটকী বুৰঞ্জী । আহোম ৰজাই ৰাজ্যৰ সুৰক্ষাৰ বাবে ৰাজ্যৰ সীমাত চকী পাতি দিছিল। এই চকীসমূহত হোৱা বিভিন্ন কার্যকলাপ আৰু আয়-ব্যয়ৰ হিচাপ ৰজাক জনাব লাগিছিল। চকীয়ালে দিয়া এই প্রতিবেদনসমূহত ভালেমান গুৰুত্বপূর্ণ তথ্য সন্নিৰিষ্ট হৈছিল। এইসমূহকে চকীয়ালৰ বুৰঞ্জী আখ্যা দিয়া হৈছে। চাং-ৰুং ফুকনে ৰজাৰ কাৰেং, আলি-পদুলি, মৈদাম, মঠ-মন্দিৰ আদি নির্মাণ কৰিছিল।এই নির্মাণসমূহত হোৱা খৰচ-পাতিৰ হিচাপো তেওঁ লিপিবদ্ধ কৰি ৰাখিছিল। এইসমূহক চাং-ৰুং ফুকনৰ বুৰঞ্জী বুলি কোৱা হয়। আহোম যুগত ৰচিত এই সকলো বুৰঞ্জীয়েই বিভিন্ন দিশৰ বিভিন্ন গুৰুত্বপূর্ণ তথ্যৰ ভঁৰাল। সেয়েহে সকলো শ্রেণীৰ বুৰঞ্জীৰে মূল্য যথেষ্ট।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ অসমত বুৰঞ্জী লিখা পৰম্পৰা কেতিয়াৰ পৰা আৰম্ভ হয়?

.....

প্রশ্ন নং ২ ঃ বুৰঞ্জীসমূহক লীলা গগৈয়ে কেইটা আৰু কি কি শ্রেণী বা প্রকাৰত বিভাজিত কৰিছে?

.....

.....

তেওঁলোকে প্ৰথমে টাই ভাষাত বুৰঞ্জী লিখা পৰম্পৰা আৰম্ভ কৰে আৰু পাছলৈ অসমীয়াতো বুৰঞ্জী লিখোৱায়। ষোড়শ শতিকাৰ আগভাগৰ পৰাই অসমত বুৰঞ্জী লিখাৰ ৰীতি আৰম্ভ হৈছিল। ওঠৰশ শতিকাত বুৰঞ্জী সাহিত্যৰ বিস্তাৰ ঘটে। আহোমসকলৰ মাজত বুৰঞ্জী লিখা পৰম্পৰাক অতি গুৰুত্বপূৰ্ণ বুলি ভবা হৈছিল। সেয়েহে অনেকেই ৰজাঘৰৰ উপৰি ৰাজবিষয়াৰ বংশৰ ভালেমান কথা লিপিবদ্ধ কৰি গৈছিল। ৰজাঘৰত বুৰঞ্জী লিখাৰ বাবে সুকীয়া বিষয়া নিয়োগ কৰিছিল। প্ৰথমে এই কাম কৰিছিল চিৰিং খেলৰ মানুহে। টাই ভাষাত লিখা এই বুৰঞ্জীৰ কাম পৰিচালনা কৰিবলৈ চিৰিং ফুকন আৰু বৰচিৰিং বৰুৱা নামৰ দুজন বিষয়া নিয়োগ কৰা হৈছিল। পাছলৈ অসমীয়া ভাষাত লিখা বুৰঞ্জী নকল কৰিবলৈ লেখাৰু খেলৰ মানুহ নিয়োগ কৰিছিল। লেখকৰ বৰুৱা নামৰ বিষয়াই এই কাম পৰিচালনা কৰিছিল। কাকতী, কটকী, মজিন্দাৰ বৰুৱা আৰু আন বিষয়াসকলে এই কামত বিভিন্ন ধৰণে সহায় কৰিছিল। পৰৱৰ্তী সময়ত বুৰঞ্জীৰ তথ্যৰ শুদ্ধ ৰূপ আৰু নিৰ্ভৰযোগ্যতাৰ ওপৰত গুৰুত্ব দি বুৰঞ্জী ৰচনাৰ তত্ত্বাৱধানৰ দায়িত্ব ৰাজমন্ত্ৰীৰ ওপৰত দিয়া হৈছিল। বুঢ়াগোহাঁই, বৰগোহাঁই আৰু বৰপাত্ৰ গোহাঁই এই তিনিজন ডাঙৰীয়াৰ যাকে ৰাজমন্ত্ৰীৰ দায়িত্ব দিছিল তেৱেই বুৰঞ্জী ৰচনা কামৰ তত্ত্বাৱধান কৰিছিল। ৰাজেশ্বৰ সিংহৰ দিনৰ পৰা বুৰঞ্জী ৰচনাৰ দায়িত্ব ৰাজমন্ত্ৰীৰ হাতৰ পৰা বৰবৰুৱাৰ হাতলৈ যায়।

আমি ইতিমধ্যেই উল্লেখ কৰি আহিছোঁ যে সূর্যকুমাৰ ভূঞাই অসমীয়া বুৰঞ্জী সাহিত্যক প্ৰধানকৈ তিনিটা ভাগত ভাগ কৰি দেখুৱাইছে — (ক) ৰজা ভগদত্তৰ দিনৰ পৰা আহোম-ৰাজত্বৰ আৰম্ভলৈকে কামৰূপত ৰাজত্ব কৰা হিন্দু ৰজাসকলৰ ঘটনাৱলী, (খ) ১২২৮ খ্ৰীষ্টাব্দৰ পৰা আহোম ৰাজত্বৰ শেষলৈকে অসমত ৰাজত্ব কৰা আহোম ৰজাসকলৰ ঘটনাৱলী আৰু (গ) অসমৰ বাহিৰৰ আন কিছুমান দেশৰ ঘটনাৱলী।

এই তিনিশ্ৰেণীৰ ভিতৰত আহোম ৰাজত্বৰ বুৰঞ্জী সাহিত্য অতি সমৃদ্ধিশালী। বুৰঞ্জী সাহিত্যৰ পণ্ডিত লীলা গগৈয়ে আহোম যুগৰ বুৰঞ্জীসমূহক ইয়াৰ বিষয়বস্তু লক্ষ্য কৰি কেইটামান বেলেগ ভাগত শ্ৰেণীবদ্ধ কৰি দেখুৱাইছে — (ক) প্ৰাক্-আহোম যুগৰ বুৰঞ্জী, (খ) আহোম যুগৰ বুৰঞ্জী, (গ) দাঁতিঅলীয়া বুৰঞ্জী, (ঘ) অন্য ৰাজ্যৰ বুৰঞ্জী, (ঙ) কটকী বুৰঞ্জী, (চ) চকীয়ালৰ বুৰঞ্জী আৰু (ছ) চাং-ৰুং ফুকনৰ বুৰঞ্জী।

প্ৰাক্-আহোমযুগীয় অসমত ৰজাসকলে নিজৰ বংশ পৰম্পৰাৰ তথ্য বিভিন্ন মাধ্যমেৰে লিখিতভাৱে সংৰক্ষণ কৰিছিল। শিলৰ ফলি, তাম্ৰপত্ৰ আদিত এনে তথ্য সংৰক্ষিত হৈছিল। সেয়া বুৰঞ্জী নহ'লেও বুৰঞ্জীৰ সমল তাতেই অন্তৰ্ভুক্ত হৈ আছিল। এই সমলকে আধাৰ কৰি তাত মুখ পৰম্পৰা মতে শুনা অনেক কথা বা কিংবদন্তি আদি সংমিশ্ৰণ কৰি আহোম যুগৰ বুৰঞ্জীকাৰসকলে প্ৰাচীন কামৰূপৰ বুৰঞ্জী ৰচনা কৰিছিল। এই বুৰঞ্জীসমূহকে প্ৰাক্-আহোম যুগৰ বুৰঞ্জী হিচাপে জনা যায়। আহোম ৰাজত্বৰ সময়ৰ



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ কোনখন কাকতৰ জৰিয়তে কবি হিচাপে দেৱকান্ত বৰুৱাই আত্মপ্ৰকাশ কৰিছিল?

.....

প্ৰশ্ন নং ২ ঃ শুদ্ধ নে অশুদ্ধ নিৰ্ণয় কৰক —

ক) দেৱকান্ত বৰুৱাৰ কবিতাত নাটকীয় একোক্তিৰ আৰ্হি লক্ষ্য কৰা যায়।

খ) দেৱকান্ত বৰুৱাই *দৈনিক অসমীয়া* কাকতৰ সম্পাদনাৰ ভাৰো গ্ৰহণ কৰিছিল।

গ) দেৱকান্ত বৰুৱাই ৰোমাণ্টিক কবিতাৰ বিলাসী প্ৰেম-চিন্তাতে মত্ত আছিল।

ঘ) বিহাৰৰ ৰাজ্যপাল হিচাপে মনোনীত হৈছিল দেৱকান্ত বৰুৱা।

.....

৩.৪ 'মনোৰমা' কবিতাটিৰ পাঠ

চকুত তোমাৰ সপোনৰ মায়া
মুখত জোনৰ বিমল ছাঁ,
নিশাহত যেন কোমল ঘাঁহৰ
সুৰভিৰে পূৰ মৃদুল বা।
ক'লা চুলিটাৰি, কোনে সানি দিলে
আঁউসী নিশাৰ সুষমা তাত?
কেতিয়া শিকালে কপৌৰেনো তাৰ
মন কিবা কৰা উৰুঙা মাত?
আগ বাৰিষাৰ বা ৰিৱ্ৰিৱ্
বতাহৰ দৰে তোমাৰ হাঁহি,
উলাহতে তাৰ নাচিছে কলং
বিহ মেটেকাই মেলিছে পাহি।
দহোটি আঙুলি চঁপাকলি হেন,
পদুমৰ ঠাৰি দুখনি হাত,
ছুই দোৰপতি থৰক্ বৰক্,
তত্ নাইকিয়া মাকোৰ গাত!
নিপোটল বুকু, লাটুমণি ওঁঠ,
দুয়ো পাৰি দাঁত ডালিম-গুটি;
মৰুময় মোৰ পৃথিৱীত সখী,
তুমি কবিতাৰ একেটি সুঁতি।

৩.৫ 'মনোৰমা' কবিতাটিৰ আলোচনা

'মনোৰমা' দেৱকান্ত বৰুৱাৰ একমাত্ৰ কাব্য সংকলন *সাগৰ দেখিছোঁ*ৰ অন্তৰ্গত এটি উৎকৃষ্ট কবিতা। সংকলনটিৰ অন্যান্য কেইটিমান কবিতাৰ দৰে এই কবিতাটিৰো মূল বিষয়বস্তু হৈছে দেহজ বা ইন্দ্ৰিয়গ্ৰাহ্য প্ৰেমৰ বন্দনা। তলত এই কবিতাটিৰ বিষয়ে বহলাই আলোচনা কৰা হ'ল।

৩.৫.১ বিষয়বস্তু

আলোচ্য কবিতাটিৰ শিৰোনামটিয়েই আমাক সকীয়াই দিয়ে পার্থিৱ প্ৰেমৰ সাধক এইগৰাকী কবিৰ কাব্য-চিন্তাত নাৰীৰ প্ৰেমৰ মূল্যায়ন কেনে হ'ব পাৰে! মন কৰিবলগীয়া যে কবিতাটিৰ নামকৰণৰ বাহিৰে পাঠৰ ভিতৰত আন ক'তো প্ৰেয়সীৰ নামোল্লেখ পাবলৈ নাই। কবিগৰাকীৰ কাব্য-সৃষ্টিৰ অন্তৰালত ফল্গুৰ দৰে প্ৰৱহমান প্ৰেমৰ যি শক্তি তেৱেঁই মনোৰমা। প্ৰেমৰ অপাৰ শক্তিৰে মহিমামণ্ডিত এই মনোৰমা কবিৰ কাংক্ষিত প্ৰেয়সী।

কুৰিটা শাৰীযুক্ত এই কবিতাটিত মাত্ৰ পাঁচোটা স্তৱকৰ জৰিয়তে কবিয়ে বাছকবনীয়া শব্দ-চয়ন আৰু সাৱলীল ভংগীৰে ভাববস্তুৰ ৰূপায়ণ কৰিছে। প্ৰথম স্তৱকটিত থিয় কৰাইছে এক নাৰীৰ প্ৰতিমূৰ্তি যাৰ দুচকুত ভৰি আছে সপোনৰ আৱেশ। জোনাকৰ সমস্ত কমনীয়তাই আৱৰি ৰাখিছে তেওঁৰ মুখমণ্ডল। তেওঁৰ নিশাহত যেন উপচি পৰিছে নতুনকৈ গজা ঘাঁহৰ সু�ৰভি ভৰা মৃদু বতাহৰ বা।

কবিতাটিৰ দ্বিতীয় স্তৱকটিত অংকিত হৈছে প্ৰেয়সীৰ দৈহিক সৌন্দৰ্যৰ আন এক মনোৰম ছবি। তেওঁৰ ক'লা চুলিকোছাত যেন কোনোবাই আঁউসীৰ অন্ধকাৰৰ বোল সানি থৈছে। পূৰ্ণ যৌৱনা এই ৰূপহীৰ কণ্ঠত বাজিছে মন উৰুঙা কৰা কপৌ চৰাইৰ ৰিঙণিৰ মধুৰ সুৰ। তৃতীয় স্তৱকটিতো কবি প্ৰকৃতিৰ কাষলৈকে আগবাঢ়ি গৈছে। ইয়াত জিলিকি উঠিছে আগবাৰিষাৰ ৰিৱ্‌ৰিৱ্‌ বতাহৰ দৰে হাঁহোঁ হাঁহোঁ কৰি থকা প্ৰেয়সীৰ মুখমণ্ডলৰ দীপ্তি। সেই হাঁহিত আছে অফুৰন্ত শক্তি আৰু প্ৰত্যয়। সেইবাবেই সেই হাঁহিৰ উলাহত কঁপি উঠিছে কলঙৰ জলৰাশি। প্ৰস্ফুটিত হৈছে পানীৰ বুকু আৱৰি থকা ঈষৎ ৰঙুনীয়া ৰৱণৰ পানীমেটেকা ফুলৰ পাহিবোৰ।

কবিৰ প্ৰেয়সী এগৰাকী কৰ্মনিপুণা পাকৈত অসমীয়া শিপিনী। তাৰ আভাস কবিতাটিৰ চতুৰ্থ স্তৱকটিত পোৱা যায়। প্ৰেয়সীৰ পদুমৰ ঠাৰিৰ দৰে লাৱনী দুহাতৰ চঁপা-কলি হেন দহো আঙুলিৰ যাদুকৰী পৰশত তাঁতৰ শালৰ দোৱপতি নাচিছে। মাকোটিৰ গাত যেন তত্ নাইকিয়া হৈছে।

কবিতাটিৰ পঞ্চম তথা অন্তিম স্তৱকটিত জিলিকি উঠিছে অসমৰ প্ৰকৃতি তথা জীৱন-চৰ্যাৰ সকলো উপকৰণেৰে পৰিপূৰ্ণ কবি-প্ৰিয়াৰ এখনি মনোমোহা ছবি। কবিয়ে অন্তৰৰ সমস্ত আৱেগ ঢালি নিপোটল বুকু, লাটুমণি ওঁঠ আৰু ডালিমগুটীয়া দাঁতেৰে

কৰা হয়। কিন্তু অসমৰ সেমেকা জলবায়ু, বানপানী, পোক-পৰুৱাৰ উৎপাত, মোগল আৰু মান-মৰাণৰ আক্ৰমণত অনেক বুৰঞ্জী চিৰদিনৰ বাবে লোপ পালে। তদুপৰি, কীৰ্তিচন্দ্ৰ বৰুৱাৰ বুৰঞ্জীদাহ এটি বুৰঞ্জী প্ৰসিদ্ধ দুৰ্ঘটনা। এতিয়ালৈকে মাত্ৰ ডেৰশখনমান বুৰঞ্জী উদ্ধাৰ হৈছে আৰু সেইবোৰ অসমৰ কেইবাটাও বিদ্যায়তনিক অনুষ্ঠানত সংৰক্ষিত হৈছে। বুৰঞ্জীবিদ সূর্যকুমাৰ ভূঞাই বিষয়বস্তুৰ আধাৰত বুৰঞ্জীসমূহক তিনিটা শ্ৰেণীত ভাগ কৰিছিল — ৰজা ভগদত্তৰ দিনৰে পৰা আহোম ৰাজত্বৰ আৰম্ভণিলৈ প্ৰাচীন কামৰূপৰ হিন্দু ৰজাসকলৰ অসংলগ্ন ইতিহাস, আহোম ৰাজত্বৰ আৰম্ভণিৰে পৰা, অৰ্থাৎ ১২২৮ খ্ৰীঃৰ পৰা তেওঁলোকৰ ৰাজত্বৰ শেষ কাললৈকে বা ১৮৩৮ খ্ৰীঃ বা তাৰো পাছলৈকে থকা আহোম ৰাজ্যৰ বুৰঞ্জী আৰু অসমৰ বাহিৰে ওচৰ-চুবুৰীয়া অন্য দেশৰ বুৰঞ্জী।

আমাৰ আলোচ্য অধ্যায়টো ওচৰ-চুবুৰীয়া অন্য দেশৰ বুৰঞ্জীৰ অন্তৰ্গত। অৱশ্যে বেলেগ বেলেগ পণ্ডিতে তাৰ শ্ৰেণী বিভাজন বেলেগভাৱেও কৰিছে। তলত সেই বিষয়েও উল্লেখ কৰি বুৰঞ্জী সাহিত্যৰ বিষয়ে চমুকৈ আলোচনা কৰা যাব। আমাৰ আলোচ্য পাঠটিৰ বিষয়বস্তু সম্পৰ্কে বহলাই আলোচনা দাঙি ধৰি বুৰঞ্জীৰ গদ্যৰীতিৰ আধাৰত বহলাই উদাহৰণসহ আলোচনা কৰা যাব। অধ্যায়টোৰ অধ্যয়নে আপোনাক পাঠটিৰ বিভিন্ন দিশৰ লগত পৰিচয় কৰাই দিব।

৭.৩ ত্রিপুৰাত মদন পূজাৰ আড়ম্বৰ আৰু মোট খেলাৰ কৌতুক

মূল পাঠৰ বিষয়ে আলোচনাত প্ৰবৃত্ত হোৱাৰ আগতে আমি বুৰঞ্জী মানে কি, ইয়াৰ কেনেদৰে উদ্ভৱ আৰু বিকাশ সাধন হ'ল সেই বিষয়ে চমুকৈ আলোচনা কৰিব বিচাৰিছোঁ। 'বুৰঞ্জী' এটা টাইমূলীয় শব্দ। সূর্যকুমাৰ ভূঞাৰ মতে 'বুৰঞ্জী মানে হৈছে মূৰ্খৰ শিক্ষাৰ ভঁৰাল।' টাইসকলে বুৰঞ্জীৰ সমানেই 'বু-লান্-চি', 'পু-লান্-চি' আৰু 'বু-লান্-জী' শব্দকেইটাও ব্যৱহাৰ কৰিছিল। 'বু-লান-চি' মানে পুৰণি কালৰ নজনা নথিপত্ৰ। 'বু-লান্-জী' মানে একো নজনা নাতি-পুতিলৈ থৈ যোৱা কাকত-পত্ৰৰ ভঁৰাল। 'পু-লান্-চি' মানে ককাদেউতাকে নাতি-পুতিলৈ থৈ যোৱা কাকত-পত্ৰ। গতিকে দেখা গৈছে যে এই তিনিওটা শব্দ প্ৰায় সমাৰ্থক। অসমীয়া ভাষাত বুৰঞ্জী শব্দৰ সমাৰ্থক হিচাপে সমান্তৰালভাৱে ইতিহাস শব্দও ব্যৱহাৰ কৰা হয়। কিন্তু ইংৰাজী ভাষাত বুৰঞ্জীধর্মী ৰচনাক বুজাবৰ বাবে Chronicle, Annals আৰু History এই তিনিটা শব্দ আছে। অৱশ্যে তিনিওটা শব্দৰ মাজত সূক্ষ্ম পার্থক্যও বিদ্যমান।

৭.৩.১ বুৰঞ্জী সাহিত্যৰ উদ্ভৱ আৰু বিকাশ

আহোমসকলে অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিলৈ যিসমূহ অৱদান আগবঢ়াই থৈ গৈছে তাৰ ভিতৰত বুৰঞ্জী সাহিত্যৰ নামেই প্ৰথমে উল্লেখ কৰিব পাৰি। "বুৰঞ্জী আৰু সাহিত্যৰ এনে অপূৰ্ব ত্ৰিবেণী সঙ্গম ব্ৰিটিছৰ পূৰ্বযুগৰ কোনো ভাৰতীয় প্ৰাদেশিক সাহিত্যতে দেখিবলৈ পোৱা নাযায়" বুলি সূর্যকুমাৰ ভূঞাই বুৰঞ্জী সাহিত্যৰ বিষয়ে আগবঢ়োৱা মন্তব্যয়ো অসমীয়া বুৰঞ্জী সাহিত্যৰ একক মূল্যকেই প্ৰতিপন্ন কৰিছে।

অধ্যায় ৭ ঃ ত্রিপুৰাত মদন পূজাৰ আড়ম্বৰ আৰু মোট খেলাৰ কৌতুক

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য

৭.২ পৰিচয়

৭.৩ ত্রিপুৰাত মদন পূজাৰ আড়ম্বৰ আৰু মোট খেলাৰ কৌতুক

৭.৩.১ বুৰঞ্জী সাহিত্যৰ উদ্ভৱ আৰু বিকাশ

৭.৩.২ পাঠটিৰ উৎস

৭.৩.৩ অসমীয়া বুৰঞ্জী সাহিত্যৰ ইতিহাসত ত্রিপুৰা-বুৰঞ্জীৰ গুৰুত্ব আৰু স্থান

৭.৩.৪ মূল পাঠৰ বিষয়বস্তু

৭.৩.৫ পাঠৰ অন্তর্গত বিষয়বস্তুৰ পৰিচয়

৭.৩.৬ গদ্যৰীতি

৭.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৭.৫ অধিক জানিবলৈ

৭.৬ অগ্রগতিৰ খতিয়ান

৭.৭ আৰ্হি প্রশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া বুৰঞ্জী সাহিত্যৰ ইতিহাসত 'ত্রিপুৰা-বুৰঞ্জী'ৰ গুৰুত্ব সম্পর্কে এটা আভাস পাব
- 'ত্রিপুৰা-বুৰঞ্জী'ৰ বিষয়বস্তুকে ধৰি বিভিন্ন দিশৰ বিষয়ে জানিব পাৰিব
- বুৰঞ্জীৰ আধাৰত ত্রিপুৰাৰ সমাজ আৰু সাংস্কৃতিক ঐতিহ্যৰ আভাস পাব
- বুৰঞ্জীৰ গদ্যৰ বিষয়ে জানিব পাৰিব।

৭.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টিত আপুনি চৰিত পুথিৰ এটি গদ্য পাঠ অধ্যয়ন কৰিলে। এই অধ্যায়টিত *ত্রিপুৰা-বুৰঞ্জী*ৰ অন্তর্গত 'ত্রিপুৰাত মদন পূজাৰ আড়ম্বৰ আৰু মোট খেলাৰ কৌতুক' শীর্ষক পাঠটোৰ এক সম্যক আলোচনা দাঙি ধৰা হ'ব। ইতিমধ্যে উল্লেখ কৰা হৈছে যে এই পাঠটি আহোম ৰাজত্ব কালত ৰচিত বুৰঞ্জীসমূহৰ অন্যতম *ত্রিপুৰা-বুৰঞ্জী*ৰ পৰা আহৰিত।

আপুনি নিশ্চয় জানে যে আহোম যুগত হাজাৰৰো অধিক বুৰঞ্জী ৰচনা হৈছিল বুলি অনুমান

পূর্ণ যৌৱনা এই প্রেয়সীক 'সখী' সম্বোধনেৰে তেওঁৰ মৰুময় জীৱনলৈ আমন্ত্রণ জনাইছে। হৃদয় মৰুক জীপাল কৰি তুলিব পৰা একমাত্র সম্পদ হৈছে নাৰী-প্রেম। এই প্রেম কবিয়ে আৱিষ্কাৰ কৰিছে প্রেয়সীৰ দৈহিক সৌন্দর্যৰ মাজত। জীৱনক প্রাণময় কৰি তোলাৰ আৰু নিজৰ সৃষ্টিকর্মক প্রেমৰ অনুপ্রেৰণাৰে প্রৱহমান কৰি ৰখাৰ বাবে কবিয়ে কবিতাটিৰ অন্তিম চৰণত 'তুমি কবিতাৰ একেটি সুঁতি' বুলি অকপট স্বীকাৰোক্তি দিছে। কবিতাটিৰ সাৰমর্ম তথা মহত্ত্বও ইয়াতে লুকাই আছে।

৩.৫.২ সাধাৰণ আলোচনা

দেৱকান্ত বৰুৱাৰ উৎকৃষ্ট কবিতাসমূহৰ ভিতৰত 'মনোৰমা' অন্যতম। ৰোমাণ্টিক আৰু আধুনিক এই দুয়োটা যুগৰ দোমোজাত কাব্য সাধনাত ব্রতী হোৱা এইগৰাকী কবিক একে আষাৰে দেহজ প্রেমৰ কবি তথা যৌৱনৰ উপাসক আখ্যা দিব পাৰি। আলোচ্য কবিতাটিতো কবিয়ে একান্ত ব্যক্তিগত প্রেমক বিশেষ মর্যাদা সহকাৰে গ্রহণ কৰা পৰিলক্ষিত হয়। 'মনোৰমা' পার্থিৱ প্রেমৰ অমৃত নিজৰা, কবিৰ কাব্যচিন্তাৰ মূল সুঁতি, প্রেৰণাৰ সিন্ধু। কবিতাটিৰ নামকৰণেই সেই কথাৰ ইংগিত বহন কৰে। কবিৰ ঐহিক জীৱনক কোলাৰ কেঁচুৱাৰ দৰে আৱৰি ৰাখিছে এইগৰাকী কল্পনাৰ প্রেয়সীয়ে।

ৰোমাণ্টিক কবিয়ে প্রেয়সীৰ দেহত প্রকৃতিৰ সমস্ত ৰূপৰ প্রতিফলন দেখাৰ দৰে দেৱকান্ত বৰুৱাৰ 'মনোৰমা'ও প্রকৃতিৰ মনোমোহা সৌন্দর্যৰে ৰঞ্জিতা হৈ উঠিছে। অৱশ্যে কবিৰ এই প্রেয়সী কেৱল প্রকৃতিৰ জীয়ৰী নহয়; ৰৱং এওঁ তেজ-মাঙহৰ ৰূপহী গাভৰু। সেই বাবেই ৰূপহী মনোৰমাৰ দুচকুত জলমলাই আছে অলেখ সপোন। স্বপ্নবিহীন জীৱন জড়। তাৰ কোনো মূল্য নাই। কবিৰ আশা আছে, বাসনা আছে। সেই আশাই তেওঁক অহৰহ প্রেৰণা যোগাই আছে। তেওঁ কল্পনাৰ প্রেয়সীৰ দুচকুত দেখিছে সপোনৰ মায়াময় আৱেশ। সপোনৰ মায়াজালেৰে পৰিব্যাপ্ত প্রেয়সীৰ মুখাবয়ৱৰ অপৰূপ কান্তিক অধিক মায়াময় কৰি তুলিছে জোনাকৰ ছায়াঘন সৌন্দর্যই। ইয়াত কোনো যন্ত্রণা নাই, উগ্রতা নাই। নতুনকৈ গজালি মেলা ঘাঁহৰ সুবাস ভৰা মৃদু বতাহৰ দৰে প্রেয়সীৰ নিশ্বাসৰ কল্পনা অসমীয়া কাব্য-সাহিত্যত অভিনৱই নহয়, দুর্লভো। আঁউসীৰ অন্ধকাৰৰ সুযমাৰে ভৰা ঘন ক'লা চুলিৰে মোহময়ী হৈ উঠা প্রেয়সীৰ কণ্ঠত কবিয়ে শুনিছে কপৌৰ ৰুণত বাজি উঠা উৰুঙা উৰুঙা লগা ৰিঙণিৰ সুৰ —

ক'লা চুলিটাৰি, কোনে সানি দিলে
আঁউসী নিশাৰ সুষমা তাত?
কেতিয়া শিকালে কপৌৰেনো তাৰ
মন কিবা কৰা উৰুঙা মাত?

পোনে পোনে কৈ নিদিলেও, ইয়াৰ মাজেৰে প্রকাশ পাইছে প্রেয়সীৰ স'তে মিলনোন্মুখ যৌৱনৰ দৈহিক অনুভূতি।

প্ৰকৃতিৰ স'তে কবিৰ আত্মীয়তা অতি নিবিড়। সেয়েহে তেওঁৰ মানসপটত ভাহি উঠিছে আগ বাৰিষাৰ ৰিব্ ৰিব্ বতাহৰ দৰে হাঁহোঁ হাঁহোঁ কৰি থকা প্ৰেয়সীৰ মুখমণ্ডলৰ দীপ্তি। সেই হাঁহিৰ উলাহত কঁপি উঠিছে কলঙৰ জলৰাশি। কলং নৈ আৱৰি থকা পানী মেটেকাৰ গাত সেই মনোৰম হাঁহিয়ে যেন ঈষৎ বেঙুনীয়া ৰঙৰ ফুলৰ পাহি মেল খুৱাইছে। কাৰ্য-কাৰণৰ সম্পৰ্ক অৰ্থাৎ কলঙৰ বুকুত তোলা কঁপনি আৰু তাৰ উলাহত প্ৰস্ফুটিত হোৱা মেটেকা ফুলৰ মূল কাৰণ প্ৰেয়সীৰ হাঁহি— এই দুয়োৰে সম্বন্ধ স্থাপনত কবি সফল হোৱাই নহয়, ই কবিতাটিক অনুপম সৌন্দৰ্যও দান কৰিছে। কবিৰ প্ৰেয়সীৰ দুহাত পদুমৰ ঠাৰিৰ দৰে মসৃণ। দহো আঙুলি চম্পা-কলিৰ দৰে। প্ৰাকৃতিক সম্পদৰ সৈতে প্ৰেয়সীৰ দৈহিক অংগৰ তুলনা সাৰ্থক কবিৰ পক্ষেহে সম্ভৱ। কবিয়ে কিন্তু সেই দুহাতক কেৱল সৌন্দৰ্যৰ আকৰ কৰিয়েই এৰা নাই। তেওঁৰ প্ৰেয়সী একে সময়তে কৰ্ম-নিপুণা। অন্যান্য অসমীয়া গাভৰুৰ দৰে কবি-প্ৰেয়সীও এগৰাকী পাকৈত শিপিনী। তেওঁৰ যাদুকৰী হাতৰ স্পৰ্শত দোৱপতি থৰক-বৰকৈ কঁপে, জাকিৰ মাজেৰে তড়িৎ গতিৰে অহা-যোৱা কৰে তত্ নাইকিয়া মাকো।

দহোটি আঙুলি চঁপাকলি হেন,
পদুমৰ ঠাৰি দুখনি হাত,
ছুই দোৱপতি থৰক্ বৰক্,
তত্ নাইকিয়া মাকোৰ গাত !

কবিয়ে এনেদৰে প্ৰেয়সীৰ ৰূপ বৰ্ণনাৰ লগে লগে অসমীয়া লোকজীৱনৰ অনুপম চিত্ৰৰ অংকনেৰে কবিতাটিক স্বাভাৱিক সৌন্দৰ্যও প্ৰদান কৰিছে। অসমৰ প্ৰকৃতি, অসমৰ লোকসাংস্কৃতিক জীৱন-চৰ্যাৰ বুকুৰ পৰা আহৰিত সৌন্দৰ্যৰ আভৰণেৰে সজাই-পৰাই তোলা কবিৰ এই কাল্পনিক প্ৰেয়সীগৰাকীৰ যৌৱনৰ মৌবনত থূপ খাই আছে অসমৰ বোকামাটিৰ সুগন্ধ। লাটুমণি গুটি আৰু ডালিমৰ গুটিৰ ৰং-ৰূপ অসমীয়া গ্ৰাম্য জীৱনৰ নিচেই চিনাকি। কবিৰ কাব্য-চিন্তাই প্ৰকৃতিৰ এই স্বাভাৱিক সৌন্দৰ্যক সুষমামণ্ডিত কৰি তুলিছে। আন্তৰিক অনুভূতিৰ গভীৰতাৰ বাবেই ঐহিক জীৱনৰ সমস্ত আৱেগেৰে 'নিপোটল বুকু', 'লাটুমণি ওঁঠ', ডালিমৰ গুটিৰ দৰে দুপাৰি দাঁতৰ গৰাকী সৌন্দৰ্যময়ী প্ৰেয়সীক কবিয়ে 'সখী' সম্বোধনেৰে তেওঁৰ মৰুময় জীৱনলৈ আহ্বান জনাইছে। কবিতাটিৰ অন্তিম চৰণত কবিয়ে আমাক স্পষ্টভাৱে জনাই দিছে যে তেওঁৰ জীৱন মৰুভূমিৰ দৰে উকা, উত্তপ্ত। তাত সম্ভাৱনা আছে, কিন্তু প্ৰেৰণা নাই, উদ্গনি নাই। নিজৰ সৃষ্টিকৰ্মক নিৰলস গতিৰে চিৰ প্ৰৱহমান কৰি ৰখাৰ আকাংক্ষাৰে, মৰুময় জীৱনক জীপাল কৰি তোলাৰ আশাৰে কবিতাটিৰ শেষত কবিয়ে 'তুমি কবিতাৰ একেটি সুঁতি' বুলি নিষ্পাপ স্বীকাৰোক্তি দিছে। ইয়াতে লুকাই আছে কবিতাটিৰ সাৰমৰ্ম —

নিপোটল বুকু, লাটুমণি ওঁঠ,
দুয়ো পাৰি দাঁত ডালিম-গুটি;

প্ৰশ্ন ২ ঃ শুদ্ধ নে অশুদ্ধ নিৰ্ণয় কৰক—

ক) মাধৱদেৱ প্ৰথমতে নিবৃত্তি পন্থাৰ প্ৰবক্তা আছিল।

খ) যুক্তিয়েই আছিল মাধৱ পুৰুষৰ ব্যক্তিত্বৰ মূল আধাৰ।

গ) এই পাঠটিৰ মতে মণি শংকৰদেৱ আৰু কাঞ্চন মাধৱদেৱ।

খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰক—

(ক) ৰাজাৰ হেঙ্গদান পাত্ৰৰ কি।

(খ) বাপু সূৰ্য্যক কুহলিএ ঢকাদি অগ্নিক ভস্মে ঢকাদি ঢাকিছিল ঃ তোম্ৰাহ্ৰে চক্ষুৰ পতাল গুচাই দিব্য অঞ্জন দিলা আজি ঃ

(গ) বোলে বৰাৰ পো, গৰ বান্ধি যুজিলে সজ প্ৰাণৰ সংশয় নাই ঃ বিনা গৰে যুজিলে ভয়।।

(ঘ) জিহে মৰিছে সি জীয়াৰেপৰা মৰা ঃ এই জি কান্দিচে ইও সপ্ৰাই মৰাহে ঃ

(ঙ) পশু নকৰিবা শৰ ঃ
মৰাও নানিবা জীয়াও নানিবা
শুদাহাতে নপশিবা ঘৰ।

(চ) সিয়ান চৰাই ভাও ঃ
লাম্ফ দি দি আহাৰ খাই
ফান্দত নিদিএ পাও।।

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ 'গুৰু-শিষ্যৰ মণি-কাঞ্চন সংযোগ' অধ্যায়টিৰ আলমত *কথা-গুৰু-চৰিত*ৰ গদ্যশৈলীৰ আভাস দাঙি ধৰক।

প্ৰশ্ন ২ ঃ "কথিত ভাষা ব্যৱহাৰ মূলতে তিনিটা বিষয়ত নিৰ্ভৰ কৰে— কথা-বতৰাৰ বাক্যভংগিমাৰ প্ৰয়োগত, চলিত সৰ্বনাম ক্ৰিয়াপদৰ সংযোগত আৰু ঘৰুৱা শব্দৰ প্ৰাচুৰ্যত" — আপুনি পঢ়া এই অধ্যায়টিৰ আধাৰত উক্তিটো বহলাই বিশ্লেষণ কৰক।

প্ৰশ্ন ৩ ঃ অধ্যায়টোৰ আধাৰত মহাপুৰুষ মাধৱদেৱৰ চাৰিত্ৰিক বৈশিষ্ট্যসমূহৰ বিষয়ে এটি নিবন্ধ যুগুত কৰক।

প্ৰশ্ন ৪ ঃ মাধৱদেৱৰ গুৰুভক্তিৰ বিষয়ে উদাহৰণসহ আলোচনা কৰক।

*** ***** ***

৬.৬ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ মাধৱদেৱ।

২ নং প্ৰশ্নৰ উত্তৰ ঃ *কথা-গুৰু-চৰিত* বা *গুৰু-চৰিত-কথা* আৰু *ৰৱদোৱা গুৰু-চৰিত*।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ৰৱপেটা সত্ৰত।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ তিনি প্ৰহৰ = ৯ ঘণ্টা।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ বিষ্ণুপ্ৰিয়া।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ "পশু নকৰিবা শৰ/মৰাও নানিবা জীয়াও নানিবা/শুদাহাতে নপশিবা ঘৰ"— কথাযাৰ শংকৰদেৱে মাধৱদেৱক কৈছিল। পৰৱৰ্তী দিনটোত মাধৱে "মোত পৰে নৰাধম পশু নাপালোঁ বিচাৰি" বুলি গুৰুজনাৰ চৰণত নিজকে সমৰ্পণ কৰিলে। ইয়াত মাধৱদেৱৰ গুৰুৰ প্ৰতি অকুণ্ঠ ভক্তি প্ৰকাশ পোৱাৰ লগতে নিজৰ দাস্যভাৱৰ প্ৰকাশ ঘটিছে। গুৰুজনাই সন্তোষিত হৈ ইয়াৰ আধাৰতে 'নৱসিদ্ধ একাদশ'ৰ শ্লোক ভাঙি পদ এফাঁকি ৰচনা কৰে।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ ভাগৱত।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ ৰাম ৰাম গুৰু।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ কলাকটা।

১০ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) শুদ্ধ (খ) অশুদ্ধ (গ) শুদ্ধ (ঘ) অশুদ্ধ

১১ নং প্ৰশ্নৰ উত্তৰ ঃ নাম, দেৱ, গুৰু আৰু ভকত।

১২ নং প্ৰশ্নৰ উত্তৰ ঃ কালিন্দী আই।

১৩ নং প্ৰশ্নৰ উত্তৰ ঃ কথনভংগিমা।

৬.৭ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন (৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক—

ক) চৰিত পুথিৰ পৰম্পৰা কেনেদৰে আৰম্ভ হ'ল?

খ) শংকৰদেৱে কোনটো শ্লোকৰ উদ্ধৃতিৰে নিবৃত্তি মাৰ্গৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰে?

গ) বিনা গড়ে যুঁজ কৰিলেহে ক্ষত্ৰিয়ৰ আচল বীৰত্ব প্ৰকাশ পায় বুলি কোনে মত দিছিল?

মৰুময় মোৰ পৃথিৱীত সখী,
তুমি কবিতাৰ একেটি সুঁতি।

কবিতাটিৰ এটি মূল বৈশিষ্ট্য হ'ল — নামকৰণৰ বাহিৰে আন ক'তো মনোৰমা নামটোৰ উল্লেখ নথকাটো। কবিগৰাকীৰ আন কেইবাটিও কবিতাত 'মনোৰমা' নামটো একাধিকবাৰ ব্যৱহাৰ হোৱাটো মন কৰিবলগীয়া। ইয়াৰে কোনোবাটোত 'তন্দ্ৰালসা গাভৰু মনোৰমা'ৰ হৃদয়ত প্ৰথম প্ৰেমানুভূতি জগোৱা বুলি কৰা পুৰুষসুলভ দাম্ভিকতা আছে। আকৌ আন ক'ৰবাত আছে 'ওঠত ওঁঠ লগাই' একান্তভাৱে কৰা দেহজ প্ৰেমৰ বাস্তৱ অনুভূতিৰ সৰল প্ৰকাশ। মন কৰিবলগীয়া যে দেৱকান্ত বৰুৱাৰ কাব্য-ভাবনাৰ ক'তোৱেই বিষাদ-বিনিনি পাবলৈ নাই। সেইদৰে অপ্ৰাপ্তিৰ অশান্তি অথবা প্ৰাপ্তি, আনন্দৰ অধীৰতাও তেওঁৰ কবিতাত অনুপস্থিত। তদুপৰি তেওঁৰ কাব্য পৰিক্ৰমাই মৃত্যুৰ সিপাৰৰ জগতলৈ ভুমুকি মৰা নাই। মৃত্যুৱেই জীৱনৰ পৰিসীমা বুলি আন্তৰিকতাৰে উপলব্ধি কৰি মাটিৰ পৃথিৱীকে তেওঁৰ কাব্যকৰ্মৰ একমাত্ৰ ক্ষেত্ৰ হিচাপে গণ্য কৰিছে। 'মনোৰমা'ও তাৰ ব্যতিক্ৰম নহয়। দেৱকান্ত বৰুৱাৰ পূৰ্বে অসমীয়া কাব্য সাহিত্যত এনে বাস্তৱ চিন্তা পোৱা নাযায়।

মনোৰমা শব্দৰ আভিধানিক অৰ্থ মনক আনন্দ যোগোৱা, মনোজ্ঞা, উত্তম। হয়তো এনে অৰ্থতে কবিয়ে আজীৱন সেই প্ৰেয়সীৰ সংগ আৰু অনুপ্ৰেৰণা বিচাৰি জীৱনক সুন্দৰ কৰাৰ আকাংক্ষা কৰিছে। মনোৰমা নামটোৰ মাজত লুকাই আছে সকলো দিশৰ পৰা মনক প্ৰফুল্লতাৰে পূৰ্ণ কৰি ৰাখিব পৰা গুণৰ ধাৰণা। কবিয়ে সেইবাবেই প্ৰেয়সীৰ নাম ৰাখিছে মনোৰমা আৰু তেওঁকেই কবিৰ জীৱনজোৰা সাধনাৰ তথা কাব্যশিল্পৰ অন্যতম উৎস হিচাপে স্বীকৃতি দিছে।

কাব্যোপযোগী ভাষাৰ ব্যৱহাৰে কবিতাটিক অনন্য সৌন্দৰ্য প্ৰদান কৰিছে। গোটেই কবিতাটোত ক'তো এটাও কঠিন শব্দ নাই। ফলত কবিতাটিয়ে স্বাভাৱিক গীতিময়তা লাভ কৰিছে। 'আগ বাৰিষাৰ বা ৰিৱ্ ৰিৱ্ বতাহ', 'পানীমেটেকা', 'চঁপা-কলি হেন আঙুলি', 'থৰক্ বৰক্', 'দোৱপতি', 'তত্ নাইকিয়া মাকো', 'নিপোটল বুকু', 'লাটুমণি ওঁঠ', 'ডালিম-গুটি দাঁত' আদি সহজ-সৰল অথচ অৰ্থব্যঞ্জক শব্দ অসমীয়া লোকজীৱনৰ পৰা আহৰণ কৰি কবিয়ে 'মনোৰমা'ৰ কাব্য-দেহ নিৰ্মাণ কৰিছে।

কবিতাটিৰ ছন্দসজ্জাও মন কৰিবলগীয়া। ৰবাৰ্ট ব্ৰাউনিঙৰ পৰা আহৰিত নাটকীয় একোক্তিৰ সাৰ্থক প্ৰয়োগ যদিও এইগৰাকী কবিৰ কাব্যকৃতিৰ অন্যতম বৈশিষ্ট্য, এই বিশেষ কবিতাটিত কিন্তু কবিয়ে তাক সচেতনভাৱে পৰিহাৰ কৰিছে। ৰৰং তাৰ ঠাইত তেওঁ ৰোমাণ্টিক কাব্যকুশলীসকলৰ দৰে ত্ৰিপদী ছন্দৰ স্বাভাৱিক সজ্জাৰ আশ্ৰয় লৈছে। ইয়াৰ ফলত বিষয়বস্তুৰ সৈতে ছন্দৰ এক অপূৰ্ব সমন্বয় ঘটিছে। সেই বাবে আৰম্ভণিৰ পৰা শেষলৈকে গোটেই কবিতাটিত অনুভূত হয় এক সাংগীতিক লয়। অন্ত্যানুপ্ৰাসৰ

যথার্থ ব্যৱহাৰ আৰু শব্দ প্ৰয়োগৰ দক্ষতাই কবিতাটিক সৰ্বোত্তম কাব্যশিল্পৰূপে প্ৰতিষ্ঠিত হোৱাত সহায় কৰা বুলি ক'লে নিশ্চয় বঢ়াই কোৱা নহ'ব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ খালি ঠাই পূৰণ কৰক —

ক) কবিৰ প্ৰেয়সী এগৰাকী কৰ্মনিপুণা পাকৈত অসমীয়া ..... ।

খ) নতুনকৈ গজালি মেলা ঘাঁহৰ সুবাস ভৰা মৃদু বতাহৰ দৰে প্ৰেয়সীৰ..... অসমীয়া কাব্য-সাহিত্যত অভিনৱই নহয়, দুর্লভো।

গ) কবিতাটিৰ এটি মূল বৈশিষ্ট্য হ'ল — নামকৰণৰ বাহিৰে আন ক'তো মনোৰমা ..... উল্লেখ নথকাটো।

প্ৰশ্ন নং ৪ ঃ 'মনোৰমা' কবিতাটিৰ ছন্দসজ্জাৰ বিষয়ে বহলাই লিখক। (৫৫ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

.....



৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টিৰ জৰিয়তে আপুনি ৰোমাণ্টিক আৰু আধুনিক — এই দুই স্তৰৰ দোমোজাৰ কবি দেৱকান্ত বৰুৱাৰ অন্যতম সার্থক সৃষ্টি 'মনোৰমা'ৰ বিষয়ে খৰচি মাৰি জানিব পাৰিলে।
- দেৱকান্ত বৰুৱাৰ কবিতাত ৰোমাণ্টিক যুগৰ কাল্পনিক প্ৰেমৰ ছবিৰ পৰিৱর্তে দেহজ বা ইন্দ্ৰিয়গ্ৰাহ্য প্ৰেমৰ বাস্তৱ চিত্ৰ পোৱা যায়। 'মনোৰমা' কবিতাটোও তাৰ ব্যতিক্ৰম নহয়। কবিয়ে কাব্যোপযোগী ভাষাৰে অসমীয়া লোকজীৱনৰ পৰা আহৰিত সমলেৰে 'মনোৰমা'ৰ এক বাংময় ছবি অংকন কৰিছে।
- কবিয়ে 'মনোৰমা'ক তেওঁৰ জীৱনজোৰা সাধনাৰ তথা কাব্যকর্মৰ অনুপ্ৰেৰণা হিচাপে স্বীকৃতি দিছে।

শংকৰদেৱ আৰু শিষ্য মাধৱদেৱৰ মিলন আৰু সেই মিলনৰ পৰিণতি স্বৰূপে হোৱা একশৰণ মতবাদৰ প্ৰচাৰ আৰু প্ৰসাৰৰ সৈতে জড়িত বিবিধ ঘটনাৰ প্ৰতিফলন ঘটিছে।

- প্ৰসংগক্ৰমে ইয়াত বৈষ্ণৱ মতাদর্শ আৰু সেই সম্পর্কীয় ভালেমান তত্ত্বৰ সমাৱেশো লক্ষ্য কৰিব পাৰি। নক'লেও চলে যে শিষ্যত্ব গ্ৰহণ কৰা দিনৰে পৰা মহাপ্ৰয়াণৰ সময়লৈকে মাধৱদেৱে গুৰুজনাক সকলো সময়তে সাহচর্য প্ৰদান কৰি আহিছিল।
- মাধৱদেৱৰ গুৰুভক্তিৰ পৰাকাষ্ঠা আৰু অনন্য সুন্দৰ ব্যক্তিত্ব আলোচ্য অধ্যায়টিৰ অন্যতম আকর্ষণীয় দিশ। এইজনা মহাপুৰুষৰ সুস্থ জীৱনাদর্শ সকলোৰে বাবে অনুপ্ৰেৰণাৰ উৎসস্বৰূপ।
- অধ্যায়টিৰ জৰিয়তে তৎকালীন ভকতীয়া সমাজত প্ৰচলিত এক গুৰু-গম্ভীৰ কথ্য ভাষাৰো উমান পাব পাৰি। পৰোক্ষ উক্তিৰ বহুল ব্যৱহাৰ, অনিয়মিত বাক্যৰ সঘন প্ৰয়োগ, চুটি চুটি বাক্যৰ দ্বাৰা গভীৰ ভাবৰ প্ৰকাশ, ভাৰোপযোগী কামৰূপী উপভাষাৰ শব্দ-চয়নৰ যথার্থ প্ৰয়োগ, ফকৰা-যোজনা আদিৰ স্বতঃস্ফূর্ত ব্যৱহাৰ আদি বৈশিষ্ট্যই আলোচ্য অধ্যায়টিৰ তথা সামগ্ৰিকভাৱে ইয়াৰ মূল উৎস কথা-চৰিতখনিৰ গদ্যভংগিমাক সাহিত্য ৰসেৰে উজ্জীৱিত কৰি তুলিছে।



৬.৫ অধিক জানিবলৈ

১) গোস্বামী, গোলকেশ্বৰ (২০১২); *গুৰু-চৰিত-কথা অধ্যয়ন আৰু বিশ্লেষণ;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

২) চক্ৰৱর্তী, মুকুল (২০০০); *গুৰু-চৰিত-কথা অধ্যয়ন;* গুৱাহাটী।

৩) নেওগ, মহেশ্বৰ (সম্পাঃ) (১৯৮৭); *গুৰু-চৰিত-কথা;* গুৱাহাটী ঃ গুৱাহাটী বিশ্ববিদ্যালয়।

৪) নেওগ, মহেশ্বৰ (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৫) ফুকন পাটগিৰি, দীপ্তি (১৯৯৭); *মধ্যযুগৰ অসমীয়া ভাষা সাহিত্যৰ ৰেঙণি;* গুৱাহাটী ঃ বনলতা।

৬) বৰুৱা, বিৰিঞ্চি কুমাৰ (১৯৯৭); *অসমীয়া কথা সাহিত্য;* নলবাৰী ঃ জার্ণাল এম্প'ৰিয়াম।

৭) লেখাৰু, উপেন্দ্ৰ চন্দ্ৰ (সম্পাঃ) (১৯৫২); *কথা-গুৰু-চৰিত;* গুৱাহাটী ঃ দত্ত বৰুৱা এণ্ড কোম্পানী।

৮) শর্মা, গোবিন্দ প্ৰসাদ (১৯৯৩); *জীৱনী আৰু অসমীয়া জীৱনী;* গুৱাহাটী ঃ ষ্টুডেণ্টচ্ ষ্টোৰচ্।

৯) শর্মা, সত্যেন্দ্ৰনাথ (২০০৬); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।

১০) শর্ম্মা, দলৈ হৰিনাথ (১৯৯২); *অসমীয়া গদ্য-সাহিত্যৰ গতিপথ ;* নলবাৰী ঃ পদ্মপ্ৰিয়া লাইব্ৰেৰী।



চিন্তা-চর্চা কৰক — ৬.১

'গুৰু-শিষ্যৰ মণি-কাঞ্চন সংযোগ' অধ্যায়টিৰ আলমত তৎকালীন অসমত প্ৰৱর্তিত ভক্তিধর্মৰ আভাস দাঙি ধৰক।

৬.৩.৮ কঠিন শব্দৰ টোকা

প্ৰবৃত্তি = সংসাৰ সুখৰ ইচ্ছা বা বাসনা। নিবৃত্তি = সংসাৰৰ দুখৰ পৰিত্ৰাণ। প্ৰহৰ = ৯ ঘণ্টা (এক প্ৰহৰ = তিনি ঘণ্টা)। ছোট আতা = মাধৱদেৱ; বৰাপো/বৰাৰ পো = মাধৱদেৱ (হৰিশিঙা বৰাৰ ঘৰত জন্ম পোৱা বাবে এই উপাধি)। ঠাকুৰ আতা = নাৰায়ণ দাস ঠাকুৰ (শংকৰদেৱৰ আন এজনা প্ৰধান শিষ্য)। ছন্ন অৰণ্য = গভীৰ অৰণ্য। চাউল সিজকগৈ = ভাত ৰান্ধকগৈ। চাইটি = চাৰিটি। উপাসে = উপবাসে। তিনি তাপ = সংসাৰত জীৱই ভোগ কৰা আধিভৌতিক, আধিদৈৱিক আৰু আধ্যাত্মিক তাপ। গুণ = সত্ত, ৰজ, তম এই তিনি গুণ। পাৰতেহ্নি = ব্ৰত, পূজা-পার্বণ। তিনি বস্তু = নাম, দেৱ আৰু ভকত (মাধৱদেৱে দীক্ষা লোৱাৰ পিছত আৰু এটি যোগ হৈ নাম, দেৱ, গুৰু আৰু ভকত— এই চাৰি বস্তু হৈছে; এইকেইটাক বৈষ্ণৱ ধর্মৰ চাৰি লাইখুঁটা বোলা হয়)। সপ্ত দ্বীপ = জম্বু, প্লক্ষ, ক্ৰৌঞ্চ, কুশ, শাক, পুষ্কৰ আৰু শাল্মলি। সপ্ত সাগৰ = লৱণ, ইক্ষু, সুৰা, ঘৃত, দধি, ক্ষীৰ আৰু স্বাদুদক। সপ্ত স্বর্গ/লোক/বৈকুণ্ঠ = ভূঃ, ভূৱঃ, স্বঃ, মহঃ, জন, তপ আৰু সত্য। সপ্ত পাতাল = পাতাল, অতল, বিতল, সুতল, তলাতল, মহাতল আৰু ৰসাতল। চৈধ্য ব্ৰহ্মাণ্ড = সপ্ত বৈকুণ্ঠ আৰু সপ্ত পাতাল মিলি চৈধ্য ব্ৰহ্মাণ্ড। তিনি ভুৱন = স্বর্গ, মর্ত্য আৰু পাতাল। আপি = ছোৱালী, জীয়াৰী। কালৈ = কাইলৈ। জাঞতে = যাওঁতে। নাঞ = নাও + 'বাৰ গুচা নাম ই ফুৰুৱাৰ হৈ' = 'বাৰ গুচালা মই ফুৰুৱাৰ হৈ' (সম্ভৱতঃ সম্পাদনাৰ প্ৰমাদৰ হেতু ছপা পুথিত বাক্যটো 'বাৰ গুচা নাম ই ফুৰুৱাৰ হৈ' বুলি উল্লেখ হৈছে। প্ৰকৃতপক্ষে বাক্যটো হ'ব লাগিছিল 'বাৰ গুচালা মই ফুৰোঁ আঁৰ হৈ'। অর্থাৎ ভগৱানৰ পূর্ণ ৰূপ হ'লেও শংকৰদেৱে লোকচক্ষুৰ আঁৰত লুকাই ফুৰিছে কিন্তু মাধৱদেৱে আঁৰ-বেৰ উদঙাই দিছে)।



৬.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টিৰ আলোচ্য 'গুৰু-শিষ্যৰ মণি-কাঞ্চন সংযোগ' গদ্য পাঠটি বৈষ্ণৱ সত্ৰৰ পৃষ্ঠপোষকতাত ৰচিত মধ্যযুগীয় কথা-চৰিতৰ এক প্ৰতিনিধি স্বৰূপ। ইয়াৰ মাজেৰে গুৰু



৩.৭ অধিক জানিবলৈ

১) আহমেদ, কামালুদ্দিন (২০০৫); *আধুনিক অসমীয়া কবিতা;* গুৱাহাটী ঃ বনলতা।
২) তালুকদাৰ, নন্দ (২০০৬); *কবি আৰু কবিতা;* গুৱাহাটী ঃ বনলতা।
৩) বৰুৱা, প্ৰহ্লাদ কুমাৰ (২০০); *আধুনিক অসমীয়া কবিতাৰ গতি বৈচিত্র্য;* ডিব্ৰুগড় ঃ বনলতা।
৪) বৰুৱা, লোপা (১৯৯৯); *আধুনিক অসমীয়া কবিতাত প্ৰতীক আৰু চিত্রকল্প;* গুৱাহাটী ঃ পূর্বাঞ্চল প্ৰকাশন।
৫) হাজৰিকা, কৰবী ডেকা (২০০৮); *অসমীয়া কবি আৰু কবিতা;* ডিব্ৰুগড় ঃ বনলতা।



৩.৮ অগ্রগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ *আৱাহন* কাকতৰ মাধ্যমেৰে।

২ নং প্ৰশ্নৰ উত্তৰ ঃ ক) শুদ্ধ খ) শুদ্ধ গ) অশুদ্ধ ঘ) শুদ্ধ

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ক) শিপিনী খ) নিশ্বাসৰ কল্পনা গ) নামটিৰ

৪ নং প্ৰশ্নৰ উত্তৰ ঃ মনোৰমা কবিতাটিৰ ছন্দসজ্জাটিও মন কৰিবলগীয়া। কবি দেৱকান্তই তেওঁৰ বহু কবিতাত নাটকীয় একোক্তিৰ সার্থক প্ৰয়োগ কৰে যদিও এই বিশেষ কবিতাটিত কিন্তু তাক সচেতনভাৱে পৰিহাৰ কৰিছে। বৰং তাৰ ঠাইত এই কবিতাটিত ৰোমাণ্টিক কাব্যকুশলীসকলৰ দৰে ত্রিপদী ছন্দৰ স্বাভাৱিক সজ্জাৰ আশ্রয় লৈ অন্ত্যানুপ্রাসৰ যথার্থ ব্যৱহাৰ কৰিছে। বিষয়বস্তুৰ সৈতে ছন্দৰ এক অপূর্ব সমন্বয়ৰ বাবে কবিতাটিত অনুভূত হয় এক সাংগীতিক লয়।



৩.৯ আৰ্হি প্ৰশ্ন

ক) বস্তুধর্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক—

ক) দেৱকান্ত বৰুৱা ৰাজনীতিৰ সৈতে জড়িত আছিলনে?

খ) দেৱকান্ত বৰুৱাই কোন চনত গুৱাহাটী তেল শোধনাগাৰৰ অধ্যক্ষ হিচাপেও দায়িত্বভাৰ গ্ৰহণ কৰে।

গ) দেৱকান্ত বৰুৱাৰ পত্নীৰ নাম কি?

প্ৰশ্ন ২ ঃ শুদ্ধ নে অশুদ্ধ নিৰ্ণয় কৰক—

ক) ১৯৫২ চনত দেৱকান্ত বৰুৱা লোকসভাৰ সদস্য হিচাপে নিৰ্বাচিত হয়।

খ) দেৱকান্ত বৰুৱাৰ কবিতাত মূলতঃ ভগৱত প্ৰেমৰ চিত্ৰহে প্ৰতিফলিত হয়।

গ) 'মনোৰমা' কবিতাটিৰ মাজত মূলতঃ পাৰ্থিৱ প্ৰেমৰ পৰাকাষ্ঠা প্ৰকাশ পাইছে।

খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ দেৱকান্ত বৰুৱাৰ কাব্যকৃতি সম্পৰ্কে চমুকৈ লিখক।

প্ৰশ্ন ২ ঃ 'মনোৰমা' কবিতাত প্ৰতিফলিত দেহজ প্ৰেমৰ বৰ্ণনা আপোনাৰ ভাষাৰে দাঙি ধৰক।

প্ৰশ্ন ৩ ঃ প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰক —

(ক) ক'লা চুলিটাৰি, কোনে সানি দিলে
আঁউসী নিশাৰ সুষমা তাত?
কেতিয়া শিকালে কপৌৱেনো তাৰ
মন কিবা কৰা উৰুঙা মাত?

(খ) নিপোটল বুকু, লাটুমণি ওঁঠ,
দুয়ো পাৰি দাঁত ডালিম-গুটি,
মৰুময় মোৰ পৃথিৱীত সখী,
তুমি কবিতাৰ একেটি সুঁতি।

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ দেৱকান্ত বৰুৱাক কিয় 'যুগসন্ধিৰ কবি' আখ্যা দিয়া হয়? 'মনোৰমা' কবিতাৰ আধাৰত সেই কথা বহলাই ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ 'মনোৰমা' কবিতাৰ বিষয়বস্তুৰ আভাস দাঙি ধৰি কবিতাটিৰ কাব্যিক সৌন্দৰ্য ফঁহিয়াই দেখুৱাওক।

প্ৰশ্ন ৩ ঃ 'মনোৰমা' কবিতাত অসমীয়া লোকজীৱনৰ চিত্ৰ কেনেদৰে প্ৰতিভাত হৈছে বিচাৰ কৰক।

*** ***** ***

বাক্যটোৰ মাজত ৰন্ধা-বঢ়াৰ সমগ্ৰ প্ৰক্ৰিয়াটো সামৰি থোৱা হৈছে। আনহাতে, দ্বিতীয়টো উদাহৰণৰ বাক্যটোৰ মাজত লুকাই আছে ৰূপকথাৰ এটি দীঘলীয়া কাহিনী। ভাষাৰ এনে মিতব্যয়ী ব্যৱহাৰে ৰচকৰ বিষয়বস্তুৰ স্পষ্টতা আৰু বৰ্ণনা চাতুৰ্যৰ প্ৰমাণ দাঙি ধৰে। সাধাৰণতে 'পাচে' আৰু 'বোলে'ৰে বাক্য আৰম্ভ হৈছে। বাক্য-গাঁথনিয়ে বৰ্তমানৰ অসমীয়া মান্য ভাষাকে অনুসৰণ কৰা বুলি পতিয়ন যাব পাৰি যদিও, শব্দ-চয়নত কামৰূপত বিশেষকৈ বৰপেটা অঞ্চলত কথিত ভাষাৰ স্পষ্ট ছাপ লক্ষ্য কৰিব পাৰি। আপী (হৰিপ্ৰিয়া আপি জগাইগৈ), দহো (ইয়াক দহো লাৰিবৰ নৌ হই), দাউৰি, দেখালেহে আদি তাৰ নিদৰ্শন। দৰাচলতে গুৰু দুজনা আৰু অন্যান্য মান্যবৰ ভকত-সজ্জনৰ চৰিত্ৰ-বৰ্ণন আৰু তাৰ সৈতে সংগতি ৰাখি বৈষ্ণৱ ধৰ্মৰ উপযোগী নানান তত্ত্বৰ অৱতাৰণা কৰাই আছিল চৰিত-পুথিৰ ঘাই উদ্দেশ্য। এই উদ্দেশ্য সফল কৰি তুলিবলৈ আলোচ্য চৰিতখনিত পুৰণি অসমীয়াৰ লগে লগে পশ্চিম আৰু পূব অসমৰ ভাষাৰ এক সমন্বিত ৰূপ ব্যৱহাৰ হোৱা বুলি ক'ব পাৰি।

বিভিন্ন পদৰ ব্যৱহাৰেও চৰিত পুথিৰ গদ্যক বৈশিষ্ট্যপূৰ্ণ কৰি তুলিছে। ক্ৰিয়াপদত মধ্যৱৰ্তী 'ৰ' লোপ পোৱাটো আন এটা মন কৰিবলগীয়া বিশেষত্ব, যেনে— কৈলে (কৰিলে), ধৈলে (ধৰিলে), পৈল (পৰিল) ইত্যাদি। সেইদৰে ভিন ভিন সৰ্বনাম পদৰ ব্যৱহাৰেও ইয়াৰ গদ্যক নিটোল ৰূপ দিছে। তেনে কিছুমান সৰ্বনাম হ'ল— আমি, তাৰা, তোম্ৰা, মোৰ, আপুনাৰ, তোমাক, তুমি, মই, তেঞে, ই, ইয়াৰ, তাৰে, জি, সি, মোত, সেই ইত্যাদি।

বিভিন্ন প্ৰকাৰৰ যুৰীয়া শব্দৰ ব্যৱহাৰ কথা-চৰিতৰ গদ্যৰ আন এক বৈশিষ্ট্য। এনেবোৰ অভ্যাসজাত শব্দৰ (Reduplicated word) সাৰ্থক ব্যৱহাৰে নীৰস আৰু অনাড়ম্বৰ কথাশৈলীক অতিশয় প্ৰাণৱন্ত কৰি তুলিছে। এনে শব্দ কেতবোৰ হ'ল— ফুল-পাত, শৌচ-সুধি, মাচ-গাখিৰ, ইনাই-বিনাই, খেতি-কিৰিষি, গীত-ৰাগ, খান-পিন্ধন, কাশী-বাৰানসী, হোম-আহুতি, জাল-জকাই, খুজি-বাড়ি, বিস্ময়-বিশ্ৰুতি, ঘাটৰ-বাটৰ ইত্যাদি।

ব্যক্তিবোধক সৰ্বনামৰ একবচনৰ ৰূপ 'মই'ৰ ঠাইত 'আমি' ৰূপৰ সঘন প্ৰয়োগ আৰু পৰোক্ষ উক্তিৰ বহুল ব্যৱহাৰৰ জৰিয়তে পুথিখনিৰ ৰচনা ৰীতিত বিনয়ী তথা ভকতীয়া ঠাঁচ ফুটি উঠাটো আন এটা মন কৰিবলগীয়া বিষয়। তাৰ লগে লগে সৰল আৰু অকৃত্ৰিম গদ্যভংগীয়ে কথা-চৰিতখনিৰ বৰ্ণনীয় বিষয়ক মনোৰম তথা প্ৰয়োজনীয় ধৰ্মীয় গাম্ভীৰ্য প্ৰদান কৰিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১৩ ঃ কথা-চৰিতৰ গদ্যৰীতিক কিহে নাটকীয়ত্ব প্ৰদান কৰিছে?

.....

ইয়াৰ বিপৰীতে অনিয়মিত বাক্যত বক্তাৰ অভীপ্সা অনুসাৰে যি পদক প্ৰাধান্য দিবৰ মন সেই পদ হয় বাক্যৰ আৰম্ভণিত, নহয় একেবাৰে শেষত ব্যৱহাৰ হয়। সাধাৰণতে লোকজীৱনে ব্যাকৰণৰ নিৰ্দিষ্ট নিয়ম মানি ভাষা নকয়। সেইবাবে দৈনন্দিন কথিত ভাষাত অনিয়মিত বাক্যই সৰ্বাধিক ব্যৱহৃত হয়। চৰিত পুথিৰ ভাষা লোকজীৱনৰ কথ্য ভাষাৰ পৰা আহৰিত হোৱা হেতুকে ইয়াৰ বাক্যশৈলীত এনে ৰীতিৰ সুপ্ৰয়োগ সততে লক্ষ্য কৰিব পাৰি। তদুপৰি সিবোৰৰ মাজেৰে ৰচকৰ অপূৰ্ব সাহিত্যিক নিপুণতাৰো প্ৰতিফলন ঘটিছে। তলৰ উদাহৰণকেইটাই তাৰ প্ৰমাণ দাঙি ধৰিব—

- নিতে কৃষ্ণ কথা সুনে দুও বেলা আহি গৈ ঃ
- আৰু একদিনা বুলি লুইতে .... নৌকাৰে গৈচে ভটিয়াই ঃ
- গঁজিয়াঘাটতে এটা মৰা খৰি দিচে জ্ঞাতি বংশে ঃ তাস ষ্ট্ৰীটে অন্তৰতে বহি কান্দিব লাগিছে ইনাই বিনাই, ইত্যাদি।

কথাই কথাই প্ৰবাদ-পটন্তৰ, ফকৰা-যোজনা ব্যৱহাৰ কৰাটো লোকভাষাৰ বা আন কথাত সৰ্বসাধাৰণৰ মাজত প্ৰচলিত কথ্য ভাষাৰ আন এক বৈশিষ্ট্য। কথা-চৰিতৰ গদ্যৰীতিত লোকজীৱনৰ অভিজ্ঞতালব্ধ এনে ব্যঞ্জনাধৰ্মী ভাষাৰূপৰ প্ৰয়োগৰ প্ৰচুৰ উদাহৰণ পোৱা যায়। ছন্দোবদ্ধ ফকৰা, দৃষ্টান্ত, উপমা আদি দৈনন্দিন কথ্য ভাষাত যি ৰূপত পোৱা যায়, *কথা-গুৰু-চৰিতত* সেইবোৰ অবিকলভাৱে ব্যৱহাৰ হোৱাটো বিশেষভাৱে লক্ষণীয়। তদুপৰি, এইবোৰৰ মাজত স্বাভাৱিকভাৱে ফুটি ওলোৱা অনুপ্ৰাসাদি অলংকাৰ আৰু ক্ৰিয়াপদৰ যথোপযুক্ত ব্যৱহাৰে নিৰস গদ্য ৰচনাকো সাহিত্য ৰসেৰে প্ৰাণৱন্ত আৰু সজীৱ কৰি তুলিছে। আপোনাৰ সুবিধাৰ বাবে অধ্যায়টিত থকা তেনে কেইটিমান উদাহৰণ তলত দাঙি ধৰা হ'ল —

- ৰাজাৰ হেঙ্গদান পাত্ৰৰ কি
- বাপু সূৰ্য্যক কুহলিএ ঢকাদি অগ্নিক ভস্মে ঢকাদি ঢাকিচিল ঃ
- গৰ বান্ধি যুজিলে সজ প্ৰাণৰ সংশই নাই ঃ
- পশু নকৰিবা শৰ ঃ/মৰাও নানিবা জীয়াও নানিবা/শুদাহাতে নপশিবা ঘৰ।।
- সিয়ান চৰাই ভাও ঃ/লাম্ফ দি দি আহাৰ খাই/ফান্দত নিদিএ পাও।।
- ঠেং তলে ৰৌ যায়/মিছালৈ টোপলি বায়।। ইত্যাদি।

চুম্বকীয় ৰীতিৰ ব্যৱহাৰ, অৰ্থাৎ কম কথাৰ জৰিয়তে একোটাহঁত বিস্তৃত ঘটনা সামৰি ল'ব পৰাটো আলোচ্য কথা-চৰিতখনিৰ আন এক বিশেষত্ব। বহু সময়ত ৰচকে দীঘলীয়া বৰ্ণনাৰ আশ্ৰয় নলৈ বিষয়ৰ প্ৰয়োজনলৈ লক্ষ্য কৰি মাত্ৰ এটা বা দুটা শব্দেৰে বাক্য ৰচনা কৰিছে। যেনে—

- এতিয়া চাউল সিজকগৈ ঃ হল, দুওজনা গুৰু আনন্দসুখে ভোজন কৈলে ঃ
- এক বুৰা-বুৰি ছন্ন অৰণ্যত গৃহ, পুত্ৰ হল... ঃ

ইয়াৰে প্ৰথম উদাহৰণটোত 'হল' ক্ৰিয়াপদটো এটা পূৰ্ণাংগ বাক্য আৰু এই

অধ্যায় ৪ ঃ নৱকান্ত বৰুৱা ঃ ইয়াত নদী আছিল

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ আধুনিক কবিতাৰ পটভূমি
৪.৪ আধুনিক অসমীয়া কবিতা
৪.৫ নৱকান্ত বৰুৱাৰ কাব্য-চিন্তা
৪.৬ 'ইয়াত নদী আছিল' কবিতাটিৰ পাঠ
৪.৭ ইয়াত নদী আছিল
৪.৭.১ বিষয়বস্তু
৪.৭.২ সাধাৰণ আলোচনা
৪.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.৯ অধিক জানিবলৈ
৪.১০ অগ্ৰগতিৰ খতিয়ান
৪.১১ আৰ্হি প্ৰশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- আধুনিক বা সাম্প্ৰতিক কবিতাৰ বিষয়ে যথাযথ ব্যাখ্যা আগবঢ়াব পাৰিব
- আধুনিক অসমীয়া কবিতাৰ বিষয়ে জ্ঞাত হ'ব
- কবি নৱকান্ত বৰুৱাৰ কাব্য-চিন্তাৰ লগত পৰিচিত হ'ব
- 'ইয়াত নদী আছিল' শীৰ্ষক কবিতাৰ বিশ্লেষণ আগবঢ়াব পাৰিব।

৪.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়কেইটিত আপুনি পুৰণি, ৰোমাণ্টিক আৰু ৰোমাণ্টিক তথা আধুনিকতাৰ দোমোজাৰ একোটিকৈ অসমীয়া কবিতাৰ বিষয়ে অধ্যয়ন কৰিলে। এই অধ্যায়টিত আপুনি আধুনিক অসমীয়া কবিতাৰ বৈশিষ্ট্যসমূহ তথা নৱকান্ত বৰুৱাৰ 'ইয়াত নদী আছিল' কবিতাটিৰ বিষয়ে অৱগত হ'ব।

অসমীয়া কবিতাৰ ইতিহাসত *জয়ন্তী* কাকতৰ পাততে যথাৰ্থ আধুনিক চিন্তাৰ শুভাৰম্ভণ ঘটে। এই সময়ৰ কবিকুলে পুৰণি ছন্দৰীতি এৰি নতুনকৈ গদ্য আধাৰিত ছন্দেৰে কবিতা লিখিবলৈ লয়। কবিতাৰ বিষয়বস্তুও হৈ পৰে ৰূঢ় বাস্তৱৰ পৰা আহৰিত। প্ৰথম অৱস্থাৰ কবিতাবোৰত (যেনে

— অমূল্য বৰুৱাৰ কবিতা) নান্দনিক গুণৰ অভাৱ দেখা গ'লেও পৱৰ্তী সময়ত হেম বৰুৱা, নৱকান্ত বৰুৱা আদি কাব্যকুশলীৰ যোগেদি এই নতুন কবিতাই শৈল্পিক গুণ আহৰণ কৰিবলৈ সমর্থ হয়। এতিয়া আমি নৱকান্ত বৰুৱাৰ 'ইয়াত নদী আছিল' শীর্ষক কবিতাটিৰ বিষয়ে আলোচনা কৰিম।

৪.৩ আধুনিক কবিতাৰ পটভূমি

ঊনবিংশ শতিকাৰ শেষ আৰু বিংশ শতিকাৰ আৱম্ভণী কালতে বিজ্ঞান, প্রযুক্তি, যুক্তিবাদ, জীৱবিজ্ঞান, মনোবিজ্ঞান আদিৰ বিকাশে ৰোমাণ্টিক যুগৰ ধ্যান-ধাৰণা, বিশ্বাস, সংস্কাৰ, মূল্যবোধ, দৃষ্টিভংগী, কল্পনা ইত্যাদিৰ সামৰণি ঘোষণা কৰিলে। বিংশ শতিকাই বিশ্বৰ বুকুলৈ নতুন যুগৰ নতুন চিন্তাপ্রবাহ কঢ়িয়াই আনিলে। এই নতুন যুগ হৈছে জ্ঞান-বিজ্ঞানৰ নানা অভিনৱত্ব আৰু আৱিষ্কাৰৰ যুগ।

ঊনবিংশ শতাব্দীৰ শেষার্ধত জীৱবিজ্ঞানী ডাৰউইনৰ জীৱতত্ত্বৰ নতুন ব্যাখ্যাই, সমাজবিজ্ঞানী কার্ল মার্ক্সৰ সাম্যবাদী চিন্তাৰ দর্শনে, মনোবিজ্ঞানী ফ্রয়েডৰ যৌনসর্বস্ব মনস্তত্ত্বই মানুহৰ চিন্তাৰ জগতখনত তুমুল আলোড়নৰ সৃষ্টি কৰিলে আৰু তাৰ সুদূৰপ্রসাৰী প্রভাৱ পৰিলহি বিংশ শতাব্দীৰ আৱম্ভণিৰ কালছোৱাত। ডাৰউইনৰ জীৱৰ ক্রমবিকাশৰ তত্ত্বই জীৱৰ সৃষ্টি ৰহস্যক ঈশ্বৰৰ হাতৰপৰা মুক্তি দিয়াৰ যত্ন কৰিলে। ফ্রয়েডৰ স্বপ্নতত্ত্বৰ ব্যাখ্যাই মানুহৰ পাপ- পুণ্য, উচিত-অনুচিত সম্পর্কীয় নৈতিক আৰু সামাজিক মূল্যবোধবিলাকক আঘাত হানিলে। তেওঁ মানুহৰ চেতন মনৰ উপৰি এক অৱচেতন মনৰ অস্তিত্বৰ কথাও ক'লে, য'ত অৱদমিত অপূর্ণ আশা-আকাংক্ষাবোৰে অজ্ঞাতে ঠাই লয় আৰু প্রয়োজন সাপেক্ষে চেতন মনত প্রকাশ হয়। সমাজবিজ্ঞানী কার্ল মার্ক্সৰ বস্তুবাদী দর্শনৰ ব্যাখ্যাই ঈশ্বৰৰ অস্তিত্বকে নাকচ কৰিলে। জার্মান দার্শনিক ফ্রিডৰিখ্ নীৎছেই ঈশ্বৰৰ মৃত্যু হোৱা বুলিয়েই ঘোষণা কৰিলে। এওঁলোকৰ লগতে আপেক্ষিকতাবাদৰ সূত্র প্রতিষ্ঠাতা পদার্থবিজ্ঞানী আইনষ্টাইন, কোৱাণ্টাম্ সূত্রৰ প্রতিষ্ঠাতা মেক্স প্লাংক্, পৰমাণুতত্ত্বৰ প্রতিষ্ঠাতা ৰাডাৰফোর্ডৰ দৰে বিজ্ঞানীসকলে তথ্য, তত্ত্ব, যুক্তি আৰু প্রমাণৰ আধাৰত জীৱন আৰু জগতৰ বিষয়ে নতুন দৃষ্টিভংগী দাঙি ধৰিলে। এনেতে, বিংশ শতিকাৰ আৱম্ভণিতে আন কেইবাটিও গুৰুত্বপূর্ণ ঘটনা সংঘটিত হ'ল। ১৯১৭ চনত সংঘটিত হ'ল ৰুছ বিপ্লৱ। এই বিপ্লৱে ৰাজতন্ত্র উচ্ছেদ কৰিলে আৰু জীয়াই থকাৰ দাবী, সম অধিকাৰ আদি ভাবনা মানুহৰ মনত সুমুৱাই দিলে। ১৯১৪ চনত সংঘটিত হ'ল প্রথম বিশ্বযুদ্ধ। তাৰ পাছতে দ্বিতীয় বিশ্বযুদ্ধ। বিশ্বযুদ্ধই সৃষ্টি কৰা বিভীষিকা, সাম্রাজ্যবাদৰ তীব্র আগ্রাসন, ঔপনিবেশিক শোষণ-শাসন ইত্যাদিয়ে সচেতন মানুহক কৰি তুলিলে শংকিত তথা বিক্ষুব্ধ। এনেদৰে সভ্যতাই সৃষ্টি কৰা সংকটত মানুহ দিশহাৰা হ'ল। মানুহৰ সমুখত আহি পৰিল শোষণ-শাসনেৰে জর্জৰিত এক জটিল যুগ। মানুহে বাৰুকৈয়ে উপলব্ধি কৰিলে যে বাস্তৱ জগতখন ৰোমাণ্টিক ভাব বিলাসপূর্ণ এখন সুন্দৰ জগত নহয়; বৰঞ্চ সভ্যতাৰ জটিলতাৰে ৰুদ্ধ, ধনী-দুখীয়াৰ প্রভেদেৰে শ্রেণী বৈষম্যপূর্ণ এখন মূল্যবোধহীন জগতহে। ধর্ম, ঈশ্বৰ, নৈতিক আৰু সামাজিক মূল্যবোধৰ ভেটি হেৰুৱাই ঊনবিংশ শতিকাৰ শেষৰ ফালৰ

আৰু আনহাতে বৈষ্ণৱ সত্রসমূহৰ তত্ত্বাৱধানত ৰচিত চৰিত পুথিবোৰ— এই দুই প্রকাৰৰ গদ্য সাহিত্যই মধ্যযুগীয় অসমীয়া সাহিত্যক এক সুকীয়া মাত্রা প্রদান কৰে।

আগৰ শাখাবোৰৰ পৰা আপুনি ইতিমধ্যে অৱগত হৈছে যে বৈষ্ণৱ গুৰু তথা আতৈসকলৰ জীৱনৰ আধাৰত সৃষ্টি হোৱা চৰিত পুথিসমূহৰ ভিতৰত *কথা-গুৰু-চৰিত* বা *গুৰু-চৰিত-কথা* পুথিখনে এখন সুকীয়া আসন দখল কৰিবলৈ সমর্থ হৈছে। ইয়াৰ এটা বিশেষ কাৰণ হ'ল পুথিখনিত নিহিত হৈ থকা অননুকৰণীয় কথনভংগী। পুথিখন অধ্যয়ন কৰিলে কোনোবা বক্তাই যেন সন্ত-মহন্তসকলৰ জীৱন-চৰিত কৈ আছে আৰু শ্রোতাসকলে গভীৰ মনোযোগেৰে তাক শুনি গৈছে তেনে অনুভৱ হয়। উদাহৰণ হিচাপে— "বোলে বৰাৰ পো জোৱানে এতিয়া ঃ বোলে বাপ নজাঞ ঃ বোলে দেখো আহিও সেৱা কৈলা ঃ এতিয়াও সেৱা কৈলা কিয় ঃ"

বর্ণনীয় বিষয়ৰ সৈতে জনজীৱনৰ নিকট সম্বন্ধ হোৱা হেতুকে আলোচ্য চৰিতখনিৰ ভাষাশৈলী কৃত্রিম নহৈ কথিত ৰূপৰ সৈতে খাপ খাই পৰিছে। কথিত ভাষাৰ ব্যৱহাৰৰ প্রসংগত বিৰিঞ্চি কুমাৰ বৰুৱাই তিনিটা বিশেষ দিশৰ কথা উল্লেখ কৰিছে— "কথা-বতৰাৰ বাক্য-ভংগিমাৰ প্রয়োগত, চলিত সর্বনাম আৰু ক্রিয়াপদৰ সংযোগত আৰু ঘৰুৱা শব্দৰ প্রাচুর্যত। আলোচ্য চৰিত পুথিখনিৰ ভাষাত এই তিনিওটা দিশৰ সুপ্রকাশ লক্ষ্য কৰিব পাৰি। মনোৰম কথন ভংগিমাই ইয়াৰ গদ্যৰীতিক নাটকীয়ত্ব প্রদান কৰিছে।" তলৰ উদাহৰণকেইটালৈ মন কৰিলে কথাখিনি স্পষ্ট হ'ব —

- ছোট আতা বোলে, আগে জি কৰিলো ঃ ৰৱভূঞা বিসই মানি ঃ এতিয়া জি কৰিচো অভই পাদ-পঙ্কজত বিক্রই জীৱ কৰি গুৰু মানি।।
- বোলে কালি জে বিয়লা গল চাউল সিজাব পৰা হল নহল ঃ বোলে বাপ নহল ঃ বোলে আমাৰ অতেনো লবলৈ কি বোলা জাই। বোলে বাপ তোম্রা ঠাইত নলৈ কতনো লম জাৰ প্রসাদত সেৱাকৈ সংসাৰ তৰিবলৈ আশা কৰিচো।।
- বোলে বৰাৰ পো গৰ বান্ধি যুজিলে সজ প্রাণৰ সংশয় নাই ঃ বিনা গৰে যুজিলে ভয়।। বোলে বাপ গৰ বান্ধি যুঝাক একা ঃ ক্ষেত্রিয় বোলে কোনে ঃ বিনাগৰে যুজিলেহে যুদ্ধাৰু।। ইত্যাদি।

বৈচিত্র্যহীন গদ্যই সাধাৰণতে পাঠকৰ মনত বিৰক্তিবোধৰ জন্ম দিয়ে। *কথা-গুৰু-চৰিতত* ইয়াৰ বিপৰীতে বৈচিত্র্যপূর্ণ গদ্যৰ সমাৱেশ লক্ষ্য কৰিব পাৰি। একেটি দফাতে নির্দেশক, আজ্ঞাসূচক, প্রশ্নসূচক, বিবৃতিমূলক আদি বিবিধ প্রকাৰৰ বাক্যৰীতিৰ ব্যৱহাৰে তাৰেই সাক্ষ্য বহন কৰিছে। কথন ভংগিমাৰ উপযোগী চুটি চুটি বাক্যৰ ব্যৱহাৰ চৰিত পুথিৰ গদ্যৰ অন্যতম বৈশিষ্ট্য। ভাব অনুযায়ী ঠায়ে ঠায়ে দীঘল বাক্যবো সমাগম ঘটিছে যদিও, সেয়া পাঠকৰ বাবে বিৰক্তিকৰ হৈ উঠা নাই।

কথা-গুৰু-চৰিত পুথিৰ গদ্যৰীতিৰ সবাতোকৈ মনোৰম দিশটো হৈছে অনিয়মিত বাক্যৰ ব্যৱহাৰ। স্বাভাৱিক বাক্যৰীতিত আৱম্ভণিত কর্তাপদ আৰু শেষত ক্রিয়াপদ বহে।

ভাব প্ৰদৰ্শন কৰিব পাৰিছিল।

অধ্যায়টিত বৰ্ণিত বিভিন্ন ঘটনাৰ পৰা এটা কথা সহজেই অনুমান কৰিব পাৰি যে গুৰুজনা যেতিয়াই কোনো অসুবিধা বা সংকটৰ সন্মুখীন হৈছে, তেতিয়াই তেওঁ প্ৰথমে মাধৱদেৱৰ মুখলৈ চাইছে। মাধৱদেৱেও গুৰুৰ অভিপ্ৰায় বুজি প্ৰতিটো সমস্যাৰ সমাধান হেলাৱঙে কৰি দিছে।গুৰুজনাই ভক্তিধৰ্মৰ উপযোগীকৈ পদ-পুথি,গীত-ভটিমা আদি ৰচনা কৰিছিল। এচাম বৈষ্ণৱ ভকতে সেইবোৰৰ প্ৰতি মনোযোগ দিয়া বা সেইবোৰ চৰ্চা কৰাৰ কোনো প্ৰয়োজনবোধ কৰা নাছিল। বৰং সিয়ান চৰায়ে ফান্দত ভৰি নিদিয়াকৈ আহাৰ খাই আঁতৰি যোৱাৰ দৰে নানান কৌশল অৱলম্বন কৰি তেওঁলোক মূল বিষয় নামধৰ্মৰ পৰা আঁতৰি ফুৰিছিল। এই কথাই গুৰুজনাৰ অন্তৰত বৰ দুখ দিছিল। শ্ৰীৰাম আতাৰ পৰা এই কথা জানিব পাৰি মাধৱদেৱে তেওঁক লগত লৈ গুৰুজনাৰ ওচৰত ৰাতিটো কটাই মনৰ খেদ গুচাইছিল।

আলোচ্য অধ্যায়টিত বৰ্ণিত ঘটনাৱলীৰ মাজেৰে মাধৱদেৱৰ গুৰুভক্তিৰ কথা এনেদৰেই প্ৰকাশ পাইছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১১ ঃ বৈষ্ণৱ ধৰ্মৰ 'চাৰি বস্তু' কি কি?

.....

প্ৰশ্ন নং ১২ ঃ বিষ্ণুপ্ৰিয়াৰ মাকৰ নাম কি?

.....

৬.৩.৭ গদ্যৰীতি

এই শাখাটিত আপোনাৰ সুবিধাৰ্থে 'গুৰু-শিষ্যৰ মণি-কাঞ্চন সংযোগ' অধ্যায়টিৰ আধাৰত চৰিত পুথিৰ গদ্যৰীতিৰ এক সম্যক আলোচনা দাঙি ধৰা হ'ব। অলপ মন কৰিলেই আপুনি বুজিব পাৰিব যে পৃথিৱীৰ অন্যান্য সাহিত্যৰ দৰে অসমীয়া সাহিত্যতো গদ্যৰ সৃষ্টি পদ্যতকৈ পিছত হৈছে। অসমীয়া সাহিত্যত বৈকুণ্ঠনাথ ভাগৱত ভট্টাচার্য বা চমুকৈ ভট্টদেৱক গদ্যৰ জনক আখ্যা দিয়া হৈছে। খ্ৰীঃ ষোড়শ শতিকাত এইজনা ক্ষণজন্মা পুৰুষে গুৰু দামোদৰদেৱৰ আজ্ঞাৰে *ভাগৱত-কথা* ৰচনা কৰি প্ৰথমবাৰৰ বাবে গদ্যক সাহিত্যৰ বাহন হিচাপে ব্যৱহাৰ কৰে। ভট্টদেৱৰ পূৰ্বে মহাপুৰুষ দুজনাই যদিও তেওঁলোকৰ দৃশ্যকাব্যকেইখনত গদ্যৰ ব্যৱহাৰ কৰিছিল সেই গদ্য আছিল কৃত্ৰিম আৰু পদ্যধৰ্মী। তদুপৰি, সিবোৰৰ মাধ্যম আছিল ব্ৰজাৱলী বা ব্ৰজবুলি নামৰ এক কৃত্ৰিম সাহিত্যিক ভাষা। সি যি কি নহওক, সাহিত্যৰ বাহন হিচাপে অসমীয়া গদ্যৰ শক্তিশালী ৰূপত আত্মপ্ৰকাশ ঘটে মধ্যযুগৰ পৰা। এহাতে ৰজাঘৰীয়া পৃষ্ঠপোষকতাত ৰচিত বুৰঞ্জীবোৰ

পৰাই পশ্চিমৰ মানুহ বিভ্ৰান্ত, অসহায়, বিমূঢ়, আশ্ৰয়হীন হৈ পৰাৰ উপক্ৰম ঘটিল। চাৰিওফালে দেখা দিলে বিশ্বাসহীনতা, ছিন্নমূল অৱস্থা, শূন্যতা। প্ৰেম-সৌন্দৰ্য-কল্পনাৰ যিখন জগতক লৈ কবি-সাহিত্যিকসকলে ইমান দিনে সাহিত্য সৃষ্টি কৰিছিল সি অন্তঃসাৰশূন্য হৈ দেখা দিলে। সেয়ে সাহিত্যিকসকলে কল্পনাৰ জগতখনৰপৰা বাস্তৱৰ কঠিন জগতখনলৈ আহি বাস্তৱ পৰিস্থিতিৰ উপলব্ধিৰে সাহিত্য সৃষ্টি কৰিবলৈ প্ৰয়োজনবোধ কৰিলে। সাহিত্যৰ সকলো স্তৰতে নতুনত্ব আনিবলৈ প্ৰয়াস কৰা হ'ল। যুগমানসৰ এই জটিল পৰিস্থিতিৰ প্ৰভাৱ ঘাইকৈ পৰিল সংবেদনশীল কবিসকলৰ ৰচনাতে। এচাম নতুন কবিয়ে যুগ সাপেক্ষে বৌদ্ধিক চেতনাৰে প্ৰকৃত জীৱনধাৰাৰ নতুন কবিতা ৰচনা কৰিবলৈ আগবাঢ়ি আহিল। এনেকৈয়ে আধুনিক কবিতাৰ সৃষ্টি প্ৰক্ৰিয়াৰ শুভ আৰম্ভণি ঘটিল।

বিংশ শতিকাৰ প্ৰথম দুটা দশকত ইংলেণ্ডৰ টি. এছ. এলিয়ট, আমেৰিকাৰ এজ্ৰা পাউণ্ড আদি কবিসকলে সাহিত্যত জীৱনৰ বাস্তৱ দিশটোৰ সন্ধান কৰিবলৈ চেষ্টা চলালে। মগজু আৰু হৃদয়ৰ সমান কছৱেতেৰে তেওঁলোকে আৰম্ভ কৰিলে নতুন কবিতা। সাহিত্যিক ৰোমাণ্টিকতাৰ পৰা মুক্ত কৰিবলৈ পাউণ্ড আৰু এলিয়টে পৃথিৱীৰ বিভিন্ন দেশৰ গ্ৰন্থৰাজি অধ্যয়ন কৰি ল'লে। কবিতাৰ সূত্ৰ সলনি হ'ল। এলিয়টে কবিতাৰ নতুন সংজ্ঞা আগবঢ়ালে — কবিতা ব্যক্তিগত ভাব-অনুভূতিৰ প্ৰকাশ নহয়, ব্যক্তিমানসৰ পৰা আঁতৰৰ এক নৈৰ্ব্যক্তিক প্ৰকাশ (..... not the expression of personality, but an escape of personality)। লাহে লাহে নতুন কবি আৰু কবিতাৰ ব্যাপ্তি আৰু সমৃদ্ধি বাঢ়িল। কবিতাৰ মাজলৈ প্ৰতীক, চিত্ৰকল্পৰ প্ৰাধান্য আহিল। কবিতা হৈ পৰিল সচেতন মনৰ বাস্তৱ প্ৰতিফলন; সংযমী গুণধৰ্মী, ব্যঞ্জনাধৰ্মী আৰু বস্তুধৰ্মী। কবিতাৰ আংগিকৰ পৰিৱৰ্তন ঘটিল। ছন্দৰ বন্ধনেৰে আবদ্ধ নহৈ ই মুক্ত গতিৰে ভাব প্ৰকাশ কৰিবলৈ ল'লে। মুঠতে কবিতা হৈ উঠিল সৰ্বমানৱিক আবেদনসমৃদ্ধ এক সংহত প্ৰতিমূৰ্তি। এনেকৈয়ে বিংশ শতাব্দীৰ পৰিৱৰ্তিত আৰ্থ-সামাজিক আৰু মানসিক পৰিৱেশৰ পটভূমিত আধুনিক কবিতা ৰচনাৰ ধাৰা আৰম্ভ হ'ল।



জানি থোৱা ভাল

'আধুনিক' এই শব্দটো নতুনত্বৰ দ্যোতক। 'কোনো এটা বিষয়ে প্ৰচলিত ধাৰা ত্যাগ কৰি নতুন এটা ধাৰা গ্ৰহণ কৰিলেই বিষয়টো আধুনিক বুলি চিহ্নিত হয়'। 'আধুনিকতাবাদ' হ'ল বিংশ শতিকাৰ প্ৰথম দশকৰ পৰা বিংশ শতিকাৰ ষষ্ঠ দশকলৈকে— এই সময়ছোৱাৰ ভিতৰত পশ্চিমৰ শিল্প-সাহিত্যত সৃষ্টি হোৱা এটা বিশিষ্ট সাহিত্য-আন্দোলন।

বিংশ শতাব্দীৰ প্ৰথম দশককেইটাত পাশ্চাত্যত আৰম্ভ হোৱা মানুহৰ মুক্তিৰ বাৰ্তা বহনকাৰী এই আধুনিক কাব্যান্দোলনে বিশ্বৰ অন্যান্য দেশৰ কবিকুলৰ দৰে অসমীয়া কবিকো চুই গ'লহি। বৰ্তমানেও জীৱন জগতৰ প্ৰতি নতুন উপলব্ধিৰ কলাত্মক প্ৰকাশেৰে আধুনিক কবিতা নিজস্ব বৈশিষ্ট্যৰে ন ন পৰীক্ষা-নিৰীক্ষাৰে উদ্ভাসি আছে।

৪.৪ আধুনিক অসমীয়া কবিতা

অসমীয়া সাহিত্যত আধুনিক কবিতাৰ ধাৰা সূচনা হয় বিংশ শতিকাৰ চল্লিছৰ দশকৰ আৰম্ভণিৰ পৰা। ইয়াৰ পূর্বেই অৱশ্যে ইউৰোপ-আমেৰিকাৰ কাব্য-সাহিত্যৰ মাজৰ পুৰণি বিষয়বস্তু তথা আংগিকৰ পৰিৱর্তনেৰে আধুনিকতাৰ সূচনা হৈছিল। অসমীয়া সাহিত্যত প্রধানকৈ দ্বিতীয় মহাযুদ্ধৰ পৰৱর্তী কালছোৱাত এই ধাৰাৰ কবিতাৰ বিকাশ হয় বাবে ইয়াক 'যুদ্ধোত্তৰ যুগৰ কবিতা' বুলিও কোৱা হয়। এই ধাৰাৰ কবিতা বিষয়বস্তুৰ নতুনত্বৰে, আংগিকৰ বৈচিত্র্যৰে বর্তমানলৈকে চলি থকাৰ কাৰণে 'সাম্প্রতিক কবিতা' বুলিও অভিহিত কৰা দেখা যায়।

আধুনিক অসমীয়া কবিতাৰ দুৱাৰ মুকলি হয় যোৱা শতিকাৰ চল্লিশৰ দশকৰ প্রথম ভাগত। মন কৰিবলগীয়া যে এই কালছোৱাত অসমীয়া কবিতাত ৰোমাণ্টিকতাৰে পয়োভৰ চলি আছিল। তথাপি ১৯৩৮ চনত অসমীয়া ৰোমাণ্টিক সাহিত্য-জগতৰ দুই পুৰোধা ব্যক্তি লক্ষ্মীনাথ বেজবৰুৱা আৰু চন্দ্রকুমাৰ আগৰৱালাৰ মৃত্যুৰ লগে লগে অসমীয়া কাব্য-ইতিহাসতো ৰোমাণ্টিক বিস্তাৰৰ অৱক্ষয় আৰু ধীৰে ধীৰে অৱসান হোৱা বুলি ধৰি ল'ব পাৰি। উল্লেখযোগ্য যে এই সময়ছোৱাতে অসমকে ধৰি সমগ্র ভাৰততে এনে কিছু ঘটনা সংঘটিত হৈছিল যিবোৰে মানুহৰ মনোজগতত বাৰুকৈয়ে প্রভাৱ বিস্তাৰ কৰিলে। বিশেষকৈ, ১৯৩৯ চনত সূচনা হোৱা দ্বিতীয় মহাযুদ্ধ, ১৯৪২ চনত সমগ্র ভাৰতজুৰি বিয়পি পৰা 'ভাৰত ত্যাগ' আন্দোলন, কমিউনিষ্ট আদর্শৰ প্রসাৰ আৰু ১৯৪৩ চনত অসমত কমিউনিষ্ট দল গঠন আৰু তাৰ জৰিয়তে সাম্যবাদী চিন্তাৰ বিকাশ, ১৯৪৪-৪৫ চনত হোৱা দেশৰ অর্থনৈতিক সংকট, খাদ্য-সংকট, ১৯৪৬ চনৰ সাম্প্রদায়িক সংঘর্ষ ইত্যাদি নানা কাৰকে মানুহৰ মন আৰু মানসিকতাত প্রচণ্ড আঘাত হানিলে। ফলত সচেতন, সংবেদনশীল কবি-সাহিত্যিকসকল ৰোমাণ্টিক অলীক কল্পনাৰ জগতৰ পৰা আঁতৰি আহি ৰূঢ় বাস্তৱৰ লগত সম্পর্ক স্থাপন কৰিবলৈ বাধ্য হ'ল। কবিতাৰ বিষয়বস্তুৰ পৰিৱর্তন ঘটিল। নতুন ভাব প্রকাশৰ বাবে নতুন ভাষাৰীতিৰ প্রৱর্তন হ'ল। আংগিক সলনি হ'ল। এই নতুন সময়ৰ কবিতাকে বোলা হ'ল আধুনিক অসমীয়া কবিতা।

আধুনিক অসমীয়া কবিতা প্রতিষ্ঠাৰ ক্ষেত্রত কমল নাৰায়ণ দেৱ আৰু চক্রেশ্বৰ ভট্টাচার্যৰ যুটীয়া সম্পাদনাত, ১৯৪৩ চনত প্রকাশিত নতুন *জয়ন্তী*য়ে গুৰুত্বপূর্ণ ভূমিকা লৈছিল। ৰোমাণ্টিক ভাব বিলাস তথা কাব্য-চিন্তা পৰিহাৰ কৰি কবিতাক জনতামুখী আৰু বাস্তৱধর্মী কৰাৰ মানসেৰে *জয়ন্তী*ৰ কবি সমালোচকে কবিতাৰ নতুন ৰূপ আৰু সংজ্ঞা আগবঢ়াইছিল। *জয়ন্তী*ৰ পাততে নতুন কবিতাৰ দুটা সমান্তৰাল ধাৰা পৰিদৃষ্ট হ'ল। ইয়াৰে প্রথমটো হ'ল সমস্বত্ব প্রতিষ্ঠাৰ আকুলতাৰে সাম্যবাদী চিন্তাৰ ধাৰা আৰু আনটো হ'ল পাশ্চাত্য বৌদ্ধিক চেতনাৰে প্রভাৱিত ধাৰা। প্রথমটি ধাৰাৰ বৈশিষ্ট্য হ'ল মার্ক্সীয় দর্শনৰ স্পষ্ট প্রভাৱ তথা শ্রেণী সংগ্রাম আৰু শোষিত নিষ্পেষিত জনগণৰ মুক্তিৰ আহ্বান। প্রগতিবাদী এই ধাৰাৰ বলিষ্ঠ সূচনা কৰিলে ভবানন্দ দত্ত আৰু অমূল্য বৰুৱাই। অমূল্য বৰুৱাৰ 'আন্ধাৰৰ হাহাকাৰ', 'কুকুৰ', 'বেশ্যা', 'বিপ্লৱী'; ভবানন্দ দত্তৰ 'পূবেৰুণ', 'ৰাজপথ'; চক্রেশ্বৰ ভট্টাচার্যৰ 'মাথোন এখন নোট'; হেম বৰুৱাৰ 'পূজা', 'দোল-পূর্ণিমা', 'মৰুভূ',

নহয় ৰাম ৰাম গুৰুক তেওঁ স্পষ্ট নির্দেশো দিছে— "বোলে অন্য দেৱ নামে ফুল পাতো নিদিবা।" পূজাৰ অন্তত সেই প্রসাদ তেওঁ প্রথমে গুৰুজনাৰ ওচৰলৈ আনিছে। মাধৱদেৱৰ মতে "ৰাজাৰ হেঙ্গদান পাত্রৰ কি", অর্থাৎ বিষ্ণু পূজাৰ প্রসাদত প্রথমে গুৰুৰহে অধিকাৰ। মাধৱদেৱৰ এনে কার্যত শংকৰদেৱৰ অভিভূত হৈ পৰিছে আৰু কৈছে, "বোলে কালি পাইগৈ একচিত নিচই বিষ্ণুত পূজি প্রসাদ আনিছে ঃ এ গৃহৰ স্ত্রীহে বুজাব নপাইলোঃ।"

মাধৱদেৱক লগ পোৱাৰ পাছৰে পৰা অসমৰ ভক্তিধর্মত এটা নতুন বস্তু সংযোজিত হ'ল। সেয়া হ'ল 'গুৰু'। তাৰ পূর্বে বৈষ্ণৱ ধর্মত নাম, দেৱ আৰু ভকত— এই তিনিটা বস্তুহে আছিল। এতিয়া 'গুৰু' সংযোজিত হৈ চাৰিটা, অর্থাৎ সম্পূর্ণ বস্তু এটা হ'ল। এনেদৰে মাধৱদেৱৰ একান্ত গুৰুভক্তিৰ হেতু অসমত ভক্তিধর্মৰ বান্ধোন ক্রমাৎ দৃঢ় হ'বলৈ আৰম্ভ কৰে। শংকৰদেৱে "গৃহৰ স্ত্রীহে বুজাব নপাইলো" বুলি যি খেদ কৰিছিল, মাধৱদেৱে তাকো নিজ ব্যক্তিত্বৰ গুণেৰে আঁতৰাবলৈ সমর্থ হৈছিল। তেওঁৰ মতে শংকৰদেৱ স্বয়ং পৰমব্রহ্মৰ পূর্ণ অৱতাৰ। গতিকে তেওঁৰ বর্তমানত অন্য দেৱ-দেৱীৰ পূজা-সেৱাৰ কোনো অর্থ নাই। উল্লেখনীয় যে মাধৱদেৱে শংকৰদেৱক পূর্ণব্রহ্ম ৰূপে জ্ঞান কৰাৰ মূলতে আছিল গুৰুভক্তিৰ পৰাকাষ্ঠা বা আন কথাত একান্ত গুৰুভক্তি। তেওঁৰ এই ধাৰণা অসমৰ মহাপুৰুষীয়া পৰম্পৰাত আজিও বিদ্যমান।

আপুনি এই কথাও নিশ্চয় জানে যে মাধৱদেৱ চিৰকুমাৰ আছিল। দৰাচলতে গুৰুসেৱাত ব্যাঘাত ঘটাৰ আশংকা কৰিয়েই তেওঁ বিবাহ-পাশত আবদ্ধ নহ'বলৈ সংকল্পবদ্ধ হৈছিল। সেই হেতুকে শংকৰ-পত্নী কালিন্দী আয়ে নিজ দুহিতা বিষ্ণুপ্রিয়াক মাধৱদেৱৰ সৈতে বিয়া দিবলৈ ইচ্ছা কৰাত সেই প্রস্তাৱ তেওঁ হেলাৰঙে প্রত্যাখ্যান কৰিছে। তেওঁৰ মতে "মায়াময় বিষই পশুপক্ষীশৰীৰতো পাই"। গতিকে তাৰ প্রতি তেওঁৰ কোনো আকর্ষণ নাই। তেওঁ "জীৱৰ কুশলৰ হেতুকে"হে শংকৰদেৱক গুৰু মানিছে, বিষয়-ভোগৰ নিমিত্তে নহয়। তাৰ পাছতো গুৰুপত্নীয়ে উক্ত চিন্তা পৰিহাৰ নকৰা হেতুকে বিষ্ণুপ্রিয়াক কান্ধত তুলি "তুমি গুৰু দুহিতৃ, সেৱাৰ বন্দনী, আমাৰহে বন কৰা" বুলি গুৰুজনাৰ আগত নমাই থৈছে। শংকৰদেৱে মাধৱদেৱৰ কার্য দেখি কৈছে, "ৰামানন্দৰ মাক চোৱাহি, মই কঞ নপতিৱা, নির্গুণত গুণ দিব খোজা"। আপুনি জানেই যে অসমৰ মহাপুৰুষীয়া ধর্মত কেৱলীয়া ভকতৰ পৰম্পৰা মাধৱদেৱৰ পৰাই আৰম্ভ হয়।

গুৰুৰ প্রতি থকা অকৃত্রিম আৰু নিঃস্বার্থ ভক্তিৰ বাবেই মাধৱদেৱে মহাপুৰুষজনাৰ অন্তৰ জয় কৰিবলৈ সমর্থ হৈছিল। গুৰুবাক্য শিৰে ধৰি মাধৱদেৱে ৰচনা কৰা 'জয় গুৰু শঙ্কৰ' কবিতা পঢ়ি স্বয়ং গুৰুজনাই মন্তব্য দিবলৈ বাধ্য হৈছিল যে "ববাপো বাৰ গুচালা, মই ফুৰুৱাৰ হৈ"। ইয়াৰ পৰা বুজিবলৈ টান নহয় যে উক্ত কবিতাৰ জৰিয়তে মাধৱদেৱে গুৰুজনাক স্বয়ং ভগৱান ৰূপে প্রতিপন্ন কৰিবলৈ চেষ্টা কৰিছিল। পাছত তেওঁ "শঙ্কৰৰ অংশ" গুচাই "শঙ্কৰ তাকেৰি অংশ" কৰি কিছু 'বাৰ' লগাই দিয়ে। গুৰুৰ প্রতি থকা আস্থা আৰু ভক্তিৰ বাবেই তেওঁ নিজকে আটাইতকৈ নৰাধম পশু বুলি বিনয়ী

মাধৱদেৱক কৈছিল।

(গ) গুৰু-দুহিতৃক মাধৱদেৱে 'সেৱাৰ বন্দনী' বুলি আখ্যা দিছিল।

(ঘ) মাধৱদেৱে শংকৰ গুৰুৰ কন্যাক বিবাহ কৰিছিল।

.....

৬.৩.৬ মাধৱদেৱৰ গুৰুভক্তি

আপুনি এই অধ্যায়টি অধ্যয়ন কৰাৰ পূৰ্বে বিভিন্ন উৎসৰ পৰা এটা কথা নিশ্চয়কৈ জানিব পাৰিছিল যে শংকৰদেৱৰ সৈতে হোৱা তৰ্কযুদ্ধত হাৰি পূৰ্বৰ প্ৰবৃত্তি পন্থা এৰি নিবৃত্তি মাৰ্গত দীক্ষা লোৱা দিনৰে পৰা মাধৱদেৱ শংকৰ গুৰুৰ সৈতে সকলো সময়তে গাৰ ছাঁটোৰ দৰে লাগি আছিল। অসমৰ মহাপুৰুষীয়া ধৰ্মৰ অন্যতম হোতা মাধৱদেৱ আছিল অনন্য ব্যক্তিত্বৰ অধিকাৰী। গতিকে শংকৰদেৱ প্ৰচাৰিত মহাপুৰুষীয়া ধৰ্মমতত দীক্ষা লোৱা অন্যান্য শিষ্য-প্ৰশিষ্যতকৈ মাধৱদেৱ আছিল স্বাভাৱিকতে ব্যতিক্ৰম। তেওঁৰ গুৰুভক্তিও আছিল অতুলনীয়।

মাজুলীৰ ধুৱাহাট বেলগুৰিত থকা সময়তে শংকৰদেৱৰ সৈতে মাধৱদেৱৰ 'মণি-কাঞ্চন সংযোগ' ঘটিছিল। সেয়াও আছিল এক ব্যতিক্ৰমধৰ্মী ঘটনা। আগৰ শাখাকেইটাত কৈ অহা হৈছে যে মাধৱদেৱ পোনতে শাক্তপন্থী আছিল। অকল সেয়ে নহয়, তেওঁ সেই শাস্ত্ৰৰ অগাধ পণ্ডিতো আছিল। মাকৰ নৰিয়াৰ আৰোগ্য কামনাৰে গোসাঁনীলৈ বুলি মানস কৰা পঠা ছাগলীযোৰ টকা-সিকা দি ৰাতিপুৱাই পঠিওৱা সত্ত্বেও ভনী জোঁৱায়েক ৰামদাসে শংকৰদেৱ আৰু তেওঁৰ দ্বাৰা প্ৰচাৰিত ধৰ্মৰ দোহাই দি আনি নিদিয়া হেতুকে তেওঁ গালি-শপনি পাৰিছিল। একে সময়তে তেওঁ শংকৰদেৱক সাক্ষাৎ কৰি নিজ মাৰ্গৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিবলৈকো ইচ্ছা কৰিছিল। যেনে ইচ্ছা তেনে কাম। পিছদিনা ৰামদাসে মাধৱদেৱক গুৰুজনাৰ ওচৰলৈ লৈ যায়। যথাৰীতি সম্ভাষণ পৰ্ব সমাপ্ত হোৱাৰ পাছত দুয়োজনাৰ মাজত প্ৰবৃত্তি আৰু নিবৃত্তি মাৰ্গক লৈ প্ৰায় ন ঘণ্টা সময়জুৰি যুক্তি-তৰ্ক হয়। শংকৰদেৱে ভাগৱতৰ 'তৰুমূল' শ্লোক মাতি তাৰ অৰ্থ ব্যাখ্যা কৰাত মাধৱদেৱে হাৰ মানি লগে লগে শংকৰদেৱৰ চৰণত সেৱা জনায়। গুৰুজনাই ভাবিছিল, মাধৱদেৱে বিদায় ল'বলৈ সেৱা জনাইছে। সেইবাবে কৈছিল— "বোলে দেখো আহিও সেৱা কৈলা ঃ এতিয়াও সেৱা কৈলা কিৱ।" মাধৱদেৱৰ উত্তৰ আছিল স্পষ্ট— প্ৰথমবাৰ তেওঁ সেৱা কৰিছিল "বৰভূঞা বিসই মানি", কিন্তু পিছৰবাৰ কৰিছিল শংকৰদেৱৰ "অভয় পাদ পঙ্কজত বিক্ৰই জীৱ কৰি গুৰু মানি।" তাৰ পৰৱৰ্তী দিনটোত তেওঁ যথাবিহিত নীতি-নিয়মেৰে বৈষ্ণৱ মাৰ্গত শৰণ লৈছিল।

এই ঘটনাৰ পাছত আহিনৰ দুৰ্গা পূজাৰ সময়ত ছাগলী বলি দিয়াৰ সলনি তেওঁ ৰাম ৰাম গুৰুৰ হুতুৰাই "প্ৰসাদ-নৈবেদ ধোৱাই কটাই" বিষ্ণু পূজা কৰাইছে। কেৱল সেয়ে

'গুৱাহাটী ঃ ১৯৪৪'; কেশৱ মহন্তৰ 'চোৰৰ কৈফিয়ৎ' আদি কবিতাই নতুন বিষয়বস্তু আৰু আংগিকেৰে অসমীয়া কবিতালৈ ৰোমাণ্টিকতাৰ বিপৰীতে নতুন সুৰ বোৱাই আনিলে। এই ধাৰাই সচেতনভাৱে পৰৱৰ্তী কালৰ কবিসকলকো সাম্যবাদী ভাবনাৰে উদ্বুদ্ধ কৰিলে। বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ 'বিষ্ণু ৰাভা এতিয়া কিমান ৰাতি', ৰাম গগৈৰ 'পথাৰ', আব্দুল মালিকৰ 'ফুলশয্যাৰ ৰাতি', অমলেন্দু গুহৰ 'বাগিচাত দেওবাৰ', হেমাঙ্গ বিশ্বাসৰ 'নাম তাৰ কমৰেড ৰত্নেশ্বৰ ৰাভা' ইত্যাদি কবিতা মাৰ্ক্সীয় দৰ্শনৰ দ্বাৰাই প্ৰভাৱান্বিত কবিতা। হীৰেন ভট্টাচাৰ্য, ৰবীন্দ্ৰ সৰকাৰ, অৰনী চক্ৰৱৰ্তী আদি অন্যান্য কবিসকলেও অসমীয়া কবিতাৰ এই প্ৰগতিশীল ধাৰাক নিজৰ নিজৰ ৰৱঙণিৰে সমৃদ্ধ কৰিলে।

*জয়ন্তী*য়ে প্ৰৱৰ্তন কৰা প্ৰগতিবাদী কবিতাৰ ধাৰাটো পৰৱৰ্তী কালৰ *পছোৱা* (১৯৪৮-৪৯) কাকতত প্ৰাণৱন্ত হৈ উঠিছিলগৈ। এই দুয়োখন কাকতত সাম্যবাদী ধাৰাৰ লগত প্ৰবাহিত হোৱা আৰু পাছলৈ সমৃদ্ধ তথা ব্যাপ্তি লভা, কবিতাৰ আনটো ধাৰা হ'ল পাশ্চাত্য বৌদ্ধিক চেতনাৰে প্ৰভাৱিত ধাৰা। উল্লেখযোগ্য যে টি. এছ. এলিয়ট, এজ্ৰা পাউণ্ড, লুই মেকনিছ, ডব্লিউ. বি. ইয়েটছ, ডাইলান টমাছ, ব'ডলেয়াৰ, মালার্মে আদি পাশ্চাত্যৰ কবিসকলৰ কলমত যি নতুন তথা অভিনৱ চিন্তাধাৰা আৰু প্ৰকাশভংগী গঢ় লৈ উঠিছিল চল্লিছৰ দশকত তাৰ প্ৰভাৱ পৃথিৱীৰ প্ৰায়বোৰ দেশতে পৰিছিল। অসমৰ কবিকুলো সেই প্ৰভাৱৰপৰা মুক্ত হ'ব পৰা নাছিল। তদুপৰি ফ্ৰয়েড, নীৎছ আদি দাৰ্শনিকৰ প্ৰভাৱো আছিল। জয়ন্তী যুগতে আত্মপ্ৰকাশ কৰা হেম বৰুৱা, নৱকান্ত বৰুৱাৰ কবিতাত বিষয়বস্তু আৰু আংগিকৰ দুয়োটা ক্ষেত্ৰতে এনে নতুন কাব্যাদৰ্শই ৰেখাপাত কৰিলে। লাহে লাহে অজিৎ বৰুৱা, মহেন্দ্ৰ বৰুৱা, হৰি বৰকাকতি, মহেন্দ্ৰ বৰা, মহিম বৰা, হোমেন বৰগোহাঞি, বীৰেশ্বৰ বৰুৱা, সুশীল শৰ্মা, নীলমণি ফুকন, হীৰেন্দ্ৰনাথ দত্ত, ভবেন বৰুৱা, হৰেকৃষ্ণ ডেকা, নিৰ্মল প্ৰভা বৰদলৈ, দীনেশ গোস্বামী, হীৰেন ভট্টাচাৰ্য, আনিছ উজ জামান আদি বহুকেইজন কবিয়ে যথার্থ আধুনিক অসমীয়া কবিতা ৰচনা কৰিবলৈ ল'লে। এই কবিসকলৰ কেতবোৰ ৰচনাত প্ৰতীকবাদী ৰীতিৰ কিছুমান লক্ষণ সুস্পষ্টকৈ ধৰা দিলেহি। আধুনিক অসমীয়া কবিতাৰ আৰম্ভৰ পৰা বিংশ শতিকাৰ শেষলৈকে সমগ্ৰ সময়ছোৱা আৱৰি আছে কবি নৱকান্ত বৰুৱাই। তেওঁৰ ন ন পৰীক্ষা-নিৰীক্ষাৰে ৰচনা কৰা কবিতাবোৰৰ যথেষ্ট সংখ্যকতে আধুনিকতাবাদী ৰীতিৰ প্ৰকাশ দেখা যায়। অন্যান্য কবিসকলৰ ভিতৰত 'অর্থঘন গাঁথনি আৰু গভীৰ ব্যঞ্জনধৰ্মিতাৰে অজিৎ বৰুৱা আৰু নীলমণি ফুকনে দুটা সুঁতি সৃষ্টি কৰিছে। অজিৎ বৰুৱাৰ কবিতাত ব্যক্তিগত অনুষংগৰ প্ৰয়োগে আৰু নীলমণি ফুকনৰ কবিতাত এহাতে অৱচেতনৰ প্ৰতীকী প্ৰকাশ আৰু আনহাতে লোকজীৱনৰ পৰা বুটলি অনা প্ৰসংগৰ ধ্বনি-শীলতাই অসমীয়া কবিতাক দুটা নতুন আয়তন দান কৰিছে।' উল্লেখযোগ্য যে ১৯৫২ চনত জন্মলাভ কৰা *ৰামধেনু*ৰে এই নব্য ধাৰাৰ কবিতা অর্থাৎ পাশ্চাত্য আধুনিকতাবাদী ধাৰাৰ কবিতাৰ বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল।

ড° মহেন্দ্ৰ বৰাই ওপৰত উল্লেখ কৰা দুই শিবিৰক অর্থাৎ দুই ধাৰাৰ কবিকুলক ক্ৰমে 'জনতাৰ কবি' আৰু 'নির্জনতাৰ কবি' নামেৰে অভিহিত কৰিছে। নৱকান্ত বৰুৱা, অজিৎ বৰুৱা, মহেন্দ্ৰ বৰা, হৰি বৰকাকতি, মহিম বৰা, হোমেন বৰগোহাঞি, বীৰেশ্বৰ বৰুৱা আদিসকল হ'ল

ইয়াৰে দ্বিতীয়টো থূলৰ কবি। এই দুই ধাৰাৰ কবিতাৰ লগতে অৱশ্যে অসমীয়া কাব্য পৰম্পৰাত অন্য এক শ্রেণীৰ ৰোমাণ্টিকধর্মী কবিতাৰো প্রচলন চলি থাকিল। এই ধাৰাটিক নৱ নৱন্যাসবাদী কবিতা বুলি অভিহিত কৰিব পাৰি। ৰচনাৰ কৌশল আৰু আংগিকৰ প্রভেদেৰে ৰচিত এই ধাৰাৰ কবিতা আধুনিক বাস্তৱবাদী সাহিত্যৰ সমান্তৰালভাৱেই প্রবাহিত হৈ আছিল।

যুদ্ধোত্তৰ অসমীয়া কবিতাই নতুন পথ মুকলি কৰি লৈছে আৰু দেশ-বিদেশৰ বিভিন্ন কবিৰ কাব্য চেতনাৰ লগত সম্পর্ক স্থাপন কৰিছে। টি. এছ. এলিয়ট, এজ্ৰা পাউণ্ডৰ লগতে চীন আৰু জাপানৰ কবিতাৰ লগতো অসমীয়া কবিৰ পৰিচয় হৈছে। 'মধ্য প্রাচ্যৰ কবিসকলৰ ৰচনায়ো আমাৰ কবিসকলৰ মন চুই গৈছে একে সময়তে। নাজিম হিকমত, পাৱলো নেৰুদা, মিউজ, ছেফাৰিছ আদি বিভিন্ন দেশৰ কবিৰ ধ্বনি-প্রতিধ্বনি অসমীয়া কবিয়ে গ্রহণ কৰিছে।' বিংশ শতিকাৰ আশীৰ দশকৰপৰা আধুনিক অসমীয়া কবিতাই 'ৰামধেনু যুগ'ৰ বিশেষত্ববোধৰ ঠাইত নতুন বিশেষত্ব আহৰণ কৰি লৈছে। সাম্প্রতিক কালতো নতুন ভাব, নতুন আংগিক আদিৰ ন ন সম্পৰীক্ষা নিতৌ চলি আছে। আধুনিক অসমীয়া কবিসকলে মনৰ সকলো দুৱাৰ খিৰিকী খুলি ৰাখিছে যাতে গোটেই বিশ্বৰ পৰা সংগ্রহ কৰা উপাদানেৰে নিজৰ কবিতা সমৃদ্ধ কৰিব পাৰে।

মুঠতে পৰিৱর্তিত আর্থ-সামাজিক আৰু মানসিক পৰিৱেশে আধুনিক কবিসকলৰ মনত জীৱন আৰু জগতৰ প্রতি নতুন উপলব্ধিৰ চেতনা আনি দিলে। এনে উপলব্ধিৰ কলাত্মক প্রকাশেৰে আধুনিক বা সাম্প্রতিক কবিতা কেতবোৰ স্বকীয় বৈশিষ্ট্যৰে সমুজ্জ্বল হৈ উঠিল। সমালোচকসকলে চিহ্নিত কৰি উলিওৱা এনে বৈশিষ্ট্যসমূহ দুটা ভাগত ভগাব পাৰি— বিষয়বস্তুগত আৰু আংগিকগত।

- **বিষয়বস্তুগত বৈশিষ্ট্য**
  - ➢ মানৱীয় মূল্যবোধৰ নতুন মূল্যায়ন
  - ➢ সংশয়, দ্বিধা, অনিশ্চয়তা আৰু জটিলতাই গ্রাস কৰা নগৰীয়া জীৱনৰ ইতৰতা আৰু অৱক্ষয়ৰ প্রকাশ
  - ➢ ফ্রয়ডীয় মনোবৈজ্ঞানিক ধ্যান-ধাৰণাৰ প্রত্যক্ষ প্রভাৱ
  - ➢ মার্ক্সীয় দর্শনৰ প্রতি গভীৰ শ্রদ্ধা
  - ➢ শিল্প-উদ্যোগৰ প্রসাৰ তথা যান্ত্রিক সভ্যতাৰ সম্প্রসাৰণ আৰু জনপ্রিয়তা
  - ➢ ৰোমাণ্টিক প্রেমৰ প্রতি অৱজ্ঞা আৰু তাৰ ঠাইত দেহজ প্রেমৰ ৰূপ প্রত্যক্ষীকৰণ
  - ➢ বস্তুবিজ্ঞান আৰু সমাজবিজ্ঞান উভয় দিশত হোৱা নতুন আৱিষ্কাৰৰ প্রত্যক্ষ প্রভাৱ
  - ➢ বিশ্বৰ আন আন প্রান্তৰ সংস্কৃতি আৰু জনজীৱনৰ প্রতি সচেতন দৃষ্টিভংগী
  - ➢ প্রতিষ্ঠিত মূল্যবোধৰ প্রতি সংশয়, ঈশ্বৰ আৰু প্রথাগত ধর্মৰ প্রতি অনাস্থা তথা সৌন্দর্যৰ প্রতি নতুন দৃষ্টিভংগীৰ প্রকাশ
  - ➢ প্রচলিত কবি-প্রসিদ্ধিৰ প্রতি অৱজ্ঞা
  - ➢ মৃত্যু চেতনাৰ প্রকাশ আৰু প্রকাশভংগীৰ দুৰূহতা, ইত্যাদি।
- **আংগিকগত বৈশিষ্ট্য**
  - ➢ ছান্দিক কৌশলৰ আমূল পৰিৱর্তন। প্রচলিত অন্ত্যমিলযুক্ত ছন্দৰ ঠাইত সাধাৰণ বাক্-

মত গ্রহণ কৰিছিল। তেতিয়াৰে পৰা মৃত্যু পর্যন্ত তেওঁ একান্তভাৱে বৈষ্ণৱ ধর্মৰ প্রচাৰ আৰু প্রসাৰত আত্মনিয়োগ কৰিছিল। ধর্ম-সাধনাত ব্যাঘাত ঘটাৰ আশংকা কৰি তেওঁ চিৰকুমাৰ হৈ থাকিল। আনকি গুৰুজনাৰ দুহিতাক বিয়া কৰোৱাৰ লোভনীয় প্রস্তাৱো তেওঁ হেলাৰঙে প্রত্যাখ্যান কৰি গড় নবদ্ধাকৈয়ে সংসাৰ যুদ্ধত অৱতীর্ণ হৈছিল। এই প্রসংগত তেওঁৰ যুক্তি আছিল অতিশয় সবল। সেই যুক্তিয়ে আনকি শংকৰদেৱৰ দৰে বিশাল ব্যক্তিত্বৰ অধিকাৰীকো প্রভাৱান্বিত কৰিছিল। গুৰু-দুহিতৃক 'সেৱাৰ বন্দনী' আখ্যা দিয়া কথায়ো মাধৱ পুৰুষৰ সবল ব্যক্তিত্বৰ কথাকে সূচায়।

মাধৱদেৱৰ বাবে শংকৰদেৱ আছিল স্বয়ং পৰমব্রহ্ম স্বৰূপ। নিজ পত্নীৰ অন্য দেৱ-দেৱীৰ পূজা-অর্চনাৰ প্রতি থকা আসক্তি আঁতৰোৱাত গুৰুজনা ব্যর্থ হৈছিল। মাধৱদেৰেহে তেনে পূজাৰ সকলো সামগ্রী ভাঙি-ছিঙি কলাকটা নদীত উটুৱাই গুৰুপত্নীক বৈষ্ণৱ মার্গ দর্শন কৰাবলৈ সমর্থ হৈছিল। বিশেষ ব্যক্তিত্ব অবিহনে এনে কার্য কৰাটো যে সম্ভৱ নাছিল তাক দোহৰাৰ নিশ্চয় প্রয়োজন নাই।

গুৰুজনাৰ আজ্ঞা মতে তেওঁ যি কবিতা ৰচনা কৰিছিল সেয়া আছিল অতিশয় উৎকৃষ্ট মানৰ। সেই কথা শংকৰদেৰে নিজ মুখে স্বীকাৰ কৰাটো প্রসংগক্রমে উল্লেখনীয়। জীৱদেহৰ ক্ষণভংগুৰতা আৰু মায়াৰ পৰা উৎপত্তি হোৱা অজ্ঞানতাৰ হেতু জীৱই পাৰস্পৰিকভাৱে মোহাৱিষ্ট হৈ পৰম পুৰুষক চিনি নোপোৱাৰ তাত্ত্বিক ব্যাখ্যাৰ পৰা এইজনা বৈষ্ণৱ পুৰুষৰ পাণ্ডিত্যৰ পৰিচয় পোৱা যায়। নিজকে আটাইতকৈ অধম বুলি গণ্য কৰা মাধৱদেৱৰ বিনয়ীভাৱে শংকৰদেৱকো প্রভাৱিত কৰিছিল। মাধৱদেৱৰ প্রেৰণাতে গুৰুজনাই নৱসিদ্ধ একাদশৰ ভাঙনিত "তোমাৰ ভৃত্যৰ ভৃত্যৰো ভৃত্যৰ/তাৰো ভৃত্য ভৈলো আমি" বুলি বিনয়ী ভাব প্রদর্শন কৰিব পাৰিছিল। বৈষ্ণৱ ভকতসকলৰ ধর্মবস্তুৰ প্রতি একনিষ্ঠতাৰ অভাৱে গুৰুজনাক প্রায়ে দুখ দিছিল। অকল মাধৱদেৰেহে গুৰুৰ মনৰ পৰা তেনে দুখ আঁতৰাই পুনৰ সঠিক বাটেৰে বাট বুলিবলৈ অনুপ্রেৰণা যোগাব পাৰিছিল। এনেদৰেই আপোনাৰ পাঠ্য এই পাঠটিত সন্নিৱিষ্ট ঘটনাৱলীৰ মাজেৰে মাধৱ পুৰুষৰ ব্যক্তিত্ব প্রকাশ পাইছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৯ ঃ গুৰুপত্নীৰ পূজাৰ দ্রব্য মাধৱদেৰে ক'ত উটুৱাই দিছিল?

.....

প্রশ্ন নং ১০ ঃ শুদ্ধ নে অশুদ্ধ নির্ণয় কৰক—

(ক) "তোমাৰ ভৃত্যৰ ভৃত্যৰো ভৃত্যৰ/ তাৰো ভৃত্য ভৈলো আমি" বুলি গুৰুজনাই নৱসিদ্ধ একাদশৰ শ্লোক ভাঙি পদ কৰোঁতে মন্তব্য কৰিছিল।

(খ) "মোৰ আগতহে বৰ ৰাগ গোট, শঙ্কৰৰ গুৰি পালে হ'বা সোট লোট" বুলি হৰিদেৰে

প্ৰশ্ন নং ৮ ঃ মাধৱদেৱে কাৰ হতুৱাই বিষ্ণু পূজা কৰাইছিল?

.....

৬.৩.৫ মাধৱদেৱৰ ব্যক্তিত্ব

আপোনাৰ পাঠ্যবিষয়ৰ অন্তৰ্ভুক্ত 'গুৰু-শিষ্যৰ মণি-কাঞ্চন সংযোগ' অধ্যায়টিৰ মাজত মহাপুৰুষ মাধৱদেৱৰ ব্যক্তিত্বৰ সুন্দৰ প্ৰতিফলন লক্ষ্য কৰিব পাৰি। ব্যক্তিত্ব হ'ল মানুহৰ এক মানসিক সৌন্দৰ্য। মানসিকভাৱে মানুহ যিমানেই শক্তিশালী হয় তেওঁৰ ব্যক্তিত্বও সিমানেই সবল হয়। অৱশ্যে তাৰ বাবে মানুহ দৃঢ়মনা আৰু অন্তৰ্দৃষ্টিসম্পন্ন হোৱা আৱশ্যক। যুক্তিৰে সকলো কথা বিচাৰ কৰি সঠিক সিদ্ধান্তত উপনীত হ'ব পৰাটো যিকোনো ব্যক্তিৰ এক মহৎ গুণ বুলি বিবেচিত। মাধৱদেৱ আছিল এনে এক 'সৰ্ব গুণাকৰ' পুৰুষ। এইজনা পুৰুষৰ ব্যক্তিত্ব সম্বন্ধে বিচাৰ-বিশ্লেষণ কৰিবলৈ আমি পাঠটিত উল্লেখ নথকা অথচ অতিশয় প্ৰাসংগিক ঘটনা এটিৰ কথা প্ৰথমে কৈ ল'ব লাগিব। ঘটনাটি 'প্ৰবৃত্তি নিবৃত্তি' মাৰ্গক লৈ শংকৰদেৱ আৰু মাধৱদেৱৰ তৰ্কযুদ্ধ হোৱাৰ অব্যৱহিত পূৰ্বকালৰ। আপোনাৰ বাবে প্ৰস্তুত পাঠটি যিখন মূল গ্ৰন্থৰ পৰা আহৰণ কৰা হৈছে সেই গ্ৰন্থত, অৰ্থাৎ *কথা-গুৰু-চৰিত* বা *গুৰু-চৰিত কথা*ত উল্লেখ থকা মতে এবাৰ মাধৱদেৱৰ মাকৰ টান নৰিয়া হৈছিল। একো উপায় নেদেখি মাধৱদেৱে মাকৰ আৰোগ্য কামনাৰে আহিনৰ দুৰ্গা পূজাৰ সময়ত গোসাঁনীৰ আগত এহাল পঠা ছাগলী বলি দিম বুলি মানস কৰিছিল। যথা সময়ত তেওঁ ছাগলী আনিবলৈ ভনী জোঁৱায়েক ৰামদাসক টকা-সিকা দি পঠিয়াইছিল। কিন্তু ৰামদাস আছিল বৈষ্ণৱ ভক্ত। তেওঁ মাধৱদেৱৰ এই কাৰ্য সমৰ্থন কৰিব পৰা নাছিল। গধূলি পৰত যেতিয়া ৰামদাস ছাগলী ননাকৈ উভতি আহিল তেতিয়া মাধৱদেৱৰ বৰ খং উঠিল আৰু ভনী জোঁৱায়েকক গালি পাৰিলে। তেতিয়া ৰামদাসে "মোৰ আগতহে বৰ ৰাগ গোট, শঙ্কৰৰ গুৰি পালে হ'বা সোট লোট" বুলি পাকে-প্ৰকাৰে শংকৰদেৱৰ সৈতে বলি-বিধানৰ সাৰ্থকতা বা অসাৰ্থকতা সম্পৰ্কে যুক্তি-তৰ্ক কৰিবলৈ আহ্বান জনালে। এইখিনিতে আমি মাধৱদেৱৰ ব্যক্তিত্বৰ এটি বিশেষ দিশৰ উমান পাওঁ। তেওঁ যুক্তি অবিহনে কেৱল মুখৰ কথাত বলি-বিধান এৰিবলৈ প্ৰস্তুত নহয়। মাধৱদেৱৰ ইমানেই খং উঠিছিল যে তেওঁ তৎমুহূৰ্ততে শংকৰদেৱৰ মুখামুখি হ'ব খুজিছিল। কিন্তু ইতিমধ্যে অনেক বিলম্ব হোৱা বাবে সেইদিনা নগৈ তাৰ পিছদিনা পুৱাই ভনী জোঁৱায়েকক লগত লৈ শংকৰদেৱৰ ওচৰত উপস্থিত হৈছিল।

মুঠতে যুক্তিয়েই আছিল মাধৱ পুৰুষৰ ব্যক্তিত্বৰ মূল আধাৰ। কিন্তু সেই বুলি আনৰ মতক উপলুঙা বা অনাদৰ কৰাটো তেওঁৰ স্বভাৱ বিৰুদ্ধ আছিল। যদিও তেওঁ প্ৰবৃত্তি মাৰ্গৰ এগৰাকী পণ্ডিত আছিল, শংকৰদেৱৰ সৈতে হোৱা তৰ্কযুদ্ধত তেওঁ পৰাস্ত হৈ আন বহুতৰ দৰে তেওঁ নিজৰ মতত আঁকোৱগোজ হৈ লাগি নাথাকি শংকৰদেৱৰ

ৰীতি আৰু গদ্যৰীতিৰ সংমিশ্ৰণেৰে নিৰ্মিত মুক্তক ছন্দ আৰু স্পন্দিত গদ্যৰ ব্যৱহাৰ

- অতিকাব্যিকতাৰ অৱসান
- চুম্বকীয় ভাষাৰ প্ৰয়োগ
- পৰম্পৰাগত শব্দ আৰু উপমাত অভিনৱ অৰ্থ সংযোজনেৰে নতুন নতুন চিত্ৰকল্পৰ নিৰ্মাণ
- প্ৰতীকী ভাষাৰ প্ৰয়োগৰ জৰিয়তে অৰ্থঘনত্বৰ সৃষ্টি আৰু কবিতাক সাংগীতিক মৰ্যাদা প্ৰদান
- অতীত ঐতিহ্যৰ সৈতে নতুন অনুভূতিৰ সমন্বয় সাধন আৰু যত্ৰ-তত্ৰ উদ্ধৃতিৰ সঘন প্ৰয়োগ, ইত্যাদি।

এই বৈশিষ্ট্যবোৰ পৃথিৱীৰ সকলো দেশৰ আধুনিক কবিতাত প্ৰত্যক্ষ কৰা যায়। অসমীয়া আধুনিক কবিতায়ো এইবোৰ বৈশিষ্ট্যৰ সমাহাৰেৰে জাতিষ্কাৰ হৈ তাৰ মাজত স্বকীয় মহিমাৰে নিজৰ গৌৰৱ ঘোষণা কৰি আছে। এই সময়ৰ কবিকুলক দুটা চামত ভাগ কৰা হৈছে। সমাজ-বাস্তৱ দুয়োটা চামৰ কাব্য-কৰ্মৰ উমৈহতীয়া চেতনা হ'লেও, এচাম কবি আছিল সম্পূৰ্ণৰূপে মাৰ্ক্সবাদী চিন্তাৰ দ্বাৰা প্ৰভাৱিত আৰু আনহাতে আনটো চামৰ তেনে চিন্তা থাকিলেও তেওঁলোক ব্যক্তি স্বাতন্ত্ৰ্যৰ প্ৰতি উদাসীন নাছিল।



চিন্তা-চৰ্চা কৰক— ৪.১

আধুনিক কবিতাৰ পটভূমি উল্লেখ কৰি আধুনিক অসমীয়া কবিতাৰ বৈশিষ্ট্যসমূহ যুকিয়াই লৈ এটি প্ৰবন্ধ ৰচনা কৰক।

.....

.....

.....

.....

.....

.....



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ কোনখন কাকতৰ মাধ্যমেৰে অসমীয়া কাব্য সাহিত্যলৈ আধুনিকতাৰ আগমন ঘটিছিল?

.....

প্ৰশ্ন নং ২ ঃ কোনখন কাকতে ৰোমাণ্টিক কাব্যদৰ্শনক প্ৰত্যাহ্বান জনাই প্ৰথমবাৰৰ বাবে অসমীয়া কাব্য সাহিত্যলৈ প্ৰগতিশীল চিন্তাধাৰাৰ আগমন ঘটায়?

.....

প্ৰশ্ন নং ৩ ঃ শুদ্ধ নে অশুদ্ধ নিৰ্ণয় কৰক —

ক) এলিয়টৰ মতে— কবিতা ব্যক্তিগত ভাব-অনুভূতিৰ প্ৰকাশ মাত্ৰ।

খ) ১৯৪৩ চনত প্ৰকাশিত নতুন *জয়ন্তী*ৰ সম্পাদক আছিল ৰঘুনাথ চৌধাৰী।

গ) আধুনিক কবিতাত প্ৰতীকী ভাষাৰ প্ৰয়োগৰ জৰিয়তে অৰ্থঘনত্বৰ সৃষ্টি কৰাৰ লগতে সাংগীতিক মৰ্যাদা প্ৰদান কৰা হয়।

ঘ) আধুনিক অসমীয়া কবিতাৰ আৰম্ভৰ পৰা বিংশ শতিকাৰ শেষলৈকে সমগ্ৰ সময়ছোৱা আৱৰি আছে কবি নৱকান্ত বৰুৱাই।

.....

৪.৫ নৱকান্ত বৰুৱাৰ কাব্যচিন্তা

অসমীয়া সাহিত্য জগতত নৱকান্ত বৰুৱাৰ এখন সুকীয়া আসন আছে। তেওঁ একাধাৰে কবি, ঔপন্যাসিক, শিশু-সাহিত্যিক আৰু গীতিকাৰ হিচাপে সুপৰিচিত। সেয়ে হ'লেও, তেওঁ ঘাইকৈ কবি হিচাপেহে প্ৰতিষ্ঠিত। এইজনা কবিয়ে চল্লিশৰ দশকত *জয়ন্তী*ৰ পাততে কাব্যজীৱন আৰম্ভ কৰিছিল। তেতিয়াৰে পৰা মৃত্যুৰ পৰলৈকে অবিৰত সাধনাৰে অসমীয়া কবিতাক যথাৰ্থ আধুনিক ৰূপ প্ৰদান কৰাত তেওঁ ব্ৰতী হৈ আছিল। ভাব আৰু ভাষাৰ অপূৰ্ব সমাহাৰ, আংগিক আৰু বিষয়বস্তুৰ অভিনৱত্ব, বৈচিত্ৰ্যপূৰ্ণ প্ৰকাশভংগী, অৰ্থঘন শব্দ প্ৰয়োগৰ দক্ষতা আদি এইগৰাকী কবিৰ সৃষ্টিকৰ্মৰ প্ৰধান বৈশিষ্ট্য। গভীৰ ইতিহাস চেতনা, বচনভংগীৰ মৌলিকতা আৰু তাৰ মাজত নিহিত হৈ থকা সাহিত্যিক প্ৰমূল্য ইত্যাদি বৈশিষ্ট্যৰ সমাহাৰে তেওঁক আধুনিক অসমীয়া কাব্য-পৰম্পৰাত এগৰাকী দিগ্‌দৰ্শী কবি হিচাপে চিহ্নিত কৰিছে।

আধুনিক অসমীয়া কবিতাৰ প্ৰসাৰ আৰু জনপ্ৰিয়তাৰ ক্ষেত্ৰত নৱকান্ত বৰুৱাৰ অপৰিসীম বৰঙণি আছে। তেওঁৰ কবিতা আধুনিক অসমীয়া কবিকুলৰ প্ৰেৰণাৰ উৎস। কবিতাত হৃদয়বৃত্তিৰ পৰিৱৰ্তে চিন্তন আৰু মননৰ প্ৰাধান্যৰ প্ৰতি মনোযোগ আকৰ্ষণ কৰাৰ ক্ষেত্ৰত নৱকান্ত বৰুৱাক নিঃসন্দেহে অগ্ৰণী বুলিব পাৰি। 'আধুনিক অসমীয়া কবিসকলৰ ভিতৰত কেৱল নৱকান্ত বৰুৱাৰ কাব্যতে প্ৰথমৰে পৰা সন্ধানী দৃষ্টি আৰু সজাগ যুগচেতনা দেখা যায়, যি যুগচেতনা যথাৰ্থতে কাব্যিক, কাৰণ প্ৰচলিত মতবাদৰ নিৰ্দেশ অনুসাৰে নগৈ বিশুদ্ধ সংবেদনৰ পৰিশ্ৰমত সি নিমগ্ন। সেয়েহে তেওঁৰ হৃদয়ৰ দান আমাৰ ওচৰত বেছি।'

অসমীয়া তথা অন্যান্য ভাৰতীয় ভাষাৰ কাব্য সাহিত্যলৈ আধুনিকতাৰ আমদানি ঘটিছিল পাশ্চাত্য সাহিত্য — বিশেষকৈ ইংৰাজী সাহিত্যৰ অধ্যয়নৰ যোগেদি। অসমীয়া কবিতাত চুবুৰীয়া বাংলা সাহিত্যৰ জৰিয়তেও পশ্চিমীয়া ভাবাদৰ্শৰ প্ৰৱেশ ঘটিছে। যিকেইগৰাকী কবি-সাহিত্যিকে অসমীয়া সাহিত্যলৈ এই নতুন ভাবাদৰ্শৰ প্ৰবাহ বোৱাই আনিছিল সেইসকলৰ ভিতৰত অগ্ৰণী আছিল নৱকান্ত বৰুৱা। তেওঁ পাশ্চাত্য কাব্যাদৰ্শৰ আৰ্হিৰে নতুন ভাববস্তু, ৰূপবস্তু তথা নতুন ছন্দৰীতিৰ প্ৰৱৰ্তন কৰি অসমীয়া কাব্যৰীতিৰ আমূল পৰিৱৰ্তন সাধন কৰে। সেইবাবে কোনো কোনো সমালোচকে আধুনিক অসমীয়া কবিতাৰ নতুন যুগটোক 'নৱকান্ত বৰুৱাৰ যুগ' আখ্যা

আন এদিনৰ কথা। সেইদিনাও তেওঁলোকে নৌকাৰে কোনো ঠাইলৈ বুলি যাত্ৰা কৰিছিল। তেনেতে লুইতৰ পাৰত গঁজিয়াঘাট নামৰ ঠাইত মৃতকক কাঠ-সংস্কাৰ কৰা আৰু মৃতকৰ স্ত্ৰীয়ে কিছু আঁতৰত ইনাই-বিনাই কান্দি থকা দেখিবলৈ পায়। গুৰুজনাই মাধৱদেৱক কন্দাৰ কা�ৰণ সোধাত তেওঁ "জিহে মৰিছে সি জীয়াৱেপৰা মৰা ঃ এই জি কান্দিচে ইও সপ্ৰাই মৰাহে" বুলি জীৱদেহৰ অনিত্যতাৰ প্ৰসংগ উত্থাপন কৰিছে। এই কথাৰ অৰ্থ এয়ে যে জন্ম আৰু মৃত্যু দুয়োটাই এক অপৰিহাৰ্য জাগতিক পৰিঘটনা। দেহৰহে জন্ম-মৃত্যু আছে। দেহৰ ভিতৰত লুকাই থকা জীৱাত্মাৰ মৰণ নাই। জীৱই অবিদ্যাজনিত কাৰণত পৰমাত্মাক চিনি নাপায়। সেই বাবে আত্মীয়ৰ মৃত্যুত শোকদগ্ধ হয়। নক'লেও চলে, বাস্তৱত দেখা পোৱা এনেবোৰ পৰিস্থিতিয়ে শংকৰদেৱকে ধৰি বৈষ্ণৱ মহন্তসকলক নামধৰ্ম বিষয়ক বিভিন্ন পদ-পুথি ৰচনা কৰিবলৈ অনুপ্ৰেৰণা যোগাইছে।

গুৰুজনাই বিভিন্ন সময়ত ভক্তসকলক পৰীক্ষা কৰাৰ বিষয়েও পাঠটিত উল্লেখ পোৱা যায়। মাধৱদেৱক "মৰাও নানিবা জীয়াও নানিবা শুদাহাতে নপশিবা ঘৰ" বুলি পিছদিনা এটি নৰপশু আনিবলৈ দিয়া ঘটনাটো তাৰেই উজ্জ্বল নিদৰ্শন। মাধৱদেৱে চৈধ্য ব্ৰহ্মাণ্ডৰ ভিতৰত তেৱেঁই আটাইতকৈ নৰাধম পশু বুলি কোৱাত গুৰু সন্তোষিত হৈছে আৰু তাৰ আধাৰত নৱসিদ্ধ একাদশৰ শ্লোক ভাঙি পদ কৰোঁতে "তোমাৰ ভৃত্যৰ ভৃত্যৰো ভৃত্যৰ/ তাৰো ভৃত্য ভৈলো আমি" বুলি নিজকে অধমৰো অধম বুলি ভগৱানৰ চৰণত সমৰ্পণ কৰিছে।

শংকৰদেৱে মানৱ সমাজৰ কল্যাণ কামনা কৰিছিল আৰু ভক্তিধৰ্মৰ মাজত তাৰ সাৰ্থকতা বিচাৰি পাইছিল। এই ধৰ্ম সাধাৰণজনৰ মাজলৈ লৈ যোৱাৰ মহৎ উদ্দেশ্য আগত ৰাখি তেওঁ পদ-পুথি, গীত-ভটিমা আদি ৰচনা কৰিছিল। কিন্তু দুৰ্ভাগ্যবশতঃ তেওঁৰ শিষ্যসকলৰ একাংশৰ সিয়ান চৰায়ে ফান্দত ভৰি নিদিয়াকৈ আহাৰ খাই আঁতৰি যোৱাৰ দৰে মূল কথাবোৰৰ প্ৰতি নিষ্ঠাৰ অভাৱ প্ৰত্যক্ষ কৰি তেওঁ মনত বৰ কষ্ট পাইছিল। গাৱ ছাঁটোৰ দৰে লাগি থকা মাধৱদেৱে গুৰুজনাৰ এই মনোবেদনা ভালদৰে উপলব্ধি কৰিব পাৰিছিল। সেইবাবে শ্ৰীৰাম আতা সহিতে গুৰুজনাৰ লগত ৰাতি থাকি বুজাই-বঢ়াই তেওঁৰ দুখ গুচাইছে।

মুঠতে শংকৰদেৱ আৰু মাধৱদেৱৰ গুৰু-শিষ্য পৰম্পৰাই অসমীয়া বৈষ্ণৱ ধৰ্মলৈ যে এক নৱজাগৰণ আনিবলৈ সমৰ্থ হৈছিল সেই কথাকে আপোনাৰ অধ্যয়নৰ বাবে প্ৰস্তুত কৰা আলোচ্য অধ্যায়টিৰ জৰিয়তে ব্যক্ত কৰা হৈছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৭ ঃ 'তৰুমূল' শ্লোক কোন শাস্ত্ৰৰ অন্তৰ্গত?

.....

পিছদিনা ৰামদাসৰ উপস্থিতিত শংকৰদেৱ আৰু মাধৱদেৱ দুয়োজন মহাপুৰুষে নিজ নিজ মাৰ্গৰ সপক্ষে যুক্তি দৰ্শাই প্ৰায় ন ঘণ্টা সময়জুৰি তৰ্কবাদ কৰে। পৰিশেষত শংকৰদেৱে শ্ৰীমদ্ভাগৱতৰ 'তৰুমূল' শ্লোক (তৰোৰ্মূলনিষেচনেন তৃপ্যন্তি তৎস্কন্ধভূজোপশাখাঃ) গা গছৰ ডাল-পাতত পানী নিদি গুৰিত পানী দিলে গছজোপা সাৰ-পানী পাই ঠন ধৰি উঠে বুলি "প্ৰাণৰ ভোজনে ইন্দ্ৰিয় তুষ্ট ঃ বস্ত্ৰিস অলঙ্কাৰে কচালে সিব নহলে অশোভন" আদি বিবিধ উদাহৰণেৰে বুজাই দিলত মাধৱদেৱৰ ধৰ্ম সম্পৰ্কীয় প্ৰচলিত ধ্যান-ধাৰণাৰ আমূল পৰিৱৰ্তন ঘটে। তেওঁ তৎমুহূৰ্ততে শংকৰদেৱক গুৰু মানি তেৰাৰ দ্বাৰা প্ৰৱৰ্তিত বৈষ্ণৱ পন্থা গ্ৰহণ কৰে। গুৰুজনাৰ সৈতে হোৱা এই সাক্ষাতে আৰু তেৰাৰ ব্যক্তিত্ব তথা তেৰাৰ দ্বাৰা প্ৰচাৰিত ধৰ্ম মতে মাধৱদেৱৰ মনত ইমান গভীৰভাৱে ৰেখাপাত কৰে যে আহিন মাহৰ দুৰ্গা পূজাৰ সময়ত তেওঁ পঠা ছাগলী বলি দিয়াৰ সলনি ৰাম ৰাম গুৰুৰ হতুৱাই বিষ্ণু পূজা কৰি তাৰ প্ৰসাদ প্ৰথমে গুৰুজনাৰ ওচৰলৈ লৈ আহে। তেতিয়াৰে পৰা অন্তিম মুহূৰ্তলৈ মাধৱদেৱ গুৰুজনাৰ ওচৰত গাৰ ছাঁটোৰ দৰে লাগি থাকে।

মাধৱদেৱৰ আগমনৰ সময়লৈকে গুৰুজনাৰ পত্নীয়ে সতি-সন্ততিৰ অমংগল ঘটাৰ ভয়ত বৈষ্ণৱ ধৰ্মৰ একেশ্বৰবাদী মত গ্ৰহণ কৰা নাছিল। তেওঁ গৃহদেৱতাৰ পূজা-অৰ্চনা কৰিছিল। গুৰুগৃহত গুৰুপত্নীৰ অনুৰোধমৰ্মে ভোজন কৰিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হোৱাত মাধৱদেৰে সেই পূজাৰ সকলো সামগ্ৰী ভাঙি-ছিঙি কলাকটা নৈত উটুৱাই দিয়ে। কেৱল সেয়ে নহয়, গুৰুপত্নীয়ে পাগ-পাত্ৰ ধুই খাৰ-টেঙাৰে স্নান কৰি উপবাসে থাকি ৰন্ধা-বঢ়া কৰাতহে তেওঁ সেই গৃহত ভোজন কৰিছে। এই কথাই মাধৱদেৱৰ একনিষ্ঠ ভক্তিৰ প্ৰমাণ দাঙি ধৰে। অৱশ্যে ইয়াৰ পাছত গুৰুপত্নীয়ে মাধৱদেৱৰ ওচৰত নিজৰ ভুল স্বীকাৰ কৰি বৈষ্ণৱ মাৰ্গৰ প্ৰতি শ্ৰদ্ধাশীলা হৈছিল।

মাধৱদেৱ আছিল অবিবাহিত। সেই হেতুকে গুৰুপত্নীয়ে নিজৰ জীয়েকক তেওঁৰ সৈতে বিয়া দিবৰ ইচ্ছা কৰি গুৰুজনাক সেই বিষয়ে সুধিবলৈ কৈছিল। কিন্তু মাধৱদেৰে নানান যুক্তিৰে শংকৰদেৱৰ মত খণ্ডন কৰে। শংকৰদেৰে আনকি আৰু কিছুদিন পূৰ্বে মাধৱদেৱক লগ পোৱা হ'লে কালিন্দী আইক বিয়া নকৰালেহেঁতেন বুলি স্পষ্টভাৱে স্বীকাৰোক্তি দিছে।

ধৰ্ম প্ৰচাৰৰ কাৰণে গুৰুজনাই ভক্তসকলৰ সৈতে প্ৰায়ে নাৰেৰে লুইতৰ বুকুৰে বিভিন্ন ঠাই পৰিভ্ৰমণ কৰিছিল। তেনে এটা দিনতে লুইতৰ চাপৰিত গৰু চাৰি থকা চণ্ডালৰ ল'ৰা এটিৰ মুখত 'বান্ধৱ কৃষ্ণ' শব্দগুচ্ছ শুনি সেই ঠাইত নামধৰ্ম প্ৰচাৰ কৰিব পৰা যাব বুলি পতিয়ন গৈ নাও ৰখাই মাধৱদেৱ, ঠাকুৰ আতা আৰু জয়ন্তী মধাইক সেই বিষয়ক কবিতা ৰচনা কৰিবলৈ দিয়ে। তিনিওৰে কবিতাৰ ভিতৰত অৰ্থৰ ফালৰ পৰা মাধৱদেৱৰ কবিতাই গুৰুজনাৰ প্ৰশংসা পোৱাটো প্ৰসংগক্ৰমে উল্লেখযোগ্য।

দিছে। সামগ্ৰিক বিচাৰত নৰকান্ত বৰুৱাৰ কাব্য-চেতনা হৃদয় আৰু মনন— উভয়ৰে পৰা উদ্ভুত। ইতিহাস চেতনা, মৃত্যু চেতনা, সমকাল চেতনা, মহানাগৰিক জীৱনৰ নিঃসংগতা আদি বিষয়বস্তুৰ সমাহাৰে তেওঁৰ কাব্যজগত সমৃদ্ধ কৰি তুলিছে।

নৰকান্ত বৰুৱাক একান্তভাৱে সমাজ সচেতন কবিৰূপে স্বীকৃতি দিব নোৱাৰিলেও তেওঁৰ কবিতাত 'জগত শেঠৰ ক্ৰেনৰ চকাত তেজৰ' গোন্ধ, সুবিধাবাদী দলৰ ধূর্তালি আৰু 'হাতত এবোজা প্ৰাচীৰ পত্ৰ লৈ আগুৱাই যোৱা ১৩ নম্বৰ গেঙৰ হামিদৰ জিদ'ৰ দীপ্ততা লক্ষ্য কৰা যায়। তদুপৰি এইগৰাকী কবি আছিল আন্তৰ্জাতিক মনৰ অধিকাৰী। তেওঁৰ কবিতাত প্ৰকাশ পাইছে বিশ্বৰ সমগ্ৰ মানুহৰ ইতিহাস একে বুলি কৰা আন্তৰিক উপলব্ধি। সময় প্ৰৱাহৰ অভিজ্ঞতাক মূল্য দিলেও কোনো বিশেষ যুগৰ ধ্যান-ধাৰণা অথবা বিশেষ কোনো মতাদৰ্শৰ কঠিন খোলাত তেওঁ নিজকে আবদ্ধ কৰি ৰখা নাই। প্ৰয়োজন বিশেষে পৰিস্থিতিৰ লগত আপোচ কৰি চলাটোৱেই তেওঁৰ ধৰ্ম। পৰিৱৰ্তনৰ স'তে সন্ধি কৰি চলিব পৰাটোকে তেওঁ জীৱনৰ সত্য বুলি মানি লৈছে। সেইবাবে তেওঁৰ কাব্য-চিন্তাৰ মাজত পৰিব্যাপ্ত হৈ আছে সকলো ধৰ্ম, দৰ্শন আৰু মতবাদৰ প্ৰতি থকা উদাৰনৈতিক সহনশীলতা। অৱশ্যে বৌদ্ধ ধৰ্মৰ মতাদৰ্শৰ প্ৰতি তেওঁৰ কবি মানস সামান্যভাৱে ঢাল খোৱা যেন অনুভূত হয়। এই সকলো দিশ বিচাৰ কৰি নৰকান্ত বৰুৱাক এগৰাকী যথার্থ মানৱতাবাদী কবি হিচাপে স্বীকৃতি দিব পাৰি। মুঠতে উল্লিখিত কাব্যিক গুণ আৰু সৃষ্টি নৈপুণ্যৰ বাবে এইগৰাকী কবিয়ে আধুনিক অসমীয়া কবিতাৰ ইতিহাসত এক সুকীয়া আসন অধিকাৰ কৰিবলৈ সমর্থ হৈছে।

নৰকান্ত বৰুৱাৰ প্ৰথম কাব্যপুথি *হে অৰণ্য হে মহানগৰ* ১৯৫১ চনত প্ৰকাশ পায়। ইয়াৰ জৰিয়তে অসমীয়া কাব্য-প্ৰৱাহৰ সুঁতি সলনি হয়। পুথিখনিৰ পটভূমিত আছে কলিকতা মহানগৰী। মহানাগৰিক জীৱনত উপলব্ধি কৰা নিঃসংগতা আৰু ব্যক্তিত্বৰ স্বীকৃতিহীনতাৰ যন্ত্ৰণাৰ লগত তেৱেঁই প্ৰথমে অসমীয়া কাব্যমোদীক পৰিচয় কৰাই দিয়ে। ইয়াৰ পাছত তেওঁ আৰু পিছলৈ ঘূৰি চাবলগীয়া হোৱা নাই। পৰৱৰ্তী সময়ত এইগৰাকী প্ৰতিভাৱান কবিৰ কেইবাখনো কাব্য সংকলন প্ৰকাশ পায়। সেইকেইখন হ'ল— *এটি দুটি এঘাৰটি তৰা* (১৯৫৮), *যতি আৰু কেইটামান স্কেচ* (১৯৬০), *সম্ৰাট* (১৯৬২), *ৰাৱণ* (১৯৬৩), *মোৰ আৰু পৃথিৱীৰ* (১৯৭০), *ৰত্নাকৰ আৰু অন্যান্য কবিতা* (১৯৮৩), *এক স্বচ্ছ মুখাৰে* (১৯৯০), *সূৰ্যমুখীৰ অংগীকাৰ* (১৯৯০), *নৰকান্ত বৰুৱাৰ কবিতাৱলী* (১৯৯৮), *ৰাতি জিলমিল তৰা জিলমিল* (১৯৯৯) আৰু *দলঙত তামীঘৰা* (২০০০)। এই আটাইকেইখন কাব্য সংকলনৰ মাজেদি ফুটি উঠিছে ব্যক্তিগত আৰু সমষ্টিগত মানৱীয় জিজ্ঞাসাৰ অনবদ্য ৰূপ। কবিতাৰ উপৰি তেওঁ দুখন উপন্যাস, গীত আৰু শিশু-সাহিত্যও ৰচনা কৰি থৈ গৈছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ নৰকান্ত বৰুৱাৰ প্ৰথমখন কাব্যপুথিৰ নাম কি?

.....

প্ৰশ্ন নং ৫ ঃ খালি ঠাই পূৰণ কৰক —

ক) নৱকান্ত বৰুৱাই .....কাকতৰ পাততে কাব্যজীৱন আৰম্ভ কৰিছিল।

খ) নৱকান্ত বৰুৱাৰ কবিতাত প্ৰকাশ পাইছে বিশ্বৰ সমগ্ৰ মানুহৰ .....
একে বুলি কৰা আন্তৰিক উপলব্ধি।

গ) *ৰাতি জিলমিল তৰা জিলমিল* কাব্যপুথিখন প্ৰকাশ হৈছিল.....চনত।

৪.৬ 'ইয়াত নদী আছিল' কবিতাটিৰ পাঠ

দেখিছোঁ নদীৰ বানে বলাৎকাৰ কৰা পথাৰক
পলসে কবৰ দিয়া গৰ্ভৱতী শস্যৰ সন্তান,
শুনিছোঁ সিন্ধুৰ বানে নিমিষতে নগৰক
আত্মসাৎ কৰি
এৰি থৈ গুচি যোৱা শ্মশানৰ প্ৰশান্তিৰ গান।
উদগ্ৰ ধ্বংসৰ নিচা, লোভৰ কুটিল দুঃসাহস
ছলনাৰ জীৱন্ত ধেমালি আৰু পাপৰ কুৎচিত অভিসাৰ —
তাৰো সৌন্দৰ্য্যই মোক দিছিল স্বপ্নৰ জাল ৰচি,
কাৰণ, মই যে দিওঁ দুঃস্বপ্নকো স্বপ্নৰ মৰ্য্যাদা,
সিও বন্দী সূৰ্য্যকণা,
আহিছিল ভাঙি-ছিঙি পৃথিৱীৰ কঠিন জৰায়ু।
কিন্তু মৰুভূমি আহে,
লাহে লাহে মাহে মাহে বছৰে বছৰে
আঁহতৰ খোৰোঙত এপাহি কপৌ-ফুল সোনকালে সৰে
গোপন ব্যাধিৰ দৰে লাহে লাহে মচি নিয়ে
প্ৰাণৰ যিমান ৰং সেউজী সোণালী,
আঁকি দিয়ে তামৰঙী এখন আকাশ আৰু ফুটছোঁই বৰণৰ এখন পৃথিৱী
নদীক নিজৰা কৰি জুৰিক শিলনি কৰি
বালিৰ দ'লেৰে গঢ়ে গছ লতা ফুলৰ সমাধি
ছয়া-ময়া জিয়াঁ এটি বালিয়ে বালিয়ে উৰি
পানীৰ কাৰণে ঘূৰি
ক'ৰবাত বাট হেৰুৱায়।
মৰুভূমি এইদৰে আহে
লাহে লাহে মাহে মাহে বছৰে বছৰে।
দূৰণিৰ নীলা গাঁওখনলৈ

প্ৰশ্ন নং ৫ ঃ মাধৱদেৱৰ সৈতে বিয়া দিব খোজা শংকৰদেৱৰ দুহিতাগৰাকীৰ নাম কি?

.....

প্ৰশ্ন নং ৬ ঃ "পশু নকৰিবা শৰ/মৰাও নানিবা জীয়াও নানিবা/শুদাহাতে নপশিবা ঘৰ"— কথাষাৰ কোনে কাক কৈছিল? চমুকৈ লিখক। (৫০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

৬.৩.৪ বিষয়বস্তুৰ পৰিচয়

আপোনাৰ অধ্যয়নৰ বাবে যুগুতাই দিয়া 'গুৰু-শিষ্যৰ মণি-কাঞ্চন সংযোগ' অধ্যায়টিত গুৰু হৈছে শংকৰদেৱ আৰু শিষ্য হৈছে মাধৱদেৱ। দুয়োৰে মাজত ঘটা সম্পৰ্ক কাঞ্চন বা সোণৰ সৈতে ঘটা মণিৰ সম্পৰ্কৰ দৰে। মণি হ'ল এবিধ অলংকাৰ। বিভিন্ন ধাতুৰ পৰা মণি তৈয়াৰ কৰা হয়। সেয়ে হ'লেও, উৎকৃষ্ট ধাতু সোণৰ সংস্পৰ্শতহে মণিৰ আচল সৌন্দৰ্য প্ৰকাশ পায়। শংকৰদেৱৰ সৈতে মাধৱদেৱৰ সংযোগো সোণ আৰু মণিৰ দৰে। এওঁলোক দুয়োজনাৰ মিলনৰ ফলত অসমত বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰে এক দৃঢ় গতি লাভ কৰিবলৈ সমৰ্থ হৈছিল। এনে কথালৈ লক্ষ্য কৰিয়ে সম্ভৱতঃ লক্ষ্মীনাথ বেজবৰুৱাই শংকৰ-মাধৱৰ মিলনক 'গুৰু-শিষ্যৰ মণি-কাঞ্চন সংযোগ' আখ্যা দিছে। আপোনাৰ পঠনীয় পাঠটিৰ মূল বিষয়বস্তু শংকৰদেৱ আৰু মাধৱদেৱৰ মিলন যদিও, তাৰ মাজেৰে অজ্ঞাত চৰিতকাৰে বিবিধ ঘটনাৰ অৱতাৰণা কৰিছে আৰু সেইবোৰৰ সৈতে সম্পৃক্ত ভক্তিমাৰ্গৰ বিভিন্ন তত্ত্বৰো অতিশয় সৰল ব্যাখ্যা আগবঢ়াবলৈ যত্ন কৰিছে। তলত সেই বিষয়ে বহলাই আলোচনা দাঙি ধৰা হ'ল।

শংকৰদেৱ আৰু মাধৱদেৱৰ মিলন অসমৰ মহাপুৰুষীয়া ধৰ্মৰ ইতিহাসৰ এক অতিশয় গুৰুত্বপূৰ্ণ পৰিঘটনা। প্ৰকৃতপক্ষে এই দুগৰাকী স্বনামধন্য মহাপুৰুষৰ সংযোগৰ পৰিণতিতে অসমত বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰৰ গতি ত্বৰান্বিত হৈছিল বুলিব পাৰি। আপুনি জানে যে মাধৱদেৱ পোনতে শাক্তধৰ্মী আছিল আৰু একে সময়তে সেই দিশৰ শাস্ত্ৰৰ পাৰ্গত পুৰুষ। সেয়ে হ'লেও, তেওঁ আছিল উদাৰ আৰু যুক্তিবাদী পুৰুষ। মাতৃৰ টান নৰিয়াৰ হেতু গোসাঁনীলৈ আগ কৰি থোৱা পঠা ছাগলীযোৰ নানি শংকৰদেৱ প্ৰচাৰিত নামধৰ্মৰ দোহাই দিয়া হেতুকে তেওঁ প্ৰথমে ভনী জোঁৱায়েক ৰামদাসক গালি পাৰিছে আৰু তাৰ পিছত নিজ পন্থাৰ সমৰ্থনত শংকৰদেৱৰ সৈতে মুখামুখিকৈ যুক্তি-তৰ্ক কৰিবৰ বাবে প্ৰস্তুত হৈছে।

ভটিয়াই গৈছিল। তেনেতে গঁজিয়াঘাট নামৰ ঠাইত জ্ঞাতি-বংশই এটা শৰ সৎকাৰ কৰি থকা আৰু সেই মৰা মানুহজনৰ তিৰোতাজনীয়ে কিছু দূৰত ইনাই-বিনাই কান্দি থকা দেখিবলৈ পালে। গুৰুজনাই "মৰা মৈল কিৰ কান্দিচে" বুলি মাধৱদেৱক সুধিলে। মাধৱদেৱে উত্তৰ দিলে যে "যি মৰা সি আগৰে পৰা মৰা আৰু যিয়ে কান্দিছে ইও প্ৰায় মৰাই।" তথাপি মায়াৰ বাবে অজ্ঞানতা বা অবিদ্যাজনিত কাৰণত "মৰাৰ বাবে মৰাই কান্দে।" অৰ্থাৎ অনিত্য প্ৰকৃতিৰ বুকুত থকা প্ৰতিটো বস্তুৱেই অনিত্য। জন্মিলে মৰিব লাগে এয়ে জগতৰ নিয়ম। অৱশ্যে দেহৰহে মৃত্যু আছে, বিনাশ আছে; দেহৰ ভিতৰত লুকাই থকা পৰমেশ্বৰৰ অংশস্বৰূপ আত্মাৰ কিন্তু বিনাশ নাই। জ্ঞানীজনে এই তত্ত্ব জানি মৃত্যুত শোক নকৰে। এই ঘটনাকে আলম কৰি মাধৱদেৱে আত্মাক মনে ধৰি পৰমেশ্বৰৰ চৰণত বিনাই "কিমতে ভকতি কৰিব তোমাত হৰি এ"— পদফাঁকি ৰচনা কৰি মহাপুৰুষজনাক সন্তোষিত কৰিছে।

অন্য এদিন মহাপুৰুষজনাই মাধৱ পুৰুষক "পশু নকৰিবা শৰ/মৰাও নানিবা জীয়াও নানিবা/শুদাহাতে নপশিবা ঘৰ" বুলি পিছদিনা এটা নৰপশু আনিবলৈ ক'লে। পৰৱৰ্তী দিনটোত মাধৱে "মোত পৰে নৰাধম পশু নাপালো বিচাৰি" বুলি গুৰুজনাৰ চৰণত নিজকে সমৰ্পণ কৰিলে। মাধৱদেৱৰ এনে কথাত সন্তোষিত হৈ গুৰুজনাই 'নৱসিদ্ধ একাদশ'ৰ শ্লোক ভাঙি পদ এফাঁকি ৰচনা কৰে।

আন এটা দিনত শ্ৰীৰাম আতা গুৰুজনাৰ ওচৰৰ পৰা পলমকৈ উভতি অহা দেখি মাধৱদেৱে তাৰ কাৰণ সুধিলে। সেইদিনা মাধৱদেৱ গুৰুজনাৰ ওচৰলৈ যাব পৰা নাছিল। দৰাচলতে শিষ্যসকলৰ ভক্তিধৰ্মৰ প্ৰতি আৱশ্যকীয় অনুৰাগৰ অভাৱ উপলব্ধি কৰি শ্ৰীৰাম আতাৰ আগত গুৰুজনাই খেদ কৰিছিল যে তেওঁ গীত, পদ, ঘোষা, ভটিমা আদি ভক্তিধৰ্মৰ উপযোগী আটাইবোৰ উপকৰণ যোগান ধৰাৰ পাছতো ভকত সমাজক তাৰ প্ৰতি আকৰ্ষণ কৰাব নোৱাৰিলে; সকলো যেন "সিয়ান চৰাই ভাও/লাম্ফ দি দি আহাৰ খাই/ফান্দত নিদিএ পাও/নাঞে দিলো বঠা দিলো/আৰু দিলো চৰি/বাই বটি খাব নুৱাৰেকাৰ কোন বৈৰী।।" ঠেঙৰ তলেৰে ৰৌ মাছ সৰকি গৈছে, অথচ সাধাৰণ মিছামাছকেইটামানলৈ যেন সকলোৱে বাট চাই আছে। গুৰুজনাৰ অন্তৰৰ দুখ উপলব্ধি কৰি পিছদিনা মাধৱদেৱে শ্ৰীৰাম আতাৰ সৈতে ৰাতি গুৰুজনাৰ ওচৰত থাকি সেই দুখ মোচন কৰিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ শংকৰদেৱ আৰু মাধৱদেৱৰ তৰ্কযুদ্ধ কিমান সময়জুৰি চলিছিল?

.....

এইবেলি সোনকালে আঘোণ আহিল —— আহিনতে?
এইবাৰ ব'হাগৰ ধল নাহে নেকি?
উজানৰ বগা মাছে ৰূপোৱালী নকৰে নিজৰা?
আষাঢ়ৰ ক'লা মেঘ পাহাৰৰ সিপাৰে থাকিল !
পাহাৰ ইমান ওখ ! ওখ নে মেঘতকৈও?
ওখ নে প্ৰেমতকৈও?
বৰষুণ?
ধাননিত নগজিল জোৱাৰ বজৰা, আমৰ বনত
দোঁ নাখালে খাজুৰি।
কেৱল ফুলিব সিজু, মাজনিশা তৰাৰ পোহৰে
ৰেণু তাৰ বালিদাঁহী সাপক বিলাব। দূৰৰি ধৰিব ছাটি
কাঁইটীয়া বনে।
ৰাতিৰ বতাহে আহি ছটিয়াব শুকান বৰফ
দিনৰ পোহৰে তাত ঢালি দিব কমলা ৰঙৰ গলা লোহা।
তাৰ পিছে
উটৰ ডিঙিৰ ছাঁ, দীঘল ডিঙিৰ ছাঁ, শুই ৰ'ব
হাড় হৈ সাগৰৰ বাবে।
এইদৰে শেষ হোৱা ... ... এই যে ৰোমাঞ্চ মৰণৰ
ই যে প্ৰৌঢ়া ৰমণীৰ ৰমণ-বিলাস, অনভিজ্ঞ
কিশোৰৰ স'তে, — য'ত
গ্লানিৰ অতৃপ্তি নাই, তৃপ্তিৰ অশান্তি নাই,
ধ্বংসৰ সৌন্দৰ্য্য নাই — কেৱল ক্ষয়ৰ আবিলতা;
অনায়াস গ্ৰহণৰ কেৱল ক্লীৱতা।
বালিৰ বতাহে জানো পাহাৰৰ ভাস্কৰ্য্য গঢ়েহি।
গঢ়ে বিভীষিকা।
তাতো যি ৰোমান্স আছে, যদি আছে,
হে জীৱন,
নালাগে আশ্ৰয় তাতে,
ভাগৰ লাগিছে মোৰ গঢ়ি গঢ়ি নতুন বিগ্ৰহ।

৪.৭ ইয়াত নদী আছিল

'ইয়াত নদী আছিল' কবিতাটো নৱকান্ত বৰুৱাৰ অন্যতম সার্থক সৃষ্টি। তলত কবিতাটিৰ বিষয়ে বহলাই আলোচনা কৰা হ'ল।

৪.৭.১ বিষয়বস্তু

'ইয়াত নদী আছিল' কবিতাটিৰ নামকৰণ ব্যঞ্জনাধর্মী। ইয়াৰ মাজত লুকাই আছে অৱক্ষয়ৰ বার্তা। ইয়াত নদী আছিল অর্থাৎ অতীতত আছিল, এতিয়া নাই। 'ইয়াত' শব্দই কবিৰ মনোজগতত অৱস্থিত কোনো ঠাইক বুজাইছে। সেই ঠাই সভ্যতাই সৃষ্টি কৰা অৱক্ষয়মুখী কবি-কল্পনাৰ কোনো মৰুতুল্য ঠাই। দৰাচলতে তথাকথিত আধুনিক সভ্যতাই মাতি অনা মহাসংকটে মানুহৰ সামাজিক, মানসিক তথা বৌদ্ধিক জীৱন কিদৰে মৰুতুল্য কৰি তুলিছে তাৰেই ইংগিত কবিতাটিৰ নামকৰণে বহন কৰিছে। পৃথিৱী গতিশীল। এই গতিশীলতাৰ মূল চালিকা শক্তি হৈছে সময়। এই সময় মানৱ-সভ্যতাৰ উত্থান-পতনৰো নিয়ন্ত্রক। আৱাহন-বিসর্জনৰ ৰীতি চিৰন্তন হ'লেও, তাৰ গতি সদায় বিপৰীতমুখী। তেনে বিপৰীতমুখী গতিৰ ধাৰক আৰু বাহক হিচাপে কবিতাটোত নদীৰ বিপৰীত বিন্দুত চিহ্নিত হৈছে তিল তিলকৈ বাঢ়ি অহা এখন মৰুভূমিৰ মর্মান্তিক ছবি।

কবিতাটিৰ প্রথম স্তৱকটোত উর্ৱৰতা তথা সৃষ্টিসম্ভৱা জীৱন-প্রৱাহৰ প্রতীক স্বৰূপ নদীয়ে উদ্‌ভ্রান্ত পৌৰুষেৰে পথাৰক বলাৎকাৰ কৰিছে। পলসত পোত গৈছে ভৰুণ শইচ। সেই নদীৰ বানে নগৰ ধ্বংস কৰি তাক শ্মশানত পৰিণত কৰিছে। ইয়াৰ মাজত ধ্বংস লুকাই আছে সঁচা। কিন্তু নদীয়ে পথাৰত এৰি থৈ যোৱা পলসৰ বুকুতে নতুনকৈ শইচে গজালি মেলে। অর্থাৎ নদীয়ে কৰা ধ্বংসৰ মাজত লুকাই আছে সৃষ্টিৰ নতুন সম্ভাৱনা। কবিতাটোৰ দ্বিতীয় স্তৱকত ৰহস্যময়ী প্রকৃতিৰ প্রাণসঞ্চাৰী, সৃষ্টিৰ সকলো সম্ভাৱনাৰে পৰিপূর্ণ অপ্রতিহত প্রৱাহৰ প্রতীকস্বৰূপ এই নদীখনৰ মৃত্যুৰ বতৰা ক্রমাৎ স্পষ্ট হৈ উঠিছে।

তৃতীয় স্তৱকটিত পৃথিৱীৰ কঠিন জৰায়ু ভাঙি-ছিঙি ওলাই অহা বন্দী সূর্যকণাই ধ্বংসৰ মাজত লুকাই থকা সৃষ্টি-শক্তিৰ ব্যঞ্জনা কঢ়িয়াই আনিছে। এই সূর্যকণা চিৰকাল জাগৰুক হৈ থাকে নতুন সৃষ্টিৰ বাবে। আধুনিক জীৱন যাত্রাই, তথাকথিত সভ্যতাই মাতি অনা অৱক্ষয়ৰ মন্থৰ অথচ অতি ভয়াৱহ ৰূপ মৰুভূমিৰ চিত্রকল্পৰ মাজেৰে মূর্ত হৈ উঠিছে। প্রতিভাৰ প্রসূতি ঘৰ তথা অনন্ত সম্ভাৱনাৰ গৰাকী জনমানসত যেন লাহে লাহে, বছৰে বছৰে এখন মৰুভূমিয়ে বিস্তাৰ লাভ কৰিছে। শুহি পেলাইছে প্রাণৰ সকলো ৰস। নৈয়ে সৃষ্টি কৰা ধ্বংস কার্যত সৃষ্টিৰ সম্ভাৱনা লুকাই থাকে। কিন্তু মৰুভূমিৰ মাজত থাকে কেৱল অৱক্ষয় আৰু ধ্বংস — য'ত সৃষ্টিৰ সকলো প্রক্রিয়া বন্ধ হৈ যায়। গোপন ব্যাধিৰ দৰে বাহ্যিক দৃষ্টিত প্রথমে অদৃশ্য, তাৰ পাছত মন্থৰ গতিৰে আৰু অৱশেষত দ্রুত নিশ্চিতভাৱে দৃশ্যমান হোৱা দীর্ঘস্থায়ী বিষক্রিয়াৰ যন্ত্রণা কবিতাটোৰ মূল কথাবস্তু। 'তামৰঙী আকাশ', 'ফুটছাই বৰণৰ পৃথিৱী' আদি বাক্যাংশৰ জৰিয়তে কবিয়ে সম্ভাৱনাশূন্য বন্ধ্যা জীৱন আৰু নিষ্প্রাণ পৰিৱেশৰ এক ভয়াৱহ দৃশ্য অংকন কৰিছে। মৰুভূমিয়ে গোপনে আৰু ধীৰ গতিৰে জীৱনৰ সেউজী সোণালী ৰং মচি পেলোৱাৰ দৰে

থাকে। এনেদৰে চিন্তা কৰি তেওঁ গুৰুজনাৰ হতুৱাই তেওঁলোকৰ ঘৰতে দুপৰীয়াৰ সাঁজ খোৱাৰ প্রস্তাৱ দিয়ালে। মাধৱদেৱ মান্তি হ'ল যদিও, ঘৰৰ ভিতৰখন চাবলৈ গৈ দেখিলে গুৰুপত্নীয়ে গৃহদেৱতাৰ পূজা কৰে আৰু তাৰ বাবে পূজাৰ বিভিন্ন সামগ্রী ঘৰৰ চুক এটাত আছুতীয়াকৈ ৰাখি থোৱা আছে। তেওঁ গুৰুপত্নীক বুজালে যে ঘৰতে পৰমব্রহ্ম বিদ্যমান; এতেকে অন্য দেৱতাৰ পূজাৰ কোনো সকাম নাই। তাৰ পাছত পূজাৰ আটাইবোৰ দ্রব্য নি কলাকটাত উটুৱাই দিলে আৰু গুৰুপত্নীক পাগ-পাত্র ধুই, উপবাসে থাকি নীতি-নিয়ম মানি চাউল সিজাবলৈ ক'লে। মাধৱদেৱৰ এনে কার্যত গুৰুজনা অতিশয় আনন্দিত হ'ল। কাৰণ অনেক চেষ্টা কৰিও কালিন্দী আইক তেওঁ বৈষ্ণৱ ধর্মৰ প্রতি আকর্ষিত কৰিব পৰা নাছিল। এনে ঘটনাই কালিন্দী আইৰো জ্ঞান-চক্ষু মুকলি কৰিলে। পিছদিনা কালিন্দী আয়ে মাধৱদেৱৰ বাবেই যে তেওঁ ধর্মবস্তু চিনিব পাৰিলে সেই কথা অকপটে স্বীকাৰ কৰিলে। সেইদিনা মাধৱদেৰে গুৰুগৃহত এসাঁজ খালে যদিও, গুৰুৱ অর্ধাংগিনীয়ে কষ্ট পাব বাবে ভৱিষ্যতে সেই ঘৰত খাব নোৱাৰিব বুলি জনাই দিলে।

শংকৰদেৰে পত্নীৰ কথা মতে জীয়েক বিষ্ণুপ্রিয়াক মাধৱদেৱৰ লগত বিয়া দিয়াৰ প্রস্তাৱ দাঙি ধৰিলে আৰু ক'লে যে গড় বান্ধি যুঁজিলে প্রাণৰ সংশয় নাথাকে; অর্থাৎ মানুহে বিয়া-বাৰু কৰাই ৰিপু দমনপূর্বক সংসাৰ ধর্ম পালন কৰিলে কোনো ভয়ৰ সম্ভাৱনা নাথাকে। মাধৱদেৰে মায়াময় বিষয়-বাসনাত আবদ্ধ হোৱাৰ ইচ্ছা সমূলি নাই বুলি সেই প্রস্তাৱ পোনছাটে নাকচ কৰে। মাধৱদেৱৰ মতে গড় বান্ধি যুদ্ধ কৰাজন ক্ষত্রিয় নহয়, বিনা গড়ে যুঁজ কৰাজনতহে ক্ষত্রিয়ৰ আচল বীৰত্ব প্রকাশ পায়। তেওঁৰ মতে প্রত্যেক জীৱই তিনি তাপেৰে দগ্ধ হৈ সংসাৰ পৰিভ্রমণ কৰে। গতিকে বিষয়ৰ জুইত অধিক দগ্ধ হোৱাতকৈ ঈশ্বৰ সেৱাৰে জীৱনৰ বাকী কালছোৱা কটাবলৈহে তেওঁ অধিক আগ্রহী।

ইমানৰ পাছতো গুৰুপত্নীয়ে কন্যাৰ বিয়াৰ আশাৰে তাইৰ হতুৱাই মাধৱদেৱৰ পৰিচর্যা কৰাই থাকিল। মাধৱদেৰে বুজি পাই এদিনাখন ছোৱালীজনীক "তুমি গুৰু-দুহিতৃ, সেৱাৰ বন্দনী" বুলি কান্ধত তুলি আনি গুৰুজনাৰ আগত থ'লেগৈ। তেতিয়াৰে পৰা গুৰুপত্নীয়ে সেই আশা পৰিত্যাগ কৰে।

এদিনাখন শংকৰদেৰে ভক্তসবৰ সৈতে লুইতৰ বুকুৰেদি ভটিয়াই যাওঁতে চাপৰিত কোনোবা চণ্ডালৰ ল'ৰাই গৰু চাৰি থাকোঁতে মুখেৰে 'বান্ধৱ কৃষ্ণ' বুলি কোৱা শুনিলে। গুৰুজনাই সেই ঠাইত নামধর্মৰ প্রচাৰ অতিশয় সুচল হ'ব বুলি নাও ৰখালে আৰু বৰাপো অর্থাৎ মাধৱদেৱ, নাৰায়ণ দাস ঠাকুৰ আতা আৰু জয়ন্তীৰ মধাই— এই তিনিওজন শিষ্যকে কবিতা লিখিবলৈ ক'লে। যথা সময়ত গুৰুৱে সেই কবিতা পঢ়ি মাধৱদেৱৰ কবিতা উৎকৃষ্ট হোৱা বুলি প্রশংসা কৰিলে। অৱশ্যে গুৰুজনাই "বাৰ গুচালা, মই ফুৰোঁ আঁৰ হৈ" বুলি কোৱাত মাধৱদেৰে পূর্বৰ "শঙ্কৰৰ অংশ"ৰ ঠাইত "শঙ্কৰ তাকেৰি অংশ" কৰি বাৰ লগাই দিলে।

আন এদিনৰ কথা। সেইদিনাও তেওঁলোক অন্যান্য ভক্তৰ সৈতে লুইতেৰে

৬.৩.৩ মূল পাঠৰ আভাস

ওপৰৰ শাখাকেইটাৰ পৰা ইতিমধ্যে আপুনি অৱগত হৈছে যে আপোনাৰ পাঠ্যবিষয়ত সন্নিৱিষ্ট 'গুৰু-শিষ্যৰ মণি-কাঞ্চন সংযোগ' শীৰ্ষক অধ্যায়টি *কথা-গুৰু-চৰিত* বা নামান্তৰে *গুৰু-চৰিত-কথা* নামৰ পুথিৰ পৰা আহৰিত। ইয়াৰ মাজেৰে ঘাইকৈ শংকৰদেৱ-মাধৱদেৱৰ মিলন আৰু তেৱাসৱৰ কার্যাৱলীৰ আংশিক প্রতিফলন ঘটিছে। মন কৰিবলগীয়া যে শংকৰদেৱক লগ পোৱাৰ আগলৈকে মাধৱদেৱ আছিল ঘোৰ শাক্তপন্থী। তেওঁ মাকৰ টান নৰিয়াৰ হেতু আহিনৰ দুর্গা পূজাত এযোৰ পঠা ছাগলী বলি দিম বুলি আগ কৰিছিল। যথা সময়ত ভনী জোঁৱায়েক ৰামদাসক ছাগলী আনিবলৈ বুলি তেওঁ পইচা দিয়ে। কিন্তু, ৰামদাসে ছাগলী নানি বলি-বিধানৰ বিপক্ষেহে যুক্তি দাঙি ধৰাৰ চেষ্টা কৰে। ভনী জোঁৱায়েকৰ এনে কার্যত মাধৱদেৱে খং কৰি এনেদৰে কয়, "নামত হোঙ্কৰা বুদ্ধিত পাগল ঃ বিহানে টকা দিলো নানিলি চাগল।" তাৰ প্রত্যুত্তৰত ৰামদাসে "কি পাঠা পাঠা কৰা, আক জি বাধা কর্ম্ম কৰে নৰকৎহে থান" বুলি শংকৰদেৱৰ প্রসংগ উল্লেখ কৰে, বোলে "মোৰ আগতহে বৰ ৰাগ গোট শঙ্কৰ গুৰি পালে তুমি হবা সোটলোট।" সেইদিনা কথা-বতৰা সিমানতে সামৰি পিছদিনা পুৱা মাধৱদেৱে যুক্তি-তর্ক কৰাৰ মানসেৰে ৰামদাসক লগত লৈ শংকৰদেৱৰ ওচৰলৈ যায়। আপোনাৰ অধ্যয়নৰ বাবে উদ্ধৃত কৰা পাঠাংশ ঠিক এইখিনিৰ পৰা আৰম্ভ হৈছে।

মাধৱদেৱ আৰু শংকৰদেৱ উভয়ে ক্রমে প্রবৃত্তি আৰু নিবৃত্তি পন্থাক লৈ তিনি প্রহৰ বেলি, অর্থাৎ প্রায় ন ঘণ্টা সময়জুৰি তর্ক কৰে। অৱশেষত শংকৰদেৱে ভাগৱতৰ 'তৰুমূল শ্লোক'ৰ উদ্ধৃতিৰে নিবৃত্তি মার্গৰ শ্রেষ্ঠত্ব প্রতিপন্ন কৰাত মাধৱদেৱৰ যুক্তি নাইকিয়া হয় আৰু তৎমুহূর্ততে তেওঁ শংকৰদেৱৰ চৰণত নিজক সমর্পণ কৰি গুৰু মানি লয়। পিছদিনা মাহ, চাউল, জৰা, পুৱা আদি বিভিন্ন সামগ্রী লৈ উপবাসে থাকি যথাবিহিত নিয়মেৰে তেওঁ বৈষ্ণৱ ধর্মত শৰণ লয়।

আহিনৰ দুর্গা পূজাত মাধৱদেৱে ছাগলী বলি দিয়াৰ সলনি ৰাম ৰাম গুৰুৰ হতুৱাই বিষ্ণু পূজা কৰাই সেই প্রসাদ প্রথমে গুৰুৰ ওচৰলৈ লৈ আহে। নতুন শিষ্য মাধৱদেৱৰ এনে কার্যই শংকৰদেৱক যথেষ্ট সন্তোষ দিয়ে। এনেদৰেই আৰম্ভ হয় মাধৱদেৱৰ নতুন ভক্তিমার্গীয় জীৱন। এই ঘটনাৰ পাছৰে পৰা অসমৰ বৈষ্ণৱ ঐতিহ্যত শংকৰদেৱ আৰু মাধৱদেৱ যথাক্রমে গুৰু আৰু শিষ্য ৰূপে পৰিগণিত হয়। পূর্বে ভাগৱতী নাম-ধর্মৰ বস্তু তিনিটাহে আছিল— নাম, দেৱ আৰু ভকত। এতিয়া তাৰ সৈতে গুৰু যোগ হৈ চাৰিটা, অর্থাৎ সম্পূর্ণ হৈ উঠিল। ইয়াৰ পাছৰে পৰা মাধৱদেৱ প্রতিদিনে দুয়ো বেলা গুৰুগৃহলৈ আহে আৰু দুয়ো মিলি শাস্ত্রচর্চা কৰে। কিছু দিন যোৱাৰ পাছত শংকৰ পত্নী কালিন্দী আইৰ সন্দেহ উপজিল যে দুয়ো বেলাৰ মাজৰ যৎকিঞ্চিৎ সময়কণত মাধৱদেৱে ৰান্ধি-বাঢ়ি খাবলৈ সময় পায়নে নাপায় ! কাৰণ মাধৱদেৱ ***অকৃতদাৰ***, অকলে



অকৃতদাৰ ঃ অবিবাহিত পুৰুষ।

কবিতাটোতো তৃতীয় স্তৱকত বর্ণিত বিষয়বস্তুৰ ক্রম বিস্তৃতি ঘটিছে চতুর্থ স্তৱকত। স্রোতস্বিনী নদী একোখন লাহে লাহে মৰাসুঁতিত পৰিণত হোৱা, জুৰিয়ে গৈ শিলনিৰ ৰূপ ধাৰণ কৰা ইত্যাদি ছবি মৰুভূমিৰে ক্রম বিস্তাৰিত ৰূপ। মৰুভূমিত পানীৰ অভাৱ। পানী বিচাৰি ইয়াত জীৱনে বাট হেৰুৱায়। সভ্যতাই মাতি অনা সংকটে মানুহৰ জীৱনো এনেদৰে ক্রমাৎ মৰুময় কৰি তুলিছে। ক্রমাৎ হেৰাই গৈছে দয়া, মমতা, ভালপোৱা আদি মানৱীয় প্রমূল্যসমূহ।

পঞ্চম স্তৱকত কবিয়ে অতি কৌশলপূর্ণভাৱে আনুভূতিক উত্তেজনাৰ সৃষ্টি কৰিছে। 'ব'হাগৰ ধল', নিজৰাক ৰূপালী কৰি তোলা 'উজানৰ বগা মাছ', 'আষাঢ়ৰ ক'লা মেঘ' আদি সৃষ্টিৰ অমোঘ শক্তি এতিয়া অনুপস্থিত। মৰুভূমিৰ ক্রম আগ্রাসনে আধুনিক পৃথিৱীৰ বুকুৰ পৰা এই শক্তি দূৰীভূত কৰিছে। 'আঘোণ' সৃষ্টি সম্ভাৱৰ প্রতীক যদিও আহিনত তাৰ উপস্থিতিয়ে ভৱিষ্যতৰ অনিশ্চয়তাৰ ইংগিত বহন কৰিছে। আহিনৰ পথাৰ শ্যামলী। তাত ভৱিষ্যতৰ সম্ভাৱনা লুকাই থাকে। কিন্তু সি হৈ পৰিছে আঘোণীৰ দৰে সোণালী বৰণৰ। অকালতে শইচ শুকাই সোণালী বৰণ ধৰা কার্যই ভৱিষ্যতৰ সকলো সম্ভাৱনা বিনষ্ট হোৱাৰ দ্যোতনা আনিছে। সৃষ্টি ক্ষমতাৰ প্রতীকস্বৰূপ আহাৰৰ ক'লা মেঘ, প্রেম এতিয়া সভ্যতাৰ সুউচ্চ পাহাৰ অতিক্রম কৰি আহিব নোৱাৰে - সেইবাবেই জীৱন হৈ পৰিছে ৰুক্ষ।

ষষ্ঠ স্তৱকত 'সিজু', 'বালিমাহী সাপ', 'কাঁইটীয়া বন', 'বৰফ' আদি প্রতিটো প্রতীকেই মৰুময় জীৱনৰ বন্ধ্যাত্ব আৰু ক্রূৰতাৰ ব্যঞ্জনা আনিছে। শ্যামলী পথাৰত এতিয়া 'জোৱাৰ বজৰা'ৰ খেতি নাই। 'আমৰ বনত' নাই দোঁ খোৱা 'খেজুৰি'। এইবোৰৰ ঠাইত ফুলিব মৰুভূমিত গজা সিজু আদি কাঁইটীয়া বন। ৰাতিৰ হিম চেঁচা বতাহ আৰু দিনত লোহা গলাব পৰা সূর্যৰ উত্তাপ — এয়ে হ'ব এতিয়া চিনাকি ছবি। অৱশ্যে এনেদৰে মৰুভূমিৰ আগ্রাসনৰ এক ভয়াৱহ ছবি মূর্ত হৈ উঠিলেও কবিয়েও তাৰ মাজতো পানীৰ আশা কৰিছে। 'পানী' অফুৰন্ত জীৱনী শক্তিৰ প্রতীক। পানীয়ে মৰুভূমিক জীপাল কৰি তোলাৰ দৰে প্রেম, ভালপোৱা, দয়া, মমতা আদি মানৱীয় প্রমূল্যসমূহেও মৰুময় নিৰস জীৱনক প্রাণশক্তি যোগাব পাৰে। কবিয়ে 'পানী' শব্দটো পোনে পোনে উল্লেখ নকৰিলেও 'উটৰ ডিঙিৰ ছাঁ, দীঘল ডিঙিৰ ছাঁ, শুই ৰ'ব হাড় হৈ সাগৰৰ বাবে' বুলি প্রকাৰান্তৰে পানীৰ সম্ভাৱনাকে আশা কৰিছে।

কবিতাটিৰ অন্তিম স্তৱকত মৰুভূমিৰ সর্বগ্রাসী ৰূপত কবিয়ে সৌন্দর্যহীনতা, ক্ষয়ৰ আৱিলতা আৰু ক্লীৱতাৰ দৃশ্য লক্ষ্য কৰিছে। প্রথম স্তৱকত নদীৰ ধলে বলাৎকাৰ কৰা পথাৰ অথবা সিন্ধুৰ বানে নিমিষতে আত্মসাৎ কৰা নগৰৰ দৃশ্যপটত ধ্বংসৰ সৌন্দর্য দেখিছে, কাৰণ এনে ধ্বংসই পুনৰ সৃষ্টিৰ সম্ভাৱনা জগাই তোলে। কিন্তু মৰুভূমিৰ আগ্রাসনে অনা ধ্বংসত কোনো সৌন্দর্য নাই কাৰণ ই সৃষ্টি প্রক্রিয়া ৰহিত। সেইবাবে কবিয়ে ইয়াক প্রৌঢ়া ৰমণীয়ে অনভিজ্ঞ কিশোৰৰ স'তে কৰা ৰমণ-বিলাসৰ সৈতে

ৰিজাইছে। ই বিলাসহে, ইয়াৰ মাজত সৃষ্টিৰ কোনো সম্ভাৱনা নাই। কবি-মানসত মৰুভূমিৰ অনুৰ্বৰ ৰূপ আৰু অনাহক বীৰ্যক্ষয়ৰ বিলাস একে ৰূপত ধৰা দিছে। প্ৰেম আৰু বাসনা একে নহয়। আধুনিক মানুহে প্ৰেমৰ মহানতাৰ অনুভৱ পাহৰি কেৱল বাসনা পূৰণৰ অঘোষিত প্ৰতিযোগিতাত লিপ্ত হৈছে। কবিয়ে জানে বালিৰ বতাহে পাহাৰত ভাস্কৰ্য নিৰ্মাণ কৰিব নোৱাৰে। আধুনিক সভ্যতাৰ সকলো উপকৰণ গ্ৰহণ কৰি কোনোবাই ৰোমাঞ্চিত হ'লেও হওক। কবিয়ে তাতে আশ্ৰয় ল'ব খোজা নাই। মানৱীয় মূল্যবোধৰ সন্ধান কৰি কবি ভাগৰুৱা। সেইবুলি তেওঁ মানৱতাবোধৰ সন্ধান ইয়াতেই শেষ বুলিও নিশ্চয়কৈ কোৱা নাই।

আধুনিক নগৰকেন্দ্ৰিক সভ্যতাৰ সংকট, মানৱীয় প্ৰমূল্যবোধৰ অৱক্ষয়, সৌন্দৰ্যহীনতা আৰু সমস্ত ক্ৰূৰতা আদি বাস্তৱ চিন্তাৰ আধাৰত 'ইয়াত নদী আছিল' কবিতাটোত মূৰ্ত হৈ উঠিছে সাম্প্ৰতিক কালৰ এক দুৰ্বিষহ অৱক্ষয়ৰ শাব্দিক চিত্ৰ।



চিন্তা-চৰ্চা কৰক— ৪.২

'ইয়াত নদী আছিল' কবিতাৰ বিষয়বস্তু সম্পৰ্কে এটি প্ৰবন্ধ লিখি উলিয়াওক।

.....

.....

.....

.....

.....

.....

৪.৭.২ সাধাৰণ আলোচনা

মানুহৰ লগত মানুহৰ সম্পৰ্কক বোধ আৰু বুদ্ধিৰ আলোকত নতুন দৃষ্টিৰে চাব পৰা বিৰল কাব্যিক প্ৰতিভাৰ অধিকাৰী নৱকান্ত বৰুৱাই আধুনিক অসমীয়া কাব্য জগতত এখন স্বকীয় আসন দখল কৰি আছে। আধুনিক জীৱনবোধ আৰু কাব্য-কৌশলৰ সাৰ্থক প্ৰয়োগ এইগৰাকী কবিৰ কাব্যকৰ্মৰ সুকীয়া বৈশিষ্ট্য। তেওঁৰ কাব্যিক চিন্তাৰ মূল উৎস হ'ল মানুহৰ প্ৰতি থকা অগাধ বিশ্বাস আৰু গভীৰ আস্থা। শব্দ প্ৰয়োগৰ অসামান্য দক্ষতা তেওঁৰ কাব্যশিল্পৰ অন্যতম গুণ। ৰমন্যাসগন্ধী শব্দাৱলীক আধুনিক ৰূপ প্ৰদান আৰু সেইবোৰৰ মাজেদি অৰ্থৱহ ব্যঞ্জনাৰ সৃষ্টিত তেওঁৰ প্ৰতিভাৰ পৰিচয় পোৱা যায়। কবি একোগৰাকীৰ শ্ৰেষ্ঠত্ব, খ্যাতি আৰু স্বীকৃতি একান্তভাৱে নিৰ্ভৰ কৰে ভাষাৰ যথাযথ জতুৱা ৰূপ প্ৰয়োগৰ ওপৰত। নৱকান্ত বৰুৱা আছিল এই দিশত অতি সচেতন। এনেবোৰ কাৰণতে তেওঁৰ কবিতাত নিত্য নতুন বিষয়বস্তু আৰু কলা-কৌশলৰ সমাহাৰ বিচাৰি পোৱা যায়।

পাঠটি কথা-গুৰু-চৰিত বা *গুৰু-চৰিত-কথা* নামৰ মূল গ্ৰন্থৰ বিভিন্ন অংশৰ পৰা আহৰিত এক অপূৰ্ব সংকলন। দৰাচলতে, মাধৱদেৱৰ সৈতে জড়িত ঘটনাকেইটিমান একত্ৰ কৰি ইয়াক এটি পাঠৰ ৰূপ দি গুৱাহাটী বিশ্ববিদ্যালয়ে প্ৰকাশ কৰে আৰু মহেশ্বৰ নেওগে নিৰ্বাচন আৰু সম্পাদনা কৰা *স্নাতকৰ কথাবন্ধ* নামৰ পুথিখনত সন্নিৱিষ্ট কৰা হৈছে।

কথা-গুৰু-চৰিত বা *গুৰু-চৰিত-কথা* একেখন পুথিৰে দুটা ভিন্ন নাম। উল্লিখিত দুয়োখন ছপা পুথিৰ পাঠ ৰৱপেটা সত্ৰত প্ৰাপ্ত মূল সাঁচিপতীয়া পুথিৰ পৰা আহৰিত। সাঁচিপতীয়া পুথিখন বাণীকান্ত কাকতিদেৱে ৰৱপেটা সত্ৰৰ পৰা নিৰ্মালি স্বৰূপে পাই অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগক দিছিল। বাণীকান্ত কাকতিৰ পৰামৰ্শ অনুসাৰে অধ্যাপক উপেন্দ্ৰ চন্দ্ৰ লেখাৰুদেৱে ১৯৫২ চনত ইয়াক *কথা-গুৰু-চৰিত* নামেৰে ছপাই উলিয়ায়। তাৰ পাছত মূল পুথিখন কাকতিদেৱে পুনৰ ওভতাই নিয়ে আৰু গুৱাহাটী বিশ্ববিদ্যালয়ক দান কৰে। এই সাঁচিপতীয়া পুথিখনকে মহেশ্বৰ নেওগদেৱে ১৯৮৭ চনত *গুৰু-চৰিত-কথা* নাম দি পুনঃ সম্পাদনা কৰে আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰকাশন বিভাগে ইয়াক ছপা কৰি উলিয়ায়। ৰচকৰ নামোল্লেখবিহীন এই পুথিখনি তৎকালীন সত্ৰীয়া সমাজত কথিত ভকতীয়া গদ্যৰ ঠাঁচতে ৰচিত। তদুপৰি, ইয়াৰ ভাষাত কামৰূপত প্ৰচলিত, বিশেষকৈ ৰৱপেটা অঞ্চলত কথিত অসমীয়া ভাষাৰ প্ৰৱল ছাপ অনুভৱ কৰিব পাৰি। মূল সাঁচিপতীয়া পুথিখনি সম্ভৱতঃ অষ্টাদশ শতিকাৰ প্ৰথম ভাগত ৰচিত হৈছিল।

আজিকোপতি প্ৰাপ্ত চৰিত পুথিসমূহৰ ভিতৰত গদ্যত ৰচিত এইখনেই প্ৰথম চৰিত পুথি। ইয়াত শংকৰদেৱ-মাধৱদেৱকে ধৰি দহগৰাকীমান বৈষ্ণৱ আতৈৰ জীৱন আৰু কৰ্মৰ বিৱৰণ সন্নিৱিষ্ট আছে। সেয়ে হ'লেও, ঘাইকৈ ইয়াত গুৰু দুজনাৰ, অৰ্থাৎ শংকৰদেৱ আৰু মাধৱদেৱৰ শৈশৱৰ পৰা দেহান্তৰ প্ৰাপ্তি পৰ্যন্ত বিভিন্ন কাৰ্যাৱলীয়ে বিশেষ স্থান পাইছে। তদুপৰি, ইয়াৰ মাজত তৎকালীন অসমৰ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক, সাংস্কৃতিক জগতখনৰো সুপ্ৰকাশ ঘটিছে। এই ফালৰ পৰা পুথিখনিক তৎকালীন অসমীয়া সমাজৰ এক গুৰুত্বপূৰ্ণ দলিল বুলিব পাৰি।

পুথিখনিৰ এক প্ৰধান বৈশিষ্ট্য হ'ল ইয়াৰ কথনভংগিমা। পুথিখনি পঢ়িলে কোনোবা অনামী বক্তাই যেন ইয়াত সন্নিৱিষ্ট প্ৰতিটো ঘটনাৰ বিৱৰণ দি গৈছে আৰু বাকীসকলে শুনি গৈছে, তেনে যেন অনুভৱ হয়। চৰিত পুথিৰ গৱেষক তথা পণ্ডিত-সজ্জনে ৰৱদোৱা ঐতিহ্যৰ সৈতে জড়িত চক্ৰপাণি বৈৰাগীক ইয়াৰ ঘাই বক্তা বুলি মতামত দিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ *কথা-গুৰু-চৰিত* পুথিখনিৰ মূল সাঁচিপতীয়া পাঠ কোনখন সত্ৰত সংৰক্ষিত হৈছিল?

.....

শংকৰদেৱ-মাধৱদেৱ চৰিত (দৈতাৰি ঠাকুৰ), *গুৰু-চৰিত* (ৰামানন্দ দ্বিজ) ইত্যাদি। আনহাতে কথাবন্ধে বা গদ্যভংগীৰে ৰচিত দুখন বিশেষ চৰিত পুথি হ'ল— *কথা-গুৰু-চৰিত* বা *গুৰু-চৰিত- কথা* আৰু *ৰৱদোৱা গুৰুচৰিত*।

অসমৰ বৈষ্ণৱ থানসমূহত ইতিমধ্যে বৈকুণ্ঠগামী হোৱা ধর্মাধিকাৰসকলৰ সকলো পুণ্যকর্মক লৈ চৈধ্য প্রসংগৰ অন্তত অভিজ্ঞ বয়োজ্যেষ্ঠ ভকতৰ দ্বাৰা 'চৰিত কথন'ৰ এক অলিখিত নিয়মৰ প্রচলন হৈছিল। এই প্রথা পৰৱর্তী কালত 'চৰিত তোলা' প্রথা ৰূপে জনাজাত হয়। ধর্মগুৰুসকলৰ এনে চৰিত ব্যাখ্যাত কেতিয়াবা কোনো কথা বাদ পৰিলে বা ভুলকৈ প্রকাশ পোৱা বুলি বিবেচিত হ'লে সকলোৱে মিলি তাৰ শুধৰণি কৰি লৈছিল। চৰিত পুথিৰ মতে স্বয়ং মাধৱদেৱেই হেনো এই প্রথাৰ প্রথম প্রৱর্তন ঘটাইছিল। পাছত এই প্রথাৰ আধাৰত লিখিত ৰূপত চৰিত পুথিৰ আত্মপ্রকাশ ঘটে। এই ক্ষেত্রত প্রাচ্যতত্ত্ববিদ মহেশ্বৰ নেওগৰ নিম্নোক্ত মন্তব্যযাৰি প্রণিধানযোগ্য— "পদ-চৰিত সকলোখিনিয়ে কথন-চৰিত্রৰ ছন্দ-সংস্কৰণ মাথোন। কথা-চৰিতবিলাকেই হ'ল— সত্রীয়া চৰিত তোলাৰ ঐতিহ্যৰ ঘাই সুঁতি...।"

অসমীয়া চৰিত পুথিৰ সৈতে বুদ্ধদেৱৰ জীৱন-চৰিত তথা ইউৰোপৰ মধ্যযুগীয় ধর্ম-যাজকসকলৰ অতিৰঞ্জিত চৰিত-বর্ণনৰ সাদৃশ্য প্রত্যক্ষ কৰা যায়। কোৱা বাহুল্য যে অসমীয়া চৰিত পুথিসমূহত মূলতঃ বৈষ্ণৱ ধর্মগুৰুসকলৰ আদর্শৱান জীৱনৰ প্রতিফলন ঘটিছে। সেইবাবে বিশিষ্ট সমালোচক গোবিন্দ প্রসাদ শর্মাই এইবোৰক প্রকৃত জীৱন-চৰিত নুবুলি "হেগিঅ'গ্রাফী বা সন্ত চৰিত" আখ্যা দিছে। গুৰুসকলক পৰৱর্তী শিষ্য-প্রশিষ্যসকলে স্বয়ং ঈশ্বৰৰ অৱতাৰ বুলি ধৰি লোৱাটোৱেই তাৰ মূল কাৰণ। সেয়ে হ'লেও, এইবোৰৰ মাজেৰে তৎকালীন অসমীয়া সমাজৰ অর্থনৈতিক-ৰাজনৈতিক পৰিস্থিতি, সাংস্কৃতিক জীৱন আদি বিভিন্ন দিশৰ সুন্দৰ প্রতিফলন ঘটা বুলি সহজেই পতিয়ন যাব পাৰিব। আপুনি ওপৰত উল্লেখ কৰা যিকোনো এখন চৰিত পুথি অধ্যয়ন কৰিলে এই কথাৰ প্রমাণ পাব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ বৈষ্ণৱ ধর্মৰ ঐতিহ্যত 'চৰিত তোলা' প্রথা প্রথমে কোনে প্রৱর্তন কৰে?

.....

প্রশ্ন নং ২ ঃ গদ্যভংগীৰে ৰচিত দুখন বিশেষ চৰিত পুথিৰ নাম লিখক।

.....

৬.৩.২ পাঠটিৰ উৎস

আপোনাৰ পাঠ্যবিষয়ৰ অন্তর্ভুক্ত 'গুৰু-শিষ্যৰ মণি-কাঞ্চন সংযোগ' শীর্ষক

এই অধ্যায়ৰ আলোচ্য পাঠ 'ইয়াত নদী আছিল' কবিতাটি নৰকান্ত বৰুৱাৰ অন্যতম শ্রেষ্ঠ কবিতা। ইয়াৰ মাজত আধুনিক সভ্যতাই সৃষ্টি কৰা অৰক্ষয় আৰু মানৱীয় প্রমূল্যসমূহৰ অপমৃত্যুৰ এক কৰুণ ছবি লক্ষ্য কৰা যায়। সেই ছবি তেওঁ অপূর্ব শব্দ চয়ন আৰু কেইটিমান সার্থক চিত্রকল্পৰ সহায়ত নির্মাণ কৰিছে।

নৰকান্ত বৰুৱাৰ কবিতা আপেক্ষিকভাৱে সৰল। বৌদ্ধিক জটিলতা ইয়াত প্রায়ে অনুপস্থিত। তেওঁৰ সঁচা উপলব্ধি প্রত্যক্ষ অথবা সামাজিক প্রতীক নাইবা চিত্রকল্পৰ মাজেদি ব্যক্ত হৈছে। যুগৰ জটিলতাক কাব্যিক ৰূপত পাঠকৰ সম্মুখত তুলি ধৰিব পৰাকৈ ব্যৱহাৰ কৰা যথোপযুক্ত শব্দ আৰু তাৰ মিতব্যয়ী প্রয়োগ — এইবোৰ কাৰণতে তেওঁৰ কবিতাৰ অন্তর্নিহিত ভাববস্তু অনুধাৱন কৰিবলৈ সচেতন পাঠকক বৌদ্ধিক কছৰতৰ প্রয়োজন হয়। নিম্নোক্ত কবিতাংশই তাৰ প্রমাণ দাঙি ধৰিব —

কিন্তু মৰুভূমি আহে,
লাহে লাহে মাহে মাহে বছৰে বছৰে
আঁহতৰ খোৰোঙত এপাহি কপৌ-ফুল সোনকালে সৰে
গোপন ব্যাধিৰ দৰে লাহে লাহে মচি নিয়ে
প্রাণৰ যিমান ৰং সেউজী সোণালী,
আঁকি দিয়ে তামৰঙী এখন আকাশ আৰু
ফুটছাঁই ৰৱণৰ এখন পৃথিৱী

সহজ-সৰল অথচ মিতব্যয়ী শব্দ চয়নেৰে নির্মিত এই অপূর্ব চিত্রকল্পটিয়ে মৰুভূমিৰ ক্রম আগ্রাসনৰ এক ভয়াৱহ ৰূপ পাঠকৰ সম্মুখত তুলি ধৰিছে।

কবিতাটিৰ প্রথম স্তৱকত নদীৰ ধলে নিমিষতে কৰা ধ্বংসৰ ছবি আছে, আনহাতে দ্বিতীয় স্তৱকত আছে মৰুভূমিৰ ক্রমবর্ধমান ভয়াৱহ ৰূপ। নৈয়ে কৰা ধ্বংসত আছে সৃষ্টিৰ সম্ভাৱনা; কিন্তু ইয়াৰ বিপৰীতে মৰুভূমিৰ বুকুত আছে ক্রম অৰক্ষয়ৰ দৃশ্য। এই দুয়োটা বিপৰীত প্রাকৃতিক পৰিঘটনাৰ পৰিণতি কবিয়ে এটা মাত্র 'কিন্তু' শব্দৰ দ্বাৰা সুন্দৰকৈ গ্রথিত কৰিছে।

একোগৰাকী সার্থক কবিৰ কাব্যশিল্পত বিশ্বজনীনতাৰ সুৰ স্পষ্টভাৱে জিলিকি থকা পৰিলক্ষিত হয়। নৰকান্ত বৰুৱাও ইয়াৰ ব্যতিক্রম নহয়। তেওঁৰ আলোচ্য কবিতাটিৰ মাজতো সেই সুৰৰ অনুৰণন শুনা যায়। পাশ্চাত্য প্রতীকবাদ, চিত্রকল্পবাদ, অভিব্যক্তিবাদ, অতিবাস্তৱবাদ আদি কাব্যান্দোলনৰ প্রতি সচেতন দৃষ্টি দি কবিয়ে সেই বিশ্বজনীন সুৰ আয়ত্ত কৰি লৈছিল। নাগৰিক সভ্যতাৰ উত্থান আৰু তাৰ ফলত ক্রমাৎ হেৰাই যাব ধৰা হৃদয়ৰ অকৃত্রিম অনুভূতিৰ উপলব্ধি কবিৰ আন্তর্জাতিক মানসৰে পৰিণতি।

কবিতাৰ এক অপৰিহার্য অংগ হৈছে ছন্দ। আধুনিক কবিতাই পৰম্পৰাগত ছন্দৰ শৃংখল ছিঙি কথাৰ ভাষাৰ ছন্দৰ সহযোগত মানুহৰ বুকুৰ বতৰা কঢ়িয়াবলৈ ল'লে। নৰকান্ত বৰুৱাৰ কবিতাতো এই বৈশিষ্ট্য প্রত্যক্ষ কৰিব পাৰি। তেওঁ মুক্তক ছন্দ আৰু

স্পন্দিত গদ্য এই দুয়োবিধ ছন্দ অতিশয় দক্ষতাৰে তেওঁৰ কবিতাত প্রয়োগ কৰিছে। আলোচ্য কবিতাটো মুক্তক ছন্দসজ্জাৰে ৰচিত। উল্লেখনীয় যে কবিতাটোৰ অন্তর্নিহিত ভাবক ভাষাই আৰু ভাষাক ছন্দই নিকপকপীয়াকৈ বান্ধোনেৰে বান্ধি ৰাখিছে। ভাব অনুসাৰে ভাষাৰ ব্যৱহাৰ কবিতাটিৰ আন এক বৈশিষ্ট্য। উদাহৰণস্বৰূপে ধ্বংসৰ স্বৰূপ ব্যক্ত কৰিবলৈ তেওঁ কঠিন সংস্কৃত শব্দৰ আশ্রয় লৈছে —

উদগ্র ধ্বংসৰ নিচা, লোভৰ কুটিল দুঃসাহস
ছলনাৰ জীৱন্ত ধেমালি আৰু পাপৰ কুৎচিত অভিসাৰ —

আনহাতে ইয়াৰ বিপৰীতে মৰুভূমিৰ আগ্রাসী ৰূপ বুজাবলৈ কিন্তু প্রায়ে কোমল তদ্ভৱ শব্দৰ সহায়ত ছন্দ নির্মাণ কৰিছে। যথা —

ছয়া-ময়া জিয়াঁ এটি বালিয়ে বালিয়ে উৰি
পানীৰ কাৰণে ঘূৰি
ক'ৰবাত বাট হেৰুৱায়।

... ...
... ...
কেৱল ফুলিব সিজু, মাজনিশা তৰাৰ পোহৰে
ৰেণু তাৰ বালিদাঁহী সাপক বিলাব। দূৰৈ ধৰিব ছাটি
কাঁইটীয়া বনে।

মানুহৰ সামাজিক সত্তাৰ স্বৰূপ বিধৃত হয় লোকসাহিত্যৰ মাজেৰে। সেই বাবে কবিতাত যথাসাধ্য লোকসমাজৰ গ্রহণযোগ্য ভাষা ব্যৱহাৰ হোৱা উচিত। আধুনিক কবিতাৰ এগৰাকী দক্ষ শিল্পী হিচাপে নৱকান্ত বৰুৱায়ো তেওঁৰ কবিতাত লোকভাষাৰ ব্যৱহাৰ কৰিছে। নিম্নোক্ত শাৰীকেইটাই তাৰ নিদর্শন দাঙি ধৰিব —

দূৰণিৰ নীলা গাঁওখনলৈ
এইবেলি সোনকালে আঘোণ আহিল — আহিনতে?
এইবাৰ ব'হাগৰ ধল নাহে নেকি?
উজানৰ বগা মাছে ৰূপোৱালী নকৰে নিজৰা?
আষাঢ়ৰ ক'লা মেঘ পাহাৰৰ সিপাৰে থাকিল!

ইয়াত ব্যৱহাৰ হোৱা 'আঘোণ আহিল', 'ব'হাগৰ ধল', 'উজানৰ মাছ', 'আষাঢ়ৰ ক'লা মেঘ' আদি বাক্যাংশ অসমীয়া লোকজীৱনৰ নিচেই চিনাকি। গতিকে এইবোৰৰ সৈতে জড়িত ভাবৰ অনুষংগ বুজি পাবলৈ পাঠকক কোনো বৌদ্ধিক কছৰতৰ প্রয়োজন নহয়। এনেদৰে প্রাচ্য-প্রতীচ্য দুয়ো দেশৰ পৰা আহৰিত ভাব-ভাষা আৰু আংগিকৰ সমন্বয়ত গঢ় লৈ উঠা স্বকীয় কাব্যৰীতিয়ে নৱকান্ত বৰুৱাৰ কবিতাক অপূর্ব সৌন্দর্য দান কৰিছে।

মাধৱদেৱৰ মিলন অতিশয় মহত্ত্বপূর্ণ ঘটনা হিচাপে বিবেচিত। এই মিলন সংঘটিত হৈছিল মাজুলীৰ ধুৰাহাট বেলগুৰিত। দৰাচলতে, এই দুগৰাকী মনীষীৰ মহামিলনৰ পৰৱর্তী সময়ৰ পৰাহে শিষ্য-প্রশিষ্যৰে অসমীয়া বৈষ্ণৱ ধর্ম ঠন ধৰি উঠিছিল। সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাই সেইবাবেই দুয়োৰে মিলনক 'গুৰু-শিষ্যৰ মণি-কাঞ্চন সংযোগ' আখ্যা দিছে। ক'বলৈ গ'লে এই ঘটনাৰ পৰাহে অসমীয়া বৈষ্ণৱ ধর্মত গুৰু-শিষ্যৰ এক নতুন পৰম্পৰাৰ সৃষ্টি হয়।

আপুনি এই কথাও নজনাকৈ থকা নাই যে শংকৰদেৱক লগ পোৱাৰ আগলৈকে মাধৱদেৱ আছিল ঘোৰ শাক্তধর্মী বা আন কথাত প্রবৃত্তি মার্গী। তেওঁ সেই মার্গৰ সকলো প্রকাৰৰ শাস্ত্র অধ্যয়ন কৰি আৱশ্যকীয় জ্ঞান আহৰণ কৰি লৈছিল। নিজ ব্যক্তিত্বৰ গুণত তেওঁ ভনী জোঁৱায়েক ৰামদাসে কোৱা সত্ত্বেও পোনছাটে বৈষ্ণৱ পন্থা বা নিবৃত্তি মার্গৰ কথা মানি লোৱা নাছিল আৰু মুখামুখিকৈ শংকৰদেৱৰ সৈতে তর্কযুদ্ধত লিপ্ত হৈছিল। অৱশেষত শংকৰদেৱৰ যুক্তিত পতিয়ন গৈ নিজকে তেওঁৰ চৰণত সপি দি গুৰু মানি লৈছিল। তেতিয়াৰে পৰা মাধৱদেৱ আছিল শংকৰদেৱৰ গাৰ ছাঁটোৰ দৰে। এই অধ্যায়টি অধ্যয়নৰ জৰিয়তে আপুনি 'গুৰু-শিষ্যৰ মণি-কাঞ্চন সংযোগ' কেনেদৰে ঘটিছিল অৱগত হোৱাৰ লগতে নির্দিষ্ট পাঠটিৰ বিভিন্ন দিশ ফঁহিয়াই দেখুৱাবলৈ সমর্থ হ'ব। আপুনি জানি থওক যে এই অধ্যায়টি *কথা-গুৰু-চৰিত* বা নামান্তৰে *গুৰু-চৰিত-কথা* নামৰ মূল গ্রন্থৰ পৰা আহৰিত।

৬.৩ গুৰু-শিষ্যৰ মণি-কাঞ্চন সংযোগ

'গুৰু-শিষ্যৰ মণি-কাঞ্চন সংযোগ' পাঠটিৰ আলোচনাৰ প্রসংগত আমি 'চৰিত পুথি' মানে কি, কেনেদৰে ইয়াৰ উদ্ভৱ হ'ল সেই সম্পর্কেও কিছু কথা জনাৰ প্রয়োজনীয়তা আছে। তলত সেই বিষয়ে সম্যক ধাৰণা প্রদান কৰাৰ লগতে পাঠটিৰ আলোচ্য বিষয়সমূহ বহলাই আলোচনা কৰা হ'ল।

৬.৩.১ চৰিত পুথিৰ উদ্ভৱ আৰু বিকাশ

অসমত শংকৰদেৱ আৰু মাধৱদেৱৰ মহাপ্রয়াণৰ পাছত সপ্তদশ শতিকাৰ আৰম্ভৰ পৰা শেষলৈকে প্রায় এশ বছৰজুৰি চৰিত পুথিৰ উদ্ভৱ আৰু বিকাশ ঘটে। ইয়াৰ পূর্বে অসমীয়া ভাষাত চৰিত পুথি ৰচনাৰ কোনো প্রমাণ পোৱা নাযায়। দৰাচলতে গুৰু দুজনাৰ তিৰোধানৰ পাছত তেৰাসৰে প্রতিষ্ঠা কৰি থৈ যোৱা সত্রানুষ্ঠানসমূহৰ পৃষ্ঠপোষকতাত তেৰাসৰৰ বিভিন্ন কর্মৰ গুণানুকীর্তনৰ আধাৰত চৰিত পুথি ৰচনা হ'বলৈ ধৰে। কোনো কোনোৱে ব্যক্তিগত উদ্যোগতো চৰিত ৰচনাত হাত দিয়ে। এই চৰিত পুথিসমূহৰ অধিকাংশই ছন্দোবদ্ধ। গদ্যত ৰচনা কৰা পুথিৰ সংখ্যা তেনেই তাকৰ। সেয়ে হ'লেও, গদ্য-ভংগীৰে ৰচিত পুথিকেইখনে তৎকালীন বৈষ্ণৱ-ভকতসকলৰ মাজত প্রচলিত এক মার্জিত আদর্শ ভাষাৰূপৰ চানেকি ধৰি ৰাখিছে। পদ্যত ৰচিত কেইখনমান চৰিত পুথি হ'ল— *শংকৰ-চৰিত* (ৰামচৰণ ঠাকুৰ), *শংকৰ-চৰিত* (ভূষণ দ্বিজ),

অধ্যায় ৬ ঃ গুৰু-শিষ্যৰ মণি-কাঞ্চন সংযোগ

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য

৬.২ পৰিচয়

৬.৩ গুৰু-শিষ্যৰ মণি-কাঞ্চন সংযোগ

৬.৩.১ চৰিত পুথিৰ উদ্ভৱ আৰু বিকাশ

৬.৩.২ পাঠটিৰ উৎস

৬.৩.৩ মূল পাঠৰ আভাস

৬.৩.৪ বিষয়বস্তুৰ পৰিচয়

৬.৩.৫ মাধৱদেৱৰ ব্যক্তিত্ব

৬.৩.৬ মাধৱদেৱৰ গুৰুভক্তি

৬.৩.৭ গদ্যৰীতি

৬.৩.৮ কঠিন শব্দৰ টোকা

৬.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৬.৫ অধিক জানিবলৈ

৬.৬ অগ্রগতিৰ খতিয়ান

৬.৭ আৰ্হি প্ৰশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া চৰিত পুথিৰ বিষয়ে খৰচি মাৰি ব্যাখ্যা কৰিব পাৰিব
- মহাপুৰুষ শংকৰদেৱ আৰু মহাপুৰুষ মাধৱদেৱৰ মিলন কেনেদৰে হৈছিল সেয়া বুজাই লিখিব পাৰিব
- মাধৱদেৱৰ ব্যক্তিত্ব তথা গুৰুভক্তিৰ বিষয়ে বিশ্লেষণ কৰি দেখুৱাব পাৰিব
- মধ্যযুগীয় চৰিত পুথিৰ গদ্যশৈলীৰ বিশদ বিৱৰণ দাঙি ধৰিব পাৰিব।

৬.২ পৰিচয়

এইটো অধ্যায় আধুনিক ভাৰতীয় ভাষাৰ অন্তর্গত অসমীয়া বিষয়ৰ পাঠ্যবিষয়খনৰ দ্বিতীয় খণ্ডৰ প্ৰথম অধ্যায়। এই অধ্যায়টোত আপুনি পুৰণি অসমীয়া ভাষাত লিখা চৰিত সাহিত্যৰ এটা অংশ অধ্যয়ন কৰিব। আপুনি নিশ্চয় জানে যে অসমীয়া বৈষ্ণৱ ঐতিহ্যত শংকৰদেৱ আৰু

নৱকান্ত বৰুৱাৰ কবিতাৰ মূল দৰ্শন হৈছে জীৱনৰ প্ৰতি থকা মোহ। কোনো নিৰ্দিষ্ট ধৰ্ম, দৰ্শন অথবা মতাদৰ্শক খামুচি ধৰাৰ পৰিৱৰ্তে তেওঁ উদাৰনৈতিক মানৱতাবাদৰ পৃষ্ঠপোষকতাহে কৰিছিল। সেইবাবেই জটিল পৰিস্থিতিতো তেওঁৰ কবিতাই মানুহক আশাৰ বাণী শুনাব পাৰিছে।

আধুনিক কবিৰ কাব্যশিল্পত দেশী-বিদেশী কাব্যচিন্তাৰ প্ৰভাৱ এক এৰাব নোৱাৰা বিশেষত্ব। নৱকান্ত বৰুৱাও এই আওতাৰ বাহিৰত নহয়। ইংগ-মার্কিন কবি টি. এছ. এলিয়ট আছিল নৱকান্ত বৰুৱাৰ মানস গুৰু। আমাৰ আলোচ্য 'ইয়াত নদী আছিল' কবিতাটোও এলিয়টৰ 'The Waste Land' কবিতাৰ প্ৰভাৱেৰে পৰিপুষ্ট। অৱশ্যে এলিয়টৰ চিন্তাৰ সৈতে আমাৰ কবিগৰাকীৰ ভাব-জগতৰ মৌলিক প্ৰভেদ আছে। এলিয়টে দক্ষ হাতেৰে 'The Waste Land' ত যুগৰ ক্লান্তি, আধ্যাত্মিকতাৰ কেন্দ্ৰচ্যুতি, ব্যক্তি জীৱনৰ উদ্দেশ্যহীনতা আদিৰ প্ৰতি গভীৰ সচেতনতা আৰু অন্তর্দৃষ্টি দি আধুনিক সভ্যতাৰ অৱক্ষয়ৰ ছবি আঁকিছিল। নৱকান্ত বৰুৱায়ো 'ইয়াত নদী আছিল' কবিতাত সেই একেই দৃষ্টিভংগীৰে আধুনিক সভ্যতাৰ অৱক্ষয় আৰু ব্যর্থতাৰ স্বৰূপ উদঙাই দেখুৱাইছে। দুয়োগৰাকী কবিয়ে 'পানী'ক অফুৰন্ত জীৱনীশক্তিৰ প্ৰতীক হিচাপে গ্ৰহণ কৰিছে। কিন্তু, এলিয়টৰ মৰুভূমি মৰুভূমি হৈয়ে ৰ'ল, তাত মৰ্দ্যানৰ কোনো সম্ভাৱনা দেখা নগ'ল। তাত বজ্ৰৰ গর্জন আছে যদিও বর্ষণৰ প্ৰতিশ্ৰুতি নাই। এলিয়টৰ এনে চিন্তাৰ বিপৰীতে নৱকান্ত বৰুৱাই কিন্তু মৰুভূমিৰ অৱক্ষয়ৰ মাজতো 'পানী'ৰ প্ৰতিশ্ৰুতিৰে প্ৰবল আশা কঢ়িয়াই আনিবলৈ সমর্থ হৈছে। নিম্নোক্ত কাব্যাংশটিত তাৰেই প্ৰতিধ্বনি শুনিবলৈ পোৱা যায় —

উটৰ ডিঙিৰ ছাঁ, দীঘল ডিঙিৰ ছাঁ, শুই ৰ'ব
হাড় হৈ সাগৰৰ বাবে।

'উট'ক মৰুভূমিৰ জাহাজ আখ্যা দিয়া হয়। সেই উটৰ কংকালে সাগৰৰ, অর্থাৎ পানীৰ প্ৰতীক্ষা কৰিব সেয়ে কবিৰ আশা। কবিয়ে জানে 'বালিৰ বতাহে' 'পাহাৰত ভাস্কর্য' নির্মাণ নকৰে। তাৰ মাজত বিভীষিকাহে থাকে। অর্থাৎ মৰুভূমি সদৃশ আধুনিক সভ্যতাৰ বুকুত সৃষ্টিকামী ধ্বংস নাই, আছে অৱক্ষয়ৰ বিভীষিকা। কোনোবাই তাক ৰোমাঞ্চকৰ বুলি গণ্য কৰিলেও কবিয়ে তাৰ মাজত আশ্ৰয় বিচৰা নাই। 'নতুন বিগ্ৰহ' নির্মাণ কৰি অর্থাৎ দয়া, মৰম, ভালপোৱাৰ অনাবিল সৌন্দর্যৰ ছবি আঁকি ভাগৰুৱা হৈ পৰিলেও সেই কাম তেওঁ কৰিয়েই থাকিব। কাৰণ অৱক্ষয়ৰ বিভীষিকাৰ বুকুত তেওঁ আশ্ৰয় ল'ব নোৱাৰে।

মুঠতে আলোচ্য কবিতাটিত সৃষ্টি-সম্ভৱা ধ্বংস আৰু তাৰ বিপৰীতে ক্ৰম অৱক্ষয়— এই দুই বিপৰীতমুখী পৰিস্থিতি শব্দৰ তুলিকাৰে অংকন কৰি তাৰ মাজত তেওঁ মানৱতাক শ্ৰেষ্ঠ আসন দিয়াৰ প্ৰয়াস কৰিছে।



চিন্তা-চর্চা কৰক— ৪.৩

'ইয়াত নদী আছিল' কবিতাত পাশ্চাত্য প্রভাৱৰ বিষয়ে এটি টোকা যুগুত কৰক।

.....

.....

.....

.....



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ 'ইয়াত নদী আছিল' কবিতাটিত কি ছন্দসজ্জা ব্যৱহাৰ কৰা হৈছে?

.....

প্রশ্ন নং ৭ ঃ 'ইয়াত নদী আছিল' কবিতাটিত কেনেদৰে লোকভাষাৰ প্রয়োগ কৰা হৈছে সেই বিষয়ে চমুকৈ লিখক। (৬০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

.....

.....



৪.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টিত আমি এটা আধুনিক কবিতা — নৱকান্ত বৰুৱাৰ 'ইয়াত নদী আছিল'ৰ বিষয়ে আলোচনা কৰিলোঁ।
- নৱকান্ত বৰুৱাৰ 'ইয়াত নদী আছিল' কবিতাত তথাকথিত আধুনিক সভ্যতাই মানৱীয় প্রমূল্যসমূহৰ অপমৃত্যু মাতি আনি মানৱ-জীৱন মৰুতুল্য কৰি তোলাৰ মর্মন্তুদ ছবি চিত্রিত হৈছে।
- কবিয়ে গভীৰ ব্যঞ্জনাযুক্ত শব্দৰ তুলিকাৰে নদীয়ে কৰা সৃষ্টিমুখী ধ্বংস আৰু মৰুভূমিয়ে ধীৰ পদক্ষেপেৰে মাতি অনা অৱক্ষয়ী ৰূপৰ বৈপৰীত্যৰ সার্থক ছবি অংকন কৰিছে।

খ) চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ আধুনিক অসমীয়া কবিতাত নির্মলপ্রভা ৰৱদলৈৰ স্থান নির্ণয় কৰি এটি চমু নিবন্ধ যুগুত কৰক।

প্রশ্ন ২ ঃ প্রসংগ সংগতি দর্শাই ব্যাখ্যা কৰক —

(ক) মূৰত জাপি
কান্ধত মেটমৰা দুটা ডাঙৰিৰ
জিৰিক্ জিৰিক্ মাত।

(খ) তেওঁৰ পিছে পিছে গ'লগৈ
আঘোণৰ সোণৱৰণীয়া ৰ'দ
খেৰৰ চুবুৰিটো, বাঁহ বনিৰ
কেঁচা আলিটো
আৰু গান গোৱা চৰাইজাক।

(গ) কোনে জানে
তেওঁ আৰু
এই জন্মত
উভতি আহিবনে নাহে?

গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ 'মর্মান্তিক' কবিতাটিৰ আধাৰত নির্মলপ্রভা ৰৱদলৈৰ কাব্য প্রতিভাৰ বিচাৰ কৰক।

প্রশ্ন ২ ঃ 'মর্মান্তিক' কবিতাৰ বিষয়বস্তু সম্পর্কে এটি আলচ যুগুত কৰক।

প্রশ্ন ৩ ঃ 'মর্মান্তিক' কবিতাটিৰ কাব্যিক সৌন্দর্য ফঁহিয়াই দেখুৱাওক।

*** ***** ***

৫) তালুকদাৰ, নন্দ (২০০৬); *কবি আৰু কবিতা;* গুৱাহাটী ঃ বনলতা।
৬) বৰুৱা, প্ৰহ্লাদ কুমাৰ (২০০); *আধুনিক অসমীয়া কবিতাৰ গতি বৈচিত্ৰ্য;* ডিব্ৰুগড় ঃ বনলতা।
৭) বৰুৱা, ভবেন (২০০২); *অসমীয়া কবিতা ঃ ৰূপান্তৰৰ পৰ্ব;* গুৱাহাটী ঃ গ্ৰন্থ।
৮) বৰুৱা, লোপা (১৯৯৯); *আধুনিক অসমীয়া কবিতাত প্ৰতীক আৰু চিত্ৰকল্প;* গুৱাহাটী ঃ পূৰ্বাঞ্চল প্ৰকাশন।
৯) শইকীয়া, নগেন (১৯৯৬); *অসমীয়া কবিতা আৰু অন্যান্য বিষয়;* চন্দ্ৰ প্ৰকাশ, পাণবজাৰ, গুৱাহাটী।
১০)শৰ্মা, উপেন্দ্ৰনাথ (২০০৫); *কবিতাৰ ভাষা আৰু অন্যান্য প্ৰবন্ধ;* গুৱাহাটী ঃ জয়দেৱ শৰ্মা-ভৱানীদেৱী প্ৰকাশন।
১১)হাজৰিকা, কৰবী ডেকা (২০০৮); *অসমীয়া কবি আৰু কবিতা;* ডিব্ৰুগড় ঃ বনলতা।
১২) হাজৰিকা, কৰবী ডেকা (১৯৯৮); *অসমীয়া কবিতা;* বনলতা, গুৱাহাটী।

৫.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ *সুদীৰ্ঘ দিন আৰু ঋতু* কাব্যগ্ৰন্থৰ বাবে।

২ নং প্ৰশ্নৰ উত্তৰ ঃ মৰ্মান্তিক শব্দৰ আভিধানিক অৰ্থ বেদনাদায়ক, হৃদয়বিদাৰক ইত্যাদি।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ আধুনিক নাগৰিক সভ্যতাই মাতি অনা মানৱীয় প্ৰমূল্যবোধৰ অৱক্ষয়ৰ কথাই এই কবিতাটোত প্ৰকাশ কৰা হৈছে।

৫.৯ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ নিৰ্মলপ্ৰভা বৰদলৈয়ে লিখা গৱেষণাধৰ্মী পুথিকেইখনৰ নাম কি?

প্ৰশ্ন ২ ঃ নিৰ্মলপ্ৰভা বৰদলৈৰ প্ৰথম প্ৰকাশিত কবিতা পুথিখনৰ নাম কি? এইখন কোন চনত প্ৰকাশ পাইছিল?

প্ৰশ্ন ৩ ঃ নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতাত আধুনিক যুগৰ কি ছবি ফুটি উঠিছে?

- লোকজীৱনৰ পৰা আহৰিত চিত্ৰকল্পৰ প্ৰয়োগ কবিতাটিৰ এক উল্লেখযোগ্য বৈশিষ্ট্য।

৪.৯ অধিক জানিবলৈ

১) আহমেদ, কামালুদ্দিন (২০০৫); *আধুনিক অসমীয়া কবিতা;* গুৱাহাটী ঃ বনলতা।
২) উল্লাহ, ইমদাদ (১৯৮৩); *কবিতাৰ সবিশেষ;* যোৰহাট ঃ অসম সাহিত্য সভা।
৩) উল্লাহ, ইমদাদ (১৯৮০); *সৃজন আৰু মনন;* গুৱাহাটী ঃ গুৱাহাটী বুক ষ্টল।
৪) তালুকদাৰ, নন্দ (২০০৬); *কবি আৰু কবিতা;* গুৱাহাটী ঃ বনলতা।
৫) বৰুৱা, প্ৰহ্লাদ কুমাৰ (২০০); *আধুনিক অসমীয়া কবিতাৰ গতি বৈচিত্ৰ্য;* ডিব্ৰুগড় ঃ বনলতা।
৬) বৰুৱা, ভবেন (২০০২); *অসমীয়া কবিতা ঃ ৰূপান্তৰৰ পৰ্ব;* গুৱাহাটী ঃ গ্ৰন্থ।
৭) বৰুৱা, লোপা (১৯৯৯); *আধুনিক অসমীয়া কবিতাত প্ৰতীক আৰু চিত্ৰকল্প;* গুৱাহাটী ঃ পূৰ্বাঞ্চল প্ৰকাশন।
৮) শৰ্মা, উপেন্দ্ৰনাথ (২০০৫); *কবিতাৰ ভাষা আৰু অন্যান্য প্ৰবন্ধ;* গুৱাহাটী ঃ জয়দেৱ শৰ্মা-ভৱানীদেৱী প্ৰকাশন।
৯) হাজৰিকা, কৰবী ডেকা (২০০৮); *অসমীয়া কবি আৰু কবিতা;* ডিব্ৰুগড় ঃ বনলতা।

৪.১০ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ *জোনাকী* কাকতৰ মাধ্যমেৰে।

২ নং প্ৰশ্নৰ উত্তৰ ঃ *জয়ন্তী* কাকতে।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ক) অশুদ্ধ খ) অশুদ্ধ গ) শুদ্ধ ঘ) শুদ্ধ

৪ নং প্ৰশ্নৰ উত্তৰ ঃ হে অৰণ্য হে মহানগৰ।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ ক) জীৱনী খ) ইতিহাস গ) ১৯৯৯ চনত

৬ নং প্ৰশ্নৰ উত্তৰ ঃ মুক্তক ছন্দ।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ আধুনিক কবিতাৰ এগৰাকী দক্ষ শিল্পী নৰকান্ত বৰুৱাই 'ইয়াত নদী আছিল' কবিতাটিত সাৰ্থকভাৱে লোকভাষাৰ ব্যৱহাৰ কৰিছে। কবিতাটিত ব্যৱহৃত 'আঘোণ আহিল', 'ব'হাগৰ ধল', 'উজানৰ মাছ', 'আষাঢ়ৰ ক'লা মেঘ' আদি বাক্যাংশ অসমীয়া লোক-জীৱনৰ পৰা আহৰিত। গতিকে এইবোৰৰ সৈতে জড়িত ভাবৰ অনুষংগ বুজি পাবলৈ

পাঠকক কোনো বৌদ্ধিক কছৰতৰ প্ৰয়োজন নহয়। এনেদৰে লোকজীৱনৰ চিনাকী শব্দাংশৰ প্ৰয়োগে কবিতাক অপূৰ্ব সৌন্দৰ্য দান কৰিছে।



৪.১১ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক—

ক) *জয়ন্তীয়ে* প্ৰৱৰ্তন কৰা প্ৰগতিবাদী কবিতাৰ ধাৰাটো পৰৱৰ্তী কালৰ কোনখন কাকতত প্ৰাণৱন্ত হৈ উঠিছিলগৈ।

খ) *সম্ৰাট* আৰু *ৰাৱণ* কবিতা পুথি দুখন কোন চনত প্ৰকাশ হৈছিল?

প্ৰশ্ন ২ ঃ শুদ্ধ নে অশুদ্ধ নিৰ্ণয় কৰক—

ক) নৱকান্ত বৰুৱাৰ মানস গুৰু হ'ল .....।

খ) 'ইয়াত নদী আছিল' কবিতাটিত আধুনিক সভ্যতাই সৃষ্টি কৰা অৱক্ষয় আৰু মানৱীয় প্ৰমূল্যসমূহৰ ..... এক কৰুণ ছবি লক্ষ্য কৰা যায়।

খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ আধুনিক অসমীয়া কবিতাত নৱকান্ত বৰুৱাৰ স্থান নিৰ্ণয় কৰি এটি চমু নিবন্ধ যুগুত কৰক।

প্ৰশ্ন ২ ঃ প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰক —

কেৱল ফুলিব সিজু, মাজনিশা তৰাৰ পোহৰে
ৰেণু তাৰ বালিদাঁহী সাপক বিলাব। দূৰবি ধৰিব ছাটি
কাঁইটীয়া বনে।

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ নৱকান্ত বৰুৱাৰ 'ইয়াত নদী আছিল' কবিতাটিৰ বিষয়বস্তুৰ আভাস দি ইয়াত আধুনিকতাৰ কোনবোৰ বৈশিষ্ট্য প্ৰতিফলিত হৈছে যথোপযুক্ত উদাহৰণ দাঙি ধৰি বিচাৰ কৰক।

প্ৰশ্ন ২ ঃ 'ইয়াত নদী আছিল' কবিতাত পাশ্চাত্য প্ৰভাৱৰ বিষয়ে আলোচনা কৰি কবিতাটিৰ কাব্যিক সৌন্দৰ্য বিশ্লেষণ কৰক।

*** ***** ***



চিন্তা-চৰ্চা কৰক — ৫.২

'মৰ্মান্তিক' কবিতাৰ শব্দ চয়নৰ বৈশিষ্ট্য ফঁহিয়াই এটি প্ৰবন্ধ লিখি উলিয়াওক।

.....

.....

.....



৫.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টিত আমি এটা আধুনিক কবিতা— নিৰ্মলপ্ৰভা বৰদলৈৰ 'মৰ্মান্তিক'ৰ বিষয়ে আলোচনা কৰিলোঁ।
- অধ্যায়টিৰ আলোচ্য কবিতা নিৰ্মলপ্ৰভা বৰদলৈৰ 'মৰ্মান্তিক' আক্ষৰিক অৰ্থতে মৰ্মান্তিক। ইয়াৰ মাজত কৃষি যুগৰ পৰা শিল্প যুগলৈ উত্তৰণৰ এক কাব্যিক বিৱৰণ বিধৃত হৈছে।
- সহজ-সৰল কৃষি-জীৱনৰ প্ৰাচুৰ্য, দয়া-মমতা আদি চিৰন্তন মূল্যবোধ কবিয়ে শৈশৱ আৰু কৈশোৰত প্ৰত্যক্ষ কৰিছিল আৰু তাৰ সঁচা ছবি তেওঁ গোটেই জীৱনজুৰি হৃদয়ৰ মাজত কঢ়িয়াই লৈ ফুৰিছে। কিন্তু আধুনিক সভ্যতাৰ পত্তনত সেই মূল্যবোধ লাহে লাহে হেৰাই গ'ল।
- সময়ৰ নিদাৰুণ আহ্বানত পৰিৱৰ্তিত সমাজ ব্যৱস্থাই কবিৰ বুকুত যি যন্ত্ৰণা দিছে তাৰেই 'মৰ্মান্তিক' ছবি অংকিত হৈছে এই কবিতাটিৰ মাজেৰে। যথোপযুক্ত শব্দ চয়ন আৰু সিবোৰৰ প্ৰতীকী ব্যঞ্জনাই কবিতাটিক অনন্য সৌন্দৰ্য দান কৰিছে।



৫.৭ অধিক জানিবলৈ

১) আহমেদ, কামালুদ্দিন (২০০৫); *আধুনিক অসমীয়া কবিতা;* গুৱাহাটী ঃ বনলতা।
২) উল্লাহ, ইমদাদ (১৯৮৩); *কবিতাৰ সবিশেষ;* যোৰহাট ঃ অসম সাহিত্য সভা।
৩) উল্লাহ, ইমদাদ (১৯৮০); *সৃজন আৰু মনন;* গুৱাহাটী ঃ গুৱাহাটী বুক ষ্টল।
৪) গোস্বামী, মালিনী আৰু আহমেদ, কামালুদ্দিন (সম্পাঃ)(২০০৯); *আধুনিক অসমীয়া কবিতাৰ তিনিটা স্তৰ;* গুৱাহাটী বিশ্ববিদ্যালয় ঃ অসমীয়া বিভাগ।

অধ্যায় ৫ ঃ নির্মলপ্রভা বৰদলৈ ঃ মর্মান্তিক

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য
৫.২ পৰিচয়
৫.৩ নির্মলপ্রভা বৰদলৈৰ কাব্য-চিন্তা
৫.৪ 'মর্মান্তিক' কবিতাটিৰ মূল পাঠ
৫.৫ মর্মান্তিক
৫.৫.১ বিষয়বস্তু
৫.৫.২ সাধাৰণ আলোচনা
৫.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৫.৭ অধিক জানিবলৈ
৫.৮ অগ্রগতিৰ খতিয়ান
৫.৯ আৰ্হি প্ৰশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- নির্মলপ্রভা বৰদলৈৰ কাব্য-কৃতিৰ যথাযথ মূল্যায়ন কৰিব পাৰিব
- 'মর্মান্তিক' শীর্ষক কবিতাৰ বিষয়বস্তু আৰু আংগিকৰ বিষয়ে আলোচনা কৰিবলৈ সমর্থ হ'ব।

৫.২ পৰিচয়

এইটো অধ্যায় এইখন পাঠ্যবিষয়ৰ প্রথমটো খণ্ডৰ অন্তিম অধ্যায়। এই অধ্যায়টিত আপোনাৰ পাঠ্যক্রমৰ অন্তর্গত নির্মলপ্রভা বৰদলৈৰ 'মর্মান্তিক' শিৰোনামৰ আধুনিক কবিতা এটাৰ বিষয়ে আলোচনা দাঙি ধৰা হ'ব। ইয়াৰ আগৰকেইটা অধ্যায়ত আপুনি এটি পুৰণি কবিতা, দুটি ৰোমাণ্টিক কবিতা আৰু এটি ৰোমাণ্টিক আৰু আধুনিকতাৰ দোমোজাৰ কবিতা আৰু এটি আধুনিক কবিতা অধ্যয়ন কৰিলে। আধুনিক কবিতাটো অধ্যয়নৰ সময়ত আধুনিকতাৰ পটভূমি, আধুনিক অসমীয়া কবিতাৰ বিষয়েও সম্যক ধাৰণা লাভ কৰিলে।

এতিয়া আমি এইটো অধ্যায়ত নির্মলপ্রভা বৰদলৈৰ 'মর্মান্তিক' শীর্ষক কবিতাটিৰ বিষয়ে আলোচনা কৰিম। ইতিমধ্যে উল্লেখ কৰি আহিছোঁৱেই যে এইটো এটা আধুনিক কবিতা। অধ্যায়টোত নির্মলপ্রভা বৰদলৈৰ কাব্যকৃতি সম্পর্কেও বহলাই আলোচনা আগবঢ়োৱা হৈছে।

লহিওৱাৰ পৰত' 'পথাৰৰ বঁকিয়াইদি' উভতি যোৱা 'তেওঁৰ কান্ধৰ 'মেটমৰা ডাঙৰি দুটা'ৰ 'জিৰিক্ জিৰিক্' মাতৰ সাংগীতিক মূর্ছনাই পাঠকক মোহিত কৰে। দ্বিতীয় স্তৱকটি পঢ়াৰ অন্তত সেই মাতৰ ধ্বনি লাহে লাহে ক্ষীণ হৈ অহাৰ এক অনাবিল উপলব্ধি আনি দিয়ে। যিমানে দূৰলৈ গৈছে সিমানে যেন তাৰ অস্পষ্ট অনুৰণন শুনা গৈছে।

কবিতাটিৰ শব্দ চয়ন বিশেষভাৱে মন কৰিবলগীয়া। অৱশ্যে উপযুক্ত শব্দৰ ব্যৱহাৰ এইগৰাকী কবিৰ কাব্যশিল্পৰ এক অনন্য বৈশিষ্ট্য। আলোচ্য কবিতাটিতো তাৰ নিদর্শন স্পষ্টভাৱে জিলিকি আছে। ইয়াৰ প্রতিটো শব্দৰ মাজত পোৱা যায় একোটাহঁত অর্থঘন প্রতীকী ব্যঞ্জনা। কবিতাটিৰ প্রথম শাৰীৰ প্রথম শব্দ 'তেওঁৰ' কোনো ব্যাখ্যা কবিয়ে আমাক দিয়া নাই। কিন্তু বেলি ডুবাৰ পৰত 'পথাৰৰ বঁকিয়াইদি' 'মূৰত জাপি' আৰু 'কান্ধত দুটা মেটমৰা ডাঙৰি' লৈ উভতি যোৱাজন যে সহজ-সৰল কৃষিজীৱী লোক, তাক নক'লেও বুজিব পাৰি। তেনেদৰে 'আঘোণৰ সোণসেৱীয়া ৰ'দ', প্রাচুর্যভৰা জীৱনৰ 'খেৰৰ চুবুৰি', সহজ-সৰল অকৃত্রিম গ্রাম্য জীৱনৰ 'কেঁচা আলিটো' অস্থায়ী মানৱ জীৱনৰ আৰু 'গান গোৱা চৰাইজাক' অনাবিল আনন্দৰ প্রতীক।

কৃষি-সমাজৰ পৰা শিল্প-সভ্যতালৈ উত্তৰণৰ দোমোজাত থিয় দি কবিয়ে উভতি চাইছে প্রাচুর্যময় শৈশৱ আৰু কৈশোৰলৈ। 'বেলি' পৰম শক্তিৰ প্রতীক। ই সদায়ে একোটা নতুন দিনৰ সৃষ্টি কৰে। সেই 'বেলি'য়ে প্রকৃতিৰ বিধান মানি অপৰাহ্নত ভৰি দিছে। গতিকে নতুন দিনৰ বা নতুন যুগৰ আগমন নিশ্চিত। নতুনক আদৰি ল'ব লাগিলেও শৈশৱ, কৈশোৰৰ প্রাচুর্যময় গ্রাম্য জীৱনৰ স্মৃতি পাহৰিব নোৱাৰি। সেইবাবেই মানুহৰ যন্ত্রণা হয়। এই যন্ত্রণাই কবিকো ব্যথিত কৰিছে আৰু ই হৈ পৰিছে 'মর্মান্তিক'। অনাগত ভৱিষ্যতৰ বুকুত কি আছে কোনেও নাজানে। কবিয়ে শব্দৰ তুলিকাৰে কৃষি-সমাজৰ ছবি আঁকিছে যদিও যন্ত্র যুগৰ কোনো বিৱৰণ দিয়া নাই। সহৃদয় পাঠকে তথাপি উপলব্ধি কৰিব পাৰে আধুনিক নাগৰিক সভ্যতাই মাতি অনা মানৱীয় প্রমূল্যবোধৰ অৱক্ষয়ৰ কথা। একো নোকোৱাকৈয়ে বহু কিবাকিবি কৈ দিব পৰা ক্ষমতাৰ বাবেই এইগৰাকী কবি আধুনিক অসমীয়া কাব্য জগতৰ এগৰাকী আগশাৰীৰ কবিৰূপে পৰিচিত। ভাবঘন, ব্যঞ্জনাঘন শব্দচয়ন তেওঁৰ এই কাব্যশিল্পৰ মুখ্য উপকৰণ। আলোচ্য কবিতাটোত কবিয়ে এটাও কঠিন শব্দ ব্যৱহাৰ কৰা নাই। 'কান্ধ' আৰু 'জন্ম' এই দুটা যুক্তাক্ষৰ থকা তৎসম শব্দক আপেক্ষিক দৃষ্টিত কঠিন আখ্যা দিলেও সেই দুটাও কবিসৃষ্ট সুৰ, সংগীতময়তা আৰু ছবিৰ সৈতে একাত্ম হৈ পৰিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ মর্মান্তিক কবিতাটোৰ মূলভাব এটা বাক্যত প্রকাশ কৰক।

.....

৫.৩ নির্মলপ্রভা বৰদলৈৰ কাব্য-চিন্তা

স্বাজোত্তৰ যুগৰ প্রতিভাসম্পন্ন কবিকুলৰ ভিতৰত নির্মলপ্রভা বৰদলৈ (১৯৩৩-২০০৪) অন্যতম শ্রেষ্ঠ কবি। এওঁ আছিল বহুমুখী প্রতিভাৰ অধিকাৰী। কবিতাৰ লগে লগে সংগীত তথা সমাজ আৰু সংস্কৃতিৰ সাধনাতো এওঁ বিশেষ পাৰদর্শিতাৰ স্বাক্ষৰ ৰাখি থৈ গৈছে। নিৰলস সাধনাৰে অসমীয়া কাব্য জগতলৈ বিশিষ্ট বৰঙণি আগবঢ়োৱাৰ স্বীকৃতি হিচাপে এইগৰাকী কবিক তেওঁৰ *সুদীর্ঘ দিন আৰু ঋতু* শীর্ষক কাব্যসংকলনটিৰ বাবে সাহিত্য অকাডেমি পুৰস্কাৰ দিয়া হৈছে।

নির্মলপ্রভা বৰদলৈক স্বভাৱ কবি আখ্যা দিয়া হৈছে। গীতিময়তা এইগৰাকী কবিৰ কাব্যশিল্পৰ প্রধান বৈশিষ্ট্য। সুৰৰ প্রতি তেওঁৰ আছিল গভীৰ আকর্ষণ। ইয়াৰ লগে লগে যথোপযুক্ত শব্দ চয়নতো তেওঁ আছিল সিদ্ধহস্ত। এই দুয়োটাৰ সমাহাৰে তেওঁৰ কবিতাত ইন্দ্রজালৰ সৃষ্টি কৰে। কবিতা সম্পর্কে তেওঁ নিজে উদ্ভাৱন কৰা সংজ্ঞা — 'সংগীতত আবদ্ধ অলংকাৰ' তেওঁৰ নিজৰ কবিতাতে ভালদৰে খাটে। তেওঁ ব্যৱহাৰ কৰা বিভিন্ন কাব্যালংকাৰে সাংগীতিক মূর্ছনাৰ মাজেৰেহে প্রকাশ ক্ষমতা লাভ কৰা দেখা যায়। অসমৰ লোকগীত, বিহুগীত-বনঘোষাৰ সুৰ তেওঁৰ কবিতাত একত্রিত হৈ এক বিশেষ কাব্যৰীতিত পৰিণত হৈছে; মূর্ত হৈ উঠিছে অসমৰ প্রকৃতি আৰু নৰ-নাৰীৰ প্রাত্যহিক সুখপ্রদ ছবি। তাৰ উপৰি তেওঁৰ কাব্য-চিন্তাত অসমৰ বুকুৰ পৰা হেৰাই যাবলৈ ধৰা লোকসাংস্কৃতিক ৰূপ, সামাজিক ঐতিহ্য আদিৰো বৈচিত্র্যপূর্ণ পৰিস্ফুৰণ ঘটিছে।

নির্মলপ্রভা বৰদলৈৰ কবিতাৰ বিষয়বস্তুৰ বৈচিত্র্যপূর্ণ সমাহাৰ লক্ষ্য কৰা যায়। প্রেম, স্মৃতি, বিষাদ, আনন্দ, নিঃসংগতা, মৃত্যুচেতনা আদি ব্যক্তিনিষ্ঠ চিন্তাৰ প্রকাশৰ লগে লগে তেওঁৰ কবিতাত সমষ্টিগত চিন্তাৰো প্রতিফলন ঘটিছে। সর্বসাধাৰণৰ দুখ-দুর্দশা, সমাজ জীৱনলৈ অহা বিভিন্ন ঘাত-প্রতিঘাত আদিৰ বাংময় চিত্রও তেওঁৰ কবিতাৰ মাজত বিধৃত হৈছে। চুটি চুটি বাক্যৰ মাজেৰে অর্থঘন ব্যঞ্জনাৰ সৃষ্টি, শব্দ নির্বাচনৰ অপূর্ব দক্ষতাই তেওঁৰ কবিতাক অনবদ্য সৌন্দর্য দান কৰিছে। উৎকৃষ্ট কবিয়ে উপযুক্ত প্রকাশক্ষম শব্দৰ ব্যৱহাৰেৰে কবিতাৰ ভাস্কর্য নির্মাণ কৰে। কবি নির্মলপ্রভা এই দিশত আছিল সিদ্ধহস্ত। 'শব্দ আৰু শব্দ' কবিতা তাৰ প্রকৃষ্ট উদাহৰণ। তদুপৰি শব্দৰ পৰিমিত ব্যৱহাৰৰ প্রতিও তেওঁ আছিল অতি সচেতন।

বৰদলৈৰ প্রকৃতি বিষয়ক কবিতাবোৰত ৰোমাণ্টিকতাৰ অন্যতম লক্ষণ — কল্পনা প্রৱণতাৰ সার্থক প্রয়োগ হোৱা দেখা যায়। অৱশ্যে এই কল্পনা ইন্দ্রিয়ই ঢুকি পোৱা কল্পনা। তেওঁ বিভিন্ন ঋতু তথা মাহৰ বর্ণনাত বিশেষ দক্ষতাৰ পৰিচয় দিছে। 'ব'হাগ', 'শৰত' আদি মাহ আৰু ঋতুৰ মনোমোহা ছবি অংকন কৰিলেও কবিগৰাকী কিন্তু জীৱনবিমুখ নহয়। তেওঁ চিনি পায় 'দুর্ধর্ষ ৰাজনীতিজ্ঞৰ কপট পাশাৰ গুটি' অথবা 'অন্ধকাৰত তিৰবিৰাই' উঠা 'অদৃশ্য সময়ৰ ক্ষুৰধাৰ তৰোৱাল'। মৰহি যাব খোজা জীৱনক সজীৱ-সপ্রাণ কৰি ৰাখিবলৈ তেওঁৰ কবিতাৰ বাণীয়ে মানুহক প্রেৰণা দিয়ে। 'চকুপানীবোৰ' 'বর্মৰ দৰে' পিন্ধি জীৱন যুঁজত নামিবলৈ তেওঁ মানুহক সাহস দিয়ে। ব্যক্তিগত দুখক সামূহিক জীৱনলৈ উত্তৰণ ঘটাই তেওঁ সর্বদেশৰ শোষিত, বঞ্চিত মানুহৰ দুখ, শোকৰ লগত একাত্ম অনুভৱ কৰাতেই আছে এইগৰাকী কবিৰ কাব্য-চিন্তাৰ সার্থকতা।

ইয়াত ব্যৱহৃত 'আঘোণৰ ৰ'দ', 'খেৰৰ চুবুৰি' আদি প্রতিটো প্রতীকী অনুষংগই কঢ়িয়াই আনিছে কৃষি যুগৰ পৰা শিল্প যুগলৈ ঘটা উত্তৰণৰ বতৰা। দুয়োটা যুগৰ সন্ধিক্ষণৰ ছবি দ্যোতিত হৈছে 'বেলি লহিওৱাৰ পৰ'ৰ চিত্রকল্পৰ যোগেদি। কৃষি যুগৰ প্রাণ-প্রাচুর্য আৰু মানৱীয় অনুভূতি শিল্প যুগৰ নাগৰিক সভ্যতাৰ বুকুত জাহ যোৱাৰ যন্ত্রণাই কবিক ব্যথিত কৰি তুলিছে। অৱশ্যে ই একেদিনাই সম্ভৱ হোৱা নাই। এই উত্তৰণৰ গতি ক্রমাগত — 'গৈ আছিল আৰু গ'লগৈ'। প্রথম আৰু দ্বিতীয় স্তৱকৰ কৃষি-সমাজ তৃতীয় স্তৱকত হেৰাই গৈছে। কবিতাটিৰ চতুর্থ তথা অন্তিম স্তৱকটিয়ে পাঠকৰ হৃদয় এক অপৰিমেয় সংশয়েৰে ভাৰাক্রান্ত কৰি তোলে —

কোনে জানে
তেওঁ আৰু
এই জন্মত
উভতি আহিবনে নাহে?

কাল প্রৱাহৰ সোঁতত ভৱিষ্যতৰ বুকুত কি লুকাই আছে সেয়া এক উত্তৰবিহীন প্রশ্ন। এনেদৰে পোৱা আৰু হেৰুওৱা, সংশয়াচ্ছন্ন ভৱিষ্যতৰ মর্মন্তুদ উপলব্ধি 'মর্মান্তিক' কবিতাটিৰ মাজেৰে ব্যক্ত হৈছে।

কবিতাটি আধুনিক কবিতাৰ সকলো উপকৰণেৰে সমৃদ্ধ। ইয়াৰ ভাব, ভাষা, আংগিক আদি সকলো দিশতে আধুনিকতাৰ ছাপ স্পষ্টভাৱে জিলিকি আছে। কৃষি-সমাজৰ অকৃত্রিম পৰিৱেশ, প্রকৃতিৰ প্রাণ-প্রাচুর্য, মানুহৰ অকৃত্রিম চেনেহ আদিৰ মাজত শৈশৱ আৰু কৈশোৰ অতিবাহিত কৰা কবিৰ বুকুৰ পাঁজৰত সেইবোৰৰ স্মৃতি মচিব নোৱৰাকৈ আঁকি থোৱা আছে। কিন্তু কালৰ কুটিল গতিত সেই সমাজ লাহে লাহে হেৰাই গ'ল। তাৰ ঠাইত নতুনকৈ থিতাপি ল'লে মহানাগৰিক সভ্যতাৰ কৃত্রিম চাল-চলনে। শিল্প যুগত কল-কাৰখানাৰ চিমনিৰ ধোঁৱাৰ মাজত মানুহ হৈ পৰিল যান্ত্রিক। দয়া-মমতা, কৰুণা, প্রেম-ভালপোৱা আদি মানৱীয় প্রমূল্যসমূহ লাহে লাহে মূল্যহীন হৈ পৰিল।

সময় আপোন গতিৰে আগবাঢ়ে। দিন, মাহ, বছৰ বাগৰি যায়। এই গতিৰ ভৱিষ্যৎ আমাৰ অজ্ঞেয়। মানুহে সকলো পৰিস্থিতিকে বুকুত সাবটি ল'বলগীয়া হয় অনিচ্ছাসত্ত্বেও। ইয়াক প্রতিহত কৰাৰ শক্তি কাৰোৱেই নাই। অনাকাংক্ষিত পৰিস্থিতিক অনিচ্ছাৰ মাজতো আঁকোৱালি ল'বলগীয়া হোৱাৰ যন্ত্রণাতকৈ বোধহয় ভয়াৱহ যন্ত্রণা আৰু পাবলৈ নাই। কবিতাটিৰ চতুর্থ স্তৱকটিত চিত্রিত সংশয় আৰু দ্বিধাই যুগৰ পৰা বিচ্ছিন্ন হৈ পৰা যন্ত্রণাক অধিক গাঢ় কৰি তুলিছে।

আধুনিক কবিতাৰ এটি বিশেষ উল্লেখনীয় বৈশিষ্ট্য হৈছে সংগীতময়তা। আমাৰ আলোচ্য কবি নির্মলপ্রভা বৰদলৈ এই বিষয়ত অতি সিদ্ধহস্ত। গতিকে তেওঁৰ 'মর্মান্তিক'তো সেই বৈশিষ্ট্যৰ প্রতিফলন লক্ষ্য কৰিব পাৰি। এক বিশেষ ছন্দেৰে 'বেলি

এই কবিতাটিৰ মাত্ৰ যোল্লটা শাৰীয়ে ধৰি ৰাখিছে আমাৰ সমাজ জীৱনৰ এক বিশেষ পৰিস্থিতিৰ বিচ্ছিন্নতাবোধৰ সকৰুণ অনুভূতি। হেৰাই যোৱাৰ দুখ নিতান্তই যন্ত্ৰণাদায়ক। কিন্তু তাতোকৈও যন্ত্ৰণাদায়ক সুখময়, প্ৰাণময় জীৱনচৰ্যাৰ পৰিৱৰ্তে অনাকাংক্ষিত পৰিৱেশৰ স'তে মুখামুখি হ'বৰ বাবে মনোজগতত সৃষ্টি হোৱা দ্বিধা, সংশয় তথা এক চিৰ অসন্তুষ্টিৰ অনুভূতি বহন কৰাটো। আলোচ্য কবিতাটিৰ মাজত আমি পাওঁ তেনে অনুভূতিৰ মৰ্মভেদী ব্যথা। কবি হৃদয়ৰ সেই কাৰুণ্যই প্ৰতিগৰাকী সহৃদয় পাঠকৰ বুকুত আলোড়নৰ সৃষ্টি কৰে।

কবিতাটিৰ প্ৰথম শাৰীতে প্ৰথম পুৰুষত কবিয়ে অংকন কৰিছে তৃতীয় পুৰুষ এগৰাকীৰ ছবি, যিগৰাকী এতিয়া অতীত হৈ গৈছে। মানুহজনৰ ওভতনি যাত্ৰাৰ দৃশ্য শব্দৰ তুলিকাত প্ৰকৃতিৰ ৰূপহ বৰ্ণনাৰে অতি সজীৱ হৈ পৰিছে —

মই তেওঁক যোৱাগৈ দেখিছিলোঁ
বেলি লহিওৱাৰ পৰত
পথাৰৰ বঁকিয়াইদি।

মূৰত জাপি
কান্ধত মেটমৰা দুটা ডাঙৰিৰ
জিৰিক্ জিৰিক্ মাত।

এই স্তৱক দুটাত ব্যৱহৃত 'বেলি লহিওৱাৰ পৰ', 'পথাৰৰ বঁকিয়া', 'মূৰত জাপি', 'কান্ধত মেটমৰা দুটা ডাঙৰিৰ' ভাৰ আদি শব্দ চয়নেৰে কবিয়ে পোনপটীয়াকৈ কৈ নিদিলেও বুজিব পৰা যায় যে সেইগৰাকী মানুহ কৰ্মব্যস্ত দিনৰ অন্তত ঘৰলৈ ওভতা এজন সাধাৰণ কৃষক। বাহ্যিক দৃষ্টিত দেখা পোৱা এইখন ছবিৰ অন্য এক গভীৰ ব্যঞ্জনা আছে। ই আমাক আধুনিক জীৱন-যাত্ৰাৰ ধামখুমীয়াত ক্ৰমাৎ হেৰাই যোৱা কৃষি যুগৰ প্ৰাণ-প্ৰাচুৰ্যৰ ঐতিহ্যৰ কথা সোঁৱৰাই দিছে। কৃষি যুগৰ প্ৰাণ-প্ৰাচুৰ্য শিল্প যুগৰ উত্থানে, যান্ত্ৰিক সভ্যতাৰ হাতোৰাই মষিমূৰ কৰি পেলোৱাৰ উপলব্ধি কবিতাটোৰ তৃতীয় স্তৱকত স্পষ্ট হৈ পৰিছে। ইয়াত মাত্ৰ ছটা শাৰীৰে দিন সলনিৰ স্বাভাৱিক গতি আৰু তাৰ অৱশ্যম্ভাৰী পৰিণতি অৱক্ষয় অতি মৰ্মান্তিকভাৱে উপস্থাপন কৰা হৈছে —

তেওঁৰ পাছে পাছে গ'লগৈ
আঘোণৰ সোণসেৰীয়া ৰ'দ
খেৰৰ চুবুৰিটো, বাঁহ বননিৰ
কেঁচা আলিটো
আৰু গান গোৱা চৰাইজাক।

গৈ আছিল আৰু গ'লগৈ।

'পথ বান্ধা বুলি কোৱাতকৈ প্ৰয়োজন এটুকুৰ হ'লেও শিল মাটিত দিয়াৰ' বুলি কবিয়ে উপদেশ দিয়াতকৈ নিজে আৰ্হি হ'ব খোজে।

নির্মলপ্রভা বৰদলৈৰ প্ৰথম কবিতা পুথিখনৰ নাম *বন ফৰিঙৰ ৰং* (১৯৫৭)। ইয়াৰ পৰৱৰ্তী কালত তেওঁৰ *দিনৰ পাছত দিন, সমীপেষু, অন্তৰংগ, সুদীৰ্ঘ দিন আৰু ঋতু* আদি কেইবাখনো কবিতা পুথি প্ৰকাশ পায়। তেওঁৰ *সোণ ৰঙণীয়া আই, সুৰীয়া মাত* আৰু *ফুলৰ এই মেলাতে* নামৰ তিনিখন গীতৰ সংকলনো আছে। *দেৱী, শিৱ* আৰু *সূর্য* — এই তিনিখন তেওঁৰ গৱেষণাধর্মী কালজয়ী গ্ৰন্থ। পৰৱৰ্তী সময়ত তেওঁৰ *জলপদ্ম* নামৰ এখন উপন্যাসো প্ৰকাশ পাইছে। তদুপৰি তেওঁ শিশু-সাহিত্যৰ ক্ষেত্ৰতো পাৰদৰ্শিতা দেখুৱাই থৈ গৈছে। এইবোৰৰ উপৰি কেইবাখনো প্ৰবন্ধ সংকলনে তেওঁৰ সাহিত্যৰ প্ৰতি থকা অনুৰাগৰ স্বাক্ষৰ বহন কৰি আছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ কোনখন কাব্য সংকলনৰ বাবে নির্মলপ্রভা বৰদলৈয়ে সাহিত্য অকাডেমি বঁটা লাভ কৰিছিল?

.....

৫.৪ 'মর্মান্তিক' কবিতাটোৰ মূল পাঠ

মই তেওঁক যোৱাগৈ দেখিছিলোঁ
বেলি লহিওৱাৰ পৰত
পথাৰৰ বঁকিয়াইদি।

মূৰত জাপি
কান্ধত মেটমৰা দুটা ডাঙৰিৰ
জিৰিক্ জিৰিক্ মাত।
তেওঁৰ পাছে পাছে গ'লগৈ
আঘোণৰ সোণসেৰীয়া ৰ'দ
খেৰৰ চুবুৰিটো, বাঁহ বননিৰ
কেঁচা আলিটো
আৰু গান গোৱা চৰাইজাক।

গৈ আছিল আৰু গ'লগৈ।
কোনে জানে
তেওঁ আৰু

এই জন্মত
উভতি আহিবনে নাহে?

৫.৫ মর্মান্তিক

ইতিমধ্যে আমি নির্মলপ্রভা বৰদলৈৰ কাব্যচিন্তা সম্পর্কে চমুকৈ আলোচনা কৰিলোঁ। সেই আলোচনাটিতে এটা কথা স্পষ্ট হৈ উঠিছে যে বৰদলৈৰ কবিতাত যথোপযুক্ত শব্দ চয়নেৰে এক গীতিময়তা প্রদান কৰে। তেওঁৰ প্রায়বোৰ কবিতা পঢ়িলেই এই বৈশিষ্ট্যটো অনুধাৱন কৰিব পাৰি। আমাৰ আলোচ্য মর্মান্তিক কবিতাটোও ইয়াৰে এক প্রকৃষ্ট উদাহৰণ। তলত কবিতাটোৰ বিষয়ে বহলাই আলোচনা আগবঢ়োৱা হ'ল।

৫.৫.১ বিষয়বস্তু

'মর্মান্তিক' নির্মলপ্রভা বৰদলৈৰ এটি স্বল্প পৰিসৰৰ কবিতা। মাত্র যোল্লটা শাৰীৰ এই কবিতাটিৰ মাজেৰে স্পষ্ট হৈ উঠিছে আমাৰ সমাজ জীৱনৰ এটি বিশেষ পৰিস্থিতিৰ এখনি সবাক চিত্র।

মর্মান্তিক শব্দৰ আভিধানিক অর্থ বেদনাদায়ক, হৃদয়বিদাৰক ইত্যাদি। ওপৰে ওপৰে চালে কবিতাটিৰ বিষয়বস্তু নিতান্তই সাধাৰণ। ইয়াত বেদনাজনক বা দুখজনক কোনো ভাবানুষংগ পাবলৈ নাই। কিন্তু কবিতাটিৰ অন্তর্নিহিত অর্থ আক্ষৰিক অর্থতে মর্মান্তিক। এই অর্থ উপলব্ধিৰ পাছত বুজিব পৰা যায় কবিতাটিৰ নামকৰণৰ সার্থকতা।

'মর্মান্তিক' কবিতাৰ প্রথম ছটা শাৰীয়ে আমাৰ দৃষ্টিপটত তুলি ধৰে ঘৰমুৱা এজন সাধাৰণ মানুহৰ ছবি। বেলি লহিওৱাৰ পৰত পথাৰৰ বঁকিয়াইদি ঘৰলৈ ওভতা এই মানুহজনৰ মূৰত জাপি, কান্ধত দুটা মেটমৰা ডাঙৰিৰ ভাৰ। এই মানুহজন যে এজন সাধাৰণ খেতিয়ক সেই কথা কবিয়ে ক'তো কৈ দিয়া নাই। কিন্তু মূৰৰ জাপি আৰু কান্ধৰ মেটমৰা ডাঙৰিৰ ভাৰৰ পৰা সেই কথা সহজে উপলব্ধি কৰিব পাৰি। এনেদৰে শব্দৰ তুলিকাৰে কবিয়ে এগৰাকী কৃষকৰ জীৱন্ত ছবি এখন আমাৰ আগত তুলি ধৰিছে। খেতিপথাৰৰ পৰা বেলি ডুবাৰ পৰত ঘৰলৈ ওভতা কৃষক-জীৱনৰ নিত্য নৈমিত্তিক ঘটনা। ইয়াত দুখ বা খেদৰ কোনো কথা নাই। কিন্তু, কবিতাটিৰ তৃতীয় স্তৰকৰ ছয়টা শাৰীয়ে অন্য এখন ছবি আমাৰ আগত দাঙি ধৰে। খেতিয়কজনৰ পিছে পিছে গুচি গৈছে 'আঘোণৰ সোণসেৰীয়া ৰ'দ', 'খেৰৰ চুবুৰিটো', 'বাঁহ বননিৰ কেঁচা আলিটো' আৰু 'গান গোৱা চৰাইজাক'। 'তেওঁৰ' অর্থাৎ খেতিয়কজনৰ প্রস্থানৰ লগে লগে ইমানবোৰ বস্তু একেলগে গুচি যোৱাটোৱে পাঠকৰ হৃদয়ানুভূতিত আঘাত কৰে। দৰাচলতে কবিয়ে উল্লিখিত ভাবানুষংগবোৰৰ জৰিয়তে কৃষিজীৱী গ্রাম্য সমাজখনত ক্রমান্বয়ে অন্তর্হিত হোৱাৰ প্রতীকী ব্যঞ্জনা আনিছে। আঘোণৰ ৰ'দ, বাঁহ-বননিৰ কেঁচা

আলি, খেৰৰ চুবুৰি আদিয়ে গ্রাম্য কৃষি-জীৱনৰ প্রতিনিধিত্ব কৰিছে। এই সমস্ত দৃশ্যপট 'গৈ আছিল আৰু গ'লগৈ' কথাষাৰৰ দ্বাৰা আমাৰ সমাজ জীৱন পৰা নাইকিয়া হোৱাৰ ইংগিত দিছে। ইয়াত 'তেওঁ' মাত্র এজন কৃষক নহয়, বৰং এটা যুগ — যাক 'কৃষি যুগ' বুলি অভিহিত কৰিব পাৰি। সকলো ফালে ভৰপূৰ তেনে এটি যুগৰ প্রস্থান সঁচাকৈয়ে মর্মান্তিক। কবিতাটিৰ অন্তিম স্তৰকটিৰ চাৰিটা শাৰীয়ে সেই দুখক অধিক যন্ত্রণাদায়ক কৰি তুলিছে। যিটো যুগৰ সৈতে কবিৰ শৈশৱ, কৈশোৰ জড়িত; য'ত আছিল দিগন্ত বিয়পা খেতিপথাৰ, মেটমৰা ভঁৰাল, বাঁহ-বেতেৰে পৰিপূর্ণ এখন পূর্ণাংগ গৃহস্থী, সঁচা মৰম, ভালপোৱা — সেই যুগৰ অৱসান ঘটিল। কবি সংশয়াচ্ছন্ন। কাৰণ 'কোনে জানে তেওঁ বাৰু এই জন্মত উভতি আহিবনে নাহে?' ইয়াৰ উত্তৰ কবিৰ হাতত নাই। কৃষি যুগটোৰ সৈতে কবিৰ যি আত্মিক বন্ধন সেয়া এতিয়া ছিন্ন হ'ল। গতিকে কবি বেদনাহত। সহজ-সৰল কৃষিজীৱী গ্রাম্য জীৱনৰ যি দৃশ্য তাৰ বর্ণনা কবিতাটোত পাবলৈ নাই। সেয়া পাঠকে হৃদয়ানুভূতিৰে উপলব্ধি কৰি ল'ব লাগে। সেইদৰে কৃষি যুগৰ পৰা বিচ্ছিন্ন হৈ কবি যি যুগত ভৰি দিলে তাৰ বিৱৰণো তেওঁ দিয়া নাই। এই দুয়োটা বিপৰীতধর্মী দৃশ্যপট অংকন কৰি লোৱাত পাঠকৰ কোনো অসুবিধা নহয়। কৃষি যুগৰ সমাজ-ব্যৱস্থাৰ অৱলুপ্তিৰ পৰৱর্তী পর্যায়ত আমাৰ বাবে বৈ আছে নগৰকেন্দ্রিক সভ্যতাৰ যান্ত্রিক যুগ। এই যুগত কৃষি যুগৰ অকৃত্রিম মৰম, ভালপোৱা, দয়া-মমতা, আত্মত্যাগ আদি মানৱীয় প্রমূল্যসমূহ অন্তর্হিত হ'ল। স্বার্থপৰতা, যান্ত্রিকতাই এই যুগৰ মানুহক নির্জীৱ, নিষ্প্রাণ কৰি তুলিছে। ভৱিষ্যদ্রষ্টা কবিয়ে যুগসন্ধিত থিয় হৈ সেই মর্মান্তিক দৃশ্যকে দেখিবলৈ পাইছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ 'মর্মান্তিক' শব্দৰ আভিধানিক অর্থ কি?

.....



চিন্তা-চর্চা কৰক — ৫.১

'মর্মান্তিক' কবিতাৰ বিষয়বস্তু সম্পর্কে এটি প্রবন্ধ লিখি উলিয়াওক।

.....

.....

.....

৫.৫.২ সাধাৰণ আলোচনা

নির্মলপ্রভা বৰদলৈৰ 'মর্মান্তিক' এটি ক্ষুদ্রকায় অথচ গভীৰ অর্থব্যঞ্জক কবিতা।